● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

www.dainikagradoot.in

## দিগ্‌দৰ্শন



চলচ্চিত্ৰ বা যিকোনো ব্যৱসায়ত সফল হোৱাৰ ৰহস্যটো হ'ল কোনো বিষয়ত ভালদৰে শিক্ষিত হোৱা, যাতে নিৰ্মাতা বা উদ্যোগীজনে প্ৰত্যয়েৰে দক্ষতাৰে কামত হাত দিব পাৰে।

**জৰ্জ লুকাছ**

*আমেৰিকাৰ ছবি পৰিচালক*

৭ তামিলনাডুৰ কৰ'না পৰিস্থিতিক লৈ উদ্বিগ্ন স্বাস্থ্য মন্ত্ৰণালয়
১৫ আজিৰে পৰা ভাৰত-ইংলণ্ডৰ চতুৰ্থ টেষ্ট
৪ প্ৰধানমন্ত্ৰীৰ অসম ভ্ৰমণ ঃ দল-সংগঠনৰ প্ৰতিক্ৰিয়া আৰু ছাত্ৰ সন্থাৰ কৰণীয়

RNI-Regd No. 62953/96 ■ ষড়বিংশতিতম বছৰ ● ১৪৫তম সংখ্যা ● গুৱাহাটী ● বৃহস্পতিবাৰ ১৯ ফাগুন ১৪২৭ ভাস্কৰাব্দ ৪ মাৰ্চ ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Thursday 4 March 2021 মূল্য ঃ ৭.০০ টকা

■ দিল্লীত বিজেপিৰ হাইকমাণ্ডৰ স'তে মাৰাথন বৈঠক ■ সমষ্টি হেৰুওৱাৰ আশংকাত উৰা মাৰিলে উৎপল-সত্যব্ৰতে ■ লখিমপুৰ-কমলপুৰক লৈ অগপ-বিজেপিৰ মাজত টনা-আঁজোৰা

# অমীমাংসিত আসনৰ বুজাপৰা



*বিজেপিৰ কেন্দ্ৰীয় প্ৰভাৰীৰ স'তে আলোচনাত অগপৰ শীৰ্ষ নেতৃত্ব, মহানগৰীত বুধবাৰে।*

অগ্ৰদূত প্ৰতিবেদক/ষ্টাফ ৰিপ'ৰ্টাৰ

**নতুন দিল্লী/গুৱাহাটী, ৩ মাৰ্চ ঃ** আজিও জল্পনা-কল্পনাতে সীমাবদ্ধ হৈ ৰ'ল বিজেপি নেতৃত্বাধীন মিত্ৰজোঁটৰ আসনৰ বুজাপৰা। যোৱা তিনিদিন ধৰি গুৱাহাটীত অগপ-বিজেপিয়ে নিজাববীয়াকৈ তথা সন্মিলিতভাৱে বৈঠকত মিলিত হয় যদিও স্থানীয়ভাৱে ঐক্যমতত উপনীত হ'ব নোৱাৰাত আজি নতুন দিল্লীলৈ যাত্ৰা কৰে। দিল্লীত বিজেপি-অগপ আৰু ইউপিপিএলৰ নেতৃত্বই বিজেপিৰ শীৰ্ষ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, দলৰ সভাপতি জে পি নড্ডা, জিতেন্দ্ৰ সিং আদিৰ স'তে বৈঠকত মিলিত হয় যদিও আসনৰ ভাগ-বাটোৱাৰা মাজনিশা পৰ্যন্ত চূড়ান্ত নহ'ল। গুৱাহাটীত কালি বৈঠকৰ অন্তত বিজেপিৰ শীৰ্ষ নেতা মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই জনোৱা মতে, মিত্ৰজোঁট ৯৫ শতাংশ ঐক্যমতত উপনীত হৈছে আৰু পাঁচ শতাংশ জটিলতা আছে। ইয়াৰ পাছত আজি পুৱা দিল্লী যাত্ৰাৰ পূৰ্বে অগপ সভাপতি অতুল বৰাৰ বাসগৃহত পুনৰ মিত্ৰজোঁট বৈঠকত মিলিত হোৱাৰ পাছতে আজি মন্ত্ৰী ড° শৰ্মাই সংবাদ মাধ্যমক কয় যে ইতিমধ্যে ৯৯ শতাংশ ঐক্যমতত উপনীত

*১০ পৃষ্ঠাত চাওক*



## কথমপি ৰক্ষা পৰিল ডিফু, বিস্ফোৰণৰ পূৰ্বে গ্ৰেণেডসহ ধৃত যুৱক

**ডিফু, ৩ মাৰ্চ ঃ** নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত আজি এক ভয়াৱহ বিস্ফোৰণৰ পৰা কথমপি ৰক্ষা পৰে ডিফু চহৰ। ডিফু ৰেল ষ্টেছনত এটা গ্ৰেণেড বিস্ফোৰণ ঘটাবলৈ আহিছিল ডিফু ৰেল কলনীৰে নিবাসী পিনাক সুত্ৰধৰ ওৰফে বিজু নামৰ যুৱকজনে। আৰক্ষীয়ে এই সন্দৰ্ভত নিশ্চিত তথ্য লাভ কৰি তালাচী চলাই গ্ৰেণেডসহ যুৱকজনক ষ্টেছনৰ পৰা আটক কৰিবলৈ সক্ষম

*১০ পৃষ্ঠাত চাওক*

■ নিৰ্বাচনৰ প্ৰাকক্ষণত অভিনৱ পদ্ধতিৰে ৰাজ্যৰ অনুসূচিত জাতিৰ কৃষকক প্ৰৱঞ্চনা

## ১.৭৮ লাখটকীয়া পাৱাৰটিলাৰৰ পৰিৱৰ্তে হিতাধিকাৰীক দিছে মাত্ৰ ১০ হেজাৰ টকা



ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ৩ মাৰ্চ ঃ** বিদায়ৰ দুৱাৰডলিত উপস্থিত হোৱা ৰাজ্যৰ বিজেপি চৰকাৰৰ মূল চাৰিটা শ্ল'গান আছিল— দুৰ্নীতিমুক্ত, প্ৰদূষণমুক্ত, বিদেশীমুক্ত আৰু সন্ত্ৰাসবাদমুক্ত অসম। শেষৰ তিনিটা বাদেই, 'দুৰ্নীতিমুক্ত অসম'ৰ যে নাম-গোন্ধেই নাই সেয়া বিগত কালছোৱাত চৰকাৰখনৰ বিৰুদ্ধে উত্থাপিত কে'বাটাও

*১০ পৃষ্ঠাত চাওক*



## ছিপাঝাৰ এৰিব অগপক! ক্ষুব্ধ কৰ্মীৰ নিশাই বাজপেয়ী ভৱনত প্ৰতিবাদ

### পুনৰ বিধায়ক বিনন্দ শইকীয়াক প্ৰাৰ্থিত্বৰ দাবী

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ৩ মাৰ্চ ঃ** মিত্ৰদলক আসন এৰি দিয়াৰ খবৰক কেন্দ্ৰ কৰি উত্তপ্ত হৈ পৰিল বাজপেয়ী ভৱন। যোৱা নিশা ছিপাঝাৰ সমষ্টিৰ একাংশ দলীয় কৰ্মীয়ে হেঙেৰাবাৰীস্থিত ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয় বাজপেয়ী ভৱনত উপস্থিত হৈ এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে। উল্লেখ্য যে যোৱা দিনকেইটাত বিজেপি-অগপ আৰু ইউপিপিএলৰ

*১০ পৃষ্ঠাত চাওক*

■ কংগ্ৰেছৰ এশটা সমষ্টিত প্ৰাৰ্থীৰ পেনেল স্ক্ৰীণিং সমিতিৰ হাতত অৰ্পণ ■ শীঘ্ৰে প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ প্ৰাৰ্থী তালিকা চূড়ান্ত হ'ব

## বিপিএফক ১২-এআইইউডিএফলৈ ১৪টা সমষ্টি এৰিলে কংগ্ৰেছে



ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ৩ মাৰ্চ ঃ** পূৰ্বৰ ৰণনীতি সলনি কৰি আগন্তুক বিধানসভা নিৰ্বাচনৰ বাবে প্ৰাৰ্থী তালিকা এইবাৰ দিল্লীৰ পৰিৱৰ্তে কাইলৈ গুৱাহাটীতে চূড়ান্ত কৰিব কংগ্ৰেছে। আজি খানাপাৰাস্থিত গ্ৰীণউড ৰিজ'ৰ্টত প্ৰদেশ কংগ্ৰেছৰ তত্ত্বাৱধায়ক তথা নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ চাৰিজনকৈ সাধাৰণ

*১০ পৃষ্ঠাত চাওক*

## শিৱসাগৰত প্ৰতিদ্বন্দ্বিতাৰ বাবে মনোনয়ন সংগ্ৰহ কৰিলে অখিল গগৈয়ে

### কংগ্ৰেছে প্ৰাৰ্থিত্ব দিব নে তাকে লৈ জল্পনা-কল্পনা



বিশেষ সংবাদদাতা

**শিৱসাগৰ, ৩ মাৰ্চ ঃ** আগন্তুক বিধানসভা নিৰ্বাচনত নৱগঠিত ৰাইজৰ দলৰ কাৰাবন্দী সভাপতি অখিল গগৈয়ে শিৱসাগৰ সমষ্টিৰ পৰা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাটো নিশ্চিত হৈছে। দ্বিতীয় পৰ্যায়ৰ 'কা' আইন বিৰোধী আন্দোলনৰ কেন্দ্ৰবিন্দু হৈ পৰা শিৱসাগৰ সমষ্টি দখলৰ বাবে শাসকীয় বিজেপিয়ে যৎপৰোনাস্তি

*১০ পৃষ্ঠাত চাওক*

জনগাঁথনিত আঞ্চলিক দল দুটা লগ হ'লেও সংখ্যাগৰিষ্ঠতা নাপায়

## মহাজোঁটত চামিল নোহোৱাত ৰাইজৰ দলৰ উপদেষ্টা পদ ত্যাগ ড° গোহাঁইৰ



### এআইইউডিএফ আৰু আজমল সাম্প্ৰদায়িক নহয়

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ৩ মাৰ্চ ঃ** এআইইউডিএফ অংশীদাৰ হোৱা বাবেই ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে এক মুকলি চিঠি লিখি কংগ্ৰেছ নেতৃত্বাধীন মহাজোঁটত চামিল নোহোৱাৰ ইংগিত প্ৰদান কৰাৰ পাছতে আজি ড° হীৰেন গোহাঁয়ে দলটোৰ উপদেষ্টা পদ ত্যাগ কৰিছে। এক টুইটযোগে তেওঁ উপদেষ্টা পদ ত্যাগ কৰা বুলি ৰাজহুৱা কৰাৰ পাছতে নিৰ্বাচনলৈ মাজত দুটামান দিন থকাত বিজেপিক পৰাভূত কৰিবলৈ এতিয়া কোনো চৰ্ত থাকিব নোৱাৰে বুলি সাংবাদিকৰ আগত মত প্ৰকাশ কৰে। উপদেষ্টা পদ ত্যাগ কৰি ড° গোহাঁয়ে সাংবাদিকৰ আগত ক্ষোভেৰে কয়, 'বিজেপিক পৰাভূত কৰাৰ স্বাৰ্থত ভোট বিভাজন ৰোধ কৰি

*১০ পৃষ্ঠাত চাওক*

■ দলীয় প্ৰাৰ্থিত্ব বিচৰা যিকোনো এজনক টিকট দিলেই সন্তুষ্ট থাকিব ঃ জনালে ৰাজ্যিক নেতৃত্বক ■ কোনোপধ্যে আৰু মানি নলয় বৃন্দাৱনক

## তেজপুৰ অগপক এৰিলে সমূহীয়া পদত্যাগৰ ভাবুকি বিজেপি নেতা-কৰ্মীৰ



অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ৩ মাৰ্চ ঃ** অগপ প্ৰাৰ্থীক কোনো কাৰণতে সমষ্টি এৰি নিদিয়াৰ দাবীত অটল হৈ আছে তেজপুৰৰ বিজেপি নেতা-কৰ্মীসকল। কালি সভাৰ আয়োজন কৰি তেজপুৰ সমষ্টিটো পুনৰ অগপক এৰি দিলে ভোট বৰ্জন কৰিব বুলি হুংকাৰ দিয়া স্থানীয় বিজেপি-নেতাসকলে আজি সমূহীয়া পদত্যাগৰো ভাবুকি দিয়ে। এই সংক্ৰান্তত তেজপুৰ বিজেপিয়ে ৰাজ্যিক নেতৃত্বলৈ ই-মেইল যোগে নিজৰ সিদ্ধান্তৰ বিষয়ে অৱগত কৰিছে। উল্লেখ্য যে এই স্থানীয় বিজেপি নেতা-কৰ্মীসকলে বিগত কিছুদিন ধৰি মুকলিকৈ তেজপুৰৰ অগপ বিধায়ক

*১০ পৃষ্ঠাত চাওক*

## ভেজাল জাতীয়তাবাদত বিশ্বাস নকৰো ঃ গগৈ

## পাঁচ-ছদিনতে প্ৰাৰ্থী ঘোষণা অসম জাতীয় পৰিষদৰ



অগ্ৰদূত বাৰ্তা

**দুলীয়াজান, ৩ মাৰ্চ ঃ** 'আমি শক্তিশালী, স্বাভিমানী জাতি, যিটো জনগণৰ মূল বিষয়বস্তু। আমি জাতীয়তাবাদী ভেটি প্ৰতিষ্ঠা কৰিব বিচাৰিছো, ভেজাল জাতীয়তাবাদ কৰিব নিবিচাৰো।' এই মন্তব্য অসম জাতীয়

*১০ পৃষ্ঠাত চাওক*

■ হাজোত বাস্তৱৰ ছবিখন উদঙালে দাৰিদ্ৰতাই ■ দুটিকৈ শিশু বিক্ৰীত মধ্যস্থতাৰ অভিযোগ চৰকাৰী নাৰ্ছৰ বিৰুদ্ধে

## তিনিদিনীয়া সন্তানক ১০ হেজাৰ টকাত বিক্ৰী কৰিলে দৰিদ্ৰ দম্পতীয়ে

অগ্ৰদূত বাৰ্তা

**হাজো, ৩ মাৰ্চ ঃ** চৰকাৰে যিমানেই উন্নয়ন-বিকাশৰ জয়গান নাগাওক কিয়, জীৱনৰ কঠিন বাস্তৱ যে সম্পূৰ্ণ ভিন্ন তাৰেই উদাহৰণ পোৱা গ'ল তীৰ্থনগৰী হাজোত। সেই কঠিন বাস্তৱকে নগ্নভাৱে উদঙাই দিলে চৰম দৰিদ্ৰতাই। যাৰ বাবে এক মানৱক সমাজক লজ্জানত কৰিব পৰা হৃদয় বিদাৰক ঘটনাৰ সাক্ষী হ'ল হাজো। চৰম দাৰিদ্ৰতাৰ জ্বালা-যন্ত্ৰণা সহ্য কৰিব নোৱাৰি এক দম্পতীয়ে নিজৰ তিনিদিনীয়া পুত্ৰ সন্তানক বিক্ৰী কৰাৰ দৰে মানৱতাহীন কাৰ্যত লিপ্ত হোৱাৰ বাতৰি ফাদিল হৈছে। এই ঘটনাত এগৰাকী চৰকাৰী নাৰ্ছ জড়িত থকাৰো অভিযোগ উঠিছে। অভিযোগ অনুসৰি, হাজোৰ দ্বীপলাং গাঁৱৰ নিবাসী উমেশ কলিতা আৰু প্ৰণীতা কলিতাই

*১০ পৃষ্ঠাত চাওক*



*দিছপুৰৰ মন্ত্ৰী কল'নীত প্ৰাৰ্থিত্ব প্ৰত্যাশীৰ ভিৰ, বুধবাৰে।*

## বিশ্বাসঘাতক বিজেপিক এশিকনি দিবলৈ সাজু বিপিএফ

### বিটিচিৰ বাহিৰতো বিপদত পৰিব বিজেপি-অগপ প্ৰাৰ্থী ঃ বড়ো

অগ্ৰদূত বাৰ্তা

**কোকৰাঝাৰ, ৩ মাৰ্চ ঃ** 'সমাগত বিধানসভাৰ নিৰ্বাচনত বিশ্বাসঘাতকতা কৰা বিজেপিক এশিকনি দিয়াৰ বাবে সম্পূৰ্ণৰূপে প্ৰস্তুত হৈছে বিপিএফ। ২০১৬ৰ বিধানসভা নিৰ্বাচনত হাগ্ৰামা মহিলাৰী নেতৃত্বাধীন বিপিএফে বিজেপি-অগপৰ লগত মিত্ৰতা কৰাৰ বাবে সংখ্যাগৰিষ্ঠ আসন লাভ কৰি চৰকাৰ গঠন কৰিবলৈ সক্ষম হৈছিল। ইয়াৰ পাছতো বিজেপিয়ে বিপিএফৰ লগত যি বিশ্বাসঘাতকতা কৰিলে, ২০২১ৰ নিৰ্বাচনত ইয়াৰে

*দুই পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ২৮° | ১৪° |
| ডিব্ৰুগড় | ২৭° | ১৬° |
| দিল্লী | ৩১° | ১৫° |
| কলকাতা | ৩২° | ২০° |
| মুম্বাই | ৩৫° | ২৫° |
| চেন্নাই | ৩৪° | ২২° |
| বাংগালুৰু | ৩৩° | ১৬° |
| শ্বিলং | ২২° | ০৯° |

*৩ মাৰ্চ, ২০২১*

## গৱেষক ছাত্ৰীৰ অভিযোগত নিলম্বিত জ্যেষ্ঠ অধ্যাপক

### অশালীন ব্যৱহাৰৰ

ষ্টাফ ৰিপ'ৰ্টাৰ

**যোৰহাট, ৩ মাৰ্চ ঃ** এজন অধ্যাপকে ছাত্ৰীক অশালীন আচৰণ কৰাৰ অভিযোগে আজি জোকাৰণি তুলিলে অসম কৃষি বিশ্ববিদ্যালয়ত। এগৰাকী গৱেষক

*দুই পৃষ্ঠাত চাওক*

■ স্ব-জনগোষ্ঠীক পণবন্দী কৰি ব্যক্তিগত স্বাৰ্থ পূৰণত ক্ষোভৰ জুই

## ৰণোজ-ভুৱনক বিদায় দিয়াৰ সময় উপস্থিত ঃ সৰৱ মিচিং সংগঠন



ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ৩ মাৰ্চ ঃ** ধেমাজিৰ শাসকীয় দলৰ বিধায়ক ডাঃ ৰণোজ পেগুৰ নেগুৰত ধৰি জোনাইৰ সন্মিলিত গণশক্তিৰ একমাত্ৰ বিধায়ক ভুৱন পেগুৱে বিজেপিত যোগদান কৰাৰ লগে লগে সাধাৰণ মিচিং সমাজ জাঙুৰ খাই উঠিছে। মিচিং অধ্যুষিত অঞ্চলত গণতান্ত্ৰিক প্ৰতিবাদ চলি থকাৰ উপৰি ঠায়ে ঠায়ে এই প্ৰতিবাদে ক্ৰমান্বয়ে হিংসাত্মক ৰূপ ধাৰণ কৰিছে। বলিউদী চিনেমাৰ ষ্টাইলত ক'বলৈ গ'লে এয়া কেৱল নৃত্যনাটিকাহে। চিনেমা

*১০ পৃষ্ঠাত চাওক*

■ কাৰ্বি আংলং-তেজপুৰত পাঁচ লাখ জব্দ


## আচৰণ বিধিৰ পাছতে ৰাজ্যত ৬৪.৪৩ লাখ নগদ ধন-৫৩ লাখৰ সুৰা জব্দ

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ৩ মাৰ্চ ঃ** সমাগত অসম বিধানসভা নিৰ্বাচনৰ 'নিৰ্বাচনী আচৰণ বিধি' বলবৎ হোৱাৰ পৰা আজিলৈকে অসম আৰক্ষী, ফ্লায়িং স্কোৱাড আৰু আবকাৰী বিভাগৰ অভিযানত ৰাজ্যৰ বিভিন্ন প্ৰান্তত বৃহৎ পৰিমাণৰ নগদ ধন আৰু সুৰা জব্দ কৰা হৈছে। যোৱা ২৬ ফেব্ৰুৱাৰীত আচৰণ বিধি বলবৎ হোৱাৰ পিছদিনা অৰ্থাৎ ২৭ ফেব্ৰুৱাৰীত ২০,৭০,০০০ টকা, পহিলা মাৰ্চত ৮,৬০৫টকা, দুই মাৰ্চত ৫,৬২,০৯০ টকা আৰু আজি ৩৮,২,৪০০ টকা মিলি সৰ্বমুঠ ৬৪,৪৩,০৯৫ টকা আৰক্ষী আৰু ফ্লায়িং স্কোৱাডে জব্দ কৰিছে। আনহাতে, আৰক্ষী আৰু আবকাৰী বিভাগে পৃথকে পৃথকে চলোৱা অভিযানত যোৱা ২৬ ফেব্ৰুৱাৰীত মুঠ ৭,৬৫৯ লিটাৰ, ২৭ফেব্ৰুৱাৰীত ১২,৪০২ লিটাৰ, ২৮ ফেব্ৰুৱাৰীত ১০,০৩২ লিটাৰ,

*১০ পৃষ্ঠাত চাওক*

## চেঙা তেল



*বেলেগ বেলেগ ৰঙৰ মাস্ক আনি লৈছো, সকলো দলৰে মিটিঙলৈ যাব লাগিব যে!*

## জৰুৰীকালীন অৱস্থা ঘোষণা এক ভুল আছিল ঃ ৰাহুল

আৰ এছ এছে ভাৰতৰ প্ৰতিষ্ঠানসমূহৰ স্বতন্ত্ৰতাত পদ্ধতিগতভাৱে আক্ৰমণ কৰিছে




■ নিউজ ব্যু'ৰ

**নতুন দিল্লী, ৩ মাৰ্চ ঃ** 'দেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে ১৯৭৫ৰ পৰা ১৯৭৭লৈ দেশত বলবৎ কৰা জৰুৰীকালীন অৱস্থা এক ভুল আছিল। এই সময়ছোৱাত যিসমূহ ঘটনা হৈছিল সেইবোৰো ভুল আছিল।' কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে আজি এইদৰে কয়। 'মই ভাবো সেয়া ভুল আছিল। একেবাৰে ভুল আছিল। মোৰ আইতাই যিমান সম্ভৱ পাৰি কৈছিল; কিন্তু কংগ্ৰেছে ভাৰতৰ প্ৰতিষ্ঠানিক গাঁথনি দখল কৰিবলৈ কোনো বিন্দুতে চেষ্টা কৰা নাছিল। মুকলিকৈ ক'বলৈ গ'লে সেই সামৰ্থ্যও নাছিল।' দিল্লীৰ এক অনুষ্ঠানত আজি এইদৰে মন্তব্য কৰি ৰাহুলে পুনৰ কয় যে জৰুৰীকালীন অৱস্থাৰ সময়ত সাংবিধানিক অধিকাৰ আৰু নাগৰিকৰ অধিকাৰ খৰ্ব কৰা হৈছিল, সংবাদ মাধ্যমৰ ওপৰত ভয়াৱহ ৰূপত হস্তক্ষেপ কৰা হৈছিল আৰু বহু বিৰোধী নেতাক কাৰাগাৰলৈ নিক্ষেপ কৰা হৈছিল।

জৰুৰীকালীন অৱস্থাত বৰ্তমানৰ শাসকীয় বিজেপি নেতাসকলো কাৰাবন্দী

*১০ পৃষ্ঠাত চাওক*



**LOST**

I have lost my D. EL. ED. Mark Sheet cum Certificate vide Registration No. 07380261, Code of study centre 0734 of 2019.
Elima Begum
D/o-Iyakub Hussain
Bilasipara, W/No.-9.

**AFFIDAVIT**

I Sri Rudra Bahadur Chetry, S/o Lt. Bira Bahadur Chetry, Gormora Nepali Gaon, P.O.: Dhani Chapori, P.S.: Dergaon, Dist.: Golaghat, Assam, do hereby declared by an affidavit before Notary Bokakhat on 19/02/2021 that Rudra Bahadur Chetry and Ram Bahadur Chetry is the one and same person having single identity i.e. myself.

**AFFIDAVIT**

I Bhisma Durlov Mahanta, S/o Lt. Durlov Chandra Mahanta, K.K. Road, Kathiatoli, Uparban Lalung Gaon, P.S.: Kampur, Dist.: Nagaon, Assam, do hereby declared by an affidavit before Addl. District Magistrate Nagaon (Assam) on 25-02-2021 that, Bhisma Durlov Mahanta and Bhisma Mahanta is the one and same person having single identity i.e. myself.

**জ্যোতিষ**

১০০% Guarantee সহ আপোনাৰ সমস্যা যিমানে কঠিন নহওক কিয় বা যিমানে জটিল নহওক সমাধান পাবই। মায়ং প্ৰশিক্ষিত জ্যোতিষী। D. Sarmah, (M) 80993-36044

**ASTROLOGY/জ্যোতিষী**

ত্ৰিকাল মহাভৈৰৱ তন্ত্ৰ কেন্দ্ৰ ও আচল ৰত্নৰ ৰাজভাণ্ডাৰ ৰত্নসাগৰ অসমত সৰ্বপ্ৰথম একমাত্ৰ ১৮টা বিদ্যাৰ দ্বাৰা একেলগে, একে ঠাইত সংমিশ্ৰিত, বিশ্লেষিত সকলো সমস্যাৰ গেৰাণ্টীযুক্ত সমাধান। সৰ্বমনোকামনা পূৰণকাৰী মহাকাল ভৈৰৱ কৰচত সকলো সমস্যা তিনি ঘণ্টাৰ পৰা সমাধান। জ্যোতিষ, বাস্তু, তান্ত্ৰিক সম্ৰাট.... ত্ৰিকাল ৰাজগুৰু, কুঁৱৰীটোল, কলিয়াবৰ, নগাঁও- 9954021556, 9947066469.

# তিৱা অধ্যুষিত অঞ্চলৰ বিদ্যালয় বন্ধ নকৰিবলৈ আহ্বান শিক্ষাৰ্থী-অভিভাৱকৰ

## চৰকাৰী নিৰ্দেশনাত বন্ধ হোৱাৰ আশংকা ৰহা কটহগুৰি মধ্য ইংৰাজী বিদ্যালয়

**অগ্ৰদূত বাৰ্তা**
**ৰহা, ৩ মাৰ্চ ঃ** ৰাজ্যৰ অপ্ৰাদেশিকীকৃত বিদ্যালয়ৰ পদ নিয়মীয়াকৰণৰ বাবে ৰাজ্য চৰকাৰে প্ৰণয়ন কৰা সংশোধিত নীতি অনুযায়ী অলপতে কে'বা হেজাৰ অপ্ৰাদেশিকীকৃত বিদ্যালয়ৰ শিক্ষকক টিউটৰ হিচাপে নিযুক্তি প্ৰদান কৰি নিকটৱৰ্তী 'বেচ বিদ্যালয়'ত যোগদানৰ চৰকাৰী নিৰ্দেশনা প্ৰেৰণ কৰাৰ পাছতেই সমগ্ৰ ৰাজ্যতে প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱাৰ লগতে নগাঁও জিলাতো তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। অভিযোগ অনুসৰি ৰহা প্ৰাথমিক শিক্ষা খণ্ডৰ অন্তৰ্গত বহুসংখ্যক অপ্ৰাদেশিকীকৃত বিদ্যালয়ৰ কিছু কিছু শিক্ষকৰ পদ প্ৰাদেশিকীকৰণ কৰি 'বেচ স্কুল'ৰ নামত নিযুক্তি দিয়া হয় যদিও ইয়াকে লৈ তীব্ৰ অসন্তুষ্টিৰ সৃষ্টি হৈছে। ৰহাৰ নিকটৱৰ্তী কটহগুৰি মধ্য ইংৰাজী বিদ্যালয়খনো চৰকাৰী নিৰ্দেশনা অনুসৰি পাঁচজন শিক্ষকৰ ভিতৰত তিনিজনহে শিক্ষকক টিউটৰ হিচাপে নিকটৱৰ্তী সৰাগাঁও মধ্য ইংৰাজী বিদ্যালয়ত নিযুক্তি দিয়াত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ইয়াকে লৈ যোৱা ২২ ফেব্ৰুৱাৰীত কটহগুৰি মধ্য ইংৰাজী বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত হয় এখন সাধাৰণ সভা। প্ৰায় পাঁচ শতাধিক লোক উপস্থিত থকা সভাত চৰকাৰৰ এনে প্ৰাদেশিকীকৰণ নীতিক সমালোচনা কৰি স্থানীয় কে'বাগৰাকী বিশিষ্ট ব্যক্তিয়ে এনে চৰকাৰী নীতি সাল-সলনি কৰা প্ৰয়োজন বুলি মন্তব্য কৰে। স্থানীয় ৰাইজৰ অভিযোগমৰ্মে তিৱা অধ্যুষিত অঞ্চলত ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক ক্ষেত্ৰ প্ৰসাৰৰ বাবে ১৯৯২তে ৰাইজে স্থাপন কৰিছিল কটহগুৰি মধ্য ইংৰাজী বিদ্যালয়খন। গাঁওবাসী ৰাইজৰ কঠোৰ শ্ৰম আৰু কষ্টৰ লগতে বিভিন্নজন লোকক আবেদন-নিবেদন কৰি বিদ্যালয় গৃহ আৰু চৌহদ আদিও পকীকৰণ কৰি ছাত্ৰ-ছাত্ৰীৰ সুবিধা প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। তদুপৰি প্ৰায় পাঁচ বিঘা মাটিকালিত বিদ্যালয়খন স্থাপন কৰা হৈছে যদিও শেহতীয়াকৈ ৰাজ্য চৰকাৰৰ শিক্ষা বিভাগে এই বিদ্যালয়খনক ওচৰৰ সৰাগাঁও মধ্য ইংৰাজী বিদ্যালয়ৰ লগত চামিল কৰিবলৈ নিৰ্দেশ প্ৰদান কৰাত গাঁওখনৰ বিদ্যালয়খন বন্ধ হোৱাৰ শংকা আহি পৰাৰ লগতে অসন্তুষ্টিও প্ৰকাশ কৰিছে গাঁওবাসীয়ে। উল্লেখ্য যে ৫১১ ঘৰ তিৱা আৰু কোচ সম্প্ৰদায়ৰ লোকে বসবাস কৰা কটহগুৰি গাঁওখনৰ অধিকাংশ ছাত্ৰ-ছাত্ৰীয়ে চৰকাৰী সমসাজ আৰু মধ্যাহ্ন ভোজন আদি লাভ কৰি সৰাগাঁও মধ্য ইংৰাজী বিদ্যালয়ত অধ্যয়ন কৰি আছে। যদিহে চৰকাৰে কটহগুৰি মধ্য ইংৰাজী বিদ্যালয়খনকো চৰকাৰী মৰ্যাদাৰ সুবিধা প্ৰদান কৰি বিদ্যালয়খন পূৰ্ণাংগ কৰে তেন্তে বৃহৎ গাওখনৰ ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যৎ উজ্বল হ'ব বুলি দৃঢ় মত পোষণ কৰে। সেয়ে শিক্ষা বিভাগে কটহগুৰি মধ্য ইংৰাজী বিদ্যালয়খনৰ 'বেচ স্কুল'ৰ সলনি কৰি পূৰ্ণাংগ বিদ্যালয় হিচাপে ৰাখিবলৈ দাবী জনোৱাৰ লগতে বাকী থকা তিনিওটা পদ প্ৰাদেশিকীকৰণ কৰিবলৈ দাবী জনাইছে।

# খৰমুজা উন্নয়ন বিষয়াৰ ব্যাপক দুৰ্নীতি

## সচিবক ১০ গৰাকীকৈ পঞ্চায়ত সভাপতি-অঞ্চলিক সদস্যৰ অভিযোগ

**অগ্ৰদূত বাৰ্তা**
**মাটিয়া, ৩ মাৰ্চ ঃ** গোৱালপাৰা জিলাৰ খৰমুজা উন্নয়ন খণ্ডৰ বিষয়া মাহমাদুল হাছানে ব্যাপক দুৰ্নীতিত লিপ্ত হোৱা বুলি গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। বিষয়াজনৰ বিৰুদ্ধে কে'বাটাও গুৰুতৰ অভিযোগ উত্থাপন কৰি উন্নয়ন খণ্ডটোৰ অন্তৰ্গত ১০ গৰাকীকৈ পঞ্চায়ত সভাপতি-সভানেত্ৰী আৰু আঞ্চলিক সদস্য-সদস্যাই পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ আয়ুক্ত আৰু সচিবক লিখিত অভিযোগ দাখিল কৰিছে। অভিযোগ মতে উন্নয়নমূলক প্ৰতিটো আঁচনিৰ অনুমোদনৰ লগতে ৰূপায়ণৰ নামত মুকলিকৈ কমিছন বিচৰাটো বিডিঅ' গৰাকীৰ বাবে একপ্ৰকাৰ অভ্যাসত পৰিণত হৈছে। ইপিনে, কোনো আঁচনি বা উন্নয়নমূলক কামৰ কথা ক'বলৈ তেওঁ কাষ চাপিলে সদায় দুৰ্ব্যৱহাৰ কৰা, আঞ্চলিক পঞ্চায়তৰ সভা আহ্বান নকৰা, গোৱালপাৰাত বিভাগীয় কাম থকাৰ অজুহাতত নিয়মিতভাৱে উন্নয়ন খণ্ডৰ কাৰ্যালয়ত অনুপস্থিত থাকি ৰাইজ সেৱাৰ পৰা বঞ্চিত কৰা আৰু গোৱালপাৰা চহৰৰ স্থায়ী বাসিন্দা তথা গৃহ জিলাত কৰ্মৰত হোৱা সত্ত্বেও নিৰ্বাচনী নিয়ম মতে বদলি নকৰা বুলি অভিযোগ পত্ৰত উল্লেখ কৰিছে। সেয়েহে উচ্চ পৰ্যায়ৰ তদন্তৰ জৰিয়তে ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে পঞ্চায়ত প্ৰতিনিধিসকলে। অভিযোগ পত্ৰৰ প্ৰতিলিপি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰীলৈও প্ৰেৰণ কৰে। উল্লেখ্য যে জিলাখনৰ ভিতৰত এমজিএনৰেগা আৰু চতুৰ্দশ বিত্তীয় আয়োগৰ আঁচনি ৰূপায়ণৰ নামত খৰমুজা উন্নয়ন খণ্ডত সৰ্বাধিক দুৰ্নীতি সংঘটিত হোৱা বুলি ৰাজহুৱা অভিযোগ উত্থাপিত হৈছে। বিশেষকৈ উৰ্ধ্বতম কৰ্তৃপক্ষক মেনেজ কৰি এমজিএনৰেগা আঁচনিৰ অভিলেখ সংখ্যক আঁচনিৰ অনুমোদন কৰাই ভাড়াতীয়া জবকাৰ্ডৰে এক অঘোষিত লুণ্ঠনৰাজ চলোৱা বুলি এক গুৰুতৰ অভিযোগ উত্থাপিত হৈছে।

# চৰাইদেউ নিৰ্বাচনী জিলাৰ ব্যয় পৰ্যবেক্ষক

**অগ্ৰদূত বাৰ্তা**
**মৰাণ, ৩ মাৰ্চ ঃ** চৰাইদেউ নিৰ্বাচনী জিলাৰ অন্তৰ্গত মাহমৰা বিধানসভা সমষ্টি আৰু সোণাৰি বিধানসভা সমষ্টিৰ ব্যয় পৰ্যবেক্ষক হিচাপে নিযুক্ত হৈছে ভাৰতীয় ৰাজহ সেৱাৰ ২০০৯ৰ বিষয়া আৰ এ প্ৰবীণ কুমাৰ। ব্যয় পৰ্যবেক্ষক কুমাৰে আজি চৰাইদেউ জিলাৰ উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত মাহমৰা বিধানসভা সমষ্টি সোণাৰি বিধানসভা সমষ্টিৰ অন্তৰ্গত ইতিমধ্যে নিৰ্বাচনী দায়িত্ব পালন কৰি থকা বিভিন্ন নিৰ্বাচনী কোষৰ ভাৰপ্ৰাপ্ত বিষয়া আৰু নডেল বিষয়াসকলৰ স'তে এক পৰ্যালোচনা সভাত মিলিত হয়। সভাত ব্যয় পৰ্যবেক্ষকজনে নিৰ্বাচনী সংক্ৰান্তীয় নিয়মাৱলী সন্দৰ্ভত সভাত উপস্থিত বিষয়াসকলৰ স'তে আলোচনা কৰে। বিষয়াজনে প্ৰকাশ কৰা অনুসৰি, হোৱাটছএপ নম্বৰ হ'ল ৮০৯৯৫৩১২৯৯ আৰু ফোন নম্বৰ হ'ল ৬৯৯১৪৮৯৪৫৪। নিৰ্বাচনী সংক্ৰান্তীয় বিষয়ত ব্যয় পৰ্যবেক্ষকজনৰ ওপৰোক্ত ফোন নম্বৰত যোগাযোগ কৰিব পাৰিব। আনহাতেদি, চৰাইদেউ জিলাৰ উপায়ুক্ত পলাশ ৰঞ্জন ঘৰফলীয়ায়ো পৰ্যালোচনা সভাত নিৰ্বাচনী দায়িত্ব পালন কৰি থকা বিভিন্ন কোষৰ বিষয়াবৰ্গক নিজ নিজ দায়িত্ব আৰু কৰ্তব্য সূচাৰুৰূপে পালন কৰিবলৈ আহ্বান জনায়। তেওঁ প্ৰকাশ কৰা অনুসৰি চৰাইদেউ জিলাৰ 'জিলা নিয়ন্ত্ৰণ কক্ষৰ' ফোন নম্বৰ হ'ল ০৩৭৭২২৫৬৫৮৮। নিৰ্বাচন সংক্ৰান্তীয় যিকোনো বিষয়ত এই নম্বৰত যোগাযোগ কৰিব পাৰিব। আনহাতেদি, আৰক্ষী আৰু আইন-শৃংখলাজনিত বিষয়ত আৰক্ষী নিয়ন্ত্ৰণ কক্ষৰ ফোন নম্বৰ ৬০২৬৯০০২৯২ত যোগাযোগ কৰিব পাৰিব।

# গোসাঁইগাঁৱত প্ৰধান শিক্ষকৰ অনিয়মীয়া উপস্থিতি

**দোতমা, ৩ মাৰ্চ ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও শিক্ষাখণ্ডৰ অন্তৰ্গত দুই নম্বৰ কদমগুৰি বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ বিৰুদ্ধে অনিয়মীয়া উপস্থিতিৰ অভিযোগ উত্থাপিত হৈছে। প্ৰধান শিক্ষক লুটফৰ আলীয়ে বিদ্যালয়ত নিয়মীয়াকৈ উপস্থিত নাথাকে বুলি দীৰ্ঘদিন ধৰি অভিযোগ উত্থাপিত হৈ আহিছিল। প্ৰধান শিক্ষকজনৰ বিৰুদ্ধে সৰৱ হৈ স্থানীয় ৰাইজৰ লগত সদৌ বিটিচি সংখ্যালঘু ছাত্ৰ সন্থাই এইক্ষেত্ৰত উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে। প্ৰধান শিক্ষকজনে নিয়মীয়াকৈ বিদ্যালয়ত উপস্থিত নথকাৰ সন্দৰ্ভত পূৰ্বে স্থানীয় ৰাইজে শিক্ষা বিভাগৰ ঊৰ্ধ্বতন কৰ্তৃপক্ষক অৱগত কৰিছিল যদিও এই ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰা নাছিল। আজি সদৌ বিটিচি সংখ্যালঘু ছাত্ৰ সন্থাৰ আনঠাইবাৰী আঞ্চলিক সমিতিৰ সম্পাদক জয়ছাৰ আলীয়ে এইক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিবলৈ শিক্ষা বিভাগক দাবী জনাইছে।

# মানাহ মাউজিগেন্দ্ৰি ইক'ট্যুৰিজিম ছ'চাইটিলৈ বঁটা

**অগ্ৰদূত বাৰ্তা**
**শালবাৰী, ৩ মাৰ্চ ঃ** বাগ্‌সা জিলাৰ অগ্ৰণী বেচৰকাৰী প্ৰকৃতিপ্ৰেমী সংগঠন মানাহ মাউজিগেন্দ্ৰি ইক'ট্যুৰিজিম ছ'চাইটিলৈ প্ৰকৃতি সুৰক্ষাৰ ক্ষেত্ৰত আগবঢ়াই অহা অৱদানৰ বাবে আগবঢ়োৱা হৈছে 'ইণ্ডিয়ান ৰেছপনছিবল ট্যুৰিজিম এৱাৰ্ড-২০২১। 'দ্য আউটলুক ৰেছপনচিবল ট্যুৰিজিম ইনিছিয়েটিভ' নামৰ সংস্থাটোৱে এই সন্মানীয় বঁটা যোৱা ২৪ ফেব্ৰুৱাৰীত ওড়িছাৰ কনাৰ্কত আয়োজিত এক অনুষ্ঠানৰ যোগেদি প্ৰদান কৰে। সংগঠনটোৰ হৈ বঁটা গ্ৰহণ কৰে সংগঠনটোৰ সভাপতি কালিচৰণ বসুমতাৰীয়ে। উল্লেখ্য যে বিশ্ব ঐতিহ্য ক্ষেত্ৰ মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ প্ৰকৃতি-বন্যপ্ৰাণী সুৰক্ষাৰ ক্ষেত্ৰত বিগত ২০০৩ৰ পৰাই স্বেচ্ছাসেৱী সংগঠনটোৱে নিৰৱচ্ছিন্নভাৱে সেৱা আগবঢ়াই আহিছে। প্ৰকৃতি সুৰক্ষাৰ ক্ষেত্ৰত সংগঠনটোৱে আগবঢ়াই অহা অৱদানৰ বাবে ইতিপূৰ্বেও অনিৰুদ্ধ ভাৰ্গৱ ইনটেক এনভাৰনমেণ্ট এৱাৰ্ড-২০০৫, অমৃতা দেৱী বিষ্ণৈ ৱাইল্ডলাইফ প্ৰটেকছন এৱাৰ্ড-২০০৬ আদি কে'বাটাও ৰাষ্ট্ৰীয় পৰ্যায়ৰ বঁটা লাভ কৰিবলৈ সক্ষম হৈছে।

# বোকাখাত প্ৰশাসনৰ পৰ্যায়ৰ প্ৰিজাইডিং-প'লিং বিষয়াৰ প্ৰশিক্ষণ

**বোকাখাত, ৩ মাৰ্চ ঃ** ভাৰতৰ নিৰ্বাচনী আয়োগে বিধানসভা নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ পাছতে বোকাখাত মহকুমা প্ৰশাসনে নিৰ্বাচনী প্ৰস্তুতি অব্যাহত ৰাখিছে। বিধানসভা নিৰ্বাচনৰ সুপৰিচালনাৰ বাবে বিভিন্ন কোষ গঠন কৰি মহকুমাধিপতি তথা বোকাখাত নিৰ্বাচনী জিলাৰ জিলা নিৰ্বাচনী বিষয়া বিপুল দাসে প্ৰতিটো কোষৰ বিষয়া-কৰ্মচাৰীকে নিষ্ঠাসহকাৰে নিজ নিজ দায়িত্ব পালন কৰিবলৈ নিৰ্দেশ দিছে। আগন্তুক নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি প্ৰথম পৰ্যায়ৰ প্ৰিজাইডিং বিষয়া আৰু প্ৰথম প'লিং বিষয়াসকলৰ প্ৰশিক্ষণ আজি বোকাখাত চন্দ্ৰনাথ বেজবৰুৱা মহাবিদ্যালয়ত অনুষ্ঠিত হয়। সম্পূৰ্ণ ক'ভিড নীতি-নিৰ্দেশনাৰ মাজেৰে দুটা পৰ্যায়ত আয়োজিত এই প্ৰশিক্ষণত কে'বাগৰাকীও এ এল এম টি বিষয়াই প্ৰিজাইডিং আৰু প্ৰথম প'লিং বিষয়ক প্ৰথম পৰ্যায়ৰ প্ৰশিক্ষণ প্ৰদান কৰে। প্ৰশিক্ষণকালত নিৰ্বাচনী বিষয় নীতিশা বৰাই উপস্থিত সকলো প্ৰিজাইডিং আৰু প্ৰথম প'লিং বিষয়া ই ভি এম আৰু ভি ভি পেট সম্পৰ্কত আলোকপাত কৰাৰ লগতে নিৰ্বাচনী আয়োগে প্ৰণয়ন কৰা ক'ভিড নীতি-নিৰ্দেশনাসমূহৰ বিষয়েও উল্লেখ কৰে। উল্লেখ্য যে বোকাখাত বিধানসভা সমষ্টিত ১৮৫ টা ভোট গ্ৰহণ কেন্দ্ৰত নিৰ্বাচন অনুষ্ঠিত হ'ব। ইয়াৰে আঠটা ভোটগ্ৰহণ কেন্দ্ৰ নগৰাঞ্চলত আৰু ১৭৭ টা গ্ৰামাঞ্চলত অৱস্থিত। ৩১টা সহায়ক ভোটগ্ৰহণ কেন্দ্ৰও স্থাপন কৰা হৈছে। সমষ্টিটোত ১০টা ভোটদান কেন্দ্ৰক জটিল ভোটগ্ৰহণ কেন্দ্ৰ বুলি চিনাক্ত কৰা হৈছে। বোকাখাত বিধানসভা সমষ্টিত মুঠ ভোটাৰৰ সংখ্যা হৈছে ১,৪৪,৩৬৩গৰাকী। ইয়াৰে পুৰুষ ভোটাৰৰ সংখ্যা হৈছে ৭২৪২০ আৰু মহিলা ভোটাৰৰ সংখ্যা হৈছে ৭১,৯৪৩ গৰাকী। ১৮ৰ পৰা ১৯ বছৰ বয়সৰ ভোটাৰৰ সংখ্যা হৈছে ১৮৯৭ আৰু ৮০ বছৰ উৰ্ধ্বৰ ভোটাৰৰ সংখ্যা হৈছে ১৩৫৬। বিশেষভাৱে সক্ষম ভোটাৰৰ সংখ্যা হৈছে মুঠ ৯৪২ গৰাকী। ইয়াৰে পুৰুষ ভোটাৰৰ সংখ্যা হৈছে ৪৫৬ আৰু মহিলা ভোটাৰৰ সংখ্যা ৪৮৬। বিধানসভা সমষ্টিটোত মুঠ ডি ভোটাৰৰ সংখ্যা হৈছে ২১২ গৰাকী। আনহাতে, মুঠ ছাৰ্ভিচ ভোটাৰ আছে ৩৫৩ গৰাকী। আগন্তুক বিধানসভা নিৰ্বাচনৰ বাবে বিধানসভা সমষ্টিত ছটা জ'ন আৰু ১৭টা ছেক্টৰত বিভক্ত কৰি জ'নেল আৰু ছেক্টৰ বিষয়াসকলক নিযুক্তি দিয়া হৈছে। ভোটদান প্ৰক্ৰিয়া সুচাৰুৰূপে অনুষ্ঠিত কৰিবলৈ ২৫৯ গৰাকী প্ৰিজাইডিং বিষয়া আৰু ৭৭৭ গৰাকী প'লিং বিষয়া নিযুক্তি দিয়া হৈছে। আনহাতে, বোকাখাত সমষ্টিৰ নিৰ্বাচন সংক্ৰান্তীয় যিকোনো তথ্যৰ বাবে ৰাইজে ০৩৭৭৬-১৯৫০ টোলফ্ৰী নম্বৰত যোগাযোগ কৰিব পাৰিব।

# বৰপেটা জিলাত ৮০ উৰ্দ্ধৰ ভোটাৰ ১৫,৬২৩ গৰাকী

**বিশেষ সংবাদদাতা**
**বৰপেটা, ৩ মাৰ্চ ঃ** বৰপেটা জিলাত ৮০ উৰ্দ্ধৰ ভোটাৰ আছে ১৫৬২৩জন। আনহাতে, বিশেষভাৱে সক্ষম ভোটাৰ আছে ১৫৮৫ গৰাকী। এওঁলোকক এইবাৰ ঘৰতে থাকি পোষ্টেল বেলটযোগে ভোটদানৰ সুবিধা প্ৰদান কৰাৰ বাবে নিৰ্বাচন আয়োগৰ নিৰ্দেশ ক্ৰমে বৰপেটা দিলা প্ৰশাসনে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। যোৱা দুই মাৰ্চত জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ সভা কক্ষত অনুষ্ঠিত এখন সংবাদমেলত এই কথা প্ৰকাশ কৰি বৰপেটা জিলাৰ উপায়ুক্ত মুনীন্দ্ৰ শৰ্মাই কয় যে এই দুই শ্ৰেণীৰ ভোটাৰৰ ঘৰে ঘৰে গৈ বি এল অ' অৰ্থাৎ ভোট কেন্দ্ৰ বিষয়াই নিৰ্দিষ্ট প্ৰ-পত্ৰ বিতৰণ, পূৰণ আৰু সংগ্ৰহ কৰিব। অহা ১০ মাৰ্চৰ ভিতৰত এই প্ৰ-পত্ৰসমূহ কৰাৰ পাছত অহা ৩০ মাৰ্চৰ পৰা তিনি এপ্ৰিলৰ ভিতৰত ভোটগ্ৰহণকাৰী দলে তেওঁলোকৰ ঘৰলৈ গৈ যথাযথ গোপনীয়তা অৱলম্বন কৰি পোষ্টেল বেলটযোগে ভোট সংগ্ৰহ কৰিব। এই প্ৰক্ৰিয়াৰ ভিডিঅ'গ্ৰাফী কৰা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। অৱশ্যে কোনোৱে বেলট ভোটৰ পৰিৱৰ্তে ভোটকেন্দ্ৰত ইভিএমৰ জৰিয়তে ভোটদান কৰিব পাৰে যদিহে আৰম্ভণিতেই সেই ইচ্ছা প্ৰকাশ কৰে। এইবাৰ পুৱা সাত বজাৰ পৰা সন্ধিয়া ছয় বজালৈ ভোটগ্ৰহণ অনুষ্ঠিত কৰা হ'ব বুলি উল্লেখ কৰি উপায়ুক্তই কয় যে ক'ভিডৰ বাবেই ভোটদানৰ সময় এঘণ্টা বঢ়াই দিয়া হৈছে। ক'ভিড প্ৰতিৰোধৰ বাবে প্ৰতিজন ভোটাৰকে ভোটদানৰ সময়ত গ্লোভছ, মাস্ক আৰু ছেনিটাইজাৰ যোগান ধৰা হ'ব। তদুপৰি তেনে ব্যৱহৃত মাস্ক, গ্লোভছ, পিপিইকিট আদি উপযুক্ত ধৰণে সংগ্ৰহ কৰি বিজ্ঞানসন্মতভাৱে নিষ্কাসনৰ ব্যৱস্থা কৰা হ'ব। সংবাদমেলত জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া মনোজ ছিকাৰীয়া, জিলা উন্নয়ন আয়ুক্ত দিগন্ত দাস, অতিৰিক্ত উপায়ুক্তসকল উপস্থিত থাকে।

# গৱেষক ছাত্ৰীৰ অভিযোগত

*এক পৃষ্ঠাৰ পৰা* ছাত্ৰীয়ে এজন জ্যেষ্ঠ অধ্যাপকৰ বিৰুদ্ধে অনা এনে গুৰুতৰ অভিযোগৰ বিষয়টো আজি পোহৰলৈ আহে। ইয়াৰ লগে লগে বিশ্ববিদ্যালয়খনত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। কৃষি বিশ্ববিদ্যালয় কৰ্তৃপক্ষই ইতিমধ্যে অভিযুক্ত অধ্যাপক তথা জ্যেষ্ঠ বিজ্ঞানী ড° বিজিত কুমাৰ সাউদক নিলম্বন কৰি অভিযোগৰ তদন্ত আৰম্ভ কৰিছে।

প্ৰাপ্ত তথ্য অনুসৰি, বহিঃৰাজ্যৰ পৰা আহি অসম কৃষি বিশ্ববিদ্যালয়ত পিএইছডি কৰি থকা এগৰাকী গৱেষক ছাত্ৰীয়ে বিশ্ববিদ্যালয়ৰ শস্য বিভাগৰ জ্যেষ্ঠ বিজ্ঞানী ড° সাউদৰ বিৰুদ্ধে লিখিত অভিযোগ উত্থাপন কৰিছে। লিখিত অভিযোগ পত্ৰত জ্যেষ্ঠ অধ্যাপকজনে শাৰীৰিক নিৰ্যাতন চলোৱাৰ বহু বিস্ফোৰক অভিযোগ উল্লেখ কৰিছে ভুক্তভোগী ছাত্ৰীগৰাকীয়ে। বিশ্ববিদ্যালয়ৰ সূত্ৰই জনোৱা মতে, গৱেষক ছাত্ৰীগৰাকীয়ে ড° সাউদৰ বিৰুদ্ধে বিভিন্ন অভিযোগ উত্থাপন কৰি ইতিমধ্যে বিশ্ববিদ্যালয়ৰ পঞ্জীয়কক এক লিখিত অভিযোগ পত্ৰ দাখিল কৰিছে। উক্ত পত্ৰত উল্লেখ কৰা হৈছে যে গৱেষণাৰ বাবে ক্ষেত্ৰ পৰিদৰ্শন কৰিবলৈ যোৱাৰ সময়ত জ্যেষ্ঠ অধ্যাপকজনে গৱেষক ছাত্ৰীগৰাকীক সুৰাপান কৰিবলৈ হেঁচা প্ৰয়োগ কৰাৰ সমান্তৰালকৈ শাৰীৰিকভাৱে নিৰ্যাতন চলাইছিল। ইয়াৰ উপৰি আন একাধিক গুৰুতৰ অভিযোগ ছাত্ৰীগৰাকীয়ে উত্থাপন কৰা বুলি সূত্ৰই জনাইছে। ছাত্ৰীগৰাকীৰ এই অভিযোগ লাভৰ পাছতে বিশ্ববিদ্যালয় কৰ্তৃপক্ষই নিয়মৰ মাজেৰে অভিযোগৰ সন্দৰ্ভত তদন্ত আৰম্ভ কৰিছে। সমগ্ৰ বিষয়টো গুৰুত্ব সহকাৰে লৈ বিশ্ববিদ্যালয় কৰ্তৃপক্ষই অভিযুক্ত জ্যেষ্ঠ বিজ্ঞানী ড° সাউদক তাৎক্ষণিকভাৱে নিলম্বিত কৰি তদন্ত আৰম্ভ কৰিছে বুলি সূত্ৰটোৱে কয়। অৱশ্যে সূত্ৰই লগতে জনাইছে যে বিশ্ববিদ্যালয়ৰ নিজা অভিযোগ কমিটীৰ তদন্তৰ পাছতহে সকলো কথা স্পষ্ট হ'ব।

# বিশ্বাসঘাতক বিজেপিক

*এক পৃষ্ঠাৰ পৰা* প্ৰত্যুত্তৰ দিবলৈ সাজু হৈছে বিপিএফ।' এই মন্তব্য বড়োলেণ্ড পিপলছ্ ফ্ৰণ্ট (বিপিএফ)ৰ সাধাৰণ সম্পাদক প্ৰবীণ বড়োৰ। আজি কোকৰাঝাৰত আয়োজিত এক সংবাদমেলত বড়োৱে লগতে কয় যে বিপিএফ দলে মহাজোঁট বন্ধনত চামিল হোৱাৰ বাবে বিটিচিৰ উপৰি বাহিৰৰ বহু সমষ্টিত এইবাৰ বিজেপি-অগপ প্ৰাৰ্থী কঠিন পৰিস্থিতিৰ সন্মুখীন হ'ব।

সংবাদমেলত বিপিএফৰ সাধাৰণ সম্পাদকজনে কয় যে বিটিচিৰ অন্তৰ্গত ১২টা বিধানসভা সমষ্টিৰ বাহিৰেও দলৰ প্ৰত্যক্ষ আৰু পৰোক্ষ প্ৰভাৱ আৰু ভোটাৰ থকা আন ২৬টা বিধানসভা সমষ্টি আছে। এই সমষ্টিসমূহৰ অন্যতম হৈছে জোনাই, ধেমাজি, গোলাঘাট, সৰুপথাৰ, ডিফু, গহপুৰ, চতিয়া, ঢেকিয়াজুলি, পশ্চিম গুৱাহাটী, বৰছলা, মঙলদৈ, ৰঙিয়া, পাটাছাৰকুছি, বৰপেটা, সৰভোগ, বঙাইগাঁও, পূব বিলাসীপাৰা, গৌৰীপুৰ আৰু দুধনৈ। বড়োৱে কয়, 'যোৱাবাৰ বিপিএফ দলৰ স'তে মিত্ৰতা থকাৰ কাৰণে উক্ত সমষ্টিকেইটাত বিজেপি-অগপ প্ৰাৰ্থীয়ে অনায়াসে বিজয় সাব্যস্ত কৰিছিল। কিন্তু এইবাৰ বিপিএফ দলে মহাজোঁটৰ স'তে চামিল হোৱাত ভালেখিনি ক্ষতি হ'ব বিজেপি-অগপ দলৰ। ইয়াৰ বিপৰীতে এইবাৰ ইউপিপিএল দলে সমৰ্থন কৰিছে যদিও তেওঁলোকৰ উক্ত সমষ্টিসমূহত বিশেষ প্ৰভাৱ নাই। এবছুৰ সমৰ্থিত ইউপিপিএল দলৰ যদিহে সমষ্টিসমূহত প্ৰভাৱ থাকিলেহেঁতেন, তেন্তে আগতে তেওঁলোকে সমৰ্থন কৰা দলবোৰ নিশ্চয় বিজয়ী হ'লহেঁতেন।' ইয়াৰ উদাহৰণস্বৰূপে বড়োৱে কয় যে ২০১১ৰ বিধানসভাৰ নিৰ্বাচনত চতিয়া সমষ্টিত বিপিএফ দলৰ প্ৰাৰ্থীয়ে ১০,৬৪৪টা ভোট লাভ কৰিছিল। কিন্তু ২০১৬ত মিত্ৰতা থকা হেতুকে উক্ত সমষ্টিত বিজেপি প্ৰাৰ্থী পদ্ম হাজৰিকা ১,৮১৮টা ভোটৰ ব্যৱধানত বিজয়ী হয়। সেইদৰে ২০১১ত বঙাইগাঁও সমষ্টিত বিপিএফ প্ৰাৰ্থীয়ে ২১,৩২৬টা ভোট পাইছিল। ২০১৬ত বিপিএফে সমৰ্থন কৰাত অগপ প্ৰাৰ্থী ফণীভূষণ চৌধুৰী ৩১,৩২০টা ভোটত বিজয়ী হয়। বড়োৱে কয় যে এইবাৰ মন্ত্ৰী চৌধুৰীয়ে বিপিএফৰ ভোটৰ পৰা বঞ্চিত হ'ব। বিপিএফৰ সাধাৰণ সম্পাদকজনে লগতে কয় যে ২০১১ত ৰঙিয়াত ২১,১০৬টা ভোট লাভ কৰিছিল, কিন্তু ২০১৬ত বিপিএফে সমৰ্থন কৰাত বিজেপি প্ৰাৰ্থী ভৱেশ কলিতাই ৩৫ হেজাৰ ভোট লাভ কৰে। গহপুৰত বিপিএফে ২০১১ত ১৫,৬৫৯টা ভোট পাইছিল। ২০১৬ত মিত্ৰতাত থকাৰ বাবে বিপিএফ দলে সমৰ্থন কৰাত বিজেপি প্ৰাৰ্থী উৎপল বৰা ২৮ হেজাৰ ভোট লাভ কৰে। বিপিএফৰ প্ৰাৰ্থীয়ে ২০১১ত বৰপেটাত ৪,৯৪১ আৰু পূব বিলাসীপাৰাত ২৩,৩২৬টা ভোট লাভ কৰিছিল বুলিও বড়োৱে কয়। বড়োৱে লগতে কয় যে বিজেপিৰ ৰাজ্যিক সভাপতি ৰঞ্জিত কুমাৰ দাসকো এইবাৰ বিপিএফ দলে সমস্যাত পেলাব। কিয়নো সৰভোগ সমষ্টিত মুঠ ২২ হেজাৰ বড়ো ভোটাৰ থকাৰ বিপৰীতে প্ৰায় ৪০ হেজাৰ বিপিএফৰ ভোটাৰ আছে। তেওঁ লগতে কয়, 'গতিকে বিপিএফৰ প্ৰভাৱ থকা সমষ্টিকেইটাত অগপ-বিজেপিৰযে ভালেখিনি ক্ষতি হ'ব, সেইটো নিশ্চিত। গতিকে বিজেপি-অগপক কেনেদৰে প্ৰত্যুত্তৰ দিব পৰা যায় তাৰ ৰণকৌশল তৈয়াৰ কৰিছে বিপিএফ দলে।'

ইপিনে, এইবাৰ বিপিএফ দলৰ একাংশ প্ৰাৰ্থী সাল-সলনি হোৱাটো বিচাৰিছে একাংশ দলীয় কৰ্মীয়ে। কিয়নো একেৰাহে বহু বছৰ ধৰি বিধায়ক হৈ থকা সত্ত্বেও সমষ্টিৰ উন্নয়নৰ বাবে কোনো কাম নকৰা একাংশ বিধায়কক এইবাৰ প্ৰাৰ্থিত্বৰ পৰা বঞ্চিত নকৰিলে দলটো ক্ষতিৰ সন্মুখীন হ'ব বুলি একাংশ দলীয় নেতা-কৰ্মীয়ে মত প্ৰকাশ কৰিছে।


# মৰিয়নিৰ কীৰ্তন ঘৰত অবিৰত ভাগৱত পাঠৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**
**মৰিয়নি, ৩ মাৰ্চ ঃ** মৰিয়নিৰ পুৰণি ধৰ্মীয় অনুষ্ঠান বুঢ়া নামঘৰ নামে জনাজাত শ্ৰীশ্ৰী শংকৰদেৱ কীৰ্তন ঘৰৰ উদ্যোগত মৰিয়নিবাসী ৰাইজে অহা সাত মাৰ্চৰ পৰা আঞ্চলিক ভিত্তিত সপ্তাহজোৰা অবিৰত ভাগৱত পাঠৰ আয়োজন কৰিছে। ছয় মাৰ্চত অধিবাস আৰু সাত মাৰ্চৰ পুৱা জ্যেষ্ঠ সেৱকী লাচিত বুঢ়াগোহাঁয়ে ধৰ্মধ্বজা উত্তোলন কৰি কাৰ্যসূচীৰ আৰম্ভ কৰিব। ১৪ মাৰ্চৰ দিনত ভাগৱত পাঠ কাৰ্যসূচীৰ সামৰণিৰ অন্তত বাৰ্ষিক নাম উৎসৱ অনুষ্ঠিত হ'ব। নিশালৈ শ্ৰীশ্ৰী কীৰ্তনঘৰৰ শিল্পীসকলৰ দ্বাৰা বিপ্ৰ দামোদৰ উপাখ্যান, দন্তবক্ৰৰ মুক্তিলাভ নামৰ ভাওনা প্ৰদৰ্শন কৰা হ'ব। ইয়াৰ বাবে ইতিমধ্যে পৰেশ বৰুৱাক সভাপতি, গিৰীশ গগৈক ভাৰপ্ৰাপ্ত সম্পাদক আৰু উপেন বৰাক কোষাধ্যক্ষ হিচাপে লৈ এখন পৰিচালনা সমিতি গঠন কৰি প্ৰস্তুতি চলাই থকা হৈছে।

# জেংখাত পথ দুৰ্ঘটনাত আহত ১০

**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**
**খেৰণি/ডংকামোকাম, ৩ মাৰ্চ ঃ** পশ্চিম কাৰ্বি আংলং জিলাৰ খেৰণি আৰক্ষী থানাৰ অন্তৰ্গত জৌংখাত সংঘটিত এক পথ দুৰ্ঘটনাত পুৰুষ-মহিলাসহ ১০ গৰাকী যাত্ৰী গুৰুতৰভাৱে আহত হয়। উক্ত দুৰ্ঘটনাত এগৰাকী গৰ্ভৱতী মহিলাও গুৰুতৰভাৱে আহত হয়। পাছত আহত কেইগৰাকীক খেৰণি আদৰ্শ হাস্পতালত ভৰ্তি কৰোৱা হয়। উল্লেখ্য যে জিলাখনৰ দুৰ্গম পাহাৰীয়া অঞ্চল মকিন্দুৰ নামৰ গাঁওখনৰ পৰা এ এছ-০২ এ চি-৬৬৬৪ নম্বৰৰ টাটা ম'বাইল গাড়ীখনে ২০গৰাকী যাত্ৰীলৈ জৌখা সাপ্তাহিক বজাৰ অভিমুখে আহি থকা অৱস্থাত পাহাৰীয় এঁকা-বেঁকা পথটোত নিয়ন্ত্ৰণ হেৰুওৱাত দুৰ্ঘটনাটো সংঘটিত হয়।

## শব্দ-বেহু ঃ ৪ মাৰ্চ ২০২১



ৰু ফলাফী

**পথালিয়ে ঃ**
[illegible]

**থিয়কৈ ঃ**
[illegible]

উত্তৰ অহা সংখ্যাত

**২ মাৰ্চ ২০২১ সংখ্যাৰ উত্তৰ ঃ**
**পথালিয়ে ঃ** [illegible]
**থিয়কৈ ঃ** [illegible]

**আজিৰ দিনটো**



কিৰো ইয়ং, ৰত্ন কুবেৰ জেমছ এণ্ড জুয়েলাৰী
জি. এছ. ৰোড, মণিপুৰী বস্তী, গুৱাহাটী-৭
☎ ঃ ২৫১২১০২, ৯৯৫৭১-১১১৭১

### ১৯ ফাগুন বৃহস্পতিবাৰ ৪ মাৰ্চ

**সূৰ্যোদয় ঃ** ঘঃ ৫।৪৯।১৯, **সূৰ্যাস্ত ঃ** ঘঃ ৫।২২।৪১। **তিথি ঃ** কৃষ্ণা ষষ্ঠী, দং ৪৯।৫৯।৩৭ ৰাঘঃ, ১।৪৯।১০। **নক্ষত্ৰ ঃ** বিশাখা, দং ৫০।৪০।৪০ ৰাঘঃ ২।৫।৩৫। **যোগ ঃ** ধ্ৰুৱ, দং ১।২১।১১ প্ৰাতঃঘঃ ৬।২১।৪৯, ব্যাঘাত, দং ৫৩।৩২।৪৮ ৰাঘঃ ৩।১৩।২৬। **কৰণ ঃ** গৰ। **জন্মত ঃ** তুলাৰাশি, বৈশ্যবৰ্ণ মতান্তৰে শূদ্ৰবৰ্ণ, দেৱাৰিগণ, বাঘৰ অস্থি, বৰুণযোগ, অষ্টোত্তৰী বুধ বিংশোত্তৰী বৃহস্পতিৰ দশা, ৰাঘঃ ৮।২৯।৩৭ যোৱাত বৃশ্চিকৰাশি, বিপ্ৰবৰ্ণ, ৰাঘঃ ২।৫।৩৫ যোৱাত দেৱগণ, হৰিণাৰ অস্থি, অষ্টোত্তৰী আৰু বিংশোত্তৰী শনিৰ দশা। **আদ্যঋতু হ'লে ঃ** ১৫ দিনীয়া বেশ্যা যোগ, ৰাঘঃ ২।৫।৩৫ যোৱাত তিনিমহীয়া পতিহীনা যোগ। **মৰণত দোষ ঃ** দ্বিপদ, ৰাঘঃ ১।৪৯।১০ যোৱাত ত্ৰিপদ, ৰাঘঃ ২।৫।৩৫ যোৱাত এপদ। **যোগিনী ঃ** পশ্চিমত, ৰাঘঃ ১।৪৯।১০ যোৱাত বায়ুকোনত। **যাত্ৰাঃ** নাই, দিনদগ্ধা দোষ ৰাঘঃ ১।৪৯।১০। যোৱাত শুভ, দক্ষিণত নাই। **শুভকৰ্ম ঃ** নাই। **ভক্ষাভক্ষ্য ঃ** নিমতিতা, ৰাঘঃ ১।৪৯।১০ যোৱাত তাল খোৱা নিষেধ।

*দিনটোৰ ৰাশিফল*


**মেষ ঃ** মনত কিছু অহেতুক চিন্তাই ঠাই ল'লেও আপোনাৰ উপস্থিত বুদ্ধিৰ দ্বাৰা আঁতৰাব পাৰিব। সাহস আৰু দক্ষতা সমভাৱে লাভ কৰিব উপকৃত হ'ল। কৰ্মস্থানত আনন্দ। প্ৰেমত আনন্দ।
**বৃষ ঃ** বিদ্যাত দুশ্চিন্তাৰ মাজেদি শুভ ইংগিত পাব। বিয়া-বাৰু বা উৎসৱ আদিত যোগদান কৰক। মাতৃৰ শৰীৰ চিন্তা। আৰ্থিকত ব্যয় বৃদ্ধি পাব। ব্যৱসায়ত মধ্যম।
**মিথুন ঃ** মধ্যম দিন হ'লেও কৰ্মস্থানত ভালেই দেখিব। আৰ্থিকতো বেয়া নহ'ব। দায়িত্বপূৰ্ণ কামত মাংগিলক কৃতকাৰ্য হোৱাৰ সম্ভাৱনা।
**কৰ্কট ঃ** সহযোগীৰ সহায়ত উৎসাহ পাব। প্ৰতাৰকৰ বাবে দুশ্চিন্তা থাকিব। কৰ্মস্থানত আয় বৃদ্ধি কাৰক। নতুন কোনো উদ্দেশ্যেত সফল হ'ব। প্ৰেমত নিৰাশা।
**সিংহ ঃ** আচৰিত কথাৰ সম্ভেদ পাব। আৰ্থিকতো কিছু কষ্ট শৰীৰ সম্পৰ্কে উদাস নহ'ব। বিদ্যাত বেয়া বোলা নাযায়। ভ্ৰমণত অলপ সাৱধান থাকক। ঘৰুৱা শুভ।
**কন্যা ঃ** মজলীয়াভাৱে দিনটো পাৰ হ'ব। কৰ্মক্ষেত্ৰত সহকৰ্মীৰ অলপ সতৰ্ক থকাটো উচিত হ'ব। প্ৰেমপ্ৰীতিত উদাস চিন্তা। পঢ়াত মধ্যম।
**তুলা ঃ** শৰীৰ পূৰ্বৰ তুলনাত আশাপ্ৰদ। আগতে ভবা কথা আৰু কামৰ লগত আনৰ বিভেদ থাকিব। উচ্চ বিদ্যাত সাফল্য লাভ। আৰ্থি, আয়ু বৃদ্ধি পাব। কোনো প্ৰিয় লোকৰ যোগাযোগত আনন্দ।
**বৃশ্চিক ঃ** ব্যৱসায়-বাণিজ্যৰ ক্ষেত্ৰত কিছু উচ্চ চিন্তা থাকিব আৰু সফলতাও পাব। কৰ্মস্থানত উন্নত আশা নকৰাই ভাল। পঢ়াত মনোনিবেশ কৰিব।
**ধনু ঃ** দিনটোত পাৰিপাৰ্শ্বিক বাধা-বিঘিনিৰ কাৰণে মনটো গধুৰ হৈ থাকিব। শৰীৰৰ প্ৰতি আওকাণ নকৰিব। কৰ্মত খ্যাতি বৃদ্ধিৰ যোগ। পিতৃৰ পৰা সহানুভূতি লাভ কৰিব।
**মকৰ ঃ** কৰ্মত মজলীয়া প্ৰভাৱ পৰিব। নিজৰ মান-সন্মানৰ ক্ষেত্ৰত সচেতন হ'ব। বিদ্যাত ধৈৰ্য ধৰক। পাৰিবাৰিক সামান্য উৎকণ্ঠা দেখা যায়। ভ্ৰমণত দ্ৰব্য লাভ কৰিব। ব্যৱসায়ত আশাপ্ৰদ উন্নতিৰ যোগ।
**কুম্ভ ঃ** নিজৰ উদ্দেশ্য সাধনত ব্ৰতী হওক। কৰ্মত দক্ষতা থাকিব। ব্যৱসায়-বাণিজ্য, উদ্যোগ আদিত সফলতাৰ ইংগিত দেখা যায়।
**মীন ঃ** যতুৰ দ্বাৰা বিদ্যাত সাফল্য লাভ। আৰ্থিকত ব্যয় বৃদ্ধি পাব। কোনো দূৰ বাৰ্তাত আনন্দ লাভ, বেংক কৰ্মচাৰীৰ শুভ।

**অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড**, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com

## বিটিআৰত প্ৰাৰ্থিত্ব প্ৰত্যাশী টিকটক লৈ অঘোষিত প্ৰতিযোগিতা

**অগ্ৰদূত বাৰ্তা**

**কোকৰাঝাৰ, ৩ মাৰ্চ ঃ** আসন্ন বিধানসভা নিৰ্বাচনলৈ মাজত মাথোঁ কেইটামান দিন বাকী থাকোতে বিটিআৰত ৰাজনৈতিক দলবোৰৰ মাজত প্ৰাৰ্থিত্ব প্ৰত্যাশীৰ দলীয় টিকটৰ দাবীক লৈ আৰম্ভ হৈছে এক অঘোষিত প্ৰতিযোগিতা। বিটিআৰত ১৭ বছৰীয়া বিপিএফৰ শাসন ওফৰাই প্ৰমোদ বড়ো নেতৃত্বাধীন ইউপিপিএলে শাসন ক্ষমতা হস্তগত কৰাৰ পাছতে দলটোৰ পৰা বহু নতুন মুখৰ প্ৰাৰ্থীয়ে প্ৰাৰ্থিত্ব বিচাৰিছে বিধানসভা নিৰ্বাচনত। ইয়াৰে ছয় পৃষ্ঠাত চাওক




## শোণিতপুৰত নিৰ্বাচনী ৰাজহুৱা সভাৰ বাবে ৮০খন খেলপথাৰ বাছনি

# ঢেকিয়াজুলি-তেজপুৰত মহিলা ভোটাৰ বৃদ্ধি


গহপুৰত ব্ৰহ্মপুত্ৰৰ প্ৰবল খহনীয়া অব্যাহত, বুধবাৰে।

**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ৩ মাৰ্চ ঃ** প্ৰথম পৰ্যায়ত বিধানসভাৰ নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া শোণিতপুৰ নিৰ্বাচন আয়োগৰ নিৰ্দেশ অনুসৰি সাজু হৈছে প্ৰশাসন। উল্লেখ্য যে প্ৰথম পৰ্যায়ৰ বাবে অহা ন মাৰ্চ মনোনয়ন দাখিলৰ অন্তিম তাৰিখ। সম্প্ৰতি ৰাজনৈতিক দলসমূহৰ মাজত প্ৰাৰ্থিত্বকেন্দ্ৰিক তৎপৰতা আৰু প্ৰাৰ্থিত্ব প্ৰত্যাশী সকলোৰে মাজত গভীৰ উৎকণ্ঠা অব্যাহত থকাৰ সময়ত এইবাৰ নিৰ্বাচনত কৰ'নাৰ সংক্ৰান্তীয় নীতি-নিয়ম মানি চলাটো বাধ্যতামূলক কৰা হৈছে। উল্লেখ্য যে ক'ভিড নিয়মৰ পৰিপ্ৰেক্ষিতত শোণিতপুৰ জিলাত নিৰ্বাচনী ৰাজহুৱা সভাৰ বাবে ৮০খনকৈ খেলপথাৰ নিৰ্দিষ্ট কৰিছে শোণিতপুৰ জিলা ৰিটাৰ্ণিং বিষয়া মানৱেন্দ্ৰ প্ৰতাপ সিঙে নিৰ্বাচনী প্ৰক্ৰিয়া সন্দৰ্ভত এই বিষয়ে সদৰী কৰিছে। ৰাজনৈতিক দলসমূহে নিৰ্বাচনী প্ৰচাৰ, মনোনয়নপত্ৰ দাখিলৰ সময়তো ক'ভিড নিয়ম মনাটো বাধ্যতামূলক আৰু ইয়াক কঠোৰভাৱে বলবৎ কৰা হ'ব বুলি প্ৰকাশ কৰি সিঙে কয় যে ৰোডশ্ব'ৰ ক্ষেত্ৰতো ৰাজনৈতিক দলসমূহে ক'ভিড নিয়ম মানি চলিব লাগিব। নিৰ্বাচন আয়োগৰ নিৰ্দেশ অনুসৰি, ৰোডশ্ব'ত সৰ্বাধিক পাঁচখন বাহনহে ব্যৱহাৰ কৰিব পাৰিব ৰাজনৈতিক দলসমূহে। এটা ৰোডশ্ব'ৰ ছয় পৃষ্ঠাত চাওক

## এটা 'টুপী'ক কেন্দ্ৰ কৰি সংঘাত গোসাঁইগাঁৱত বন্ধুৰ দাৰ ঘাপত পত্নী- মাতৃ-ভগ্নীসহ আহত যুৱক



**দতমা, ৩ মাৰ্চ ঃ** এটা সাধাৰণ 'টুপী'ক কেন্দ্ৰ কৰি সংঘটিত এক ঘটনাত বন্ধুৰ দাৰ ঘাপত একেটা পৰিয়ালৰ চাৰিজনকৈ লোক গুৰুতৰভাৱে আহত হোৱাৰ ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে গোসাঁইগাঁও মহকুমাৰ অক্সিগুৰিত। কালি গাঁওখনৰ আইনাল শ্বেখৰ পুত্ৰ চাহিন শ্বেখক ওচৰৰে কৰিমবজাৰ গাঁৱৰ তিনিজনীয়া এটা দলে ঘৰত প্ৰৱেশ কৰি উপৰ্যুপৰি আঘাত কৰে। চাহিনক এইদৰে আক্ৰমণ কৰাত তেওঁৰ পত্নী, মাতৃ আৰু ভগ্নীয়ে আগবাঢ়ি আহি বাধা প্ৰদান কৰাত চোকা অস্ত্ৰৰে আঘাত কৰি ঘটনাস্থলীৰ পৰা নিৰ্বিঘ্নে আঁতৰি যায়। পৰৱৰ্তী সময়ত ততাতৈয়াকৈ গুৰুতৰভাৱে আহত চাহিনক গোসাঁইগাঁও হাক্ৰুবিলস্থিত আৰ এন বি চিকিৎসালয়ত ভৰ্তি কৰে যদিও অৱস্থা গুৰুতৰ হোৱাত উন্নত চিকিৎসাৰ বাবে কোকৰাঝাৰলৈ প্ৰেৰণ কৰে। ভুক্তভোগী চাহিনে সংবাদ মাধ্যমৰ আগত সদৰী কৰা মতে কালি তেওঁক ঘৰত নিজৰ পৰিচিত বন্ধু ক্ৰমে আৰিফ আনচাৰী, তেওঁৰ পিতৃ মুস্তাফা আনচাৰী আৰু নিজাম আনচাৰীয়ে অতৰ্কিতে প্ৰৱেশ কৰি চোকা অস্ত্ৰৰে উপৰ্যুপৰি আক্ৰমণ কৰে। ইপিনে, ঘটনা সন্দৰ্ভত আৰক্ষীক অৱগত কৰাত এটা দল উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে যদিও আক্ৰমণকাৰীক এতিয়ালৈ আটক কৰাৰ পৰা বিৰত আছে বুলি অভিযোগ কৰিছে চাহিনৰ পিতৃয়ে। সম্প্ৰতি এই ঘটনাক লৈ অঞ্চলটোত চেপা উত্তেজনা অব্যাহত আছে।

### অগপ-বিজেপিৰ মাজত টনা-আঁজোৰা

## তেজপুৰ কাৰ ঃ কেতিয়া অন্ত পৰিব উৎকণ্ঠাৰ ?

**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ৩ মাৰ্চ ঃ** পাঁচ-ছয় মাৰ্চতহে উৎকণ্ঠাৰ অন্ত পৰিব তেজপুৰৰ অগপ-বিজেপি কৰ্মীৰ। সমষ্টিটোত বিজেপি প্ৰাৰ্থীয়ে নে অগপ প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব সেয়া ছয় মাৰ্চত নিশ্চিত হ'ব বুলি এটা বিশেষ দলীয় সূত্ৰই সদৰী কৰিছে। উল্লেখ্য যে তেজপুৰ বিধানসভা সমষ্টিক বৰ্তমান প্ৰতিনিধিত্ব কৰি আহিছে জ্যেষ্ঠ অগপ নেতা তথা দলটোৰ প্ৰাক্তন সভাপতি বৃন্দাৱন গোস্বামীয়ে। শাসক দল বিজেপিৰ মিত্ৰদলৰূপে বিগত নিৰ্বাচনত সমষ্টিটোৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়াই জয়ী হোৱা বৃন্দাবন গোস্বামীক এইবাৰ সমষ্টিটো এৰি দিবলৈ ইচ্ছুক নহয় শাসক দল বিজেপি। সমষ্টিটোৰ স্থানীয় বিজেপি নেতা-কৰ্মীসকলে তেজপুৰ আসনখন ছয় পৃষ্ঠাত চাওক

## গোৱালপাৰা পূবৰ কংগ্ৰেছত প্ৰাৰ্থিত্ব কেন্দ্ৰিক সংঘাত

**অগ্ৰদূত বাৰ্তা**

**কৃষ্ণাই, ৩ মাৰ্চ ঃ** গোৱালপাৰা জিলা কংগ্ৰেছৰ ভিতৰচ'ৰাত প্ৰাৰ্থিত্ব কেন্দ্ৰিয় সংঘাতে তীব্ৰ ৰূপ ধাৰণ কৰিছে। বিশেষকৈ ৩৭ নম্বৰ গোৱালপাৰা পূব বিধানসভা সমষ্টিৰ কংগ্ৰেছত প্ৰাৰ্থিত্ব কেন্দ্ৰিক সংঘাতে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। এই সংঘাতৰ মূলতে হ'ল আগন্তুক নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ বাবে প্ৰদেশ কংগ্ৰেছ কমিটীয়ে স্থানীয় প্ৰাৰ্থীক অৱজ্ঞা কৰি বাহিৰৰ প্ৰাৰ্থী প্ৰক্ষেপ কৰিব বুলি অব্যাহত থকা এক চৰ্চা। এই চৰ্চাই সমষ্টিটোৰ কংগ্ৰেছৰ অন্দৰমহল উত্তপ্ত কৰিছে। কেৱল নেতা-পালিনেতাই নহয় এই প্ৰসংগত জাঙুৰ খাই উঠিছে সমষ্টিটোৰ কংগ্ৰেছৰ তৃণমূল পৰ্যায়ৰ কৰ্মী-সমৰ্থক সকলো। অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ এই হঠকাৰী সিদ্ধান্ত বাতিল কৰাৰ বাবে সম্প্ৰতি সমষ্টিটোৰ চুকে-কোণে আৰম্ভ হৈছে বিক্ষোভ। এই সন্দৰ্ভত আজি আবেলি জিলাখনৰ কৃষ্ণাইৰ কাষৰীয়া মাণিকপুৰত অনুষ্ঠিত কংগ্ৰেছৰ এক কৰ্মী সভাতো প্ৰতিবাদ হয়। মাণিকপুৰ মণ্ডল কংগ্ৰেছৰ আহ্বানত চাৰিখন গাঁও পঞ্চায়তৰ দলীয় কৰ্মী সমৰ্থকক লৈ আয়োজিত এই সভাখনত বাহিৰৰ প্ৰাৰ্থীৰ পৰিৱৰ্তিত স্থানীয় প্ৰাৰ্থীক প্ৰাৰ্থিত্ব প্ৰদানৰ দাবী জনোৱা হয়। মোজাফ্‌ফৰ নুৰ ইছলামৰ সভাপতিত্বত আয়োজিত সভাখনত বক্তাসকলে পলাশবাৰীৰ নৱ তালুকদাৰৰ বাহিৰে বাকী ১২ গৰাকী প্ৰাৰ্থিত্বপ্ৰত্যাশীৰ মাজৰ পৰা যিকোনো এজন যোগ্য প্ৰাৰ্থীক প্ৰাৰ্থিত্ব প্ৰদানৰ বাবে আহ্বান জনায় দলটোৰ হাই কমাণ্ডক। এই সন্দৰ্ভত ভাষণ প্ৰদান কৰে জাহানুদ্দিন আহমেদ, ৰেকিবুদ্দিন আহমেদ, মাৰ্চিলা চাংমা, ইমৰান হুছেইন, বদৰুদ্দিন আহমেদকে ধৰি বহু স্থানীয় কংগ্ৰেছী নেতা-কৰ্মীয়ে। উল্লেখ্য যে আবেলি চাৰি বজাৰ পৰা অনুষ্ঠিত সভাখনত মাণিকপুৰ ভেলাখামাৰ গাঁও পঞ্চায়তৰ সভানেত্ৰী নাজিয়া হুছেইন, টুকুৰা বৰমোহৰা গাঁও পঞ্চায়তৰ সভানেত্ৰী মাৰ্চিলা চাংমা, আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী পূৰ্ণিমা চাংমা, অধিবক্তা জাহানুদ্দিন আহমেদকে ধৰি শতাধিক দলীয় সমৰ্থক উপস্থিত থাকে।

### কংগ্ৰেছৰ সাত, বিজেপিৰ পাঁচৰ বিপৰীতে অগপৰ দাবীদাৰ আচাৰ্য ইলাৰাম দাসৰ পুত্ৰ

## অগপক এৰি দিবলৈ সন্মত নহয় ৰহাৰ বিজেপিৰ নেতা-কৰ্মী

**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**

**নগাঁও/ৰহা, ৩ মাৰ্চ ঃ** শাসক দলৰ দখলত থকা ৰহা (অনুসূচিত জাতি) সমষ্টিক লৈ টনা-আঁজোৰা লাগিছে মিত্ৰদল অগপৰ। দুই মিত্ৰদল অগপ আৰু বিজেপিৰ মাজত এতিয়া সৃষ্টি হৈছে প্ৰচণ্ড খোৱা-কামোৰা আৰু আপোচবিহীন স্থিতি। ফলত বঙহৰ যুঁজহে পৰিলক্ষিত হৈছে বিধানসভা সমষ্টিটোত। উল্লেখ্য যে সম্প্ৰতি বিজেপি বিধায়ক ডিম্বেশ্বৰ দাসৰ দখলত আছে সমষ্টিটো। কিন্তু প্ৰতিষ্ঠান বিৰোধী ঢৌ আৰু সমষ্টিটোৰ উন্নয়নত ব্যৰ্থ হোৱা বুলি বিধায়কজনৰ বিৰুদ্ধে খৰ্গহস্ত হৈ আছে দলটোৰে অধিকাংশ নেতা-কৰ্মী। তাৰ মাজতো বৰ্তমানৰ বিধায়কজনৰ লগতে শাসক দলটোৰ পৰা নিৰ্বাচন খেলাৰ উদ্দেশ্যে চাকৰিৰ পৰা স্বেচ্ছামূলক অৱসৰ লোৱা আৰক্ষী বিষয়া শ্যামল শইকীয়া, সঞ্জীৱ হাজৰিকা, মনজ্যোতি বৰা আৰু তপন দাসে প্ৰাৰ্থিত্বৰ আবেদন কৰিছে। ইপিনে, বিজেপিৰ মিত্ৰদল অগপৰ টিকটৰ প্ৰবল দাবীদাৰ হৈছে বিষ্ণুপ্ৰসাদ দাস। ইপিনে, কংগ্ৰেছৰ পৰা প্ৰাৰ্থিত্ব বিচাৰি আবেদন জনাইছে সমষ্টিটোৰ এআইইউডিএফৰ প্ৰাক্তন বিধায়ক তথা বৰ্তমানৰ কংগ্ৰেছ নেতা গুণেশ্বৰ দাস, প্ৰাক্তন মন্ত্ৰী ডাঃ আনন্দৰাম বৰুৱাৰ পুত্ৰ অনুপানন্দ বৰুৱা, নগাঁও মহকুমা অনুসূচিত জাতি উন্নয়ন পৰিষদৰ প্ৰাক্তন অধ্যক্ষ ছয় পৃষ্ঠাত চাওক

### টিকট বিচাৰি সাতগৰাকীৰ আবেদন

## শোণিতপুৰৰ তিনি সমষ্টিত অসম জাতীয় পৰিষদৰ তৎপৰতা

**অগ্ৰদূত বাৰ্তা**

**শিঙৰী, ৩ মাৰ্চ ঃ** নতুনকৈ আত্মপ্ৰকাশ কৰা অসম জাতীয় পৰিষদে আসন্ন বিধানসভা নিৰ্বাচনত শোণিতপুৰ জিলাৰ তিনিটা সমষ্টিত প্ৰাৰ্থী প্ৰক্ষেপ কৰিব। জিলাখনৰ ঢেকিয়াজুলি, বৰছলা আৰু তেজপুৰ সমষ্টিত প্ৰাৰ্থী প্ৰক্ষেপ কৰিব বুলি সদৰী কৰিছে দলটোৰ এটা সূত্ৰই। ইতিমধ্যে তিনিওটা সমষ্টিৰ বাবে সাতগৰাকীয়ে আবেদন জনাইছে বুলি প্ৰকাশ কৰিছে দলটোৱে। সূত্ৰটোৱে সদৰী কৰা মতে, বৰছলা সমষ্টিত অসম জাতীয় পৰিষদৰ কেন্দ্ৰীয় উপসভাপতি অঞ্জন উপাধ্যায়, ছয় পৃষ্ঠাত চাওক

## তিতাবৰত কোনো দলৰে প্ৰাৰ্থী নিশ্চিত নহয়, দলীয় কৰ্মীৰ ক্ষোভ

**অগ্ৰদূত বাৰ্তা**

**মেলামাটি, ৩ মাৰ্চ ঃ** অসমৰ ৪৭টা সমষ্টিৰ লগতে প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ ২৭ মাৰ্চত তিতাবৰতো হ'ব; কিন্তু তিতাবৰত বৰ্তমানলৈকে কোনো দলৰে প্ৰাৰ্থী দলীয় কৰ্মীৰ বিবেচনা মতে সম্ভাৱনা নাই বুলি ৰাইজৰ মাজত চৰ্চা হৈছে। বিজেপিৰ কৰ্মীসকলে ২০ বছৰ কংগ্ৰেছৰ দখলত থকা তিতাবৰ সমষ্টি উদ্ধাৰ কৰিবলৈ দলীয় কৰ্মীসকলে অক্লান্ত পৰিশ্ৰমৰে নিৰ্বাচনত সমষ্টিটো শক্তিশালী কৰিছে; কিন্তু পাঁচজনীয়া প্ৰাৰ্থী তালিকাই বিজেপিৰ কাৰ্যকৰ্তাসকলক বিপাঙত পেলাইছে। বিজেপিৰ পৰা প্ৰাক্তন বিধায়ক হেমন্ত কলিতা, ঠেঙাল স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী কথা জিলা বিজেপিৰ উপ-সভাপতি কুমুদ কছাৰী, বিজেপিৰ তিতাবৰৰ দায়িত্বত থকা ৰাজ্যিক বিষয়ববীয়া কৃষ্ণ মণি চুতীয়া, অৱসৰপ্ৰাপ্ত প্ৰবক্তা ড° বুদ্ধীন্দ্ৰ নাথ শইকীয়া, প্ৰাক্তন আছু নেতা বৰ্তমান বিজেপিৰ কাৰ্যকৰ্তা ছয় পৃষ্ঠাত চাওক

## গোসাঁইগাঁৱত বিধায়ক মাজেন্দ্ৰৰ বিপৰীতে প্ৰাৰ্থিত্ব বিচাৰিছে ধ্ৰুৱই

**অগ্ৰদূত বাৰ্তা**

**গোসাঁইগাঁও, ৩ মাৰ্চ ঃ** বিটিচি গঠনৰ পাছৰে পৰা একেৰাহে তিনিটা কাৰ্যকাল বিপিএফৰ দখলত থকা গোসাঁইগাঁও বিধানসভা সমষ্টিত ক্ৰমান্বয়ে নিৰ্বাচনী বতাহ গৰম হৈ পৰিছে। সমষ্টিটোক প্ৰতিনিধিত্ব কৰা বিপিএফৰ ছয় পৃষ্ঠাত চাওক

### কাউলীত নাগ্ৰিজুলি বিপিএফৰ কৰ্মীসভা

## নিৰ্বাচনত বিটিচিত বিজেপিক এণ্ট্ৰি কৰিব দিয়া নহ'ব ঃ কছাৰী

**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ, ৩ মাৰ্চ ঃ** 'বিধানসভা নিৰ্বাচনত বিটিচিত বিজেপিক এণ্ট্ৰি কৰিব দিয়া নহ'ব।' তামুলপুৰ মহকুমাৰ কাউলীত আজি অবেলি অনুষ্ঠিত নাগ্ৰীজুলি ব্লক বিপিএফৰ এক কৰ্মীসভাত এইদৰে মন্তব্য কৰে বিটিচিৰ প্ৰাক্তন কাৰ্যনিৰ্বাহক সদস্য গণেশ কছাৰীয়ে। ভাষণ প্ৰসংগত কছাৰীয়ে পুনৰ কয়, 'বিধানসভা নিৰ্বাচন কংগ্ৰেছ, এআইইউডিএফ, বিপিএফৰ মহাজোঁট বন্ধনে চৰকাৰ গঠন কৰিব সেইটো খাটাং। মহাজোঁট বন্ধনত বিপিএফে আংশগ্ৰহণ কৰাৰ লগে লগে এইবাৰ নিৰ্বাচনত মহাজোঁট বন্ধনে চৰকাৰ গঠন কৰাটো নিশ্চিত হৈ পৰে। যোৱা বিটিচি নিৰ্বাচনত মিত্ৰজোঁটত থাকিও বিজেপিয়ে বিপিএফক বিশ্বাসঘাতকতা কৰিলে। বিগত পাঁচ বছৰে বিজেপিয়ে অসমৰ ৰাইজক মিছা সপোণ দেখুৱালে। নিৰ্বাচনত দিয়া এটাও প্ৰতিশ্ৰুতি পালন নকৰিলে।' বিপিএফ ত্যাগ কৰি বিজেপি দলত ছয় পৃষ্ঠাত চাওক

## ইউ পি পি এলৰ নিৰ্বাচনী সভা অনুষ্ঠিত কৰিবলৈ নিদিলে ৰেড্ডীৰ সমৰ্থকে

**অগ্ৰদূত বাৰ্তা**

**শ্ৰীৰামপুৰ, ৩ মাৰ্চ ঃ** আগন্তুক বিধানসভা নিৰ্বাচনত মিত্ৰ দল বিজেপি আৰু ইউ পি পি এলৰ মাজত ২৮ নম্বৰ গোসাঁইগাঁও বিধানসভা সমষ্টিত প্ৰাৰ্থিত্বকেন্দ্ৰিক সংঘাতে গা কৰি উঠিছে। উক্ত সমষ্টিৰ পৰা দুই দলেই টিকটৰ দাবী কৰাৰ সময়তে পুনৰ দুটা দলৰ পৰা একাধিক দলৰ টিকট বিচাৰি আবেদন কৰাত আন এক সমস্যাৰ সৃষ্টি হৈছে। দল দুটাৰ ভিতৰতে আৰম্ভ হৈছে মতানৈক্য। এনে ছয় পৃষ্ঠাত চাওক

## মাহমৰাত যুযুধান ৰূপত অসম জাতীয় পৰিষদ-ৰাইজৰ দল

### দুই দলৰ প্ৰাৰ্থীক লৈ ধুঁৱলী-কুঁৱলী পৰিৱেশ

**অগ্ৰদূত বাৰ্তা**

**মৰাণ, ৩ মাৰ্চ ঃ** সমাগত বিধানসভা নিৰ্বাচনত ৰাজ্যৰ নৱগঠিত ৰাজনৈতিক দল অসম জাতীয় পৰিষদ আৰু ৰাইজৰ দল ঐক্যবদ্ধভাৱে নিৰ্বাচনত মিত্ৰতা হৈছে যদিও আসন বুজাবুজিৰ সিদ্ধান্ত চূড়ান্ত হোৱা নাই। ফলত বহু সমষ্টিত এতিয়া দল দুটাৰ মাজত ধুঁৱলী-কুঁৱলী পৰিৱেশৰ সৃষ্টি হৈছে। দুয়োটা দলৰ সভাপতি লুৰীণজ্যোতি গগৈ আৰু অখিল গগৈৰ মাজত প্ৰাৰ্থিত্বক লৈ সঘনে আলোচনা হৈ আছে যদিও সমষ্টি বিশেষে সঠিক সিদ্ধান্তত উপনীত হ'ব পৰা নাই দল দুটাই। একেই উৎকণ্ঠাৰ পৰিৱেশ সৃষ্টি হৈছে চৰাইদেউ জিলাৰ মাহমৰা বিধানসভা সমষ্টিত। সমষ্টিটোত দুয়োটা দলে নিজৰ নিজৰ ৰাজনৈতিক শক্তি প্ৰদৰ্শন কৰিছে যদিও মিত্ৰতা হোৱাৰ পাছতে কোনটো ৰাজনৈতিক ছয় পৃষ্ঠাত চাওক

## টীয়কত মিত্ৰজোঁটৰ প্ৰাৰ্থিত্বক লৈ উৎকণ্ঠা

**অগ্ৰদূত বাৰ্তা**

**জাঁজী/লাহদৈগড়, ৩ মাৰ্চ ঃ** এসময়ৰ সিংহ যুৱক ললিত চন্দ্ৰ ৰাজখোৱাৰ বিধানসভা সমষ্টি টীয়কত এতিয়া নিতৌ সলনি হৈছে ৰাজনৈতিক প্ৰেক্ষাপট। বিধানসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে সমষ্টিটোত শাসক-বিজেপিৰ মাজত এতিয়া উৎকণ্ঠা বৃদ্ধি পাইছে। বৰ্তমান সমষ্টিটোক প্ৰতিনিধিত্ব কৰি অহা বিজেপি মিত্ৰজোঁটৰ অংশীদাৰ অগপৰ তথা সিংহ যুৱক প্ৰয়াত ললিত চন্দ্ৰ ৰাজখোৱাৰ ছয় পৃষ্ঠাত চাওক

## ডিব্ৰুগড় জিলাত দুই ভ্ৰাতৃৰ প্ৰাৰ্থিত্বক লৈ বিপাঙত বিজেপি মিত্ৰজোঁট

### ডিব্ৰুগড়ত প্ৰশান্ত, উজ্বল নে চৈকত পাত্ৰ

**ডিব্ৰুগড়, ৩ মাৰ্চ ঃ** নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে ঘনে ঘনে প্ৰাৰ্থিত্বক লৈ সলনি হৈছে দৃশ্যপট। ডিব্ৰুগড় বিধানসভা সমষ্টিৰ বাবে শেহতীয়াকৈ প্ৰশান্ত ফুকন, একালৰ আছুৰ জিলা সম্পাদক উজ্বল ফুকন আৰু ডিব্ৰুগড় জিলা বিজেপিৰ উপ-সভাপতি ডাঃ চৈকত পাত্ৰৰ নাম চৰ্চা হৈছে। উজ্বল ফুকন ছাত্ৰ নেতা হৈ থকাৰ সময়ত গণভিত্তি আছিল যদিও সুদীৰ্ঘকাল জিলাখনৰ বাহিৰত থকাৰ বাবে কিছু হ'লেও ভোটাৰৰ বাবে কিছু অপৰিচিত ব্যক্তি। আনহাতে, ডাঃ পাত্ৰই কিছু আউল লগাৰ সম্ভাৱনা আছে। আনহাতে, জিলাখনৰ দুই ভ্ৰাতৃৰ ভিতৰত কাৰ ভাগ্য উদয় হ'ব তাকে লৈ ব্যাপক চৰ্চা হৈছে ডিব্ৰুগড়ত। অগপৰ পোনাকণ নে বিজেপিৰ ঋতুপৰ্ণ। দুই দলৰ মাজত আৰু দুই ভ্ৰাতৃৰ প্ৰাৰ্থিত্বৰ দাবীয়ে ডিব্ৰুগড় জিলাত প্ৰাৰ্থিত্ব প্ৰদানক লৈ অংকত লগাইছে আউল। দুই ভাই-ককাইক লৈ ডিব্ৰুগড় জিলা বিজেপি আৰু অগপৰ মাজত লাগিছে আউল। ডিব্ৰুগড় জিলাৰ সাতটা বিধানসভা সমষ্টিৰ ছটা বৰ্তমান ছয় পৃষ্ঠাত চাওক

## ২৭ মাৰ্চৰ পৰা তিনিদিনীয়াকৈ বৰপেটা সত্ৰত দৌল মহোৎসৱ

**বিশেষ সংবাদদাতা**

**বৰপেটা, ৩ মাৰ্চ ঃ** অহা ২৭ মাৰ্চৰ পৰা তিনিদিনীয়াকৈ ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰত শ্ৰীকৃষ্ণৰ দৌল মহোৎসৱৰ আয়োজন কৰা হৈছে। বৰপেটা সত্ৰৰ শ্ৰীকৃষ্ণৰ দৌল মহোৎসৱ এইবাৰ তিনিদিনীয়াকৈ অনুষ্ঠিত হ'ব। তিনি ৰাজ্যৰ বন্দনী থান বৰপেটা বৰধামত পূৰ্বৰ দৰে এইবাৰো ধৰ্মীয় আৰু লৌকিক পৰম্পৰাৰ বিবিধ কাৰ্যসূচীৰে অতি আকৰ্ষণীয় আৰু জাকজমকতাৰে শ্ৰীকৃষ্ণৰ দৌল মহোৎসৱ উদ্‌যাপন কৰা হ'ব। তিনিদিনীয়াকৈ উদ্‌যাপিত হ'বলগীয়া দৌল মহোৎসৱ আয়োজনৰ বাবে যুদ্ধকালীন তৎপৰতাৰে প্ৰস্তুতি আৰম্ভ কৰিছে সত্ৰ পৰিচালনা সমিতিয়ে। ইতিমধ্যে দৌল মহোৎসৱ উপলক্ষে সত্ৰৰ দালান, দৌল গৃহ, যোগমোহন গৃহ, মঠ, তোৰণ আদি নতুন ৰঙেৰে সুশোভিত কৰিছে। কাৰ্যসূচী অনুসৰি প্ৰথম দিনা 'বহ্নোৎসৱ' বা 'গন্ধ যাত্ৰা' হিচাপে পালন কৰা হ'ব। পৰম্পৰাগত কাৰ্যসূচী অনুসৰি সিদিনা আবেলি পৰত এক নিৰ্দিষ্ট ক্ষণত 'দৌল গোবিন্দ' আৰু 'কলীয়া ঠাকুৰ'ক গায়ন-বায়ন, বৰ ঢুলীয়া সমন্বিতে মণিকূট গৃহৰ পৰা উলিয়াই আনি মঠৰ চোতালত বৰ শৰাইৰ ওপৰত ৰখা হ'ব। সন্ধিয়া পৰত নিৰ্দিষ্ট ছয় পৃষ্ঠাত চাওক

## তামুলপুৰত বিজেপিৰ প্ৰাৰ্থীক লৈ উৎকণ্ঠা

**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ, ৩ মাৰ্চ ঃ** বিধানসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে তামুলপুৰ বিধানসভা সমষ্টিত তৎপৰতা আৰম্ভ হৈছে ৰাজনৈতিক দলসমূহৰ মাজত। বিটিআৰৰ অন্তৰ্ভুক্ত সমষ্টিটোত শাসকীয় দল বিজেপিৰ পৰা বিটিআৰ নিৰ্বাচনৰ প্ৰাক্‌মুহূৰ্তত বিপিএফ এৰি বিজেপিত যোগদান কৰা বৰ্তমানৰ বিধায়ক ইমানুৱেল ম'ছাহাৰীৰ লগতে বাগ্‌সা জিলা বিজেপিৰ সম্পাদক ৰাজেশ বড়ো, ৰাজ্যিক বিজেপিৰ যুৱ মৰ্চাৰ কৰণ ছেত্ৰী, ৰাজ্যিক বিজেপিৰ যুৱ মৰ্চাৰ প্ৰাক্তন সম্পাদক ছয় পৃষ্ঠাত চাওক

## হোজাইৰ তিনি বিধানসভা সমষ্টিত ১৮ জন প্ৰাৰ্থিত্ব প্ৰত্যাশী

### দলীয় প্ৰাৰ্থিত্বৰ বাবে দলৰ শীৰ্ষ নেতাৰ লগতে সংঘ পৰিয়ালৰ নেতাক আকৃষ্ট কৰাৰ প্ৰয়াস ঃ কংগ্ৰেছতো প্ৰাৰ্থিত্ব বিচাৰি ভিৰ

**অগ্ৰদূত বাৰ্তা**

**হোজাই, ৩ মাৰ্চ ঃ** হোজাই আৰু লামডিং বিধানসভা সমষ্টিত শাসকীয় বিজেপি দল তৎপৰ হৈছে। হোজাইৰ তিনিটা বিধানসভা সমষ্টিত দলটোৰ পৰা প্ৰাৰ্থিত্ব আগবঢ়াবলৈ আগ্ৰহী হৈছে কে'বাজনো নেতা-পালিনেতাই। হোজাই জিলাৰ তিনি সমষ্টিৰ বাবে ইতিমধ্যে শাসকীয় দলৰ মুঠ ১৭ জনে দলীয় প্ৰাৰ্থিত্বৰ বাবে আশা পালি আছে। জিলাখনৰ যমুনামুখ সমষ্টিত শাসকীয় দলৰ পৰা মুঠ চাৰিজনে আবেদন কৰিছে। প্ৰায় ৭০ শতাংশ ধৰ্মীয় সংখ্যালঘু ভোটাৰেৰে গঠিত যমুনামুখ বিধানসভা সমষ্টি বিগত ১৫ বছৰে আজমল পৰিয়ালৰ দখলত আছে। সমষ্টিটোৰ পৰা শাসকীয় বিজেপিৰ পৰা চৰকাৰী অধিবক্তা অমৰজ্যোতি শইকীয়া, বিজেপিৰ সংখ্যালঘু মৰ্চাৰ ৰাষ্ট্ৰীয় সদস্য নজমুল হক লস্কৰ, বিজেপিৰ অনুসূচিত জাতি উন্নয়ন সমিতিৰ কাৰ্যকৰ্তা পুতুল দাস আৰু প্ৰাক্তন কংগ্ৰেছী তথা চাংমাজি গাঁও পঞ্চায়তৰ মীনাক্ষী বাগলাৰীয়ে মনোনয়ন দাখিল কৰিছে। জিলাখনৰ শিলাদিত্য দেৱৰ দখলত থকা হোজাই বিধানসভা সমষ্টিত পাঁচজনে বিজেপিৰ পৰা প্ৰাৰ্থিত্ব ছয় পৃষ্ঠাত চাওক

দৈনিক
অগ্ৰদূত
গুৱাহাটী বৃহস্পতিবাৰ ১৯ ফাগুন১৪২৭ভাস্কৰাব্দ ৪ মাৰ্চ ২০২১



## দৰিদ্ৰতা নিৰ্মূল

অৰ্থনৈতিক অৱস্থা আৰু বিকাশৰ ওপৰত ভিত্তি কৰি আজিও বিশ্বক তিনিটা ভাগত ভাগ কৰা হয়। আমেৰিকা যুক্তৰাষ্ট্ৰ তথা পশ্চিমীয়া দেশবিলাকক প্ৰথম বিশ্ব, ৰুছিয়াৰ লগতে একাংশ পূব ইউৰোপীয় দেশক দ্বিতীয় বিশ্ব আৰু ভাৰতকে ধৰি গোষ্ঠী নিৰপেক্ষ দেশবিলাকক তৃতীয় বিশ্ব হিচাপে ভাগ কৰা হৈ আহিছে; কিন্তু অৰ্থনৈতিক সংস্কাৰ, মুক্ত বাণিজ্য আদি পদক্ষেপৰ পাছত চীন, দক্ষিণ আমেৰিকাৰ একাংশ দেশৰ ক্ষিপ্ৰতাৰে আৰ্থিক বিকাশ হোৱাত পূৰ্বৰ অৱস্থাৰ সলনি হৈছে। আজি চীন দেশে বিশ্বৰ আগশাৰীৰ দেশবিলাকৰ স'তে একেশাৰীতে স্থান লাভ কৰিছে। কিছুদিন পূৰ্বে চীনৰ ৰাষ্ট্ৰপতি জি জিনপিঙে চীন দেশত দৰিদ্ৰতা নিৰ্মূল কৰা হ'ল বুলি ঘোষণা কৰিছে। চীনত যি ৭৭ কোটি দৰিদ্ৰ লোক আছিল তেওঁলোকক যোৱা কালছোৱাত সম্পূৰ্ণ দৰিদ্ৰতা মুক্ত কৰিবলৈ চীনৰ চৰকাৰ সক্ষম হ'ল বুলি ৰাষ্ট্ৰপতি জিনপিঙে ঘোষণা কৰিছে। চীনৰ ১৪০ কোটি জনসংখ্যাৰে আজিও ই বিশ্বৰ সৰ্বাধিক জনসংখ্যাৰ দেশ হিচাপে পৰিগণিত হৈ আছে। অৱশ্যে বৰ্তমান চীনত জন্মহাৰ আৰু জনসংখ্যা বৃদ্ধিৰ হাৰ প্ৰতি বছৰে ১৫ শতাংশকৈ হ্ৰাস পোৱাত অতি সোনকালে ভাৰতৰ জনসংখ্যা বিশ্বৰ ভিতৰত সৰ্বাধিক হ'বগৈ। ভাৰতত আজিও জনসংখ্যা অনিয়ন্ত্ৰিত গতিত বৃদ্ধি পাই আছে আৰু সেয়ে বৰ্ধিত জনসংখ্যাৰ বাবে ভাৰতৰ আৰ্থিক-সামাজিক অৱস্থাই জটিল ৰূপ লোৱাৰ আশংকা প্ৰকাশ কৰিছে বিশেষজ্ঞসকলে। ৰাষ্ট্ৰপতি জিনপিঙৰ মতে চীনৰ গ্ৰামাঞ্চলত যি দৰিদ্ৰতা আছিল তাক সম্পূৰ্ণ নিৰ্মূল কৰা হ'ল। উল্লেখ্য যে ৰাষ্ট্ৰসংঘই চীন দেশক ২০৩০ৰ ভিতৰত দৰিদ্ৰতা নিৰ্মূল কৰিবলৈ সময় সীমা বান্ধি দিছিল; কিন্তু ৰাষ্ট্ৰসংঘৰ সময়সীমাৰ আগেয়েই চীনে নিজকে দৰিদ্ৰমুক্ত কৰিবলৈ সক্ষম হ'ল। দেশখনৰ ১৪০ কোটি লোকৰ ভিতৰত আজি এজনো দৰিদ্ৰ লোক অথবা দৰিদ্ৰতাৰ সীমা ৰেখাৰ তলত বাস কৰা লোক নাই। চীন দেশৰ এনে চমকপ্ৰদ সাফল্যই নিশ্চয় সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছে। চীনৰ বাবে এয়া কেনেকৈ সম্ভৱ হ'ল? এই প্ৰশ্নৰ উত্তৰত চীন দেশে গ্ৰহণ কৰা অৰ্থনৈতিক নীতিৰ ব্যাপক সংস্কাৰৰ কথা মনত পেলাব লাগিব। ১৯৭৮ তেই চীন দেশে ইয়াৰ পূৰ্বৰ স্থবিৰ সমাজবাদী অৰ্থনীতি পৰিহাৰ কৰি অৰ্থনৈতিক সংস্কাৰ তথা মুক্ত বাণিজ্য নীতিক আদৰি লৈছিল। এই ব্যাপক সংস্কাৰৰ ফলত চীনত ৮৫ কোটি লোক দৰিদ্ৰ অৱস্থাৰ পৰা মুক্ত অথবা উন্নীত হৈছিল। আজি চীন হৈ পৰিল বিশ্বৰ তৃতীয় সৰ্ববৃহৎ অৰ্থনীতি। চীন চহকী ৰাষ্ট্ৰ হিচাপে পৰিগণিত হোৱা নাই যদিও এই স্থান ইয়াৰ সাফল্যৰ নিদৰ্শন। বিশ্বৰ ভিতৰত সৰ্বাধিক সংখ্যক বিলিয়নাৰ অৰ্থাৎ এহেজাৰ কোটি মাৰ্কিন ডলাৰতকৈ অধিক পৰিমাণৰ ধনৰ অধিকাৰী আছে চীন দেশত। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৬২৬ জন বিলিয়নাৰৰ বিপৰীতে চীনত ৭৯৯ জন বিলিয়নাৰ আছে আৰু এই ক্ষেত্ৰত চীনৰ স্থান বিশ্বৰ ভিতৰত এক নম্বৰত। চীনে ইয়াৰ দৰিদ্ৰতা নিৰ্মূল সম্ভৱ কৰিবলৈ সক্ষম হৈছে বিশেষকৈ ইয়াৰ মুঠ ঘৰুৱা উপাৰ্জন (জি ডি পি) বৃদ্ধি হোৱাৰ ফলত। বৰ্তমান চীন দেশৰ জি ডি পি ১৪.৪ ট্ৰিলিয়ন মাৰ্কিন ডলাৰ অৰ্থাৎ ১৪ হেজাৰ ৪০০ বিলিয়ন ডলাৰ। ইয়াৰ বিপৰীতে ভাৰতৰ বৰ্তমান ডি জি পি মাত্ৰ ২.৯ ট্ৰিলিয়ন ডলাৰ। দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২০২৫ত ভাৰতৰ অৰ্থনীতি পাঁচ ট্ৰিলিয়ন ডলাৰলৈ বৃদ্ধি কৰিব পৰা যাব বুলি আশা ব্যক্ত কৰিছে যদিও ক'ভিড মহামাৰীৰ ফলত দেশৰ অৰ্থনীতি ভাগি পৰাত ভাৰতে ইয়াৰ পাঁচ ট্ৰিলিয়ন ডলাৰৰ লক্ষ্য পূৰণ কৰাটো অতি কঠিন হ'ব বুলি অৰ্থনীতিৰ বিশেষজ্ঞসকলে মত প্ৰকাশ কৰিছে।

এনে অৱস্থাত আগন্তুক বছৰবোৰত ভাৰতে চীনৰ শাৰীত উপনীত হোৱা দূৰৰ কথা আনকি দৰিদ্ৰতা নিৰ্মূল কৰাটো সম্ভৱ নহ'ব। উল্লেখ্য যে কে'বা দশকৰ পূৰ্বে ভাৰতৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে দৰিদ্ৰতা নিৰ্মূল কৰক (গৰীবী হটাও) শ্ল'গান দিছিল; কিন্তু চীন দেশে দৰিদ্ৰতা নিৰ্মূল কৰিবলৈ সক্ষম হ'ল, ভাৰতে নোৱাৰিলে। ভাৰতে বহু পলমকৈ অৰ্থনৈতিক সংস্কাৰ আৰু মুক্ত বাণিজ্য নীতি গ্ৰহণ কৰিলে যদিও আজিও অৰ্থনৈতিক সংস্কাৰৰ ক্ষেত্ৰত ভাৰত বাধাৰ সন্মুখীন হৈ আছে। বিদেশৰ উদ্যোগপতি তথা কৰ্প'ৰেট খণ্ডই ভাৰতত বিনিয়োগ কৰিবলৈ আজিও আগ্ৰহ নকৰে বা অহা সকলেও নানান বাধা পোৱা বুলি কয়। ভাৰতত আজিও আমোলাসকলৰ ৰাজত্ব চলে আৰু তেওঁলোকেই প্ৰৱৰ্তন কৰি থৈছে লাইচেন্সৰাজ। প্ৰধানমন্ত্ৰীৰ মুখত লাইচেন্সৰাজ উঠাই দিয়া আৰু ছিংগল উইণ্ড' ব্যৱস্থা প্ৰৱৰ্তনৰ কথা শুনিবলৈ পোৱা যায় যদিও আজিও দেশৰ আমোলা-বিষয়াৰ হস্তক্ষেপ অব্যাহত আছে। বিদেশী বিনিয়োগকাৰীসকল আজিও সেয়ে ভাৰতত বিনিয়োগ কৰিবলৈ আগ্ৰহী নহয়। ইয়াৰ বিপৰীতে চীন দেশে যোৱা চাৰিটা দশকৰ আগৰে পৰা সকলো বিদেশী বিনিয়োগকাৰীৰ বাবে দুৱাৰ খুলি দিছিল আৰু ইয়াৰ ফলত হেজাৰ হেজাৰ বিদেশী ব্যৱসায়ী-উদ্যোগপতিয়ে চীনত সকলো ক্ষেত্ৰতে বিনিয়োগ কৰিলে। একেদৰে চীনৰ বাবেও বিদেশী বজাৰ মুকলি হ'ল। চীনৰ দুৰ্নীতি-বিৰোধী কঠোৰ আইনী ব্যৱস্থাৰ বাবেও সমাজ কল্যাণমূলক যিকোনো আঁচনি সফল হয়। ৰাইজৰ ধন মধ্যভোগী নাইবা দুৰ্নীতিগ্ৰস্ত বিষয়া-কৰ্মচাৰীয়ে আত্মসাৎ কৰিব নোৱাৰে। এইবিলাক কাৰণতে দেশখনৰ সামাজিক, অৰ্থনৈতিক বিকাশ দ্ৰুতগতিত সম্ভৱ হ'ল; কিন্তু ভাৰতত আজিও দেশৰ এক পঞ্চমাংশ লোকে দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰে। বিশ্বৰ ক্ষুধাৰ সূচকত ১১৭খন দেশৰ তালিকাত ভাৰত ১০২ সংখ্যক স্থানত আছে। ভাৰতবাসীৰ বাবে এয়া অতি দুৰ্ভাগ্যজনক। ভাৰতৰ জনমুৰি আয় অতি কম। অৱশ্যে ভাৰতত বিলিয়নাৰৰ সংখ্যা বাঢ়িছে। বৰ্তমান ভাৰতে বিলিয়নাৰৰ সংখ্যাৰ ক্ষেত্ৰত বিশ্বৰ তৃতীয় স্থান দখল কৰিছে। আনকি তলাবন্ধৰ সময়ছোৱাতো ভাৰতত বিলিয়নাৰ বাঢ়িছে। দৰিদ্ৰতা কিন্তু কমা নাই। দৰিদ্ৰতা কেতিয়া নিৰ্মূল হ'ব তাৰো কোনো নিশ্চয়তা নাই।

### খোলা মঞ্চ

## নতুন বছৰত আপুনি কেনেকুৱা এখন অসম বিচাৰে?


**দ্বীজেন্দ্ৰ কুমাৰ দাস,** *লেখক*


**নতুন** বছৰত মই বিচৰা ধৰণৰ এখন অসম নাপাওঁ। কিন্তু তাৰ অনুসংগতে কিছু কিছু কেন্দ্ৰত আশা আৰু প্ৰত্যাশ্যা ৰাখো। মনত ভাৱে দোলা দি থাকে কিজানি কিবা হয়েই? মোৰ আশা-আকাংক্ষাই বাটত খোজ পেলায়েই নেকি? তলত উল্লেখ কৰা দিশসমূহ ব্যক্ত কৰিব বিচাৰিছো। (১) চলিত ইংৰাজী নৱবৰ্ষ আৰু সমাগত অসমীয়া নতুন বছৰটোত আমি অসমবাসীয়ে পাম এখন নতুন চৰকাৰ। চৰকাৰ কাৰ হ'ব তাৰ পূৰ্বানুমান কাৰোবাৰ অমত হ'লেও একপ্ৰকাৰ ক'ব পৰা ধৰণৰ হৈছেই। (২) বৰ্তমানৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে চৰকাৰ গঠন কৰাৰ প্ৰথমটো সপ্তাহতে আমি অসমৰ লগতে মুখ্যমন্ত্ৰীৰো মংগলকামী হিচাপে চিঠি এখন প্ৰেৰণ কৰিছিলো। আমি চিঠিখনত মুখ্যমন্ত্ৰীৰ তৎপৰতাত কেৱল মাথো দু লাখমান টকা খৰচতে কিদৰে অসমৰ চৰম দানৱীয়, দুৰ্নীতিৰ নিয়ন্ত্ৰণ মাথোঁ ৭২ ঘণ্টাৰ ভিতৰতে কৰিব পাৰি তাৰ পন্থা উল্লেখ কৰি দিছিলো। আৰু আমাৰ কথাৰ যথাৰ্থতা বিবেচনা কৰি কাৰ্যব্যৱস্থা বাস্তৱত হাতত ল'লে এতিয়াও দেখি, শুনি থকা দুৰ্নীতিৰ গজগজীয়া ৰূপ প্ৰত্যক্ষ কৰিবলগীয়া নিশ্চয় নহ'লহেঁতেন। কিন্তু আমাৰ কথাৰ প্ৰসংগ বা গুৰুত্ব বুজাৰ চেষ্টা কৰিবই বা কিয়? গতিকে একো নকৰিলে। পৰিণতিত আমি এতিয়া ক'ম যে দুৰ্নীতিমুক্ত অসমৰ কিবা সমগ্ৰ অৱস্থাত ই বুমেৰাং হৈছে। দুৰ্নীতি ক'তো কমা নাই। দলটোত বহুত সামান্যতম ধাৰণা কৰিব নোৱাৰা নেতা-পালিনেতাৰ সংখ্যাধিক্যই আমাৰ দৰে সাধাৰণজনকো বিব্ৰত কৰিছে। (৩) মানৱতাৰ প্ৰধান শত্ৰুৰূপী দুৰ্নীতিৰ বিৰুদ্ধে আজিও কোনোটো ৰাজনৈতিক দল বা আন সংগঠনে বাস্তৱত জেহাদ ঘোষণা কৰিব পৰা নাই। কিয়নো দুৰ্নীতিত লিপ্ত নোহোৱা, স্বচ্ছ, দক্ষ অধ্যয়নশীল আৰু দূৰদৰ্শী নেতা আমাৰ চকুত পৰা নাই। গতিকে নতুন বছৰত দুৰ্নীতি বন্ধ বা প্ৰতিৰোধ হোৱাৰ আশা দেখা নাই। (৪) বৰ্তমানৰ চৰকাৰী প্ৰচলিত ব্যৱস্থাৰ আগন্তুক সময়ত পৰিৱৰ্তন যে হ'ব সেই ভাব মনলৈ নাহে। এনে ব্যৱস্থাত জনতাৰ উন্নয়নৰ ধন বা চৰকাৰী ধনৰ কোনোপধ্যে সদ্ব্যৱহাৰ নহয়। গতিকে মুখ্যমন্ত্ৰীয়ে কোৱাৰ দৰে ভাৰতৰ পাঁচখন উন্নত ৰাজ্যৰ ভিতৰত অসম হোৱা নাই। আৰু আগন্তুক তিনি দশকত হোৱাটোও সম্ভৱ নহয়। গতিকে অসম অনগ্ৰসৰ, দুখীয়া, দুৰ্বল ৰাজ্যৰ তালিকাতে থাকিব। কথাতহে 'অসম আকৌ উন্নতি পথত জয় আই অসম বোল' বুলি কোৱা হৈ থাকিব। বাস্তৱত পোৱাৰ আশা নাই। (৫) অযোগ্যতা আৰু অদক্ষতাৰ সলনি সঁচা দক্ষতাৰে সঁচা উন্নতিৰ পন্থা দেখুৱাব পৰা চৰকাৰ হ'ব বুলিও নাভাবো। কাৰণ, বাস্তৱত সঁচা ত্যাগী অধ্যয়নশীল নেতাৰ অভাৱ সৰ্বত্ৰ। শেষত জনাও যে আগন্তুক নতুন চৰকাৰখনে অন্ততঃ জনসাধাৰণ বা বিভাগীয় কৰ্মচাৰীৰ যিকোনো আবেদন/চিঠিৰ উত্তৰ সংশ্লিষ্ট বিভাগে অতি বেছি সাতদিনৰ ভিতৰত নিদিয়াৰ প্ৰমাণ হ'লে তাৰ বাবে লোৱা হ'ব কঠোৰ শাস্তি। এনে নিৰ্দেশনা আগন্তুক নতুন চৰকাৰৰ মুখ্যমন্ত্ৰীজনে দিব পাৰিবনে? যদি নোৱাৰে তেন্তে অসমৰ দুৰ্গতি নহ'ব কিয়?

ফোন ঃ ৯১০১৬৯৪৪৯৪

## প্ৰধানমন্ত্ৰীৰ অসম ভ্ৰমণ ঃ দল-সংগঠনৰ প্ৰতিক্ৰিয়া আৰু ছাত্ৰ সন্থাৰ কৰণীয়

### আমাৰ লম্ফ-জম্ফবোৰ এনেদৰে কৰা হয় যেন অসম কেন্দ্ৰৰ ওপৰত নহয়, কেন্দ্ৰহে অসমৰ ওপৰত নিৰ্ভৰশীল





সোঁতৰ বিপৰীতে চিন্তা

**প্ৰবীণ চৌধুৰী**

**ভাৰতৰ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যোৱা জানুৱাৰীৰ ২৩, সাত আৰু ২২ ফেব্ৰুৱাৰীত অসমলৈ আহি ইতিমধ্যে সম্পূৰ্ণ হোৱা কে'বাটাও প্ৰকল্প ৰাষ্ট্ৰলৈ উছৰ্গা কৰে আৰু নতুনকৈ হাতত লোৱা কে'বাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। এমাহৰ ভিতৰতে প্ৰধানমন্ত্ৰী তিনিবাৰকৈ অসমলৈ অহাৰ কাৰণে ছাত্ৰ সংগঠন, অসমীয়া জাতীয়তাবাদী সংগঠন আৰু বিজেপি-বিৰোধী ৰাজনৈতিক দলসমূহৰ মূৰৰ কামোৰণি হৈছে।

বিৰোধী দলৰ বাবে মোদীৰ অসম ভ্ৰমণ মূৰৰ কামোৰণি হোৱাটো স্বাভাৱিক কথা। কাৰণ, তেওঁৰ অসম ভ্ৰমণ আৰু ভ্ৰমণৰ লগত সংগতি ৰাখি তেওঁ কৰা প্ৰকল্পৰ আধাৰশিলা স্থাপন আৰু সম্পূৰ্ণ কৰা প্ৰকল্পৰ উদ্বোধনীয়ে আগত নিৰ্বাচনত বিজেপিৰ জয়ৰ সম্ভাৱনা উজ্জ্বল কৰাৰ আৰু বিৰোধী দলৰ জয়ৰ সম্ভাৱনা ম্লান কৰাৰ সংশয়; কিন্তু ছাত্ৰ সন্থাৰ মূৰৰ কামোৰণিৰ কাৰণ স্পষ্ট নহয়।

এই কথা অনস্বীকাৰ্য যে অসমলৈ প্ৰধানমন্ত্ৰী আৰু আন কেন্দ্ৰীয় মন্ত্ৰী অহাৰ আৰম্ভণি ঘটিছিল অটল বিহাৰী বাজপেয়ীৰ প্ৰধানমন্ত্ৰিত্বত ভাৰতত বিজেপি চৰকাৰ গঠন হোৱাৰ পাছতহে। মোদীৰ প্ৰধানমন্ত্ৰিত্বৰ কালছোৱাত কেন্দ্ৰীয় মন্ত্ৰীৰ অসম-ভ্ৰমণ যথেষ্ট বৃদ্ধি পাইছে। এটা সময়ত মোদীয়ে প্ৰতিটো পষেকতে অন্ততঃ এগৰাকীকৈ কেন্দ্ৰীয় মন্ত্ৰীয়ে অসম ভ্ৰমণ কৰাৰ বাবে নিৰ্দেশনা জাৰি কৰিছিল। আন প্ৰধানমন্ত্ৰীৰ কথা নকওঁৱেই, অসমৰ সাংসদ ড° মনমোহন সিং ভাৰতৰ প্ৰধানমন্ত্ৰী হৈ থাকোতে তেওঁ কাচিৎহে অসমলৈ আহিছিল। তেওঁ অসমলৈ নহাৰ বাবে আমাৰ অনেকেই অসন্তুষ্টি ব্যক্ত কৰিছিল। তাৰ বিপৰীতে এতিয়া সেইসকলেই মোদী অসমলৈ অহাৰ বাবে অকল অসন্তুষ্টিয়েই ব্যক্ত কৰা নাই, তেওঁৰ অসম ভ্ৰমণৰ বিৰোধিতাও কৰিছে। অথচ, প্ৰধানমন্ত্ৰী এগৰাকী ৰাজ্য এখনলৈ অহাটো ৰাজ্যখনৰ বাবে আহ্লাদ আৰু গৌৰৱৰ কথা হোৱা উচিত।

ৰাজ্যিক কংগ্ৰেছ সভাপতি ৰিপুণ বৰাৰ মতে প্ৰধানমন্ত্ৰী মোদী পৰিভ্ৰমী চৰাই। সদৌ অসম ছাত্ৰ সন্থাৰ মতে মোদী মিছলীয়া; ২০১৫ৰে পৰা মিছা কথাৰে মোদীয়ে অসমক আভুৱা ভাঁৰি আহিছে, অসমীয়াক প্ৰতাৰণা কৰি আহিছে; কিন্তু এই ধাৰণা কেৱল ছাত্ৰ সন্থাৰ মুষ্টিমেয় নেতাৰহে, সমস্ত অসমীয়া বা সমগ্ৰ অসমবাসীৰ নহয়।

প্ৰধানমন্ত্ৰীৰ তিনিওটা অসম ভ্ৰমণৰ প্ৰতিটোতে সদৌ অসম ছাত্ৰ সন্থাই প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিছে। ২৩ জানুৱাৰীত কৰা ভ্ৰমণৰ সময়ত নাগৰিকত্ব সংশোধনী আইনখন বাতিল কৰাৰ দাবীত ছাত্ৰ সন্থাই মোদীৰ ভ্ৰমণৰ বিৰোধিতা কৰিছিল। তিনি বছৰ জোৰা 'কা' আৰু 'কেব' বিৰোধী আন্দোলনে কেন্দ্ৰীয় চৰকাৰক নাগৰিকত্ব সংশোধনী আইনখন গ্ৰহণ কৰাৰ পৰা বিৰত ৰাখিব নোৱাৰিলে। এনে অৱস্থাত লোকসভা আৰু ৰাজ্যসভাত গৃহীত হোৱা আৰু ৰাষ্ট্ৰপতিৰ অনুমোদন লাভ কৰা আইনখন বাতিলৰ দাবীত পুনৰ প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰাটো অৰ্থহীন।

২২ ফেব্ৰুৱাৰীত মোদী অসমলৈ অহাৰ দিনা আছুৱে ক'লা পতাকা প্ৰদৰ্শন কৰাৰ লগতে ক'লা বেজ পৰিধান কৰি জিলা আৰু মহকুমাৰ সদৰ ঠাইসমূহত প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিছিল। এই কাৰ্যসূচী গ্ৰহণ কৰাৰ প্ৰকাশ্য কাৰণ কে'বাটাও। প্ৰথমটো হৈছে অসম চুক্তিৰ ছয় নম্বৰ দফাৰ ওপৰত পৰামৰ্শদাতা কমিটীয়ে দাখিল কৰা প্ৰতিবেদন ৰূপায়ণ কৰাৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ 'বিফলতা'। দাঢ়ি-কমা বাদ নিদিয়াকৈ কমিটীৰ প্ৰতিবেদন ৰূপায়ণ কৰিব বুলি কেন্দ্ৰীয় চৰকাৰে কথা দিয়া সত্বেও যোৱা দুয়োটা ভ্ৰমণতে মোদীয়ে অসম চুক্তিৰ ছয় নম্বৰ দফাৰ কথা একোকে নক'লে বুলি আছুৱে আক্ষেপ কৰিছে। ২২ ফেব্ৰুৱাৰীৰ অসম ভ্ৰমণৰ সময়ত সেই বিষয়ে প্ৰধানমন্ত্ৰীয়ে ঘোষণা কৰিব বুলি আছুৱে আশা কৰিছিল। পৰামৰ্শদাতা কমিটীয়ে প্ৰতিবেদন দাখিল কৰাৰে পৰা ইমানদিনে চৰকাৰ নীৰৱ হৈ থকাৰ পৰিপ্ৰেক্ষিতত আছুৱে কি ভিত্তিত তেনে এক আশাৰ বশৱৰ্তী হৈ প্ৰধানমন্ত্ৰীৰ ভ্ৰমণ কালত প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিছিল সেই কথাও স্পষ্ট নহয়। এনে লগা হৈছে যেন প্ৰতিবাদ কৰিব লাগে কাৰণেই যিকোনো অজুহাততে আছুৱে প্ৰতিবাদ কৰিবলৈ লৈছে। বাৰে বাৰে এনেদৰে প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰি ৰাজ্যখনত অনাহক অস্থিৰতাৰ সৃষ্টি কৰিবলৈ আছুক কোনে কৰ্তৃত্ব প্ৰদান কৰিছে? আছু অসমীয়াৰ অভিভাৱক নে অসমবাসীৰ অভিভাৱক?

প্ৰধানমন্ত্ৰীৰ অসম ভ্ৰমণৰ সময়ত প্ৰতিবাদ কৰাৰ আন এটা কাৰণ হৈছে অসমৰ বানপানী আৰু খহনীয়া সমস্যাক কেন্দ্ৰীয় চৰকাৰে ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা নকৰাটো। অনেক বুদ্ধিজীৱী আৰু দল-সংগঠনৰো একেই ধাৰণা; কিন্তু সমস্যাটোক ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰিলেই সমস্যাটো নোহোৱা হৈ যাবনে? তাহানিতে স্বাক্ষৰ কৰা অসম চুক্তিৰ ছয় নম্বৰ দফাৰ ক্ষেত্ৰত ইমানদিনে একো নকৰাৰ দৰে বানপানী আৰু খহনীয়া সমস্যাক ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰিও যদি চৰকাৰখনে একোকে নকৰে তেতিয়া কি হ'ব? গতিকে সমস্যা এটাক ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰা-নকৰাটো ডাঙৰ কথা নহয়, সমস্যাটো সমাধানৰ দিশে চৰকাৰখনে কি মনোভাৱ ব্যক্ত কৰিছে আৰু কি পদক্ষেপ গ্ৰহণ কৰিছে, সেইটোহে গুৰুত্বপূৰ্ণ কথা। অলপতে গুৰুজনাৰ জন্মস্থান বৰদোৱালৈ আহি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে বিজেপিক পুনৰবাৰ ক্ষমতাত বহুৱালে পাঁচ বছৰৰ ভিতৰতে অসমৰ বানপানী আৰু খহনীয়া সমস্যা সমাধান কৰিব বুলি ঘোষণা কৰিছে। সেই কথা আমাৰ বাবে বিশ্বাসযোগ্য নে? সমস্যাটো ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰিলেও কথাটো একে ধৰণৰে হৈ নাথাকিব নে?

প্ৰধানমন্ত্ৰীৰ অসম ভ্ৰমণৰ বিৰোধিতা কৰাৰ আন এটা কাৰণ হৈছে, ছাত্ৰ সন্থাই বিচৰা মতে কেন্দ্ৰীয় চৰকাৰে নামনি সোৱণশিৰী নদীবান্ধ প্ৰমুখ্যে সকলো বৃহৎ নদীবান্ধৰ নিৰ্মাণ বন্ধ কৰাৰ লগতে সোৱণশিৰী জলবিদ্যুৎ প্ৰকল্পৰ নিৰ্মাণ কামো বন্ধ নকৰাটো। নদীবান্ধ নিৰ্মাণ জলবিদ্যুৎ প্ৰকল্পটোৰ এক অবিচ্ছেদ্য অংগ। গতিকে পৃথককৈ নদীবান্ধ নিৰ্মাণ বন্ধ কৰাৰ দাবী উত্থাপন কৰাটো অমূলক। ৰাজ্যৰ প্ৰগতিৰ বাবে প্ৰয়োজনীয় বিজুলী উৎপাদনৰ বাবে গ্ৰহণ কৰা জলবিদ্যুৎ প্ৰকল্পৰ নিৰ্মাণ বন্ধ কৰিবলৈ দাবী কৰাটো অসমৰ প্ৰগতিৰ স্বাৰ্থৰ পৰিপন্থী নহয় নে? দাবীটো হ'ব লাগিছিল জলবিদ্যুৎ প্ৰকল্পটো গ্ৰহণ কৰোঁতে নদীবান্ধে যাতে অসমৰ মানুহলৈ বিপদ কঢ়িয়াই আনিব নোৱাৰে, সেই বিষয়ে ৰাইজক আশ্বস্ত কৰা। যি হওক অসমত বিজুলী উৎপাদনৰ কাৰণে জলবিদ্যুৎ প্ৰকল্প স্থাপন কৰিব লাগে নে নালাগে, সেই বিষয়ে ছাত্ৰ সন্থাৰ মতামত চূড়ান্ত হ'ব নোৱাৰে। ছাত্ৰ সন্থা এই বিষয়ৰ বিশেষজ্ঞ নহয় আৰু এই ক্ষেত্ৰত ছাত্ৰ সন্থাই কোনো বিশেষজ্ঞ কমিটীৰ পৰামৰ্শ লৈছে বুলিও জনা নাযায়। গতিকে বিষয়টোৰ ওপৰত ছাত্ৰ সন্থাই মাত নমতাই ভাল।

বানপানীৰ সময়ত অসমলৈ নহাৰ বাবে আপত্তি প্ৰকাশ কৰি ছাত্ৰ সন্থাই কৈছে যে বিপদৰ সময়ত আহিবলৈ সময় নোপোৱা মোদীয়ে এতিয়া নিৰ্বাচনী সময়ত এমাহতে তিনিবাৰকৈ অসমলৈ আহিছে। কংগ্ৰেছ দলেও সেই প্ৰশ্ন কৰিছে। বানপানীৰ সময়ত অসমৰ সাংসদ কংগ্ৰেছী প্ৰধানমন্ত্ৰী ড° মনমোহন সিং অসমলৈ কিমানবাৰ আহিছিল সেই বিষয়ে কিন্তু কোনো ধৰণৰ প্ৰশ্ন উঠা নাছিল। কেন্দ্ৰ আৰু ৰাজ্যত কংগ্ৰেছ দল শাসনাধিষ্ঠিত হৈ থাকোতে এনেবোৰ প্ৰশ্ন উত্থাপন নকৰা কংগ্ৰেছ দলে এতিয়া এনে প্ৰশ্ন উত্থাপন কৰিলে শোভা পায়নে?

ছাত্ৰ সন্থাৰ মতে ২০১৬ৰ অসম বিধানসভাৰ নিৰ্বাচনৰ আগে আগে সকলো অবৈধ বাংলাদেশী টালি-টোপোলা বান্ধি অসমৰ পৰা যাব লাগিব বুলি কোৱা মোদীয়ে তাৰ বিপৰীতে এতিয়া নাগৰিকত্ব আইন সংশোধন কৰি অতিৰিক্ত বিদেশীৰ বোজা অসমক দিব খুজিছে। ২৩ জানুৱাৰীত 'কা' বাতিলৰ দাবীত আছুৱে মোদীৰ ভ্ৰমণৰ বিৰোধিতা কৰিছিল। ২৩ জানুৱাৰী আৰু সাত ফেব্ৰুৱাৰীৰ অসম ভ্ৰমণৰ সময়ত মোদীয়ে বিষয়টোৰ ওপৰত একোকে নক'লে। গতিকে ২২ ফেব্ৰুৱাৰীৰ ভ্ৰমণত সেই বিষয়ে মোদীয়ে ক'ব বুলি আছুৱে আশা কৰিছিল।

মোৰ দৃষ্টিত এনে ধৰণৰ সমস্যাৰ প্ৰতি প্ৰধানমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰাৰ নিমিত্তে, তেওঁৰ অসম ভ্ৰমণ কালত প্ৰতিবাদ সাব্যস্ত কৰাৰ বাবে উপযুক্ত সময় নহয়। প্ৰশ্ন হয়, এনেবোৰ দাবী উত্থাপন কৰি আৰু সেইবোৰ পূৰণ নকৰিলে প্ৰধানমন্ত্ৰীক অসমলৈ আহিবলৈ দিয়া নহ'ব বুলি ছাত্ৰ সন্থাই প্ৰধানমন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰেৰণ কৰিছিল নেকি? যদি নাই কৰা তেন্তে বিনা জাননীত দেশৰ প্ৰশাসনিক মুৰব্বীক অপদস্থ আৰু অপমান কৰাৰ যুক্তি আছেনে?

এটা কথা আমি পাহৰা উচিত নহয় যে লোকসভাত অসমৰ মাথোন ১৪ খনহে আসন আছে। লোকসভাৰ মুঠ ৫৪৩ খন আসনৰ ভিতৰত অসমৰ ১৪ খন আসনে কেন্দ্ৰত চৰকাৰ গঠন কৰাৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন নকৰে। গতিকে ১৪ খন আসনৰ কাৰণে কোনো ৰাষ্ট্ৰীয় দলেই চিন্তিত নহয়। ৰাজ্যত বিজেপিয়ে শাসনৰ ক্ষমতা ৰক্ষা কৰাৰ মানসেৰে মোদীয়ে বাৰে বাৰে অসমলৈ আহি আছে যদিও প্ৰতিবাৰ অসম ভ্ৰমণত তেওঁ অপমানিত হৈ ভৱিষ্যতে ইয়ালৈ অহাৰ ইচ্ছা হেৰুৱাবও পাৰে। আমি পাহৰা অনুচিত যে তেওঁ বিজেপিৰ প্ৰধানমন্ত্ৰী নহয়, আমাৰ প্ৰধানমন্ত্ৰী, আমাৰ দেশৰ প্ৰধানমন্ত্ৰীহে। গতিকে নিৰ্বাচনী লক্ষ্যৰে আহে যদিও তেওঁৰ অসম ভ্ৰমণত আমি তেওঁৰ প্ৰধানমন্ত্ৰিত্বৰ দিশটো পাহৰি যাব নোৱাৰো। দেশখনৰ প্ৰধানমন্ত্ৰী হিচাপে তেওঁ যিমান সন্মানৰ যোগ্য, সেই সন্মানখিনি তেওঁৰ প্ৰতি প্ৰকাশ কৰাটো অসমবাসীকে ধৰি প্ৰতিগৰাকী ভাৰতীয়ৰে কৰ্তব্য।

প্ৰধানমন্ত্ৰী যে কেৱল অসমলৈকে সঘনাই আহিছে তেনে নহয়। নিৰ্বাচন হ'বলগীয়া পাঁচোখন ৰাজ্যলৈকে গৈছে। ২২ ফেব্ৰুৱাৰীত অসমৰ পৰা তেওঁ পশ্চিমবংগলৈ গৈছে। অসমৰ বাহিৰে আন ৰাজ্যত প্ৰধানমন্ত্ৰীয়ে সেই সেই ৰাজ্যৰ ছাত্ৰ সন্থাৰ প্ৰতিবাদৰ সন্মুখীন হৈছেনে?

স্মৰ্তব্য যে মোদীৰ উদ্যোগত জাপানৰ প্ৰধানমন্ত্ৰী অসমলৈ অহাৰ কথা আছিল। স্বাধীনতাৰে পৰা এতিয়ালৈকে বিদেশৰ কোনো ৰাষ্ট্ৰপ্ৰধান অসমলৈ আহিব পাৰে বুলি কোনোবাই ভাবিব পাৰিছিলনে? কিন্তু আন্দোলনৰ উৎপাতত সেই বিৰল সন্মানৰ পৰা অসম বঞ্চিত হ'ল। লগতে ১২ হেজাৰ কোটিৰ বিনিয়োগৰ সম্ভাৱনাও অসমে হেৰুৱালে। এয়াই হ'ল অসমৰ জাতীয়তাবাদী সংগঠনসমূহৰ ৰাজ্যৰ প্ৰতি থকা দায়বদ্ধতাৰ নমুনা।

অসমৰ দৰে অৰ্থনৈতিকভাৱে দুৰ্বল আৰু কেন্দ্ৰৰ সহায়ত চলিবলগীয়া ৰাজ্য এখনে সদায় কেন্দ্ৰক অসন্মান কৰাটো ঠিক নহয়। আমাৰ লম্ফ-জম্ফবোৰ এনেদৰে কৰা হয় যেন অসম কেন্দ্ৰৰ ওপৰত নহয়, কেন্দ্ৰহে অসমৰ ওপৰত নিৰ্ভৰশীল। ছাত্ৰ সন্থা প্ৰমুখ্যে সকলো জাতীয়তাবাদী দল-সংগঠনে মনত ৰখা উচিত যে ৰাষ্ট্ৰ যন্ত্ৰ এক বৃহৎ শক্তিৰ ভঁৰাল আৰু ইচ্ছা কৰিলে ৰাষ্ট্ৰ যন্ত্ৰই যিকোনো সংগঠনক নিমিষতে তচনচ কৰি দিব পাৰে। সেই কাৰণে সংগঠনসমূহে নিজৰ স্থিতি উপলব্ধি কৰি ৰাষ্ট্ৰ যন্ত্ৰৰ প্ৰতি প্ৰাপ্য সন্মান প্ৰদৰ্শন কৰিব লাগে।

আছুৱে ভবা অনুচিত যে সন্থাটোৰ নেতৃবৃন্দই যি ভাবে আৰু কয় সেয়া সকলো অসমীয়াৰে ভাব আৰু বাচ্য। আছুৱে এই কথাও মন কৰিব লাগে যে প্ৰতিটো কথাতে আন্দোলনৰ পথত অৱতীৰ্ণ হোৱাৰ বাবে আৰু ৰাজহুৱাভাৱে প্ৰায়েই অশালীন তথা অসন্মানজনক আচৰণ প্ৰদৰ্শন কৰাৰ বাবে ইতিমধ্যে সন্থাটোৰ নিজৰ সামাজিক গুৰুত্ব বহু পৰিমাণে হ্ৰাস পাইছে আৰু দিনক দিনে ৰাইজৰ মনত সন্থাটোৰ গ্ৰহণযোগ্যতাও দ্ৰুত গতিত হ্ৰাস পাবলৈ ধৰিছে। নিজৰ হৃদত সন্মান ঘূৰাই আনি সন্থাটোৱে নিজকে জনমানসত কেনেদৰে এক সন্মানীয় আৰু আদৰৰ জাতীয় সংগঠন হিচাপে পুনৰ প্ৰতিষ্ঠা কৰিব পাৰে, সেই বিষয়ে সন্থাটোৱে গুৰুত্ব সহকাৰে চিন্তা কৰাটো অতি প্ৰয়োজনীয় কথা। আত্ম-বিশ্লেষণ আৰু আত্ম-সমালোচনাই তাৰ একমাত্ৰ পথ। সন্থাটোৰ প্ৰতি সময়ৰ আহ্বানো সেইটোৱেই।

*ফোন ঃ ৮১৩৫৮৪৮৬২৩*

## কাৰোবাৰ দুনয়ন সৰগৰ তৰা যেন লাগে

### গীত শুনিবলৈ বয়সৰ কোনো সীমা নাথাকে



অৱলোকন

**চাইৰা ইছলাম বড়া**

**আজিৰ** শিৰোনামা অসমীয়া সংগীত জগতখনক চহকী কৰি তোলা এজন জনপ্ৰিয় কণ্ঠশিল্পী তথা সংগীত পৰিচালক কুল বৰুৱাৰ দৰদী কণ্ঠৰ এটি মিঠা গীতৰ কিয়দাংশ। চিৰ পৰিচিত এই গীতটোৰ দৰে অপ্ৰত্যাশিতভাৱে সময়ৰ গতিত দুচকুত তৰা বছাৰ দিন সকলোৰে জীৱনলৈ আহে। কোনোৰেই ব্যতিক্ৰম নহয় শাশ্বত প্ৰেমৰ শিহৰিত অনুভৱৰ পৰা। বিশেষকৈ ডেকা-গাভৰুৰ চিৰন্তন প্ৰেমৰ ওপৰত প্ৰাধান্য দিয়েই কুল বৰুৱাৰ কণ্ঠত নিগৰিছিল বহুতো ৰোমান্টিক গীত। বহু বছৰৰ আগতে সৃষ্টি হোৱা এই গীতবোৰ আজিও চিৰসেউজ হৈ হৃদয়ে হৃদয়ে বৈ আছে। এনে ধৰণৰ বহু ৰোমান্টিক গীতৰ স্ৰষ্টা কুল বৰুৱা আজি আৰু আমাৰ মাজত নাই। এই কথা চিৰন্তন সত্য যে যিমান বেদনাদায়ক হ'লেও মৃত্যু অনিবাৰ্য, জন্ম হ'লে মৃত্যু অৱশ্যম্ভাৱী। এটি শিশুৰ জন্মৰ আগমনে পৰিয়ালটোলৈ অপৰিসীম সুখৰ বন্যা কঢ়িয়াই অনাৰ বিপৰীতে প্ৰিয়জনৰ মৃত্যুৰ খবৰে অসহনীয় যন্ত্ৰণা দি যায়। জন্ম-মৃত্যুৰ গভীৰ ৰহস্যৰ মাজতেই নিহিত হৈ আছে জীৱনৰ গভীৰ অৰ্থ। মৃত্যুৰ কোনো নিৰ্দিষ্ট বয়স নাথাকে। সময়ৰ কুটিল আহ্বানক স্বীকাৰ কৰি অগা-পিছাকৈ সকলোৱে এদিন এই বিনন্দীয়া পৃথিৱীৰ পৰা বিদায় ল'ব লাগিব। ইতিমধ্যে অতি কম দিনৰ ব্যৱধানত আমাৰ সমাজৰ বিভিন্ন ক্ষেত্ৰত বিশেষভাৱে অৰিহণা আগবঢ়াই অহা কে'বাজনো স্বনামধন্য ব্যক্তিৰ মৃত্যুৰ খবৰে আমাক অতিশয় মৰ্মাহত কৰি তুলিছে। সমাজখনৰ বাবে এয়া এক অপূৰণীয় ক্ষতি। এনে ধৰণৰ দুখজনক বাতৰিত সমাজখনেই কিছু সময় থমকি ৰ'বলগীয়া হয়। উকা কৰি যায় আমাৰ চৌদিশ।

উল্লেখ্য যে ৮০ৰ দশকতে অনাতাঁৰ শিল্পীৰূপে স্বীকৃতি লাভ কৰা দুজন জনপ্ৰিয় শিল্পী মনোৰঞ্জন গগৈ আৰু কুল বৰুৱাৰ কম দিনৰ ব্যৱধানতে মৃত্যু হোৱা বাতৰিয়ে সংগীত জগতখনত গভীৰ শোকৰ ছাঁ পেলাইছে। অগ্ৰজসকলৰ অভাৱে যুৱ শিল্পীসকলৰ মাজত শূন্যতাৰ সৃষ্টি কৰে; কিন্তু সাংগীতিক ক্ষেত্ৰখনত শুদ্ধ পথেৰে নবীনসকলে বাট বুলিলেহে অসমীয়া সংগীতৰ ভেটি সুদৃঢ় কৰি যোৱা সেইসকল মহান শিল্পীৰ প্ৰতি উচিত সন্মান প্ৰদৰ্শন কৰা হ'ব। সৃষ্টিৰ আৰম্ভণিৰ পৰাই কুল বৰুৱাৰ কণ্ঠৰ প্ৰতিটো বিখ্যাত গীতেই ৰাইজৰ মাজত সমাদৰ লাভ কৰি আহিছে। জীৱনক বুজা-নুবুজা দিনৰ পৰাই আমিও এই শিল্পীসকলৰ কণ্ঠৰ সুমধুৰ গীতবোৰ ৰেডিঅ'ৰ জৰিয়তে শুনি শুনিয়েই ডাঙৰ হৈছো। সেয়ে আমাৰ আত্মাৰ স'তে জড়িত বিশেষ গীতবোৰে আজিও প্ৰাধান্য পাই আহিছে। সংগীত ভালপোৱা সকলো লোকেই হয়তো কুল বৰুৱাই কণ্ঠদান কৰা অনবদ্য গীতসমূহৰ অজানিতেই প্ৰেমত পৰিছিল। গতানুগতিক সংগীততকৈ তেওঁৰ কণ্ঠৰ এক সুকীয়া আমেজ আছিল, আৱেগ ঢালি গোৱা প্ৰতিটো গীততেই আমি যেন জীৱনৰ অৰ্থ বিচাৰি পাওঁ। ৰোমান্টিক গীতবোৰ তেওঁৰ আৱেগিক কণ্ঠত অধিক প্ৰাণৱন্ত হৈ উঠিছিল। প্ৰেমৰ গভীৰ পৰশে স্পৰ্শ কৰিছিল বৰুৱাৰ দৰদী কণ্ঠৰ প্ৰতিটো গীত। সঁচা জীৱনৰ উন্মেষ ঘটা বাস্তৱৰ এখন সুন্দৰ প্ৰতিচ্ছবি গীতসমূহৰ তালে তালে পৰিস্ফূট হৈ উঠে। হিয়া জুৰ পেলোৱা এই গীতবোৰেই হয়তো নজনাকৈয়ে বহুতৰ মনত প্ৰেমৰ উন্মেষ ঘটাইছিল। এনে ধৰণৰ সুমধুৰ সংগীতৰ সুৰ কৰ্ণকুহৰত বাজি থকাৰ পাছত সংগীতৰ ভাল-বেয়াৰ পাৰ্থক্য সততেই আমাৰ কাণত পৰে। সুললিত কণ্ঠত প্ৰাণ পাই উঠা এটি এটি সংগীতৰ উচ্চ মানৰ সাৱলীল কথাংশই হৃদয় চুই যায়। তেনেস্থলত নতুনকৈ সৃষ্টি হোৱা কিছু বেসুৰা গীতৰ দুৰ্বল কথাংশই আমাক বাৰুকৈয়ে বিমোৰত পেলাই লজ্জিত কৰে। অসমীয়া সংগীত জগতখনৰ ভৱিষ্যতৰ বাবে শংকিত হৈ পৰো অস্বাভাৱিক কিছুমান গীতৰ সৃষ্টিত। অসমীয়া সংগীতৰ আদৰ বিশ্বৰ দৰবাৰতে সুকীয়া। ইতিমধ্যে ভূপেনদাৰ দৰে বহু স্বনামধন্য বিশিষ্ট শিল্পীয়ে অসমীয়া সংগীতক বিশ্বৰ দৰবাৰত এখন উচ্চ মানৰ আসন দি থৈ গৈছে। এনেস্থলত সেই অনবদ্য ধাৰা অব্যাহত ৰখাটো প্ৰতিজন শিল্পীৰ গধুৰ দায়িত্ব। নতুন-পুৰণিৰ সংমিশ্ৰণত অবিৰত ধাৰা অব্যাহত ৰখাৰ স্বাৰ্থতে বিজতৰীয়া সংগীততকৈ অসমৰ থলুৱা সুৰসমূহক অগ্ৰাধিকাৰ দিয়া উচিত। অত্যধিক বাদ্যযন্ত্ৰ ব্যৱহাৰ কৰাৰ ফলত বৰ্তমান গীতৰ কথাংশও যেন ক'ৰবাত হেৰাই যায়। অতিমাত্ৰা আধুনিকতাৰ মেৰপেচত পৰি যুগৰ পৰিৱৰ্তনৰ লগত ফেৰ মাৰিবলৈ গৈ আজিৰ সংগীতৰ পথাৰখনত থলুৱা সুৰৰ সুললিত কণ্ঠবোৰ হেৰাই যোৱাৰ উপক্ৰম হৈছে। এই ক্ষেত্ৰত শিল্পীসকলে তেওঁলোকৰ সৃষ্টিত সজাগ হোৱাৰ সময় সমাগত, অন্যথা সৃষ্টিৰ আৰম্ভণিতে বহুতো সংগীত বিলুপ্ত হ'ব। উৎকট বাদ্য-যন্ত্ৰেৰে সজোৱা এটি গীত এজন সুস্থ ৰুচিবোধৰ শ্ৰোতাৰ বাবে কোনো কাৰণতেই গ্ৰহণযোগ্য হ'ব নোৱাৰে। তাহানিৰ হিয়া জুৰ পেলোৱা সংগীতৰ স'তে আজিৰ সংগীতৰ যথেষ্ট তফাৎ আছে। পুৰণি গীতসমূহৰ তুলনাত বৰ্তমানৰ খুব কম সংখ্যক গীতেহে শ্ৰোতাৰ মন আকৰ্ষণ কৰিবলৈ সক্ষম হয়। আজিৰ কিছুসংখ্যক গীতে খন্তেকতে জনপ্ৰিয়তা অৰ্জন কৰাৰ দৰে কম দিনৰ ভিতৰতে পাহৰণিৰ গৰ্ভত লীন যায়। অতীজতে সৃষ্টি হোৱা বহু গীতৰ জনপ্ৰিয়তাৰ ধাৰা আজিও অব্যাহত আছে। পৰিৱৰ্তিত সময়ৰ গ্ৰাসত পৰি পুৰণিক সমূলঞ্চে বিদায় দি নতুনক আদৰি লোৱাটো বাতুলামি মাত্ৰ।

আমাৰ বাবে অতি সুখৰ কথা যে নৱ প্ৰজন্মৰ এচাম শিল্পীৰ মাজত অতীজৰ জনপ্ৰিয় শিল্পীসকলক সুঁৱৰি পুৰণি চিৰসেউজ সংগীতৰ চৰ্চা আজিও অব্যাহত আছে। তেওঁলোকৰ এই প্ৰচেষ্টা অতি আদৰণীয়। আজি কিছুদিনৰ আগতে প্ৰয়াত কুল বৰুৱা সহিতে এচাম নৱ প্ৰজন্মৰ শিল্পীৰ এক সুমধুৰ অনুষ্ঠান এটি ব্যক্তিগত টিভি চেনেলত প্ৰত্যক্ষ কৰি আমি ধন্য হৈছিলো। নতুন-পুৰণিৰ সংমিশ্ৰণত প্ৰচাৰিত হোৱা এনে ধৰণৰ সংগীত অনুষ্ঠানবোৰে শ্ৰোতা-দৰ্শকক মনোৰঞ্জন দিয়াৰ উপৰি মৰমৰ শিল্পীজনক স্বচক্ষে প্ৰত্যক্ষ কৰাৰ সুযোগ দিয়ে।





বিশেষ কিছুমান সুমধুৰ গীতৰ কাহানিও মৃত্যু নহয়, কিন্তু সেই গীতৰ স্ৰষ্টাজনৰ অন্তিম শয়নে সকলোৰে হৃদয়ত নিদাৰুণ যন্ত্ৰণা দি যায়। যিকোনো এজন জনপ্ৰিয় লোকে তেওঁৰ কৰ্মৰ দ্বাৰা আগবঢ়োৱা মূল্যৱান অৱদানৰ বাবে এটা সময়ত ব্যক্তিগত জীৱনৰ পৰা জনসাধাৰণৰ মাজত বিলীন হৈ পৰে। সেইদৰে প্ৰকৃত শিল্পীসত্বাৰে অলংকৃত এজন ব্যক্তিও পৰিয়ালৰ মাজতে সীমাবদ্ধ নাথাকি অজানিতে ৰাইজৰ আপোন হৈ পৰে। এজন প্ৰকৃত শিল্পী সকলোৰে হিয়াৰ আমঠু। তেওঁলোকৰ আকৰ্ষণীয় কণ্ঠৰ জৰিয়তে অচিনাকিজনৰ হৃদয়তো এখন আছুতীয়া আসন দখল কৰি লয়। সেইদৰে অসমৰ জনপ্ৰিয় শিল্পীসকলৰ ভিতৰত প্ৰয়াত কুল বৰুৱাও এজন বিশেষ কণ্ঠৰ শিল্পী আৰু সংগীত পৰিচালক আছিল। তেওঁৰ অসাধাৰণ সাংগীতিক প্ৰতিভাৰ বলত আজিৰ পৰা বহু বছৰৰ আগতে অসমীয়া সংগীত জগতখনত খোপনি পুতিবলৈ সক্ষম হৈছিল। অসমীয়া ছবি জগতলৈও তেওঁৰ সংগীতৰ অৱদান অতুলনীয়। তেওঁৰ আৱেগিক কণ্ঠত সংগীতৰ ৰোমান্টিক ধাৰাই এক অনন্য মাত্ৰা প্ৰদান কৰিছিল। চিৰপৰিচিত সেইজনা মহান শিল্পী আজি আৰু আমাৰ মাজত নাই। সময়ৰ স'তে হাৰ মানি পৰিয়ালবৰ্গৰ লগতে অনুৰাগীসকলক কন্দুৱাই চিৰদিনৰ বাবে বিদায় ল'লে। এই ক্ষতি অপূৰণীয় যদিও অনুৰাগীসকলৰ মনৰ বেদীত তেওঁৰ সুৰৰ সুললিত মূৰ্ছনা সদায়ে বাজি থাকিব।

গীত শুনিবলৈ বয়সৰ কোনো সীমা নাথাকে। প্ৰতিজন লোকেই তেওঁৰ প্ৰিয় শিল্পীগৰাকীৰ অনুৰাগী। সকলো লোকৰে পছন্দ ভিন্ন প্ৰকাৰৰ হ'লেও চিৰসেউজ গীতবোৰৰ জনপ্ৰিয়তা স্বাভাৱিকতেই বেছি। জীৱনদায়িনী ঔষধৰ দৰে এটি মধুৰ গীতে মানুহৰ মনত নতুনত্বৰ জোৱাৰ তুলি অদম্য শক্তি দিয়ে। তাহানিতে শিল্পীসকলৰ বহু ত্যাগ কষ্টৰ বিনিময়ত এটা এটা বিখ্যাত গীতৰ সৃষ্টি হৈছিল, আজিৰ দৰে শীত-তাপ নিয়ন্ত্ৰিত বিলাসী ষ্টুডিঅ'ত বহি নহয়। সেয়ে স্বনামধন্য শিল্পীসকলৰ অতুলনীয় অৱদান আমাৰ বাবে সদায়েই আদৰ্শনীয় হৈ ৰ'ব। শিল্পীসকল এখন সমাজৰ হিয়াৰ আমঠু, তেওঁলোকে কণ্ঠৰ বলত ৰাইজৰ হৃদয় জয় কৰিবলৈ সক্ষম হয়। কুল বৰুৱাৰ কণ্ঠৰ অসমীয়া সংগীত জগতত সুকীয়া স্থান দখল কৰা চিৰ পৰিচিত গীতসমূহ— তেনেকৈ নাচাবা..., কপৌ পাহি..., কাৰোবাৰ দুনয়ন.... শেৱালি পাহিৰে... জুমি জুমি... আদি জনপ্ৰিয় গীতসমূহৰ এটা এটা শব্দৰ লগতে সুৰৰ লহৰ আমাৰ তেজত যেন বিয়পি আছে। মধুৰ কণ্ঠৰ লগতে সুমধুৰ মিউজিকৰ তালত অনন্য ৰূপত সৃষ্টি হৈছিল এই চিৰযুগমীয়া সংগীতবোৰ। কুল বৰুৱাৰ প্ৰতিটো গীতেই আজিও জনপ্ৰিয়তাৰ শীৰ্ষত, বাৰে বাৰে শুনিও আমনি নালাগে। অসমীয়া জাতিটোৰ সংগীতৰ পথাৰলৈ এওঁলোকৰ অৱদান অতুলনীয়। এনেবোৰ সুমধুৰ সংগীতৰ অপূৰ্ব সৃষ্টিৰাজিৰ মাদকতাই আমাৰ প্ৰাণত আজিও দোলা দি যায়।


চিৰনমস্য শিল্পীসকলৰ সন্মানাৰ্থে নতুন প্ৰজন্মই সাধনাৰ মাজেদিয়েই এই চিৰসেউজ গীতসমূহ শুদ্ধ ৰূপত সদায়েই জীয়াই ৰাখিব লাগিব। সৃষ্টিশীল লোকসকলৰ নৱ নৱ সৃষ্টিৰাজিৰ অনবদ্য তৃষ্ণাই মৰুভূমি সদৃশ জীৱন বালিত সংগীতৰ বৰষুণে জীপাল কৰি তুলিব পাৰে। কুল বৰুৱাই সংগীতৰ মাজেৰে বহুজনৰ দুনয়নত তৰাৰ ছবি অংকিত কৰাৰ প্ৰেৰণা যোগাই আজি নিজেও ঢুকি নোপোৱা দূৰ আকাশৰ এটি তৰা হ'লগৈ। এই যাদুকৰী কণ্ঠৰ অধিকাৰীজনে চিৰদিনৰ বাবে আমাৰ মাজৰ পৰা বিদায় মাগিলে যদিও অসমৰ সাংগীতিক জগতখনক পোহৰ বিলাবলৈ নিলগৰ পৰাই জুমি জুমি চাই থাকিব। এই আশা মনত লৈয়েই তেওঁৰ বিদেহী আত্মাৰ সদ্গতি কামনা কৰিলো।

*ফোন ঃ ৯১০১৫১৭৮৪৭*

দৈনিক অগ্ৰদূত
গুৱাহাটী, ৪ মাৰ্চ বৃহস্পতিবাৰ, ২০২১ পৃষ্ঠা ৫

## ২০২১ৰ অসম বিধানসভাৰ নিৰ্বাচন

# সংশয় আৰু সম্ভাৱনা



দৃষ্টিপাত

**বাণেশ্বৰ শইকীয়া**

**আগন্তুক** অসম বিধানসভাৰ নিৰ্বাচন অহা এপ্ৰিল-মে'ত অনুষ্ঠিত হ'ব। তাৰ কাৰণে অসমৰ বিভিন্ন দল-সংগঠন তৎপৰ হৈ পৰিছে ৰাজ্যৰ শাসন ক্ষমতা দখলৰ বাবে। ভাৰতীয় গণতন্ত্ৰৰ মৌলিকতা হৈছে পাৰ্টি গণতন্ত্ৰ। ভাৰতীয় নাগৰিকৰ দ্বাৰা গঠিত বা সৃষ্টিত যিকোনো দল বা দল সমষ্টিয়ে প্ৰাপ্তবয়স্ক নাগৰিকৰ ভোটৰ দ্বাৰা নিৰ্বাচিত হৈ পাঁচ বছৰৰ কাৰণে ৰাষ্ট্ৰৰ শাসন ক্ষমতা লৈ দেশ বা ৰাজ্য শাসন কৰিব পাৰে। তাৰপাছতে অৰ্থাৎ পাঁচ বছৰৰ মূৰে মূৰে নিৰ্বাচন পাতি শাসক মণ্ডলী বা চৰকাৰ গঠন কৰা হয়। নিৰ্বাচনত চলিত চৰকাৰৰ শাসন কাৰ্যৰ বুজ-বিচাৰ হয়। নতুন কাৰ্য-কৰ্মসূচীৰ বিবেচনা হয়। পুৰণি দলক অৰ্থাৎ শাসক দলক আঁতৰাই নতুন দলক শাসনত বহুৱাব পাৰে গৰিষ্ঠসংখ্যক প্ৰাপ্তবয়স্ক নাগৰিকৰ ভোটেৰে।

এতিয়া আমি মূল বিষয়লৈ আহো। অসমত ২০১৬ৰ মে'ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বহু ইঙ্গিত হিন্দু ৰাষ্ট্ৰৰ খোপনি গজগজীয়া কৰি সৰ্বানন্দ সোণোৱালৰ নেতৃত্বত বিজেপি চৰকাৰৰ সুদীৰ্ঘ চাৰি বছৰকাল পাৰ হৈ যোৱাত অসমৰ জনগণৰ দুৰ্দশা, দুৰ্যোগ, দৈন্য আৰু অসমত অসমীয়াৰ অস্তিত্ব বিপন্ন কৰা সমস্যাবোৰ সমাধান কৰিবলৈ ব্যৰ্থ হৈ সৰ্বসাধাৰণ শান্তিকামী নাগৰিকৰ গণতান্ত্ৰিক অধিকাৰ খৰ্ব কৰি দুঃশাসনকাৰী বিজেপি চৰকাৰক অপসাৰণ কৰাটো একান্ত প্ৰয়োজন হোৱা যেন উপলব্ধি কৰি ১৫ বছৰ অসম চৰকাৰ চলোৱা প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈয়ে বিজেপিৰ বিৰুদ্ধে জাকৰুৱা নাও বামেৰেও যোৱাৰ দৰে সকলো বিৰোধী ৰাজনৈতিক পাৰ্টি সংগঠনক লৈ মহাজোঁট গঠনৰ কথা প্ৰকাশ কৰিছিল। আনকি এসময়ত হু ইজ বদৰুদ্দিন বুলি একাষৰীয়া কৰা বদৰুদ্দিন আজমলকো প্ৰস্তাৱিত মহাজোঁটৰ অংশীদাৰ কৰা হ'ব। কালৰ কুটিল গতি! তৰুণ গগৈয়ে তেওঁৰ বাঞ্চিত প্ৰস্তাৱ বাস্তৱায়ন কৰিবলৈ নাথাকিল। অথচ প্ৰস্তাৱ থাকি গ'ল। এতিয়া নিৰ্বাচনৰ দিন চমু চাপি অহাত কংগ্ৰেছ দল কিছু তৎপৰ হৈ উক্ত প্ৰস্তাৱৰ কথালৈ আগবাঢ়ি মহাজোঁটৰ পাতনি মেলিছে। ইতিমধ্যে অসমত 'অসম জাতীয় পৰিষদ' আৰু 'অসম ৰাইজৰ দল' নামে দুটা নতুন আঞ্চলিক ৰাজনৈতিক দলে জন্মলাভ কৰিছে আৰু এইবাৰ নিৰ্বাচনত অসমত শাসন ক্ষমতা হাতত ল'বলৈ যো-জা চলাইছে। দুয়োটা দলৰ মতাদৰ্শ এটাই আঞ্চলিকতাবাদ। মহজোঁট গঠনৰ প্ৰক্ৰিয়াটো আগুৱাই নিয়াৰ উদ্দেশ্যে নব্যজাত দুই ৰাজনৈতিক নেতাক লগ ধৰাৰ উদ্দেশ্যে কংগ্ৰেছ সাংসদ গৌৰৱ গগৈয়ে অজাপ নেতা লুৰীণজ্যোতি গগৈক যোৱা মাহত লগ ধৰা ঘটনাক লৈ বিজেপিৰ নেতা ড° হিমন্ত বিশ্ব শৰ্মাই ইতিকিং কৰি প্ৰেছক কৈছিল—তিনি গগৈ এফালে, লাখ লাখ গগৈ আমাৰ ফালে আছে। ইফালে, বিজেপিৰ ৰাজ্যিক সভাপতি ৰঞ্জিত দাসে বৰপেটাত ঘোষণা কৰিছে, এইবাৰ বিজেপিয়ে অসমত ৬০ৰ পৰা ৬৫ শতাংশ ভোট পাব আৰু চৰকাৰী আঁচনিৰ দ্বাৰা যোৱা চাৰে চাৰি বছৰত উপকৃত হোৱা ৯৫ লাখ হিতাধিকাৰীয়ে ভোট দিলেই বিজেপি চৰকাৰ গঠন হ'ব। সংখ্যাগুৰু, সংখ্যালঘু সকলোৱে বিজেপিক এইবাৰ ভোট দিব। ড° হিমন্ত বিশ্ব শৰ্মাই ঠাট্টা কৰি কৈছে— 'সকলো বিৰোধী দল ঐক্যবদ্ধ হওক, মহজোঁট গঠন কৰক।'

ৰঞ্জিত দাস, হিমন্ত বিশ্ব শৰ্মা, সৰ্বানন্দ সোণোৱালৰ ইমান আত্ম-প্ৰত্যয়ৰ ভিত্তি কিহত? জাতি, মাটি, ভেটি সুৰক্ষাৰ প্ৰতিশ্ৰুতি দি অসমত ক্ষমতা ল'লে—হিন্দু ৰাষ্ট্ৰবাদী ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ একাণপতীয়া প্ৰচেষ্টা আৰু পুঁজিপতি ব্যৱসায়ী শ্ৰেণীৰ মুকলি সমৰ্থন সহযোগিতা, কেন্দ্ৰত থকা নৰেন্দ্ৰ মোদী চৰকাৰৰ সৰ্বাত্মক তত্ত্বাৱধানত ভাৰতীয় জনতা পাৰ্টিয়ে ২০১৬ত অসমত ক্ষমতাৰ গাদী দখল কৰে। এই গাদী সুৰক্ষিত কৰিবৰ কাৰণে—(১) দেশৰ সাংবিধানিক গণতন্ত্ৰত বিজেপি চৰকাৰে প্ৰচলিত খাদ্য সুৰক্ষিত আইনৰ আওতা সম্প্ৰসাৰণ কৰি ৫২ লাখ পৰিয়ালক দুটকা কিলোৰ চাউল যোগান ধৰি আনুগত্য আদায়ৰ চেষ্টা চলিছে। অকল আৰ এছ এছৰ প্ৰতিপত্তিৰ ওপৰত ৰৈ থকা নাই। (২) চাহ বাগিচাত কাম কৰা সকলো মানুহকে শ্ৰমিক কৰ্মচাৰীক বিনামূলীয়া চাউলৰ যোগান দিছে। তাৰ বাবে বিজেপিয়ে বোধহয় কৃতজ্ঞতাও দাবী কৰে। (৩) অসমত বিজেপি শাসনৰ যোৱা চাৰে চাৰি বছৰত চাহ বাগিচাত কাম কৰা শ্ৰমিক নাগৰিকক তিনিটা কিস্তিত মুঠ আঠ হেজাৰ টকা (২৫০০+২৫০০+৩০০০) সাহায্য দিছে। ইয়াৰ প্ৰতিদান? (৪) ২০২০ৰ ২৭ জানুৱাৰীত তৃতীয়খন বড়োচুক্তি স্বাক্ষৰ কৰি বিটিআৰ-বড়োলেণ্ড টেৰিটৰিয়েল ৰিজিয়ন গঠন কৰি বড়ো ৰাজ্য প্ৰদানেৰে বড়ো জনজাতিসকলৰ আনুগত্য আশা কৰিছে। (৫) অসমৰ তথাকথিত ছয় জনগোষ্ঠীক স্বায়ত্ত শাসন প্ৰদান কৰি আসন্ন ক্ষমতাৰ যুঁজত প্ৰতিদান নিশ্চিত কৰিছে। (৬) অসমত সিচঁৰতি হৈ থকা বড়ো তথা কছাৰী মানুহৰ যাৱতীয় সা-সুবিধাৰ কাৰণে অসম বড়ো উন্নয়ন পৰিষদ গঠন কৰিবৰ কাৰণে যোৱা বিধানসভাৰ বৈঠকত আইন কৰিছে। (৭) অলপতে বিজেপি চৰকাৰে অসমত থকা ২১ টা ভাষাৰ সাহিত্য সভালৈ উন্নয়নৰ নামত ৪৩ কোটি টকা মঞ্জুৰিৰ এচাম মধ্যবিত্ত নাগৰিকক সন্তুষ্ট কৰিছে। এইটো আগতে নোহোৱা-নোপোজা ব্যৱস্থা বিজেপিয়ে প্ৰৱৰ্তন কৰিছে। (৮) এইবাৰ বিজেপি চৰকাৰে ন হেজাৰ নামঘৰত আঢ়ৈ লাখকৈ টকা দি অসমীয়া হিন্দু নাগৰিকক সন্তুষ্ট কৰাৰ কাম কৰিছে। নিৰ্বাচনৰ আগকালত ই



তাৎপৰ্য বহন কৰিছে। (৯) বিজেপি চৰকাৰে অসমত অৰুণোদয় আঁচনিত এই নিৰ্বাচনৰ আগে আগে ফেব্ৰুৱাৰী-মাৰ্চত ২২ লাখ মহিলাক গাঁও-চহৰ উভয়তে ৮৩০ টকাকৈ উপঢৌকন দিয়া ঠিক কৰিছে। (১০) এই বছৰ ফেব্ৰুৱাৰীত অসমৰ ৬৮ হেজাৰ মহিলাৰ 'আত্ম-সহায়ক' গোটক এককালীন ৫০,০০০ কৈ টকা চৰকাৰে সাহায্য দিব আৰু ২৫,০০০ কৈ চলন্ত পুঁজি ৰিভল্‌ভিং ফাণ্ড প্ৰত্যেককে দিছে। কিমান লাখ মহিলা এই গোটবোৰত আছে জনা নাযায়। এইটো হিতাধিকাৰী ভোটাৰৰ দিশ।

আনটো দিশ হ'ল ৰাজনৈতিক। ছুপ্ৰিম ক'ৰ্টৰ নিৰ্দেশত প্ৰস্তুত কৰা অসমৰ নাগৰিক পঞ্জীখন ২০১৯ৰ ৩১ আগষ্টত চৰকাৰক চমজি দিয়ে। সেই মতে ৪০ লাখ লোক ভাৰতীয় নাগৰিক নহয়। তাৰ ভিতৰত ১৯ লাখ বাংলাদেশী হিন্দু নাগৰিক অবৈধ অনুপ্ৰৱেশকাৰী আছে ১৯৭১ অসম চুক্তি মতে। অসমৰ সোণোৱাল চৰকাৰে সেই পঞ্জীখন শুদ্ধ নহয় বুলি ছুপ্ৰিম ক'ৰ্টলৈ ঘূৰাই দিছে। বৰ্তমান ভোটাৰ লিষ্টত ইলেক্‌ছন কমিছনে সেইসকল লোককো ভোটাধিকাৰ দিছে। গতিকে, ইয়াৰ ভিতৰত কমেও ২০ লাখ ভোটাৰ বিজেপিৰ পক্ষত। আকৌ, 'কা' আইন পাছ কৰি ২০১৪ত নৰেন্দ্ৰ মোদী যুগ মোদী ইৰা আৰম্ভ হোৱালৈকে ভাৰতীয় হিন্দু ৰাষ্ট্ৰলৈ অহা সকলো হিন্দু নাগৰিকক বিতাড়ন কৰাটো ধোঁৱা চাঙত তুলি থৈছে। সোণোৱাল চৰকাৰৰ 'জাতি, মাটি ভেটি'ৰ সান্দহ খোৱা বালি তল পৰিল। কিন্তু, হিন্দুত্ববাদীৰ মুকলি বজাৰৰ ভেটি যেন নিকপকপীয়া হৈছে।

লগত আছে ব্যৱসায়ী, পুঁজিপতিহঁতৰ প্ৰকাণ্ড ধনৰ পাহাৰ। ঘাই কথা, হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰা মতে অসমত বিজেপিৰ ৪০ লাখ পাৰ্টিৰ সভ্য আছে। আৰু সেইসকলে তৃণমূল পৰ্যায়ত কাম কৰি আছে। এই হ'ল শাসক পক্ষৰ স্থিতি আৰু শক্তি।

আসন্ন নিৰ্বাচনী যুঁজৰ ঘাই প্ৰতিদ্বন্দ্বী হৈ থিয় হৈছে ভাৰতীয় জাতীয় কংগ্ৰেছ। ইয়াৰ শক্তি সামৰ্থ্যৰ দিশ বিশ্লেষণ নকৰিলেও হ'ব। একেলেথাৰি ১৫ বছৰ চৰকাৰ চলাই ২০১৬ত মাত্ৰ ২৬ খন আসন পোৱাটো যদিও চক্ খাব লগীয়া কথা, ইয়াক বিচাৰ কৰিব লাগিব ২০১৪ৰ লোকসভাৰ সাধাৰণ নিৰ্বাচনত হোৱা শ্ৰেণী যুঁজৰ পটভূমিত। সেই যুঁজৰ কেন্দ্ৰবিন্দু আছিল ধন আৰু ধৰ্ম। অসমৰ ২০১৬ত তাৰেই প্ৰতিফলন হয়। মৌলিকভাৱে ভাৰতীয় জাতীয় কংগ্ৰেছে, ধৰ্ম-নিৰপেক্ষতা, গণতন্ত্ৰ আৰু সমাজবাদক দেশ প্ৰশাসনৰ নীতি হিচাপে গ্ৰহণ কৰি আহিছে। সমাগত বিধানসভাৰ নিৰ্বাচনী যুঁজত এই দলে গৃহীত নীতিৰ উপৰি জাতি, মাটি, সুৰক্ষাৰ নীতিও প্ৰয়োগ কৰিব বুলি প্ৰকাশ কৰিছে। এই দলৰ গণভিত্তি এতিয়াও ৰৈ আছে। আৰু প্ৰধানমন্ত্ৰী মোদীৰ 'কা' আইনৰ বিপক্ষত দৃঢ় স্থিতি লৈ আছে।

আনটো বিৰোধী দল হ'ল, বদৰুদ্দিন আজমলৰ নেতৃত্বাধীন এআইইউডিএফ। এইটো 'কৌমৰ' পাৰ্টি। যোৱা নিৰ্বাচনত ১৪ খন পাইছিল। মুছলমান ভোটাৰৰ মাজত যথেষ্ট প্ৰভাৱ। কিন্তু, অলপতে হৈ যোৱা বড়ো টেৰিটৰিয়েল ৰিজিয়নৰ নিৰ্বাচনত সেই প্ৰভাৱ দেখা নগ'ল। বোধহয় ইছলামধৰ্মী ভাৰতীয় নাগৰিকৰ মাজত ধৰ্মৰ নামত ব্যৱসায় কৰা ভ্ৰান্তি কমিছে। জীৱন-জীৱিকাৰ সমস্যাইহে গুৰুত্ব লাভ কৰিছে। অগৰু ব্যৱসায়ী বদৰুদ্দিন আজমলৰ চকু মেল খাব। 'মহাজোঁটৰ বাস্তৱ অংশীদাৰ হ'ব এইবাৰৰ বিজেপি বিৰোধী তথা নৰেন্দ্ৰ মোদী বিৰোধী তথা 'কা' বিৰোধী ঐক্যবদ্ধ ৰণত।

বাকী বিৰোধী শক্তিৰ ভিতৰত আছে বামপন্থী পাৰ্টিসমূহ আৰু সদ্যোজাত আঞ্চলিকতাবাদী অসম জাতীয় পৰিষদ, ৰাইজৰ দল, গণ মঞ্চ, গণসংগ্ৰাম পৰিষদ আৰু বড়ো পিপলছ্ ফ্ৰণ্ট। প্ৰমোদ বড়োৰ পাৰ্টিয়ে 'যেয়ে ৰজা তাৰে প্ৰজা' হোৱাৰ নীতি হয়তো ঘোষণা কৰিব। সুবিধাবাদী নীতি।

বিৰোধী পাৰ্টিসমূহৰ গণ সংগঠন আৰু গণশক্তি সম্পৰ্কে পৰিষ্কাৰ আৰু সঠিক তথ্য প্ৰকাশ হোৱা নাই। ফলত আগন্তুক নিৰ্বাচনী যুঁজখন এক পক্ষীয় হৈ আছে। তাৰ মানে শাসকদল সদলবলে নৰেন্দ্ৰ মোদীক সেনাপতি কৰি ৰণক্ষেত্ৰত অৱতীৰ্ণ হৈ গৈছে যোৱা ২৩ জানুৱাৰীৰ পৰা। সৰ্বশক্তি সংহত কৰিছে। তাৰ বিপৰীতে বিৰোধী পক্ষই নিজ নিজ শক্তিৰ ক্ষমতাৰ সঠিক ওজনৰ পৰিমাণ আৰু প্ৰয়োগৰ পৰিধি নিৰ্ণয় কৰিবই পৰা নাই। বাস্তৱ ক্ষেত্ৰত বিৰোধী পক্ষৰ কোনো এটা গোটে শাসক প্ৰতিপক্ষৰ সক্ষম আৰু সফল সন্মুখীন হোৱাৰ অৱস্থা নাই। গাইগুটীয়াকৈ কিম্বা সৰু গোট হৈ বৃহৎ সুসংগঠিত প্ৰতিপক্ষক হৰুৱা একেবাৰে সম্ভৱ নহয়। আঞ্চলিকতাবাদৰ নামত ক্ষমতাৰ যুঁজত অৱতীৰ্ণ হ'বলৈ ওলোৱা শক্তিবোৰে নিজৰ ওপৰত অতি বিশ্বাস কৰিলে ভুল নিশ্চয় কৰিব। জানি-শুনি বিৰোধী ভোটৰ বিভাজন কৰিলে অসমৰ, স্থিতি, গতি, নিৰাপত্তাৰ কাৰণে এটা মহা অকাৰ্য কৰা হ'ব। বৰ্তমান অৱস্থাত সকলো বিৰোধী বৰ-সৰু মিলি শক্তি ঐক্যবদ্ধ হৈ হ'লেহে ক্ষমতাত অধিষ্ঠিত শক্তিৰ লগত 'সথে সাথ্যং সমাচৰেৎ' হ'ব। এই ক্ষেত্ৰত গুণী-জ্ঞানী, মধ্যবিত্ত অসম-অসমীয়া প্ৰেমী, পৰিৱৰ্তনকামী ব্যক্তি আৰু ব্যক্তি সমষ্টিৰ ভূমিকা লক্ষ্যণীয় হ'ব।

*ফোন : ৯৪৩৫৫৯৮৬৩১*

---

সৎ ভাৱমূৰ্তিৰ নেতাৰ সংখ্যা তেনেই তাকৰ

# নাগৰিকৰ অধিকাৰ আৰু দায়িত্ব



**আমি** হাতত লোৱা ৰূপটিৰ দুয়োটা পিঠিতে দুটা অৰ্থবহ কথা নিহিত থাকে। সেয়া হ'ল বজাৰ মূল্য আৰু শ্ৰম। অৰ্থাৎ শ্ৰম কৰিলেহে শ্ৰমৰ মূল্য পোৱা যায় আৰু সেই ধনৰ দ্বাৰা আমি নিত্য প্ৰয়োজনীয় সামগ্ৰী ক্ৰয় কৰিব পাৰো আৰু ৰাহি পইচাটো দুৰ্দিনৰ বাবে সাঁচি থ'ব পাৰো। এই সৰু উদাহৰণটিৰে গণতন্ত্ৰ-গণতান্ত্ৰিক শাসন ব্যৱস্থাৰ নিয়ন্ত্ৰণত ৰাইজে নিৰ্বাচন কৰি দিয়া চৰকাৰৰ মূল স্তম্ভ চাৰিটাৰ আইনসভা বা সংসদকে ধৰি বিধানমণ্ডলসমূহৰ সঞ্চালনী প্ৰক্ৰিয়া সম্পৰ্কে চমুকৈ আলোচনা কৰিবলৈ লোৱা হ'ল। সংসদীয় শাসন পদ্ধতিত জনসাধাৰণৰ স'তে প্ৰত্যক্ষভাৱে সম্পৰ্কিত স্তম্ভ বা যন্ত্ৰটিয়ে হ'ল বিধানমণ্ডল। সুশাসন প্ৰৱৰ্তনৰ বাবে ইয়াৰ পৰিকাঠামো গাঁওসভা বা পঞ্চায়তৰ পৰা আৰম্ভ কৰি দেশৰ সৰ্বোচ্চ সদনলৈ ব্যাপ্ত হৈ থাকে। এই সকলোবোৰ বিধানমণ্ডল সুনিয়ন্ত্ৰিত নিৰ্বাচন পদ্ধতিৰে ভোটদাতা ৰাইজৰ দ্বাৰা প্ৰত্যক্ষভাৱে নিৰ্বাচিত জনপ্ৰতিনিধিৰে গঠন কৰা হয়। এই প্ৰক্ৰিয়াৰে ৰাজ্যসমূহত ৰাজ্যিক পৰ্যায়ত আৰু কেন্দ্ৰত ৰাষ্ট্ৰীয় পৰ্যায়ত দুই-তৃতীয়াংশ বা মুঠ আসনৰ আধাতকৈ বেছি সংখ্যক বিজয়ী জনপ্ৰতিনিধিৰ দ্বাৰা ৰাজ্যত মাননীয় ৰাজ্যপাল আৰু কেন্দ্ৰত ৰাষ্ট্ৰপতিৰ আমন্ত্ৰণ ক্ৰমে চৰকাৰ গঠন কৰা হয়। দুয়োখন চৰকাৰতে ক্ৰম অনুসাৰে মন্ত্ৰীসভা গঠন কৰা হয়। শাসকীয় দলৰ জনপ্ৰতিনিধিসকলৰ দ্বাৰা নিৰ্বাচিত নেতাগৰাকীয়ে ৰাজ্যৰ ক্ষেত্ৰত ৰাজ্যপাল আৰু কেন্দ্ৰৰ ক্ষেত্ৰত ৰাষ্ট্ৰপতিৰ পৰা আমন্ত্ৰণ লাভ কৰি মন্ত্ৰীসভা গঠন কৰে। ৰাজ্যৰ মুখ্যমন্ত্ৰী, কেবিনেট মন্ত্ৰী আৰু ৰাজ্যিক পৰ্যায়ৰ মন্ত্ৰীসকলে সুশাসন, উন্নয়ন, ঐক্য আৰু সম্প্ৰীতি ৰক্ষাৰ অৰ্থে শপথ ব্যাক্য পাঠ কৰি মুখ্যমন্ত্ৰীয়ে আগবঢ়োৱা দপ্তৰসমূহ পৰিচালনা কৰাৰ দায়িত্ব গ্ৰহণ কৰে। ৰাজ্যৰ সকলো নিৰ্বাচিত বিধায়কে বিধানসভাৰ অধ্যক্ষৰ সন্মুখত শপত লয়। শাসকবৰ্গৰ ক্ষমতা নিজ ৰাজ্যত সুশাসন প্ৰৱৰ্তনতে সীমাবদ্ধ থাকে। শিক্ষা, স্বাস্থ্য, কৃষি, ৰাজহ, বন, যোগান, বাননিয়ন্ত্ৰণ লোক নিৰ্মাণ আদি জনকল্যাণমূলক বিভাগসমূহৰ প্ৰয়োজনীয় কাম কৰাৰ্থে বিধানসভাত যাৱতীয় আইন, নীতি-আঁচনি নিৰ্ধাৰণ কৰি কাৰ্যপালিকাক কাৰ্যসূচী ৰূপায়ণৰ পথ প্ৰদৰ্শন কৰে। দুই এটা স্থানীয় সমস্যা সংযোগৰ লগতে মন্ত্ৰীমণ্ডলে যুগুতোৱা আৰু বিধানসভাই গ্ৰহণ কৰা নীতিৰ আধাৰত আগবঢ়োৱা আঁচনিৰ ধন জনসাধাৰণৰ স্বাৰ্থত ব্যৱহাৰ কৰি উন্নয়নৰ সোপান বাস্তৱত ৰূপদান দিয়া হয়। মুখ্যমন্ত্ৰীকে ধৰি মন্ত্ৰীমণ্ডলৰ সদস্যবৃন্দ আৰু কাৰ্যপালিকাৰ দক্ষতাৰ ওপৰতে এখন ৰাজ্যৰ সৰ্বাংগীন বিকাশ নিৰ্ভৰশীল।

দেশৰ প্ৰদান চালিকা শক্তিটোৱে হ'ল কেন্দ্ৰীয় চৰকাৰ। এই চৰকাৰ গঠিত হয় সমগ্ৰ দেশৰ চুক-কোণ সামৰি হোৱা সাধাৰণ নিৰ্বাচনত-জনসমৰ্থন লাভ কৰি নিৰ্বাচিত হোৱা কোনো নিৰ্দিষ্ট দল বা সমভাবাপন্ন ৰাজনৈতিক দলৰ সমষ্টিৰ জনপ্ৰতিনিধিৰ দ্বাৰা। নিৰ্বাচিত সাংসদৰ মাজৰ সদনৰ মুঠ আসনৰ দুই তৃতীয়াংশ বা আধাতকৈ অধিক সংখ্যক বিজয়ী জনপ্ৰতিনিধি লাভ কৰা দল বা গোটে নেতা নিৰ্বাচন কৰে। তেওঁ মহামান্য ৰাষ্ট্ৰপতিৰ আমন্ত্ৰণ লাভ কৰি দেশৰ প্ৰধানমন্ত্ৰীৰূপে কেন্দ্ৰীয় মন্ত্ৰীসভা গঠন কৰে। প্ৰধানমন্ত্ৰীকে মুখ্য কৰি মন্ত্ৰীসভাৰ কেবিনেট আৰু ৰাজ্যিক পৰ্যায়ৰ মন্ত্ৰীসকলে দেশৰ সাৰ্বভৌম চৰিত্ৰ, অখণ্ডতা, সুৰক্ষা, সংহতি, উন্নয়ন, শান্তি-সম্প্ৰীতি ৰক্ষাৰ স্বাৰ্থত মহামান্য ৰাষ্ট্ৰপতিৰ সমুখত শপত লয়। লোকসভালৈ বিভিন্ন দল-গোট সামৰি নিৰ্বাচিত সকলো সাংসদে অধ্যক্ষৰ সমুখত একে শপত বাক্য পাঠ কৰে। প্ৰধানমন্ত্ৰীয়ে মন্ত্ৰীসভাৰ সদস্যসকলৰ যোগ্যতা আৰু কাৰ্যক্ষমতা বিচাৰ কৰি গৃহ, বিত্ত প্ৰতিৰক্ষা, বৈদিক পৰিকল্পনা, ৰেল, উদ্যোগ আদি কেন্দ্ৰৰ দ্বাৰা কাৰ্যপৰিচালনা আৰু নিয়ন্ত্ৰিত হ'ব লগা বিভাগসমূহ বিতৰণ কৰে। মন্ত্ৰীবৰ্গই সচৰাচৰ প্ৰচলিত কৰ্ম আঁচনিৰ উপৰি নিৰ্বাচনত দিয়া প্ৰতিশ্ৰুতিৰ আধাৰত নতুন কৰ্মাচনী লোৱাৰ অৰ্থাৎ খচৰা বিধেয়ক প্ৰস্তুত কৰি মন্ত্ৰীসভাত দাখিল কৰে। মন্ত্ৰীসভাৰ সমৰ্থন লাভ কৰাৰ পাছত তেনে বিধেয়ক লোকসভাত উত্থাপন হয়। বিৰোধী জনপ্ৰতিনিধিয়ে ইয়াৰ ওপৰত বিতৰ্কত অৱতীৰ্ণ হয়। প্ৰয়োজন সাপেক্ষে বিধেয়কৰ ওপৰত যাৱতীয় সংশোধন-পৰিবৰ্ধন-পৰিবৰ্জনৰ পাছত তাক গোপন বা মৌখিক ভোটেৰে গ্ৰহণ কৰা হয়। বিত্ত সম্পৰ্কীয় বিধেয়কৰ বাহিৰে লোকসভাত গৃহীত সকলো বিধেয়কৰ ওপৰত ৰাজ্যসভাৰ অনুমোদনৰ প্ৰয়োজন হয়।



দৃষ্টিপাত

**প্ৰমোদ কাকতি**

দেশৰ সৰ্বোচ্চ সদন দুখন। লোকসভা গঠন সম্পৰ্কে ওপৰত উল্লেখ কৰা হৈছে। ৰাজ্যসভা বা উচ্চ সদনৰ গঠন কিছু সুকীয়া। ৰাজ্যসমূহৰ নিৰ্বাচিত বিধায়কৰ নিৰ্দিষ্ট সংখ্যকৰ ভোটদানেৰে ৰাজ্যসভাৰ সদস্য বা সাংসদ নিৰ্বাচিত হয়। দেশৰ ক্ৰীড়া, সংস্কৃতি, সমাজ সেৱা আদিত বিশেষ বুৎপত্তি দেখুওৱা সন্মানীয় লোকৰ নিৰ্দিষ্ট সংখ্যককো ৰাজ্যসভাৰ সদস্য হিচাপে মহামান্য ৰাষ্ট্ৰপতিয়ে মনোনীত কৰে। লোকসভাৰ সদস্যৰ সমমৰ্যাদা ৰাজ্যসভাৰ সদস্যসকলেও পায়। বিধেয়ক গ্ৰহণ কৰা-নকৰা পৰৰাষ্ট্ৰ, প্ৰতিৰক্ষা, গৃহ আদি বিষয়ৰ লগতে সাধাৰণ প্ৰশাসন সুচাৰুৰূপে নিয়ন্ত্ৰণ কৰাৰ ক্ষেত্ৰতো ৰাজ্যসভাৰ সদস্যসকলে গঠনমূলক ভূমিকা গ্ৰহণ কৰে। লোকসভা আৰু ৰাজ্যসভাৰ মাজত পাৰ্থক্য ইমানেই যে দুয়োখন সদনৰ নিৰ্বাচনী প্ৰক্ৰিয়া সুকীয়া। সকলো বিধেয়ক প্ৰথমে লোকসভাত উত্থাপিত হ'বই লাগিব। কিছুমান বিধেয়ক কেৱল লোকসভাই অনুমোদন জনালেই হয়। সৰহ ভাগ বিধেয়ক লোকসভাত গৃহীত হোৱাৰ পাছতহে ৰাজ্যসভালৈ যায়। কোনো বিধেয়ক প্ৰত্যক্ষভাৱে ৰাজ্যসভা বা উচ্চ সদনলৈ নাযায়।

লোকসভা আৰু ৰাজ্যসভা প্ৰকৃততে আইন প্ৰণয়ন কৰা সদনহে। এই সভা দুখনে দেশৰ সৰ্বাংগীন স্বাভিমান ৰক্ষাৰ্থে আইন প্ৰণয়ন আৰু নীতি নিৰ্ধাৰণ কৰে আৰু সেয়া ৰূপায়ণ কৰাৰ্থে কাৰ্যপালিকাক সুনিদিষ্ট পথ দেখুৱাই দিয়ে। কিন্তু কাৰ্যক্ষেত্ৰত দেখা যায় যে কিছু কিছু ক্ষেত্ৰত মন্ত্ৰী আৰু সাংসদবৃন্দই কাৰ্যপালিকাৰ কামতো হস্তক্ষেপ কৰে। এই ক্ষেত্ৰত দুই ধৰণৰ কথা আহি পৰে। চৰকাৰৰ নীতি আৰু আদৰ্শ অনুসৰি উন্নয়নৰ দিশত অগ্ৰসৰ হোৱাৰ বাবে কাৰ্যপালিকাক উৎসাহ প্ৰদান আৰু অন্যহাতেদি কাৰ্যপালিকাৰ দক্ষতা আৰু যোগ্যতাৰ ওপৰত প্ৰশ্ন উত্থাপন কৰা। আইন সভা আৰু কাৰ্যপালিকা গণতান্ত্ৰিক শাসন ব্যৱস্থাৰ দুটা বেলেগ চৰকাৰী অংগ বা স্তম্ভ। গতিকে প্ৰত্যেকে নিজৰ নিজৰ দায়িত্ব নিষ্ঠা আৰু সততাৰে পালন কৰাটোহে কাম্য। অৱশ্যে আইন প্ৰণেতা আৰু কাৰ্যসঞ্চালকৰ মাজত যে সম্পৰ্ক নাই তাকো নুই কৰিব নোৱাৰি। পৰস্পৰে সমন্বয় আৰু সহযোগিতাৰ মাজেৰে উন্নয়নমূলক আঁচনি সঠিকভাৱে ৰূপায়ণ কৰি জনকল্যাণ সাধন কৰাটোহে সকলোৰে কৰ্তব্য হোৱা উচিত।

আগৰ দিনৰ মনীষীসকলে ৰাজনীতিজ্ঞসকলক যোগী-তপস্যাৰ স'তে তুলনা কৰিছিল। ঋষি-মুনিসকলে যেনেকৈ মোহ-মায়া, লোভ-লালসা আদিৰ পৰা সম্পূৰ্ণ আঁতৰি থাকি জীৱৰ কল্যাণৰ হকে জীৱন উৰ্ছগা কৰিছিল— ৰাজনীতিবিদ-সমাজ সেৱকসকলেও তেনেকৈ ভোগবাদী চিন্তাক পৰিহাৰ কৰি ত্যাগৰ মহিমাৰে জনসেৱাত আত্মনিয়োগ কৰা উচিত। আজিৰ ৰাজনৈতিক দলৰ নেতাসকলৰ মাজতো যে ত্যাগী, নিস্বাৰ্থ আৰু নিকা ভাৱমূৰ্তিৰ নেতা বা কৰ্মী নাই তেনে নহয়। কিন্তু এনে সৎ ভাৱমূৰ্তিৰ নেতাৰ সংখ্যা তেনেই তাকৰ আৰু এইসকলক ৰাজ্য বা দেশ শাসন কৰাৰ পৰা ছলে-বলে-কৌশলে আঁতৰাই ৰখা হয়। খঁকুৱা আৰু অসৎ প্ৰবৃত্তিৰ ৰাজনৈতিক নেতাচামে ক্ষমতাৰ বাঘজৰী নিজৰ কব্জালৈ আনি লুটৰাজ আৰম্ভ কৰে। সৰ্বসাধাৰণ ৰাইজে কপালৰ ঘাম মাটিত পেলাই অৰ্জা ধন-সম্পত্তিৰ ওপৰত লগোৱা কৰেৰে পুষ্ট হোৱা ৰাজভঁৰালৰ ধন শোষণ কৰি জনপ্ৰতিনিধি বোলা, ৰাইজৰ নেতা বোলা এই ধুৰন্ধৰহঁতে লুটৰাজ চলায়। এইসকলে নিৰ্বাচনৰ সময়ত ৰাইজকে দিয়া প্ৰতিশ্ৰুতিৰ কথা পাহৰি যায়। ৰাইজৰ মুখৰ ভাত কাঢ়ি আনি নিজৰ উদৰ পূৰায়। ফলত ৰাইজৰ দুৰ্দশা বাঢ়ি যায় আৰু উন্নয়নৰ ছবিখন পয়া-লগা হৈ পৰে।

সাম্প্ৰতিক কালত ৰাজনৈতিক নেতাসকলৰ দৃষ্টিভংগী সলনি হৈছে। নিৰ্বাচনত ব্যয় হ'ব পৰা যাৱতীয় ধনৰ বাবে বিভিন্ন ৰাজনৈতিক দলৰ নেতাসকলে ধনী ব্যৱসায়ী আৰু উদ্যোগপতিৰ ওচৰত হাত পাতে। এই ধৰণৰ ৰাজনীতিবিদৰ অসৎ অভিপ্ৰায়ৰ অন্তৰালত থকা অন্তনিৰ্হিত অৰ্থ হ'ল জনসাধাৰণৰ দুৰ্গতি বঢ়োৱা। তেতিয়া জনসাধাৰণে অত্যাৱশ্যকীয় সামগ্ৰীকে ধৰি বিভিন্ন সামগ্ৰীৰ দান আকাশলংগী হৈ ক্ৰেতাক জ্বলাকলা খুৱাবলৈ ধৰে। এনে দুৰিত্ৰবান ৰাজনৈতিক নেতা আৰু জনপ্ৰতিনিধিৰ পৰা দুৰ্ভোগ ভুগিব পাৰে কিন্তু কাহানিও সুদিনৰ সপোন দেখিব নোৱাৰে। দেশত শোষণ আৰু দুৰ্নীতিয়ে গা কৰি উঠাৰ সময়ত অতি সাম্প্ৰতিক কালৰ ৰাইজ সজাগ হোৱা দেখা গৈছে। ত্যাগী, সৎ আৰু নিকা ভাৱমূৰ্তিৰ জনসেৱকহে যাতে জনপ্ৰতিনিধি হ'ব পাৰে, তেনেদৰে প্ৰেম আৰু ভ্ৰাতৃত্ববোধেৰে জনকল্যাণত আত্মনিয়োগ কৰিব পাৰে তাৰ বাবে সতৰ্ক আৰু সচেষ্টা হোৱা পৰিলক্ষিত হৈছে। জননেতা দেশপ্ৰেমিকো হ'ব লাগিব দেশভক্তও হ'ব লাগিব। দেশৰ সম্পদকে মূলধন হিচাপে লৈ জনসাধাৰণৰ কল্যাণৰ হকে উন্নয়নমূলক কাম কৰিব লাগিব। বিধানমণ্ডলৰ তেনে মংগলকামী নীতিয়েহে দেশক প্ৰগতিৰ পথত আগুৱাই নিব পাৰিব। জনপ্ৰতিনিধিয়ে শিকা উচিত যে দেশ-শাসনৰ অধিকাৰ পালেই নহ'ব তেওঁলোকৰ দায়িত্ব আৰু কৰ্তব্যৰ বিষয়ে বিশেষভাৱে সজাগ থাকিব লাগিব।

(আগলৈ)

*ফোন : ৯৪৩৫৫৫৮০১৩*

---

# সৰ্থেবাৰীৰ সভা মহোৎসৱৰ অতীত আৰু বৰ্তমান

**ড° যতীন্দ্ৰ নাথ ডেকা**

**সৰ্থেবাৰী** সভা মহোৎসৱৰ প্ৰায় ডেৰ শতাধিক বছৰৰ পৰা পালিত পুৰণি ধৰ্মীয় উৎসৱ। প্ৰতিবছৰৰ মাঘী পূৰ্ণিমাত আৰম্ভ কৰা এই উৎসৱটো প্ৰকৃততে সৰ্থেবাৰী অঞ্চলৰ মানুহে পালন কৰা এটা বিশেষ ধৰণৰ আধ্যাত্মিক ধৰ্মীয় উৎসৱ। ইয়াৰ লগতে আৰম্ভ কৰা বাণিজ্য মেলাখন হ'ল গ্ৰাম্য অঞ্চলৰ এক বিশেষ ধৰণৰ আকৰ্ষণীয় মেলা, য'ত সৰ্বসাধাৰণৰ দৈনন্দিন জীৱনত আৱশ্যক হোৱা সকলো ধৰণৰে পণ্য সামগ্ৰী ক্ৰয় কৰি ল'ব পৰা যায়। ভাৰতবৰ্ষ তথা দক্ষিণ- পূব এছিয়াৰ প্ৰায়বোৰ ৰাষ্ট্ৰতে কাঁহ শিল্প নগৰীৰূপে অতি বিখ্যাত সৰ্থেবাৰীৰ ঐতিহ্য হ'ল হাতে সজা নানাধৰণৰ কাঁহৰ সাজ- বাচন-বৰ্তনৰ শৈল্পিক উৎপাদন কেন্দ্ৰ। বৈদিক তথা আধ্যাত্মিক চিন্তাৰে পৰিপূৰ্ণ, সৰ্থেবাৰীৰ ধৰ্মীয় সভা মহোৎসৱৰ অতীত আৰু বৰ্তমানৰ এটা চমু খতিয়ান আগবঢ়াবলৈ যাওঁতে উল্লেখ কৰা হয় যে ১৯৫১ খ্ৰীঃত ই গাঁৱৰ পৰা নগৰলৈ উন্নীত হৈছে। সৰ্থেবাৰী গাঁৱত অতীততে প্ৰাকৃতিক দুৰ্যোগ বানপানী কে'বা বছৰো গাঁওবাসীক জুৰুলা কৰাত তেতিয়াৰ মৌজাদাৰ, পীতাম্বৰ চৌধুৰীক কৰ-কাটল পৰিশোধ কৰিব নোৱৰাত ৰাইজক ডকা-হকা দিছিল। তেওঁৰ ব্যৱহাৰত অতিষ্ঠ হৈ তেওঁৰ ওপৰত মোকৰ্দমা কৰিছিল। পাছত মোকৰ্দমাত জয়ী হৈ ভদ্ৰকালি পূজা কৰিবলৈ লৈছিল। কালক্ৰমত এই পূজা সলনি কৰি পাঁচ খেলৰ ৰাইজে জগন্নাথ মহা প্ৰভুক হোম, যজ্ঞৰে পূজা-অৰ্চনা কৰিবলৈ লৈছিল। এতিয়া চাৰিটা ৱাৰ্ড সমন্বিতে গাঁওখনত বৰ্তমান ন-পুৰণি ১৯টা চুবুৰি হৈছে যদিও মূলতে তেৰটা চুবুৰিয়ে পাঁচটা খেলত অৱস্থিত। ২০০১ৰ লোকপিয়ল অনুসৰি এই নগৰত বাস কৰা ১২৬৮ টা পৰিয়ালৰ জনসংখ্যা আছিল ৭৬২৮ জন আৰু শিক্ষিতৰ হাৰ ৯০.৩৮ শতাংশ। আনহাতে, ২০১১ৰ লোক- পিয়ল অনুসৰি এই নগৰৰ জনসংখ্যা ৬৯১৩জন আৰু শিক্ষিতৰ হাৰ ৯২.৮০ শতাংশ। বৰ্তমান সৰুক্ষেত্ৰত মহকুমাৰ সদৰ ঠাই সৰ্থেবাৰীত এখন কলেজ, এখন উচ্চতৰ মাধ্যমিক বিদ্যালয় দুখন উচ্চ বিদ্যালয় আৰু কে'বাখনো চৰকাৰী আৰু বেচৰকাৰী প্ৰাথমিক বিদ্যালয় স্থাপিত হৈছে। সৰ্থেবাৰী নগৰৰ পূৰ্বতে প্ৰায় এক বৰ্গমাইল মাটি কালি আছিল আৰু এতিয়া প্ৰায় ২.৩ বৰ্গমাইল মাটিৰে আগুৱা সৰ্থেবাৰী নগৰৰ চাৰিওফালে থকা জলাশয় ক্ৰমে উত্তৰে-বাতিয়া বিল, দক্ষিণে-কাপলা-চিল্লা বিল, পূবে-বৰবিল আৰু পশ্চিমে-ৰৌমাৰী-আতাভা বিলৰ মাছ পুঠি, পানী প্ৰায়েই নাইকিয়া হৈছে আৰু ইয়াৰ কোনো কোনো অংশত বেদখল হৈছে।

সৰ্থেবাৰীৰ সভা মহোৎসৱৰ আনটো দিশ হ'ল যে ই এই অঞ্চলৰ কলা-সংস্কৃতি, লোক-কৃষ্টি, লোক-কলা আদিৰ এনাজৰী কটকটীয়া কৰি জীয়াই ৰখাৰ লগতে আধ্যাত্মিক আৰু ধৰ্মীয় ভাৱনাৰ ভেটি সুদৃঢ় কৰি ৰখা এক ঐতিহাসিক উৎসৱ। মৰম-প্ৰেম-ভ্ৰাতৃত্ব, সুহৃদতা, সহায়-সহযোগ আনন্দময় অন্তৰংগ আলোচনা, মানসিক ভাৱৰ আদান-প্ৰদান, হৰ্ষ-উল্লাস আদি সমন্বিত এই সভা মহোৎসৱ নানা গোষ্ঠী নানা ধৰ্মীয় জাতি-জনজাতিৰ বাৰ্ষিক মানৱীয় মহা-মিলনৰ এক পৱিত্ৰ পটভূমি।

সৰ্থেবাৰী সভা মহোৎসৱ অনুষ্ঠিত কৰা সভাস্থলিত আজিৰ পৰা প্ৰায় ২৫-৩০ বছৰ আগলৈ সৰ্থেবাৰীৰ পশ্চিমে থকা পকা ৰিজাৰ্ভৰ পৰা গাঁৱৰ প্ৰতিঘৰ পৰিয়ালৰ একোজন মানুহে নল-খাগৰি তৰা, বিৰিণা আদি কাটি আনি ঘৰৰ পৰা অনা বাঁহেৰে একোখন আটক ধুনীয়া চায়েনা সাজিছিল। এতিয়া ১৩টা চুবুৰিয়ে ১৭খন চায়েনা দিয়া সভাস্থলিত নল-খাগৰি-তৰা গছৰ সলনি সম্পূৰ্ণ প্লাষ্টিক বা টাৰপোলিনৰে বাঁহৰ খুটা মাৰুলিৰে সজা চায়েনা। এই সভা স্থলিত তেতিয়াৰ দিনত নিশাটো পোহৰ কৰাৰ বাবে কেৰাচিনেৰে জ্বলোৱা হেচাক লাইট আৰু ডে' লাইটৰ সলনি এতিয়া বৈদ্যুতিক লাইট (দৰ্কাৰ সাপেক্ষে ডি জি চেট) ব্যৱহাৰেৰে পোহৰ কৰি ৰখা হয়।

সৰ্থেবাৰী নগৰৰ শংকৰদেৱ মাধৱদেৱ, দামোদৰদেৱ হৰিদেৱ আদি মহাপুৰুষসকলে প্ৰচাৰিত লোকৰ মাজত পৰম্পৰৰ মাজত থকা ভ্ৰাতৃত্বৰ ভাৱনাৰে ভৰপুৰ সৰ্থেবাৰী সভা, মহোৎসৱ পৰিচালনা কৰাৰ বাবে সৰ্থেবাৰী পাঁচখেল গয়া গয়ৰহৰ পাঁচখেলৰ পঞ্চ প্ৰধান সহকাৰে বিভিন্ন লোকে অশ্বখুৰা আকৃতিৰে আসন গ্ৰহণ কৰা একোখন আলোচনা চক্ৰ বা মেল বহে। এই মেল মাঘী পূৰ্ণিমাৰ আগৰ অমাৱস্যাৰ পৰা ১৫ দিনলৈ সন্ধিয়া অনুষ্ঠিত কৰা হয় আৰু সভা মহোৎসৱৰ কেইদিন সদায় পুৱা 'পুৱাৰ মেল' বহে। এই মেলত আগতে দায়-দোষৰ যি সুবিচাৰ কৰা হৈছিল, তেনে বিচাৰৰ সংখ্যা আজি-কালি ক্ৰমাৎ কমি আহিছে।

পুৰণি কালত আৰম্ভণিতে এই সভা মহোৎসৱৰ তিনিদিনীয়া আছিল বুলি জনা যায় যদিও পাছলৈ পাঁচদিনীয়া আৰু এতিয়া সাত দিনীয়াকৈ ৰাজহুৱা- ভাৱে পালিত হোৱাৰ উপৰি গাইগুটীয়া- ভাৱে সভাৰ খৰচ বহন কৰি সভাৰ দিন বৰ্দ্ধন কৰা দেখা যায় আৰু কোনো কোনো বছৰত এতিয়া উক্ত সভাখন ন দিন পৰ্যন্ত চলি থকাৰ লগতে বাণিজ্য মেলা ১০-১১ দিনলৈ চলি থকা দেখা যায়। আজিৰ পৰা প্ৰায় ২০-২৫ বছৰ আগলৈ নিশা তিনিটা নাট্যগোষ্ঠী পৰ্যন্তলৈ সভাৰ খলাত নাট অভিনয় কৰি সভা উপভোগ কৰা ব্যক্তিসকলক আনন্দ দিছিল। আমি সৰু থাকোতে (বৰ্তমান বয়স ৭৫ বছৰ) দেখিছিলো যে দুই -তিনিটা নাট্যদলে এইদৰে নাটক অভিনয় কৰোতে একেলগে দুখন নাটকৰ অভিনয় দেখিছিলো। ইটো নাট্য দলে নানা বাদ্যযন্ত্ৰ বজালে সেইটো নাট্যদলেও নানা-বাদ্য যন্ত্ৰ বজায়, যাতে দৰ্শকে দুয়োখন বা তিনিখন নাটক উপভোগ কৰাত অসুবিধা নাপায়। আজি কালি নিশা খোলা মঞ্চৰ এটা নাট্য দল থাকে আৰু 'লাউড স্পীকাৰ' ব্যৱহাৰ কৰে। আগতে আজি-কালিৰ দৰে অভিনেতা-অভিনেত্ৰীসকলে লাউড স্পীকাৰ ব্যৱহাৰ নকৰি মুখৰ আকৰ্ষণীয় ভাষণেৰে দৰ্শকক আকৰ্ষণ কৰিছিল। ৰাতিৰ ভিতৰতে কোনো নাট শেষ হৈ ৰাতি নুপুৱালে, পুনৰ নতুন নাট আৰম্ভ কৰি সুৰ্যোদয় হৈ ৰ'দ উঠালৈ নাট অভিনয় কৰিছিল। আজি-কালি এই প্ৰথা নাই।

সৰ্থেবাৰীৰ ঐতিহাসিক সভা মহোৎসৱৰ আন এটা বৈশিষ্ট্য হ'ল— ভগৱানৰ নাম-প্ৰসঙ্গ কৰাৰ পাছত বিতৰণ কৰা চেনি মিহলি প্ৰসাদৰ বৈশিষ্টতা। জনা যায় যে আগতে ৰাজহুৱা ভাৱে ৫০-৬০ মোন মুগ বুট লাগিছিল, এতিয়া ৰাজহুৱাভাৱে ৮০-৯০ মোন বুট মুগ আৰু দান বৰঙণিত পোৱা ২০-২৫ কুইণ্টল বুট-মুগ প্ৰসাদ হিচাপে বিতৰণ কৰে বুলি জনা যায়। প্ৰসাদৰ লগত চেনিৰ পৰিমাণো তৎসদৃশ বিতৰণ কৰা হয়। এনেধৰণে বুট-মুগবোৰ তিয়াই লোৱাৰ বাবে বিশেষ ব্যৱস্থা আছে। উল্লেখ কৰা হয় যে অতীতত গাঁৱৰ প্ৰতি চুবুৰিৰ পৰা প্ৰতিদিনে দহোধিক স্বেচ্ছাসেৱক নিয়োগ কৰা হৈছিল আজি-কালি পৰিস্থিতি ভেদে ৩০-৪০ জনলৈ স্বেচ্ছাসেৱক নিয়োগ কৰি সকলো ধৰণৰ শান্তি-সম্প্ৰীতি অটুট ৰখা হয়। সৰ্থেবাৰীৰ ভাষাত স্বেচ্ছাসেৱকসকলক আগতে 'সাবাহ' বুলিছিল আৰু তেওঁলোকে প্ৰায় দুহাত দীঘল বাঁহৰ এমূৰে চাৰি বা ছয় বা আঠ ফাল কৰি আনফাল নফটাহ হাতেৰে চামিয়ানা (চায়েনা)ৰ বাঁহৰ খুঁটাত কোৱাই এটা আটক ধুনীয়া শব্দ কৰি শান্তি আৰু ৰাইজৰ চিঞৰ-বাখৰ হৈ-হাল্লা নিয়ন্ত্ৰণ কৰিছিল। আজি-কালি এই ব্যৱস্থা নাই।



সৰ্থেবাৰী সভামহোৎসৱত আগতে ভ্ৰাম্যমাণ থিয়েটাৰ উপভোগ কৰাৰ ব্যৱস্থা আছিল, এইবছৰ নাই। আগতে প্ৰায়ে কোনো কোনো চাৰ্কাছ পাৰ্টিয়ে চাকাৰ্চ দেখাইছিল, যোৱা কে'বা বছৰ ধৰি চাৰ্কাছৰ ব্যৱস্থা দেখা নাই, অৱশ্যে ব্যক্তিগতভাৱে প্ৰায়ে মিনা বাজাৰৰ ব্যৱস্থা মেজিক, বোলছবি, আদিৰৰ ব্যৱস্থা আছে। ফ্লাইং মটৰ চাইকেলৰ আৰু মটৰৰ 'শ্ব' দেখুওৱা প্ৰথাও মাজে মাজে সৰ্থেবাৰী সভা মহোৎসৱত উপলব্ধ হোৱা দেখা যায়।

সৰ্থেবাৰীৰ ভক্তপ্ৰাণ ৰাইজে প্ৰায় তিনি বছৰমান আগতে বৰনাম ঘৰৰ মণিকূটৰ পূবে নতুনকৈ পুৰীস্থিত মহাপ্ৰভু জগন্নাথ মন্দিৰ সদৃশ বিশাল আটক ধুনীয়া এটা মন্দিৰ সাজি ভগৱানৰ চতুৰ্ভুজ মূৰ্তি স্থাপন কৰি ভক্তসকলক মনত ধৰ্মীয় ভক্তি আৰু বিশ্বাস সুদৃঢ় কৰাত সমল যোগাইছে। প্ৰায় ১৮ বিঘা ভূমিৰে আবৃত মন্দিৰ প্ৰাংগণ অতি আকৰ্ষণীয় আৰু মন্দিৰৰ গাত দশাৱতাৰৰ মূৰ্তি সহকাৰে ভগৱানৰ আন আন লীলা সমন্বিত বহুতো মূৰ্তি খোদিত কৰা হোৱা বাবে ই ভক্তপ্ৰাণ ৰাইজৰ এক অতুলনীয় আকৰ্ষণৰ থলী হৈ পৰিছে। সভাস্থলীত এই মন্দিৰ বৰ্তমানৰ নতুন আকৰ্ষণ।

সভা মহোৎসৱৰ প্ৰতিদিনে আবেলি আৰু নিশা ভিন ভিন ঠাইৰ কামৰূপীয়া ঢুলীয়াৰ দ্বাৰা ঢুলীয়া প্ৰদৰ্শন কৰা হয়। হেজাৰজনৰ ভিৰত ঢুলীয়া নেদেখিলে আমাৰ সৰু কালত ৰভা স্থলিত থকা চায়েনাৰ ওপৰত উঠি কিছুমান ল'ৰাই ঢুলীয়া উপভোগ কৰা দেখা গৈছিল। ৰভাস্থলিত অতীততে খেৰ, নাৰা বা বিৰিণাত বহি দৰ্শকসকলে নাট্যাভিনয়, ঢুলীয়া, পুতলা নাচ বা চৰকাৰীভাৱে দেখুওৱা 'বায়স্কোপ' উপভোগ কৰিছিল। আজি- কালি চকী বা পলিথিনৰ কাপোৰত বহি লৈ নানা ধৰণৰ কলা-কৃষ্টি উপভোগ কৰাৰ ব্যৱস্থা কৰা দেখা গৈছে। যোৱা বছৰ সৰ্থেবাৰী সভা মহোৎসৱৰ সকলো দিশ সামৰি ভাৰতীয় অধ্যয়ন চক্ৰই 'আলাপ-গংগা' নামৰ এখন বিশেষ মুখপাত্ৰ প্ৰকাশ কৰি এটা আদৰণীয় কাম কৰিছে। সৰ্থেবাৰী নগৰৰ স্থানীয় তথা প্ৰবাসী সৰ্থেবৰীয়াসকলক কলিৰ যুগাদ্য সভা মহোৎসৱলৈ কোনো ধৰণৰ নিমন্ত্ৰণী চিঠি দিয়াৰ প্ৰথা অতীতৰ পৰাই নাই যদিও যোৱা কেইবছৰৰ মানৰ পৰা সভামহোৎসৱৰ সকলো ধৰণৰ কাৰ্যসূচী বৰ্ণনা থকা এখন বিশেষ নিমন্ত্ৰণী পত্ৰ বা ক্ষুদ্ৰ পুষ্টিকা ছপা কৰি অ-সৰ্থেবৰীয়া বিশেষ ব্যক্তিক নিমন্ত্ৰণ কৰা ব্যৱস্থাটো সম্পূৰ্ণ নতুন ব্যৱস্থা।

অতীততে সভা মহোৎসৱত কোনো ধৰণৰে ডাঙৰ ডাঙৰ তোৰণ দিয়া দেখা নগৈছিল; কিন্তু যোৱা ১৫-২০ বছৰমানৰ পৰা ৰাইজৰ তৰফৰ পৰা তথা কোনো কোনো দল-সংগঠন বা কোনো ব্যক্তিগত লোকে নমস্য ব্যক্তিৰ সোঁৱৰণত বা ৰাজনীতিবিদসকলৰ ৰাজনৈতিক দলৰ হিতাৰ্থে আজি-কালি ডাঙৰ ডাঙৰ তোৰণ দি সভা মহোৎসৱলৈ ৰাইজক আদৰণি জনোৱা দেখা যায়। যোৱা কেইবছৰমানৰ পৰা এই সময়ত বেচৰকাৰী দুই-এখন নতুন নতুন বিষয়ৰ ফলক গাঁৱৰ ৰাজপথৰ বৈদ্যুতিক লাইনৰ খুঁটা বা আন আন বেৰত বা নিজাববীয়াকৈ ছাইন ব'ৰ্ড লগাই বিজ্ঞাপন দিয়া দেখা গৈছে। মুঠতে সৰ্থেবাৰীৰ সভামহোৎসৱ ধৰ্মীয় মহোৎসৱ হোৱাৰ লগতে সৰ্থেবাৰীক কেন্দ্ৰ কৰি প্ৰায় ২০-২৫খন গাঁৱৰ ৰাইজৰ ই এখন ডাঙৰ সমন্বয়ৰ বাৰ্ষিক উৎসৱ, সহস্ৰ বিপণীৰ একত্ৰ বাণিজ্য মেলাৰ পয়োভৰ, মানুহৰ আনন্দৰ বাৰ্ষিক মহা মিলনৰ ক্ষেত্ৰ। আমি আশা কৰিছো যে এই মহান ঐতিহাসিক সভা মহোৎসৱ ক্ৰমে ক্ৰমে বৃদ্ধি পাই থাকিব আৰু সৰ্ব সাধাৰণৰ মাজত একতাৰ চিনৰূপে ভৱিষ্যতেও জিলিকি থাকিব।

*ফোন : ৯৪৩৫১৮০২১৫*



## পুৰণিগুদাম ভেৰভেৰী নৰসিংহ ক্ষেত্ৰত উদুলি মুদুলি পৰিৱেশ

অগ্ৰদূত বাৰ্তা

**পুৰণিগুদাম, ৩ মাৰ্চ ঃ** নগাঁও জিলাৰ পুৰণিগুদামৰ সমীপৰ ভেৰভেৰী নৰসিংহ ক্ষেত্ৰৰ মহামৃত্যুঞ্জয় মন্দিৰত ২৭ ফেব্ৰুৱাৰীৰ পৰা চলি থকা ১০৮ কুণ্ডৰ মহামৃত্যুঞ্জয় যজ্ঞৰ আজি চতুৰ্থ দিনা দেশৰ বিভিন্ন প্ৰান্তৰ পৰা অহা চাৰি শতাধিক বেদব্যাস পণ্ডিতৰ মন্ত্ৰধ্বনিত এক ভক্তি মাৰ্গৰ পৰিৱেশে বিৰাজ কৰে। আজি পুৱা ছয় বজাত পণ্ডিতসকলৰ নগৰ পৰিক্ৰমা আৰু বেদধ্বনিৰ পাছতে ১০-৩০ বজাৰ পৰা শিক্ষা বিভাগৰ অৱসৰপ্ৰাপ্ত সঞ্চালক সতীশ চন্দ্ৰ শৰ্মাৰ সঞ্চালনাত অনুষ্ঠিত হয় 'বেদ আৰু বিজ্ঞান' শীৰ্ষক আলোচনাচক্ৰ। উক্ত আলোচনাচক্ৰত আলোচকৰূপে অংশগ্ৰহণ কৰি হোজাইৰ ৰবীন্দ্ৰ নাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ড° অমলেন্দু চক্ৰৱৰ্তীয়ে বেদে মানুহৰ অন্তৰ শক্তিক নৰৰূপ দিয়া বুলি উল্লেখ কৰি লগতে কয় যে বেদৰ ধৰ্ম ভয়ৰ পৰা সৃষ্টি হোৱা নহয়। সেয়ে বেদৰ লগত আন ধৰ্মক তুলনা কৰিলে নহ'ব। পৃথিৱীৰ বুকুত বেদে বৃহত্তৰ ধাৰণা দিছিল। বিভিন্ন গণনাকে ধৰি পক্ষ বিভাজন আদি বেদৰ যুগত প্ৰতিপন্ন হৈছে। আনহাতে, ভাৰতবৰ্ষৰ ধৰ্মক আধ্যাত্মিক বুলি উল্লেখ কৰি উপাচাৰ্য চক্ৰৱৰ্তীয়ে পুনৰ কয় যে বেদত আধ্যাত্মিকতাৰ আদি যাত্ৰা আৰম্ভ হৈছিল। এই যাত্ৰা আৰম্ভ হৈছিল ঋষিসকলৰ জৰিয়তে। প্ৰসংগক্ৰমে তেওঁ বেদৰ প্ৰতিটো শব্দতে বিজ্ঞান আছে বুলিও মন্তব্য কৰে। আনহাতে, আলোচনাচক্ৰত আলোচক হিচাপে অংশগ্ৰহণ কৰি পণ্ডিত কনক শৰ্মা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ লক্ষ্মী নাৰায়ণ শৰ্মাই বেদক জগতৰ জ্ঞানৰ সম্ভাৰ বুলি উল্লেখ কৰি কয় যে বেদত প্ৰকৃতি আৰু আধ্যাত্মিকতাৰ শীৰ্ষ বিন্দুৰ বিষয়ে অতি বিষদভাৱে বৰ্ণনা আছে। তেওঁ বেদ, বিজ্ঞান আৰু আধ্যাত্মিকতাৰ মাজত থকা সম্পৰ্কৰ বিষয়ে বহলাই ব্যাখ্যা দাঙি ধৰে। স্থিৰ প্ৰাণ প্ৰতিষ্ঠা মহোৎসৱৰ কাৰ্যকৰী সভাপতি প্ৰবীণ গোস্বামীয়ে আঁত ধৰা আলোচনাচক্ৰখনত সঞ্চালক সতীশ চন্দ্ৰ শৰ্মাই ভৃগুগিৰি মহাৰাজে প্ৰথমে বেদ আৰু বিজ্ঞান একত্ৰিত কৰি ৰখা বুলি মন্তব্য কৰি আৰু কয় যে যজ্ঞও এটা বিজ্ঞান। সভাৰ আৰম্ভণিতে নিমন্ত্ৰিত পণ্ডিতসকলে মংগলাচৰণ কাৰ্যসূচী ৰূপায়ণ কৰে। পাছতে দুপৰীয়া ১২-৩০ বজাত বিষ্ণু সহস্ৰ নাম পাঠ কাৰ্যসূচী অনুষ্ঠিত হয়। সন্ধিয়া ছয় বজাত মৃত্যুঞ্জয় মন্দিৰত আৰতি পাঠ কাৰ্যসূচী আৰু সন্ধিয়া সাত বজাত সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। আজিৰ দিনটোৰ কাৰ্যসূচীত অসমৰ লগতে ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰ পৰা অহা ভক্তপ্ৰাণ ৰাইজ উপস্থিত থাকি পবিত্ৰ ভূমিত নিজৰ মনোকামনা পূৰণৰ বাবে প্ৰাৰ্থনা জনায়। কাইলৈ পুৱা ছয় বজাত নগৰ পৰিক্ৰমা, বেদধ্বনি আৰু পুৱা ১০-৩০ বজাত গ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত হ'ব।

উল্লেখ্য যে বাবা ভৃগুগিৰি মহাৰাজৰ প্ৰচেষ্টাত চাৰিবেদৰ মুঠ ১৭ টাকৈ খণ্ড অসমীয়ালৈ অনুবাদ কৰা হৈছিল আৰু সাধাৰণ পাঠকৰ বাবে দুৰ্বোধ্য বেদ অসমীয়ালৈ অনুবাদ কৰি পাছতে সকলোৱে বেদৰ ওপৰত বিতৰ্ক কৰি জ্ঞান ল'বলৈ সক্ষম হয়। বেদ যে এক প্ৰকাৰৰ বিজ্ঞান সেই বিষয়ে আচাৰ্য্য বাবা শ্ৰীশ্ৰীভৃগুগিৰি মহাৰাজে পূৰ্বতে অৱগত কৰি যোৱা কথাকেই আলোচকসকলে পুনৰ আলোচনা কৰে। আলোচনাচক্ৰৰ পাছতে অসমীয়ালৈ অনূদিত বেদৰ খণ্ডসমূহ মন্দিৰ প্ৰাংগণত থকা গ্ৰন্থ বিপণীৰ পৰা বহুলোকে সংগ্ৰহ কৰা পৰিলক্ষিত হয়। ইফালে পুৱাৰ পৰা ১০৮ কুণ্ডত যজ্ঞহুতীত বেদব্যাস পণ্ডিতসকলে মন্ত্ৰ ধ্বনিৰে আহুতি প্ৰদান কৰিও আজি দিনটোত নৰসিংহ ক্ষেত্ৰ বৈকুণ্ঠ পুৰীলৈ ৰূপান্তৰিত কৰে।

## ইউ পি পি এলৰ নিৰ্বাচনী সভা অনুষ্ঠিত

*তিনি পৃষ্ঠাৰ পৰা* এক পৰিস্থিতিত আজি গোসাঁইগাঁও বিধানসভা সমষ্টিৰ অন্তৰ্গত কামানডাংগাত ইউ পি পি এলে এখন নিৰ্বাচনী সভাৰ আয়োজন কৰিছিল আৰু উক্ত সভাত ইউ পি পি এলৰ পৰা প্ৰাৰ্থীৰ প্ৰত্যাশী ৰবি শংকৰ কাশী ৰেড্ডী উপস্থিত থকাৰ কথা আছিল। কিন্তু এইখন সভাত ৰেড্ডী উপস্থিত নোহোৱাত ৰেড্ডীৰ সমৰ্থকসকলে ইউ পি পি এলৰ সভাখন অনুষ্ঠিত কৰিবলৈ নিদিলে। সভাত উপস্থিত হোৱা ইউ পি পি এলৰ দলীয় নেতাসকলক ৰেড্ডীৰ সমৰ্থকসকলে ৰেড্ডীৰ টিকট দিয়া হ'ব নে নাই বুলি প্ৰশ্ন কৰে। কিন্তু এই প্ৰশ্নৰ সদুত্তৰ নাপাই ৰেড্ডীৰ সমৰ্থকসকল উত্তেজিত হৈ পৰে আৰু তৃণমূলকৰ্মীয়ে সভা অনুষ্ঠিত কৰাত বাধা দি ইউ পি পি এলৰ নেতাসকলক আঁতৰাই পঠায়। ৰেড্ডীয়ে ইউ পি পি এলত যোগদান কৰাৰ পাছতেই সংখ্যালঘু অধ্যুষিত অঞ্চলত ইউ পি পি এলৰ ভেটি শক্তিশালী হ'বলৈ ধৰিছে। বি টি চি বহিৰ্ভূত উক্ত অঞ্চলত পূৰ্বে ইউ পি পি এলৰ ভেটি শক্তিশালী নাছিল যদিও যোৱা নিৰ্বাচনত এ আই ইউ ডি এফৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰি বি পি এফ প্ৰাৰ্থীৰ হাতত সামান্য ভোটৰ ব্যৱধানত পৰাজিত ৰেড্ডীয়ে এইবাৰ নিৰ্বাচনৰ পূৰ্বে ইউ পি পি এলত যোগদান কৰাৰ পাছৰে পৰা ইয়াৰ ৰাজনৈতিক সমীকৰণত আউল লাগিছে। বি টি চি বহিৰ্ভূত ৩৫খন গাঁৱৰ ভোটাৰৰ মাজত জনপ্ৰিয় ৰেড্ডী যদি ইউ পি পি এলৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিলে তেওঁৰ জয় এইবাৰ সুনিশ্চিত বুলি সমৰ্থকে দাবী কৰে।

## মাহমৰাত যুযুধান ৰূপত অসম জাতীয়

*তিনি পৃষ্ঠাৰ পৰা* দলে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব সেয়া আজিও স্পষ্ট হোৱা নাই। অসম জাতীয় পৰিষদৰ হৈ সমষ্টিটোত দলটোৰ চৰাইদেউ জিলা সমিতিৰ সভাপতি তথা সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন কেন্দ্ৰীয় উপ-সভাপতি মাণিক গগৈ আৰু ৰাইজৰ দলৰ হৈ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক তথা যুৱ পৰিষদৰ চৰাইদেউ টাইপাৰ প্ৰাক্তন কেন্দ্ৰীয় কাৰ্যকৰী সভাপতি লোহিত গগৈৰ নাম চৰ্চিত হৈ আহিছে। দুয়োটা দলৰ দুয়োজন সম্ভাব্য প্ৰাৰ্থীৰ জিলাখনত সবল গণভিত্তি আছে। দীৰ্ঘদিন ধৰি উজনি অসমত আছুৰ মহিয়াখন শক্তিশালী কৰাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি অহা মাণিক গগৈয়ে কোনো কাৰণতে সমষ্টিটো ৰাইজৰ দলক এৰি দিব বিচৰা নাই। আনহাতে, টাইপা প্ৰতিনিধিত্ব কৰি আহোম জনগোষ্ঠীটোৰ শক্তিশালী আৰু উত্থানৰ প্ৰতিনিধিত্ব কৰি অহা লোহিত গগৈও সমষ্টিটোত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱাৰ সিদ্ধান্তত অটল হৈ আছে। ফলত জাতীয়তাবাদী শিবিৰ দুটা ভাগত বিভক্ত হৈ পৰাটো নিশ্চিত হৈ পৰিছে। মাণিক গগৈক আছু আৰু যুৱ ছাত্ৰ পৰিষদৰ নেতা-কৰ্মীসকলে প্ৰত্যক্ষভাৱে সমৰ্থন জনোৱাৰ কথা সদৰী হোৱাৰ বিপৰীতে লোহিত গগৈক কৃষক মুক্তি সংগ্ৰাম সমিতিকে ধৰি আন সংগঠনে সমৰ্থন আগবঢ়াইছে বুলি চৰ্চিত হৈছে। ফলত সমষ্টিটোক লৈ এতিয়া জটিলতাৰ সৃষ্টি হৈছে দল দুটাৰ মাজত। কাক এৰি দিব, কোনে প্ৰতিদ্বন্দ্বিতা কৰিব সেয়া এতিয়া চৰ্চাৰ বিষয় হৈ পৰিছে সমষ্টিটোত। ইপিনে, সমষ্টিটোত শাসক দলৰ প্ৰাৰ্থীৰূপে বৰ্তমানৰ মন্ত্ৰী যোগেন মহন পুনৰ দলীয় প্ৰাৰ্থিত্ব নিশ্চিত হোৱাৰ বিপৰীতে কংগ্ৰেছৰ পৰা আন কে'বাজনে প্ৰাৰ্থিত্ব বিচাৰিছে।

## তেজপুৰ কাৰ ঃ কেতিয়া অন্ত পৰিব উৎকণ্ঠাৰ?

*তিনি পৃষ্ঠাৰ পৰা* মিত্ৰদল অগপক কোনোপধ্যে এৰি দিবলৈ সন্মত নহয় বুলি সদৰী কৰিছে। আজি মিত্ৰদল দুয়োটাৰ নেতৃবৃন্দ নতুন দিল্লীলৈ আসন ভাগ বতৰাৰ বৈঠকত যোগদান কৰিবলৈ উৰা মাৰাৰ পাছত চৰ্চিত হৈছে সমষ্টিটো কাৰ হাতত থাকিব? এইবাৰ শাসক দল বিজেপিৰ হৈ সমষ্টিটোৰ পৰা প্ৰাৰ্থিত্ব বিচাৰিছে ঋতুব্ৰত শৰ্মা, দীপক শইকীয়া আৰু বিগত নিৰ্বাচনত সমষ্টিটোৰ পৰা কংগ্ৰেছ প্ৰাৰ্থীৰূপে প্ৰতিদ্বন্দ্বিতা কৰি পৰাজিত হোৱা বিজেপিৰ প্ৰাৰ্থিত্ব প্ৰত্যাশীসকলৰ মতে, কাইলৈ বিয়লি তেজপুৰৰ আসনখনক লৈ সকলো জল্পনা-কল্পনাৰ অন্ত পৰা সম্ভাৱনা আছে। বৰ্তমান তেজপুৰ সমষ্টিটো যদি অগপৰ জ্যেষ্ঠ নেতাজন থকাৰ পাছতো বিজেপিক এৰি দিব লগা হয় তেন্তে বিশ্বনাথ চাৰিআলিৰ নতুবা বৰছলা বিধানসভা সমষ্টিৰ যিকোনো এটা বিজেপিয়ে এৰিব লগীয়া হ'ব পাৰে বুলি চৰ্চা চলিছে। ইফালে, সমষ্টিটোত কংগ্ৰেছৰ প্ৰাৰ্থিত্ব প্ৰত্যাশীৰ সংখ্যা ১২ জনলৈ বৃদ্ধি পাইছে। ইয়াৰ ভিতৰত একাধিক নতুন মুখৰ প্ৰাৰ্থিত্ব প্ৰত্যাশী আছে। তেজপুৰৰ আসনখনৰ বাবে মাধুৰ্য্য গোস্বামী, জীতেন শইকীয়া আৰু অপূৰ্ব কুমাৰ ভট্টাচাৰ্যৰ নাম প্ৰবল দাবীদাৰৰূপে চৰ্চিত হোৱাৰ লগতে নয়ন গোস্বামী, কংকন শইকীয়া আদিৰো নাম চৰ্চিত হৈছে। ইয়াৰ বিপৰীতে নতুনকৈ গঠিত অসম জাতীয় পৰিষদৰ হৈ এইবাৰ সমষ্টিটোত প্ৰাৰ্থিত্ব বিচাৰিছে প্ৰাক্তন ছাত্ৰনেতা শান্তনু মহন্ত আৰু জান বৰাই। বিপৰীতে ৰাইজৰ দলৰ পৰা শিল্পী অনেক নাথেও প্ৰাৰ্থিত্বৰ দৌৰত আছে। তাৰ মাজতে অগপ নেতা-কৰ্মীসকলে তেজপুৰ আসনখন অগপই লাভ কৰাটো নিশ্চিত বুলি আশা পালি হৈ আছে।

## ডিব্ৰুগড় জিলাত দুই ভ্ৰাতৃৰ প্ৰাৰ্থিত্বক লৈ

*তিনি পৃষ্ঠাৰ পৰা* বিজেপিৰ দখলত থকাৰ বিপৰীতে এটা সমষ্টি মিত্ৰজোঁটৰ অগপৰ দখলত আছে। এইবাৰো বিজেপিয়ে ছটা আৰু অগপই এটা সমষ্টিৰ পৰা প্ৰাৰ্থী দিব; কিন্তু জিলাখনত অগপক কোনটো সমষ্টি এৰি দিব তথা বিজেপিয়ে পূৰ্বৰ দৰে অগপৰ দখলত থকা নৱেন সোণোৱালৰ নাহৰকটীয়া সমষ্টিটোকে দিবনে সেই লৈ সৃষ্টি হৈছে জটিলতা। মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ জন্মগাঁও সমষ্টিটোত বিজেপিৰ বৰ্তমানৰ বিধায়ক বিনোদ হাজৰিকাৰ দখলত থকাৰ পাছতো লাহোৱাল সমষ্টিৰ বিধায়ক ঋতুপৰ্ণ বৰুৱাৰ জ্যেষ্ঠ ভ্ৰাতৃ তথা অগপৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক পোনাকণ বৰুৱাই দলৰ ভেটি টনকিয়াল কৰি চাবুৱা সমষ্টিটোত মিত্ৰজোঁটৰ পৰা টিকটৰ দাবী কৰিছে। মিত্ৰজোঁটৰ মন্ত্ৰী অতুল বৰাৰ ঘনিষ্ঠ হোৱাৰ বাবেই প্ৰাৰ্থী তথা অগপৰ ৰাজিক সভাপতিজনে বৰুৱাক চাবুৱা সমষ্টিটো যিকোনো উপায়েৰে দিবলৈ সমত হোৱাৰ সম্ভাৱনা আছে। বৰুৱাই মিত্ৰজোঁটৰ প্ৰাৰ্থিত্ব লাভ কৰাৰ বাবে তৃণমূল পৰ্যায়ত সাংগঠনিক দিশ টনকিয়াল কৰি শক্তিশালী হৈ পৰাৰ লগতে ইতিমধ্যে কে'বাখনো সভা আয়োজন কৰিছে। যদি বৰুৱাই চাবুৱাত টিকট লাভ কৰে তেন্তে অগপৰ দখলত থকা নাহৰকটীয়াৰ সোণোৱাল বঞ্চিত হ'ব। আনহাতে, বৰুৱাৰ প্ৰাৰ্থিত্ব লাভৰ লগে লগে নিজৰ দলৰ সোণোৱালেও তেওঁৰ একমাত্ৰ ভ্ৰাতৃ ঋতুপৰ্ণ বৰুৱায়ো লাহোৱালৰ পৰা বঞ্চিত হোৱাটো নিশ্চিত হৈ পৰিছে। ইতিমধ্যে দুই ভ্ৰাতৃক লৈ জিলাখনত এতিয়া দলীয় ৰাজনীতিৰ টনা-আজোৰা। এতিয়া বিজেপিৰ ঋতুপৰ্ণ বৰুৱাই পুনৰ বিধায়ক হোৱাৰ আশা পূৰণ হয় নে নহয়, নে জ্যেষ্ঠ ভ্ৰাতৃ পোনাকণৰ আশা পূৰণ হয় নে নহয় সেয়া দুই দলৰ বুজাবুজিৰ পাছতহে নিৰ্ধাৰণ হ'ব।

## নিৰ্বাচনত বিটিচিত বিজেপিক এণ্ট্ৰি কৰিব

*তিনি পৃষ্ঠাৰ পৰা* যোগদান কৰা তামুলপুৰৰ বিধায়ক ইমানুৱেল ম'ছাহাৰীৰ বিষয়ে কলিবীয়া নেতা বুলি কটাক্ষ কৰি কছাৰীয়ে কয়, 'ইমানুৱেলে যি আশাৰে বিজেপিত যোগদান কৰিছে সেয়া কেতিয়াও পূৰণ নহয়। কিয়নো নিৰ্বাচিত ইমানুৱেল ম'ছাহাৰীয়ে টিকট নাপায়। তামুলপুৰ সমষ্টিৰ পৰা বিধানসভা নিৰ্বাচনত টিকটক লৈ দলটোৰ মাজত খোৱা-কামোৰা লাগিছে।' আন ধৰ্মক সন্মান নকৰা ইমানুৱেল ম'ছাহাৰীক বিজেপিৰ বহু নেতা-কৰ্মীয়ে আদৰি লোৱা নাই বুলি মন্তব্য কৰে। তামুলপুৰ সমষ্টিৰ পৰা তেওঁ লগতে আন আঠজনে বিপিএফৰ পৰা টিকট বিচাৰি আবেদন জনোৱা বুলি কয়। উক্ত সভাত বিটিচিৰ প্ৰাক্তন কাৰ্যবাহী সদস্য তথা বিপিএফৰ বসুমতাৰীয়ে কয়, 'বিৰোধী দলসমূহে যিমানেই নিচিন্ততৰ কিয় বিটিচিত বিপিএফ এতিয়াও শক্তিশালী। হাগ্ৰামা মহিলাৰীৰ নেতৃত্বাধীন বিপিএফে বিগত বিধানসভা নিৰ্বাচনসমূহত কিছ কোনো আৰু ভূমিকা গ্ৰহণ কৰিছে। হাগ্ৰামাই যি দলৰ লগতে মিত্ৰতা কৰে সেই মিত্ৰ দলেই চৰকাৰ গঠন কৰে।' ভাষণ প্ৰসংগতে বসুমতাৰীয়ে বিপিএফৰ পৰা বিজেপিত যোগদান কৰি পুনৰ ৰাজ্যসভাৰ সাংসদ হোৱা বিশ্বজিত দৈমাৰী আৰু তামুলপুৰৰ বিধায়ক ইমানুৱেল ম'ছাহাৰীক সুবিধাবাদী নেতা বুলি কটাক্ষ কৰে। উক্ত সভাত উপস্থিত থাকে তামুলপুৰৰ প্ৰাক্তন বিধায়ক ৰূপা বসুমতাৰী তথা বজ্ৰাৰ খুংগুৰ বসুমতাৰী ওৰফে ৰাম দাস বসুমতাৰী। মাজগাঁওৰ ভিচিডিচিৰ প্ৰাক্তন অধ্যক্ষ ৰাজেশ্বৰ দাস সভাপতিত্ব কৰা আৰু উক্ত সভাৰ যতীন সৰকাৰে আঁত ধৰা আজিৰ সভাতেই যতীন সৰকাৰক সভাপতি, মৃণাল বিশ্বাস আৰু নৃপেন দাসক সম্পাদক ৰূপে লৈ নাগ্ৰীজুলি ব্লক বিপিএফ সমিতিখন পুনৰ গঠন কৰা হয়। উক্ত সভাত নাগ্ৰীজুলি ব্লক বিপিএফৰ প্ৰাক্তন সভাপতি খেম থাপা, তামুলপুৰ জিলা বিপিএফৰ সম্পাদক উপেন বসুমতাৰী, ব্লক বিপিএফৰ সম্পাদক কমল উজীৰ, ভিচিডিচিৰ প্ৰাক্তন সদস্য সুজন পালসহ কে'বাজনো নেতা-কৰ্মীৰ লগতে শতাধিক বিপিএফ কৰ্মী উপস্থিত থাকে।

## গোসাঁইগাঁও বিধানসভা সমষ্টিত বিজেপিৰ প্ৰাৰ্থী দিয়াৰ দাবী চৰাইবিল ব্লক বিজেপিৰ

অগ্ৰদূত বাৰ্তা

**শ্ৰীৰামপুৰ, ৩ মাৰ্চ ঃ** বিধানসভা নিৰ্বাচনৰ দিন ঘোষণা হোৱাৰ পাছৰে পৰা বিভিন্ন ৰাজনৈতিক দলৰ মাজত আৰম্ভ হৈছে প্ৰাৰ্থিত্বকেন্দ্ৰিক মতানৈক্য। দলৰ পৰা টিকট বিচাৰি একাধিক ব্যক্তিয়ে দাবী জনোৱাত দলে কাক টিকট দিব তাকে লৈ চলিছে তৎপৰতা। ইপিনে, বিটিআৰত বিজেপিৰ মিত্ৰ দল ইউপিপিএল আৰু জিএছপিৰ মাজতো দলীয় টিকটক লৈ আৰম্ভ হৈছে বাক্ বিতণ্ডা। গোসাঁইগাঁও সমষ্টি ইউপিপিএলে দাবী কৰাত বিজেপিৰ পৰা টিকট বিচৰাসকলে বিৰোধ কৰি সঘনে সংবাদমেল অনুষ্ঠিত কৰি সমষ্টিটো বিজেপিৰ হাতত ৰখাৰ দাবী জনাইছে। সমষ্টিটোৰ পৰা টিকট বিচৰাসকলৰ মাজত যিকোনো এজনক প্ৰাৰ্থিত্ব প্ৰদান কৰাৰ দাবী জনাই আজি বিজেপিৰ চৰাইবিল ব্লক কমিটীয়ে এখন সংবাদমেল অনুষ্ঠিত কৰে। গোসাঁইগাঁও চহৰৰ উত্তৰপাৰাস্থিত চৰাইবিল ব্লক বিজেপিৰ কাৰ্যালয়ত অনুষ্ঠিত সংবাদমেলত ব্লক সভাপতি নিৰ্মল পালসহ একাধিক দলীয় নেতা-নেত্ৰীৰ উপস্থিতিত গোসাঁইগাঁও সমষ্টি ইউপিপিএলক নিদি বিজেপিৰ হাতত ৰখাৰ দাবী জনায়। এইক্ষেত্ৰত জিলা আৰু ৰাজ্যিক নেতৃত্বৰ দৃষ্টি আকৰ্ষণ কৰি বিজেপিৰ স্থানীয় নেতা-কৰ্মীসকলে গোসাঁইগাঁও বিধানসভা সমষ্টিত বিজেপি প্ৰাৰ্থী দিলে বিজয় নিশ্চিত বুলিও দাবী কৰে।

## বৰবৰী আছুৰ বিশেষ মেধা পৰীক্ষাৰ ফলাফল ঘোষণা

অগ্ৰদূত বাৰ্তা

**বৰভাগ, ৩ মাৰ্চ ঃ** বছৰেকীয়া শৈক্ষিক কৰ্মসূচীৰ অংশৰূপে সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ আহ্বানত বৃহত্তৰ বৰবৰী অঞ্চলত, বৰবৰী আঞ্চলিক ছাত্ৰ সন্থাই হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হ'ব লগা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অনুষ্ঠিত কৰা বিশেষ মেধা পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হৈছে। বৰবৰী আঞ্চলিক ছাত্ৰ সন্থাৰ বিষয়ববীয়া ৰূপেন কলিতাই জনোৱা মতে, উক্ত পৰীক্ষাৰ প্ৰথম, দ্বিতীয়, তৃতীয় স্থান লাভ কৰে বৰবৰী হাইস্কুলৰ ক্ৰমান্বয়ে প্ৰিয়াংশু কাকতি, দেৱজিত কাকতি আৰু কংকণ তালুকদাৰে।

## গোলকগঞ্জৰ বেৰভাঙীত অগ্নিকাণ্ড

অগ্ৰদূত বাৰ্তা

**আগমনি, ৩ মাৰ্চ ঃ** গোলকগঞ্জ থানাৰ অন্তৰ্গত ভাৰত-বাংলাদেশ সীমান্তৰ বেৰভাঙী তৃতীয় খণ্ড গাঁৱত যোৱা নিশা সংঘটিত অগ্নিকাণ্ডত দুটা বাসগৃহ ভস্মীভূত হয়। বেৰভাঙী তৃতীয় খণ্ড গাঁৱৰ আলী হুছেইন শ্বেখৰ গৃহত যোৱা নিশা হঠাতে অগ্নিসংযোগ হোৱাত দুটা গৃহ ভস্মীভূত হয়। অগ্নিকাণ্ডত নগত ৪০ হেজাৰ টকা, বিভিন্ন নথিপত্ৰকে ধৰি কেবা লাখ টকাৰ সামগ্ৰী ধ্বংস হয়।

## টীয়কত মিত্ৰজোঁটৰ প্ৰাৰ্থিত্বক

*তিনি পৃষ্ঠাৰ পৰা* পত্নী ৰেণুপমা ৰাজখোৱাক বাদ দি এইবাৰ সমষ্টিটোত বিজেপিয়ে নিজেই নিৰ্বাচন খেলিবলৈ বিচাৰিছে। সমষ্টিটোৰ বিজেপি দলীয় কৰ্মীসকলে কোনো কাৰণতে সমষ্টিটো অগপক এৰি দিবলৈ ইচ্ছুক নহয় বুলি চৰ্চা চলিছে। যাৰ বাবে সমষ্টিটোৰ পৰা বিজেপিৰ হৈ কে'বাজনে প্ৰাৰ্থিত্ব বিচাৰিছে। ইয়াৰ বিপৰীতে অগপতো ৰেণুপমা ৰাজখোৱাৰ সলনি দলটোৰ পৰা আন প্ৰাৰ্থী প্ৰক্ষেপ কৰাৰ দাবী জনাইছে একাংশই। ইপিনে, প্ৰধান বিৰোধী কংগ্ৰেছৰ পৰা কে'বাগৰাকীয়ে প্ৰাৰ্থিত্ব দাবী কৰিছে। ইয়াৰ ভিতৰত বিগত বিধানসভা নিৰ্বাচনত পৰাজিত হোৱা কংগ্ৰেছৰ পল্লৱী গগৈও আছে। আনহাতে, নৱগঠিত অসম জাতীয় পৰিষদ আৰু ৰাইজৰ দলেও সমষ্টিটোত তৎপৰতা আৰম্ভ কৰিছে। জাতীয়তাবাদৰ দুৰ্গ বুলি পৰিচিত সমষ্টিটোত দল দুটাই কেনে ভূমিকা পালন কৰে সেয়া এই মুহূৰ্তত পোহৰলৈ অহা নাই যদিও শাসক দল বিজেপি আৰু ইয়াৰ মিত্ৰদল অগপৰ লগতে বিৰোধী দল কংগ্ৰেছৰ প্ৰাৰ্থিত্বকেন্দ্ৰিক বিসম্বাদেও সমষ্টিটোত প্ৰভাৱ পেলোৱাটো নিশ্চিত।

## বিটিআৰত প্ৰাৰ্থিত্ব প্ৰত্যাশী

*তিনি পৃষ্ঠাৰ পৰা* মাজবাট (অজনজাতি সংৰক্ষিত) বিধানসভা সমষ্টিটোৰ পৰা ওদালগুৰিৰ তথা জিলা ইউপিপিএলৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সমিতিৰ সদস্য ৰাজু ঢকালে প্ৰাৰ্থিত্ব বিচাৰি আবেদন কৰিছে। বিটিআৰৰ মুখ্য কাৰ্যবাহী তথা দলৰ সভাপতি প্ৰমোদ বড়োক ৰাজুৰ প্ৰাৰ্থিত্ব বিচাৰি কালি বিভিন্ন দল-সংগঠনে লিখিত আবেদন জনায়। ওদালগুৰি জিলাৰ গুলমা চ'কৰ বাসিন্দা তথা সমাজকৰ্মী ৰাজুক প্ৰাৰ্থিত্ব প্ৰদানৰ বাবে দাবী জনাইছে বিটিআৰ গোৰ্খা সমাজৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক দীপক নিৰলা, সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাৰ ওদালগুৰি জিলা সমিতিৰ সভাপতি সোমৰাজ সোণাৰ, মুছলিম ছাত্ৰ সন্থাৰ ওদালগুৰি জিলাৰ সভাপতি ফজৰ আলী খান, নেমছুৰ সভাপতি বদৰুল ইছলাম, ধনশ্ৰী কোচ ৰাজবংশী সন্মিলনী, অসম নেপালী সাহিত্য সভাৰ ওদালগুৰি জিলা সমিতিৰ লগতে সদৌ অসম বাঙালী যুৱ ছাত্ৰ ফেডাৰেছনেও স্বাক্ষৰ কৰিছে। অজনজাতি ভোটাৰে নিৰ্ণায়ক ভূমিকা লোৱা মাজবাট বিধানসভা সমষ্টিত বড়ো ভোটাৰৰ জনগাঁথনি সৰ্বাধিক যদিও আদিবাসী, গোৰ্খা আৰু ধৰ্মীয় সংখ্যালঘু ভোটাৰে প্ৰাৰ্থীৰ বিজয়ৰ দিশত নিৰ্ণায়ক ভূমিকা লৈ আহিছে।

## গোসাঁইগাঁৱত বিধায়ক মাজেন্দ্ৰৰ

*তিনি পৃষ্ঠাৰ পৰা* মাজেন্দ্ৰ নাৰ্জাৰীয়ে এইবাৰো দলীয় টিকট পোৱাটো নিশ্চিত যদিও তেওঁৰ বিৰুদ্ধে প্ৰতিষ্ঠান বিৰোধী ঢৌ সৃষ্টি হোৱাৰ সম্ভাৱনা প্ৰকট হৈ পৰিছে। এইবাৰ দলটোৰ পৰা বিধায়ক নাৰ্জাৰীৰ লগতে গোসাঁইগাঁও পৌৰসভাৰ পৌৰপতি ধ্ৰুৱ কুমাৰ ব্ৰহ্ম নাৰ্জাৰীয়েও দলীয় টিকট বিচাৰিছে। সমষ্টিটোত প্ৰাৰ্থিত্ব প্ৰদানৰ ক্ষেত্ৰত বিপিএফৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে মূল ভূমিকা গ্ৰহণ কৰিব।

## তিতাবৰত কোনো দলৰে

*তিনি পৃষ্ঠাৰ পৰা* নিলোফাৰ ৰহমানে প্ৰাৰ্থিত্ব দাবী কৰিছে। কুমুদ কছাৰী আৰু কৃষ্ণ মণি চুতীয়াৰ নামহে দিল্লীৰ হাইকমাণ্ডৰ ওচৰত গৈছে। আন এটা সূত্ৰৰ মতে হেমন্ত কলিতাৰ নামো তালিকাত দিল্লীলৈ গৈছে। আনহাতে, চুতীয়াৰ সম্ভাৱনা অধিক আৰু সেয়ে হ'লে দলে তিতাবৰ সমষ্টি হেৰুৱাব বুলি শংকা প্ৰকাশ কৰিছে। আনহাতে, কংগ্ৰেছৰ ক্ষেত্ৰতো দলীয় কৰ্মীৰ মাজত প্ৰাৰ্থিত্বকেন্দ্ৰিক সংঘাত চলি আছে। কংগ্ৰেছৰ পৰা মিতালি গগৈ, বৰ্ণালী শইকীয়া বৰা, ভাস্কৰ জ্যোতি বৰুৱা, প্ৰাণ কুৰ্মীয়ে প্ৰাৰ্থিত্ব দাবী কৰিছে; কিন্তু দলৰ জ্যেষ্ঠ কংগ্ৰেছীসকল ভাস্কৰজ্যোতিক লৈ সন্তুষ্ট নহয়। একাংশ কৰ্মীয়ে বৰ্ণালী শইকীয়া বৰাক আৰু একাংশ কৰ্মীয়ে মিতালি গগৈৰ পৃষ্ঠপোষকতা কৰিছে। সেয়েহে কংগ্ৰেছৰ ভিতৰ চ'ৰাত তীব্ৰ সংঘাত হৈছে। অসম জাতীয় পৰিষদৰ আৰু ৰাইজৰ দলৰ বিশেষ তৎপৰতা নাই। অৱশ্যে অসম জাতীয় পৰিষদৰ পৰা চত্ৰ শইকীয়া, কমল বৰা, বৃন্দাবন শইকীয়াই টিকট বিচাৰিছে। আনহাতে, দলৰ তিতাবৰৰ নেতৃত্বই তিতাবৰলৈ দলৰ সিংহ আহি আছে বুলি প্ৰচাৰ চলাইছে। ৰাইজৰ দলৰ পৰাও দুজনমানে টিকট বিচাৰিছে। মিত্ৰদলৰ অৱশ্যে এজনহে প্ৰাৰ্থী হ'ব। সেয়ে তিতাবৰত প্ৰাৰ্থী বিজেপিৰ কৰ্মীসকলে বিচৰা মতে নহ'লে পুনৰ তিতাবৰ কংগ্ৰেছৰ দখললৈ যোৱাৰ সম্ভাৱনা আছে।

## তামুলপুৰত বিজেপিৰ

*তিনি পৃষ্ঠাৰ পৰা* ভিক্টৰ দাস, প্ৰাক্তন মন্ত্ৰী পদম বাহাদুৰ চৌহানৰ পুত্ৰ ৰাজেশ চৌহানে প্ৰাৰ্থিত্ব বিচাৰিছে। কিছুদিন আগলৈকে সমষ্টিটোৰ পৰা ৰাজ্যসভাৰ সাংসদ বিশ্বজিৎ দৈমাৰীৰ নাম ওলাইছিল যদিও শেহতীয়াভাৱে তেওঁ পুনৰ ৰাজ্যসভালৈ নিৰ্বাচিত হোৱাত সেই সম্ভাৱনা নোহোৱা হ'ল। উল্লেখ্য যে বিটিআৰ নিৰ্বাচনৰ পূৰ্বে ৰাজ্যসভাৰ সাংসদ পদ ইস্তাফা দি দৈমাৰীয়ে বিজেপিত যোগদান কৰিছিল। বিটিআৰ নিৰ্বাচনত ইউপিপিএল, বিজেপি আৰু জিএছপিয়ে মিত্ৰজোঁটত আবদ্ধ হৈ প্ৰতিদ্বন্দ্বিতা আগবঢ়াই শাসন ক্ষমতা হস্তগত কৰাৰ পাছত এই বেলিও বিধানসভা নিৰ্বাচনত মিত্ৰতা অক্ষুণ্ণ ৰাখি সমষ্টিটো বিজেপিক এৰি দিয়াটো একপ্ৰকাৰ নিশ্চিত হৈছে। সেয়েহে দুবাৰকৈ বিটিচিৰ কাৰ্যবাহী সদস্য তথা দুবাৰকৈ বিধায়কৰূপে নিৰ্বাচিত হোৱা ইমানুৱেল ম'ছাহাৰীয়ে বিজেপিৰ পৰা সমষ্টিটোত টিকট পোৱাৰ ক্ষেত্ৰত প্ৰাধান্য পোৱাটো নিশ্চিত। ইপিনে, বিধায়কজনে 'দৈনিক অগ্ৰদূত'ৰ আগত সদৰী কৰা মতে, ৰাজনৈতিক জীৱনত ৰাষ্ট্ৰীয় দলত যোগদান কৰাটো তেওঁৰ দীৰ্ঘদিনীয়া সপোন আছিল। সেই উদ্দেশ্যে আগত ৰাখিয়ে বিগত এবছৰ ধৰি তেওঁ তামুলপুৰৰ লগতে বিটিআৰ অঞ্চলত বিজেপিৰ ভেটি শক্তিশালী কৰাত লাগি আছে বুলি উল্লেখ কৰে। বিগত বৰ্ষৰ ২২ নৱেম্বৰত তেওঁ সাংসদ দৈমাৰীৰ স'তে বিজেপিত যোগদান কৰিছিল। সেয়েহে দলটোৰ কৰ্মীসকলৰ মাজতো উৎকণ্ঠা বৃদ্ধি পালেও তেওঁৰ নাম চৰ্চিত হৈছে।

## শোণিতপুৰৰ তিনি সমষ্টিত অসম জাতীয়

*তিনি পৃষ্ঠাৰ পৰা* অৱসৰপ্ৰাপ্ত বেংক বিষয়া বানেশ্বৰ মিৰ্ধাৰ লগতে উপেনৰাজ নাথ আৰু জিয়াউল হকে প্ৰাৰ্থিত্ব বিচাৰি আবেদন জনোৱাৰ বিপৰীতে ঢেকিয়াজুলিত শত্ৰুঘ্ন ছাচনিয়ে প্ৰাৰ্থিত্ব বিচাৰিছে। আনহাতে, তেজপুৰ সদৰ সমষ্টিত শান্তনু মহন্ত আৰু জান বৰাই দলটোৰ হৈ প্ৰাৰ্থিত্ব বিচাৰিছে। এই সন্দৰ্ভত জাতীয় পৰিষদৰ উপসভাপতি অঞ্জন উপাধ্যায়ে সংবাদ মাধ্যমৰ আগত কয় যে এইবাৰ অসমৰ ৰাইজে পৰিৱৰ্তন বিচাৰিছে। গতিকে অসমৰ ৰাইজে বিজেপিক প্ৰত্যাখ্যান কৰি জাতীয়তাবাদী চৰকাৰ প্ৰতিষ্ঠা কৰিব। আসন্ন নিৰ্বাচনত জাতীয় পৰিষদে ভাল ফলাফল প্ৰদৰ্শন কৰিব। উল্লেখ্য যে অগপৰ অন্যতম ঘাটি বুলি পৰিচিত জিলাখনত অসম জাতীয় পৰিষদৰ এনে তৎপৰতাই অগপৰ বিপদ মাতি অনাটো নিশ্চিত হৈছে।

## হোজাইৰ তিনি বিধানসভা সমষ্টিত ১৮

*তিনি পৃষ্ঠাৰ পৰা* বিচাৰি আবেদন কৰিছে। বিধায়ক দেৱৰ উপৰি প্ৰাক্তন জিলা সভাপতি অৰ্জুন মজুমদাৰ, ধৰ্মীয় সংখ্যালঘু উন্নয়ন ব'ৰ্ডৰ উপ-সভাপতি ৰামকৃষ্ণ ঘোষ, ভাৰতীয় জনতা কৃষক মৰ্চাৰ প্ৰাক্তন ৰাজ্যিক উপ-সভাপতি দেৱশীষ দত্ত, হোজাই পৌৰসভাৰ প্ৰাক্তন সদস্য তথা বিজেপিৰ জিলা সমিতিৰ উপ-সভাপতি দিলীপ ধৰৰ উপৰি হিন্দুত্ববাদী নেতা লংকাৰ সত্যৰঞ্জন বৰাৰ নাম চৰ্চালৈ আহিছে। হোজাইত দলৰ প্ৰাৰ্থিত্বৰ ক্ষেত্ৰত সংঘ পৰিয়ালৰ বিশেষ হস্তক্ষেপ থাকিব বুলি জানিব পাৰি ইতিমধ্যে বৰ্তমানৰ বিধায়ক শিলাদিত্য দেৱে সংঘ পৰিয়ালক সন্তুষ্ট কৰাৰ অৰ্থে বিশেষ কটকী নাগপুৰলৈ প্ৰেৰণ কৰাৰ তথ্য পোহৰলৈ আহিছে। ইপিনে, বিজেপিৰ শিবু মিশ্ৰৰ দখলত থকা লামডিং বিধানসভা সমষ্টিৰ পৰা বিধায়ক মিশ্ৰৰ লগতে প্ৰাক্তন বিধায়ক সুশীল দত্ত, ৰাজীৱ ঘোষ, সংগীত শিল্পী জয় চক্ৰৱৰ্তী, তিনি অধিবক্তা ক্ৰমে নাৰায়ণ দাস, ৰোপণ দাস আৰু উৎপল দাসৰ লগতে ৰেল কৰ্মচাৰী তথা সংঘ পৰিয়ালৰ সদস্য প্ৰদীপ শিলৰ নাম চৰ্চিত হৈছে। ইপিনে, যমুনামুখ, হোজাই-লামডিং বিধানসভা সমষ্টিত প্ৰধান বিৰোধী দল কংগ্ৰেছেও তৎপৰতা প্ৰদৰ্শন কৰিছে। তিনিটা সমষ্টিত দলীয় প্ৰাৰ্থিত্বৰ বাবে আগ্ৰহী হৈছে নেতা-পালিনেতাই। যমুনামুখ সমষ্টিত বিন্নাকান্দি ব্লক কংগ্ৰেছৰ প্ৰাক্তন সভাপতি ৰেহান উদ্দিন, মোৱাঝাৰ জিলা পৰিষদ সমষ্টিৰ সদস্য ৰেজিয়া চুলতানা, প্ৰবীণ কংগ্ৰেছ নেতা মাহমদ হুছেইন, ব্লক কংগ্ৰেছৰ সভাপতি আব্দুল হান্নান আৰু প্ৰাক্তন কাউন্সিলৰ চাহাব উদ্দিন মজুমদাৰে দলীয় মনোনয়ন দাখিল কৰিছে। হোজাই বিধানসভা সমষ্টিতো সাতজনে কংগ্ৰেছৰ পৰা প্ৰাৰ্থিত্ব বিচাৰি আবেদন কৰিছে। হোজাই সমষ্টিৰ প্ৰাক্তন বিধায়ক তথা প্ৰাক্তন মন্ত্ৰী অৰ্দ্ধেন্দু কুমাৰ দেই দলীয় মনোনয়ন এতিয়ালৈকে দাখিল কৰা নাই। প্ৰাৰ্থিত্ব প্ৰত্যাশীসকলৰ ভিতৰত আছে শংকৰদেৱ জুনিয়ৰ কলেজৰ যুৱ প্ৰৱক্তা সুপ্ৰতীম কৰে। পূৰ্বতে তেওঁ এন এছ ইউ আই, যুৱ কংগ্ৰেছক সমষ্টিটোত নেতৃত্ব দি আহিছে। প্ৰাক্তন মন্ত্ৰী ডাঃ দেৱ পুত্ৰ অনিৰুদ্ধ দেৱ, যুৱ ব্যৱসায়ী দেৱব্ৰত সাহা (দেবু সাহা), অৱসৰপ্ৰাপ্ত ডি আই জি কৃষ্ণ কুমাৰ শৰ্মা, মহিলা নেত্ৰী তথা প্ৰাক্তন জিলা পৰিষদৰ সদস্য ঝিলী চৌধুৰী, এ পি চি চিৰ সম্পাদক চিত্ত পাল, ধলপুখুৰী ব্লক কংগ্ৰেছৰ সভাপতি শংকৰ মালাকাৰেও দলীয় মনোনয়ন দাখিল কৰে। লামডিং বিধানসভা সমষ্টিৰ পৰা প্ৰাক্তন বিধায়ক স্বপন কৰ, লামডিং ব্লক কংগ্ৰেছৰ সভাপতি বিশ্বজিৎ ৰয় চৌধুৰী, অৱসৰপ্ৰাপ্ত বেংক বিষয়া কাজল চন্দ্ৰ ৰয়, খোকন শ্বীল, অনুপ সৰকাৰ, শ্বামী পুৰকায়স্থ, উৎপল দাসে উক্ত সমষ্টিৰ পৰা কংগ্ৰেছৰ প্ৰাৰ্থিত্বৰ বাবে আবেদন কৰিছে।

## অগপক এৰি দিবলৈ সন্মত নহয় ৰহাৰ

*তিনি পৃষ্ঠাৰ পৰা* শশীকান্ত দাস, মুকুট দাস, সোণটি দাস, দ্বীপেন হাজৰিকা আৰু দীপ দাসে। অসম জাতীয় পৰিষদৰ সম্ভাব্য প্ৰাৰ্থীৰূপে উৎপল বণিয়া আৰু ৰাইজৰ দলৰ পৰা ৰুবুল দাসৰ নাম চৰ্চিত হৈছে। এক বিশ্বস্ত সূত্ৰে চৰ্চিত হোৱা মতে, এইবাৰ বিজেপিয়ে সমষ্টিটো অগপক এৰি দিয়াৰ সম্ভাৱনা আছে। তেতিয়া অগপৰ প্ৰাৰ্থীৰূপে প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হ'ব একশৰণ ভাগৱতী সমাজৰ প্ৰতিষ্ঠাপক আচাৰ্য প্ৰয়াত ইলাৰাম দাসৰ জ্যেষ্ঠ পুত্ৰ বিষ্ণুপ্ৰসাদ দাস। ৰাজনৈতিক মহলত বাৰুকৈ চৰ্চা হোৱা এই খবৰৰ পাছতে জাঙুৰ খাই উঠিছে সমষ্টিটোৰ বিজেপি নেতা-কৰ্মীসকলে। কোনো কাৰণতে ৰহা সমষ্টিটো অগপক এৰি দিয়া নহ'ব বুলিও বিজেপি নেতাসকলে হুংকাৰ দিয়ে। তেওঁলোকৰ দাবী বিজেপিয়ে প্ৰাৰ্থী সলনি কৰক, সমষ্টি এৰি দিয়া নহ'ব। উল্লেখ্য যে ২০২১ৰ ভোটাৰ তালিকা অনুসৰি ৰহা সমষ্টিত এইবাৰ মুঠ ভোটাৰৰ সংখ্যা ২,১৭,৫৮২ গৰাকী। ইয়াৰে ১,১১,০৯৫ জন পুৰুষ আৰু ১,০৬,৪৮৪ গৰাকী মহিলা ভোটাৰ। আনহাতে, সমষ্টিটোত তিনিগৰাকী তৃতীয় লিংগৰ ভোটাৰো আছে। সমষ্টিটো অনুসূচিত জাতিৰ প্ৰাৰ্থীৰ বাবে সংৰক্ষিত যদিও গৰুবাট মৌজাত আছে বৃহৎ সংখ্যক ধৰ্মীয় সংখ্যালঘু ভোটাৰ। এই মুছলিম ভোটাৰসকলে কংগ্ৰেছৰ প্ৰাৰ্থী জয়-পৰাজয় নিৰ্ধাৰণ কৰা হৈছে। এইবাৰ সমষ্টিটোত এআইইউডিএফ কংগ্ৰেছ নেতৃত্বাধীন মহাজোঁটৰ অন্যতম অংশীদাৰ হোৱাত ভোট বিভাজন নোহোৱাটো নিশ্চিত হৈ পৰিছে। আনহাতে, যদি সমষ্টিটো অগপক এৰি দিয়া হয় তেতিয়াহ'লে বিজেপিত বিসম্বাদ সৃষ্টি হোৱাৰ প্ৰবল সম্ভাৱনা আছে। তেনে পৰিপ্ৰেক্ষিতত বিজেপিৰ ভোটসমূহ বিভাজিত হ'লে অগপ বিপদত পৰাটো নিশ্চিত। উল্লেখ্য যে বিগত বিধানসভা নিৰ্বাচনত বিজেপি-অগপ মিত্ৰজোঁটৰ প্ৰাৰ্থী ডিম্বেশ্বৰ দাসে ৭৬, ৮৮৭ টা ভোট লাভ কৰি জয়ী হৈছিল। ইয়াৰ বিপৰীতে কংগ্ৰেছ প্ৰাৰ্থী শশী দাসে ৪৩, ৮৩৫ টা ভোট লাভ কৰাৰ বিপৰীতে এআইইউডিএফৰ প্ৰাৰ্থী গুণেশ্বৰ দাসে ৩৮,৭৫৭ টা ভোট লাভ কৰিছিল। কংগ্ৰেছ আৰু এআইইউডিএফৰ ভোট লগ লগালে ৮২,৫৯২ টা হয়। ফলত এআইইউডিএফৰ বাবেই যে দলটো নিৰ্বাচনত পৰাজিত হৈছিল সেয়া ওলাই পৰিছিল। ইপিনে, ২০১৯ৰ লোকসভা নিৰ্বাচনত ৰহাত কংগ্ৰেছে ৮৫,৩০০ টা ভোট লাভ কৰাৰ বিপৰীতে বিজেপিয়ে লাভ কৰিছিল ৮৩,৬৬০ টা ভোট। শেহতীয়া তথ্য মতে, সমষ্টিটোত কংগ্ৰেছে সমষ্টিভিত্তিক তিনিবাৰকৈ জৰীপ চলাই জয়ী হোৱাৰ সম্ভাৱনা থকা প্ৰাৰ্থীৰ নাম সংগ্ৰহ কৰিছে।

## ঢেকিয়াজুলি-তেজপুৰত মহিলা ভোটাৰ


*তিনি পৃষ্ঠাৰ পৰা* আধাঘণ্টাৰ পাছতহে আন এটা ৰোডশ্ব' কৰিব পাৰিব। আনহাতে, অনলাইনযোগে মনোনয়ন দাখিলৰ সুবিধা কৰা হৈছে আৰু এইবাৰ নিৰ্বাচনত প্ৰাৰ্থীসহ তিনিজন ব্যক্তিহে মনোনয়ন দাখিলৰ বাবে ৰিটাৰ্ণিং বিষয়াৰ ওচৰলৈ যাব পাৰিব। উল্লেখ্য যে তেজপুৰ নিৰ্বাচনী জিলাৰ ঢেকিয়াজুলি, বৰছলা, তেজপুৰ, ৰঙাপৰা আৰু চতিয়া সমষ্টিৰ আঠ লাখ ৯৭ হেজাৰ ১২৯গৰাকী ভোটাৰে ভাগ্য নিৰূপণ কৰিব প্ৰাৰ্থীসকলৰ। ক'ভিড নিয়মৰ বাবে জিলাখনত ৮০ৰ উৰ্ধ্ব বয়সৰ ১২ হেজাৰ ২২৭গৰাকী জ্যেষ্ঠ নাগৰিক আৰু চাৰি হেজাৰ ৪৬০জন বিশেষভাৱে সক্ষম লোকৰ বাবে প'ষ্টেল বেলটৰ ব্যৱস্থা কৰা হৈছে। তদুপৰি ক'ভিড আক্ৰান্ত ব্যক্তিয়েও প'ষ্টেল বেলটৰ জৰিয়তে ভোট দিব পাৰিব। ইফালে, এইবাৰ তেজপুৰ নিৰ্বাচনী জিলাত স্পৰ্শকাতৰ ভোটগ্ৰহণ কেন্দ্ৰ এটাও নাই। অৱশ্যে ৫১টা জটিল কেন্দ্ৰ চিনাক্ত কৰা হৈছে। উগ্ৰপন্থীৰ কোনো ভাবুকি নথকা সত্ত্বেও আত্মসমৰ্পণকাৰী উগ্ৰপন্থীৰ ওপৰত চকু ৰখা হৈছে। আনহাতে, নিৰ্বাচনৰ দিন ঘোষণাৰ লগে লগেই এটা অতিৰিক্ত কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ কোম্পানী নিয়োগ কৰা বুলি প্ৰকাশ কৰে শোণিতপুৰৰ আৰক্ষী অধীক্ষক মুগ্ধজ্যোতি মহন্তই। তেওঁ পুনৰ কয় যে জিলাখনত থকা ৬৬৩টা অনুজ্ঞাপত্ৰ থকা আগ্নেয়াস্ত্ৰৰ ভিতৰত পাঁচ শতাধিক মাৰণাস্ত্ৰ এই পৰ্যন্ত জমা লোৱা হৈছে। তেওঁ উল্লেখ কৰা মতে, সামাজিক মাধ্যমত উগ্ৰপন্থী সম্পৰ্কীয় তথা বিতৰ্কিত মন্তব্য কৰা আঠজন লোকক শোণিতপুৰ আৰক্ষীয়ে সতৰ্ক কৰি দিছে। উল্লেখ্য যে ১০ হেজাৰ ৯৬গৰাকী কৰ্মচাৰী জড়িত হ'বলগীয়া এই নিৰ্বাচনৰ বাবে তেজপুৰৰ দৰং মহাবিদ্যালয়ত ষ্ট্ৰংৰূম আৰু ভোটগণনাকে ধৰি সকলো ব্যৱস্থা কৰা হৈছে। এইবাৰ ভোটগণনাত এটা কোঠাত সাতখন টেবুল ব্যৱহাৰ হ'ব আৰু সেই অনুসৰি এটা বিধানসভা সমষ্টিৰ ভোটগণনাৰ বাবে দুটা কোঠালি ব্যৱহাৰ হ'ব। উল্লেখ্য যে পূৰ্বে এটা কোঠাতে ১৪খন টেবুলত ভোটগণনা চলিছিল। তদুপৰি কৰ'নাৰ বাবেই জিলাখনত ২০৬টা অতিৰিক্ত ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হ'ব আৰু প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত ভি ভি পেড ব্যৱহাৰৰ লগতে ইয়াৰ শ্লিপো এইবাৰ গণনা কৰা হ'ব। উল্লেখ্য যে তেজপুৰ নিৰ্বাচনী জিলাত এইবাৰ 'ডি' ভোটাৰৰ সংখ্যা ১৬ হেজাৰ ৪৩০জন। তেজপুৰ নিৰ্বাচনী জিলাৰ ৭১ নম্বৰ ঢেকিয়াজুলি বিধানসভা সমষ্টিত এক লাখ ছহেজাৰ ৫১৩জন পুৰুষ আৰু এক লাখ ৭৫৪গৰাকী মহিলা ভোটাৰসহ মুঠ দুই লাখ সাত হেজাৰ ২৬৭, ৭২ নম্বৰ বৰছলাত ৮৫ হেজাৰ ৭৭২জন পুৰুষ আৰু ৭৯ হেজাৰ ৯৮২ গৰাকী মহিলাসহ মুঠ এক লাখ ৬৫ হেজাৰ ৭৫৪জন ভোটাৰ, ৭৩ নম্বৰ তেজপুৰত ৯১ হেজাৰ ৩৭০জন পুৰুষ আৰু ৯১ হেজাৰ ৮৯৯গৰাকী মহিলাসহ মুঠ এক লাখ ৮৩ হেজাৰ ২৬৯গৰাকী ভোটাৰ আছে। আনহাতে, ৭৪ নম্বৰ ৰঙাপৰাত ৮০ হেজাৰ ৩৪৬জন পুৰুষ আৰু ৭৮ হেজাৰ ৬০৪গৰাকী মহিলাসহ মুঠ এক লাখ ৫৮ হেজাৰ ৯৫০জন ভোটাৰ আৰু ৭৫ নম্বৰ চতিয়া বিধানসভা সমষ্টিত ৯৩ হেজাৰ ৬২৬জন পুৰুষ আৰু ৮৮ হেজাৰ ২৬৩গৰাকী মহিলা ভোটাৰসহ মুঠ এক লাখ ৮১ হেজাৰ ৮৮৯গৰাকী ভোটাৰে প্ৰাৰ্থীসকলৰ জয়-পৰাজয় নিৰ্ণয় কৰিব। উল্লেখ্য যে এই পাঁচটা সমষ্টিৰ ভোটাৰৰ সংখ্যাৰ ভিতৰত ঢেকিয়াজুলিত পাঁচ হেজাৰ ৭৫৯ গৰাকী আৰু তেজপুৰ বিধানসভা সমষ্টিত ৫২৯গৰাকী মহিলা ভোটাৰৰ সংখ্যা পুৰুষ ভোটাৰৰ সংখ্যাতকৈ অধিক।

## ২৭ মাৰ্চৰ পৰা তিনিদিনীয়াকৈ বৰপেটা

*তিনি পৃষ্ঠাৰ পৰা* ক্ষণত মঠৰ চোতালৰ পৰা গোসাঁইদ্বয়ক গায়ন-বায়ন বৰঢুলীয়া সমন্বিতে ভক্তসকলৰ দ্বাৰা টুপৰ চোতালত থকা মেজিৰ কাষলৈ নিয়া হ'ব। মেজিৰ জুইৰ চাৰিওফালে গোসাঁইদ্বয়ক সাতপাক ঘূৰোৱা হ'ব। গোসাঁইদ্বয়ক প্ৰজ্বলিত মেজিৰ চাৰিওফালে ঘূৰাবলৈ লোৱাৰ সময়তে থলুৱা আতচবাজী প্ৰদৰ্শনৰ লগতে আকাশলৈ ফানুচ উৰোৱা হ'ব। মেজিৰ জুইৰ চাৰিওফালে সাত পাক ঘূৰোৱাৰ অন্তত গোসাঁইদ্বয়ক যোগমোহন গৃহৰ শৰাইৰ ওপৰত ৰখা হ'ব। পৰৱৰ্তী সময়ত নক্ষত্ৰ গণনা অনুসৰি শুভ ক্ষণত গোসাঁইদ্বয়ক দৌল গৃহত আৰোহণ কৰোৱা হ'ব। দ্বিতীয় দিনা পালন কৰা হ'ব 'ভৰদৌল' হিচাপে। পৰম্পৰাগত ৰীতি-নীতি অনুসৰি সিদিনা পুৱাৰ ভাগত যোগমোহন গৃহত আইসকল আৰু বাপুসকলৰ প্ৰসংগৰ পাছত বংশৰা অথবা হাটী গোটৰ গায়ন-বায়নসকলৰ দ্বাৰা গুৰুঘাটা বজাই পুৱাৰ গীত, দৌলৰ গীত আদি পৰিৱেশন কৰোৱা হ'ব। তাৰ পাছত 'ভজন বিহাৰ', ঝুমুৰাৰ গীত আদি পৰিৱেশন কৰা হ'ব। আবেলিৰ ভাগত পৰিৱেশন কৰা হ'ব ঘোষা কীৰ্তন আৰু ব্যাস কীৰ্তন। সন্ধিয়া কীৰ্তনঘৰৰ ভিতৰত গুণমালা, লীলামালা, গুৰু ভটিমা, সেৱাৰ কীৰ্তন আদি নিবেদনৰ অন্তত বৰধেমালি বজাই অংকীয়া নাট উপস্থাপনেৰে সামৰণি ঘাটা বজোৱা হ'ব। ভৰদৌলৰ নিশা নিৰ্দিষ্ট ক্ষণত দৌল গোবিন্দ আৰু কলীয়া ঠাকুৰক দৌল গৃহৰ পৰা নমোৱা হ'ব। দৌল গৃহত থকা সময়ত দৌল গোবিন্দ আৰু কলীয়া ঠাকুৰক পুৰুষ-মহিলা নিৰ্বিশেষে সকলোৱে দৰ্শন কৰি সেৱা জনাব পাৰিব। অহা ২৯ মাৰ্চৰ দিনটো 'সুৰেৰী' অৰ্থাৎ ফাকুৱা হিচাপে উদ্‌যাপন কৰা হ'ব। সুৰেৰীৰ দিনা আবেলি দৌল গোবিন্দ আৰু কলীয়া ঠাকুৰক পুনৰ মঠৰ চোতাললৈ উলিয়াই আনি বিয়লি গায়ন-বায়ন, ঢুলীয়া, হোলী গীতৰ দল সহিতে গোসাঁইক দোলাসনত তুলি শত-সহস্ৰ ভক্তৰ অংশগ্ৰহণেৰে সমদল কৰি গণককুছিৰ কলবাৰী সত্ৰলৈ নিয়া হ'ব। কলবাৰী সত্ৰত গোসাঁইৰ দোলা পৱিত্ৰ ভূমিত ৰাখি 'হেকতা খোৱা' পৰ্ব সমাপন কৰা হ'ব। হেকতা খোৱাৰ পাছত গোসাঁইক পুনৰ বৰপেটা সত্ৰলৈ ওভতাই অনা হ'ব। গোসাঁই আহি বৰপেটা সত্ৰৰ মুখ্য প্ৰৱেশদ্বাৰত উপস্থিত হোৱাৰ লগে লগে টুপৰ চোতালত অনুষ্ঠিত হ'ব 'বাঁহ ভঙা' অনুষ্ঠান। বৰপেটীয়া যুৱকৰ বাহুবল প্ৰদৰ্শিত বাঁহ ভঙা অনুষ্ঠানত পূৰ্ব পৰম্পৰা অনুসৰি দক্ষিণহাটী, নহাটী আৰু উত্তৰ হাটীৰ বাপুসকলে অংশগ্ৰহণ কৰিব। বাঁহ ভঙাৰ অন্তত গোসাঁইক সত্ৰত প্ৰৱেশ কৰোৱাই কীৰ্তন ঘৰৰ চাৰিওফালে সাতপাক প্ৰদক্ষিণ কৰোৱা হ'ব। গোসাঁইৰ প্ৰদক্ষিণৰ কালছোৱাত মঠৰ চোতালত অনুষ্ঠিত হ'ব 'বোলবোলনি' শীৰ্ষক এক অৰ্ধ নাটকীয় অনুষ্ঠান। তাৰ পাছত দৌল গোবিন্দ আৰু কলীয়া ঠাকুৰক মণিকূট গৃহত প্ৰৱেশ কৰোৱাৰ লগে লগে শ্ৰীকৃষ্ণৰ দৌল মহোৎসৱৰ আনুষ্ঠানিকভাৱে সামৰণি পৰিব। ইপিনে, দৌল মহোৎসৱৰ তিনিও দিনাই সত্ৰৰ ৰংগমঞ্চত সত্ৰীয়া সাংস্কৃতিক অনুষ্ঠান পৰিৱেশনৰ ব্যৱস্থা কৰা হৈছে। অহা ২৬ মাৰ্চৰ বিয়লি সত্ৰৰ ৰংগ মঞ্চত অনুষ্ঠিত হ'ব পুৰুষ-মহিলাৰ হোলীগীত প্ৰতিযোগিতা। উল্লেখ্য যে এইবাৰ পোনপ্ৰথমবাৰৰ বাবে দৌল মহোৎসৱৰ লগত সংগতি ৰাখি সম্পূৰ্ণ ৰঙীণ পৃষ্ঠাৰে সমৃদ্ধ এখন দৃষ্টি নন্দন স্মৃতিগ্ৰন্থ প্ৰকাশৰ ব্যৱস্থা কৰা হৈছে। অসম পৰ্যটন সঞ্চালকালয়ৰ অৰ্থ সাহায্যত প্ৰকাশ পাবলগীয়া স্মৃতিগ্ৰন্থৰ প্ৰাৰম্ভিক কাম-কাজসমূহ ইতিমধ্যে আৰম্ভ হৈছে। তাৎপৰ্যপূৰ্ণভাৱে দৌল মহোৎসৱ উদ্‌যাপনৰ লগত জড়িত এক বিশেষ বিষয় পুনৰবাৰ ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছে বৰপেটা সত্ৰ পৰিচালনা সমিতিয়ে। সত্ৰ পৰিচালনা সমিতিৰ সভাত ইতিপূৰ্বে গৃহীত প্ৰস্তাৱ অনুসৰি হোলীগীত গোৱা অথবা আনন্দ-উল্লাস কৰাৰ নামত সত্ৰৰ তিনি বাটচ'ৰা চৌহদৰ ভিতৰত ছিন্থেটিক ড্ৰাম আদিকে ধৰি পৰম্পৰা বিৰোধী যিকোনো ধৰণৰ বাদ্যযন্ত্ৰ বজোৱাত নিষেধাজ্ঞা জাৰি কৰা হৈছে। এই ক্ষেত্ৰত নিয়ম ভংগকাৰীসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

দৈনিক অগ্ৰদূত





## ৭৮ সংখ্যক গ'ল্ডেন গ্ল'ৱত দুটাকৈ বঁটা অৰ্জন 'দ্য কুইন্স গেম্বিট'ৰ

**নিউজ ব্যুৰ'**
**লছ এঞ্জেলছ, ৩ মাৰ্চ ঃ** এটা নহয়, দুটাকৈ গ'ল্ডেন গ্ল'ৱ বঁটা লাভ কৰিলে 'দ্য কুইন্স গেম্বিট'-এ। আনহাতে, শ্ৰেষ্ঠ অভিনেত্ৰীৰ বঁটা অৰ্জন কৰিলে 'দ্য কুইন্স গেম্বিট'ৰ নায়িকা অভিনেত্ৰী এনিয়া টেলৰে। এনিয়াই এইবাৰ গ'ল্ডেন গ্ল'ৱত দুটা মনোনয়ন লাভ কৰিছিল। 'দ্য কুইন্স গেম্বিট'ৰ লগতে নেটফ্লিক্সত প্ৰদৰ্শিত ধাৰাবাহিক 'এমা'ত কৰা অভিনয়ৰ বাবেও এনিয়াই এই বঁটাৰ বাবে মনোনয়ন লাভ কৰিছিল।

### ২০৫০ বৰ্ষত বিশ্বজুৰি শ্ৰৱণ শক্তি বিলোপ হোৱা লোকৰ সংখ্যা ৭০ কোটিলৈ বৃদ্ধি পাব ঃ হুৰ সকীয়নি

# এই অভ্যাস আপোনাৰ আছে নেকি? বিকল হ'ব পাৰে কাণ

**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ৩ মাৰ্চ ঃ** বিশ্ব শ্ৰৱণ দিৱসৰ দিনাই এক সকীয়নি দিলে বিশ্ব স্বাস্থ্য সংস্থা (হু)ৰ বিশেষজ্ঞই। হুৰ এখন প্ৰতিবেদনত প্ৰকাশ পোৱা তথ্য অনুসৰি বৰ্তমানৰ সময়ত বিশ্বজুৰি ৪০০ নিযুত লোকে শ্ৰৱণ শক্তি চিৰদিনৰ বাবে হেৰুৱাইছে। একেটা প্ৰতিবেদনত উল্লেখ কৰা মতে, ২০৫০ বৰ্ষত বিশ্বজুৰি শ্ৰৱণ শক্তি বিলোপ হোৱা লোকৰ সংখ্যা ৭০০ নিযুত অৰ্থাৎ ৭০ কোটিলৈ বৃদ্ধি পাব। হুৰ বিশেষজ্ঞই এই প্ৰতিবেদনত উল্লেখ কৰা মতে, শ্ৰৱণ শক্তি এইদৰে বিলোপ হোৱাৰ একাধিক কাৰণ আছে যদিও সাম্প্ৰতিক বিশ্বত শ্ৰৱণ শক্তিহীনতাৰ অন্যতম এক কাৰক হৈছে ইয়েৰ ফোন আৰু হেডফোনৰ বহুল ব্যৱহাৰ। একাংশ



লোকে ম'বাইল ফোন আদিত ইয়েৰ ফোন, হেডফোন লগাই উচ্চগ্ৰামত সংগীত শুনাৰ অভ্যাস গঢ়ি তুলিছে আৰু ইয়াৰ ফলত সেইসকল ব্যক্তিৰ শ্ৰৱণ শক্তি হ্ৰাস পাবলৈ ধৰিছে। দীৰ্ঘদিনৰ বাবে এইদৰে উচ্চগ্ৰামত দীৰ্ঘ সময়লৈকে সংগীত শুনাৰ অভ্যাসৰ পৰিণতিত বহু ব্যক্তিয়ে শ্ৰৱণ শক্তি হেৰুৱাব লগা হৈছে বুলি হুৰ প্ৰতিবেদনত বিশেষজ্ঞই দাবী কৰিছে। উচ্চগ্ৰামত সংগীত শুনাৰ বদভ্যাসে বিশ্বৰ ৬০ শতাংশ যুৱ আৰু কৈশোৰ প্ৰজন্মক প্ৰভাৱিত কৰিছে। শ্ৰৱণ শক্তি হেৰুৱাব নিবিচাৰিলে সংগীত আদি শুনাৰ এনে বদভ্যাসৰ পৰা নিজক আঁতৰাই ৰখা জৰুৰী বুলি হুৰ বিশেষজ্ঞই এই প্ৰতিবেদনত পৰামৰ্শ দিলে।



## তাসপী, অনুৰাগ, বিকাশৰ ঘৰত আয়কৰৰ তালাচী


**নিউজ ব্যুৰ', মুম্বাই, ৩ মাৰ্চ ঃ** বলিউড তাৰকাৰ বিৰুদ্ধে ব্যাপক তালাচী অভিযান চলালে আয়কৰ বিভাগে। অভিনেত্ৰী তাপসী পন্নু, চলচ্চিত্ৰ নিৰ্মাতা-নিৰ্দেশক অনুৰাগ কাশ্যপ আৰু বিকাশ বহলৰ বাসগৃহত আজি আয়কৰ বিভাগৰ বিষয়াই তালাচী চলায়। কৰ ফাকিৰ অভিযোগত বিভাগটোৱে তালাচী চলোৱা বুলি একাংশ সংবাদ মাধ্যমত বাতৰি প্ৰচাৰিত হ'লেও আয়কৰ বিভাগে এই তালাচীৰ সন্দৰ্ভত এতিয়ালৈকে অধিক তথ্য প্ৰকাশৰ পৰা বিৰত আছে। মুম্বাই, পুনেসহ ২২ টা ঠিকনা আজি দুপৰীয়ালৈকে আয়কৰৰ বিষয়াই তালাচী চলায়। অনুৰাগ কাশ্যপৰ ফেণ্টম ফিল্মছৰ নিৰ্দেশক আৰু অভিনেতাৰ ঠিকনাত আয়কৰে এই তালাচী অভিযান বুধবাৰে দুপৰীয়ালৈকে অব্যাহত ৰাখে। তাপসী, অনুৰাগ আৰু বিকাশৰ বাসগৃহৰ লগতে কাৰ্যালয়তো আয়কৰৰ বিষয়া উপস্থিত হৈছিল। অভিনেত্ৰী আৰু পৰিচালকদ্বয়ৰ বিৰুদ্ধে কৰফাকিৰ এক অভিযোগ লাভৰ পাছতে আজি আয়কৰ বিভাগে এই অভিযান চলায়। ২০১০ৰ ফেণ্টম ফিল্মছ যৌথভাৱে প্ৰতিষ্ঠিত হৈছিল যদিও ২০১৮ত এই প্ৰতিষ্ঠানটো বন্ধ হৈছিল।



## সাত মাহত সোণৰ মূল্য ১১,৫০০ টকা হ্ৰাস

**নিউজ ব্যুৰ', নতুন দিল্লী, ৩ মাৰ্চ ঃ** সোণ-ৰূপৰ মূল্য হ্ৰাস অব্যাহত আছে। ধাৰাবাহিক মূল্য হ্ৰাসৰ পৰিণতিত বিগত সাত মাহত দেশত সোণৰ মূল্য ১১,৫০০ টকা হ্ৰাস পালে। যোৱা আগষ্টত প্ৰতি ১০ গ্ৰাম সোণৰ মূল্য আছিল ৫৬,২০০ টকা। যোৱা দুই মাৰ্চত প্ৰতি ১০ গ্ৰাম সোণৰ মূল্য ৪৪,৭৬০ টকালৈ হ্ৰাস পালে। ২০২১ বৰ্ষত আৰম্ভণিৰে পৰা সোণৰ মূল্য হ্ৰাস অব্যাহত আছে। পহিলা জানুৱাৰীৰ পৰা এতিয়ালৈকে সোণৰ মূল্য ৫,৫৪০ টকা হ্ৰাস পালে। সোণৰ তুলনাত ৰূপৰ মূল্য কিছু বৃদ্ধি পালে। যোৱা জানুৱাৰীত ৰূপৰ মূল্য ৬৬,৯৫০ টকা আছিল আৰু বৰ্তমানে ১১০০ টকা বৃদ্ধিৰে ৬৭,০৭৩ টকালৈ বৃদ্ধি পালে।

## নাভালনি কাণ্ডৰ পৰিণতি, ৰাছিয়াৰ বিৰুদ্ধে নিষেধাজ্ঞা আমেৰিকাৰ



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ৩ মাৰ্চ ঃ** ৰাছিয়াৰ বিৰোধী নেতা এলেক্সেই নাভালনিক বিহ প্ৰয়োগৰে হত্যাৰ অপচেষ্টা চলোৱাৰ ঘটনাৰ পৰিণতিত ৰাছিয়াৰ বিৰুদ্ধে নিষেধাজ্ঞা আৰোপ কৰিলে আমেৰিকাই। মাৰ্কিন বৈদেশিক সচিব এণ্টনী ব্লিংকেনে আজি এই কথা প্ৰকাশ কৰি জনোৱা মতে, ৰুছ বিৰোধী নেতাজনক নাৰ্ভ এজেণ্ট ব্যৱহাৰ কৰি হত্যাৰ অপচেষ্টা চলোৱাৰ কাৰণত ৰাছিয়াৰ বিৰুদ্ধে এই নিষেধাজ্ঞা আৰোপ কৰা হ'ল। জ' বাইডেন প্ৰশাসনে সাতজন শীৰ্ষ ৰুছ আমোলাৰ আমেৰিকাত থকা বেংক একাউণ্ট আৰু সম্পত্তি জব্দ কৰিবলৈ সিদ্ধান্ত ল'লে। তদুপৰি ৰুছ জৈৱিক আৰু ৰাসায়নিক অস্ত্ৰ প্ৰস্তুতকাৰক প্ৰকল্পৰ স'তে জড়িত ১৩টা প্ৰতিষ্ঠানৰ বিৰুদ্ধেও আমেৰিকাই আৰ্থিক নিষেধাজ্ঞা বলবৎ কৰিলে। উল্লেখ্য যে যোৱা বছৰত বিমান ভ্ৰমণৰ সময়ত নাভালনিক চাহৰ স'তে বিহ প্ৰয়োগ কৰি হত্যাৰ অপচেষ্টা চলোৱাৰ অভিযোগ ৰুছ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনৰ বিৰুদ্ধে উত্থাপিত হৈছিল। যোৱা ১৭ জানুৱাৰীত বাৰ্লিনৰ পৰা সুস্থ হৈ মস্কোত উপস্থিত হোৱাৰ সময়তে নাভালনিক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল। নাভালনি ৰাছিয়াত পুটিন বিৰোধী নেতা হিচাপে পৰিচিত।

## চাকৰিৰ প্ৰতিশ্ৰুতিৰে যুৱতীৰে সহবাসৰ অভিযোগ কৰ্ণাটকৰ বিজেপি মন্ত্ৰীৰ বিৰুদ্ধে

**নিউজ ব্যুৰ'**
**বাংগালুৰু, ৩ মাৰ্চ ঃ চৰকাৰী চাকৰিত নিযুক্তিৰ প্ৰতিশ্ৰুতিৰে এগৰাকী যুৱতীৰ স'তে যৌন সম্পৰ্কত লিপ্ত হোৱাৰ গুৰুতৰ অভিযোগ উত্থাপিত হ'ল কৰ্ণাটকৰ বিজেপিৰ মন্ত্ৰী ৰমেশ জাৰ্কিহোলিৰ বিৰুদ্ধে। শেহতীয়াভাৱে উক্ত যুৱতীৰ স'তে অসংযত অৱস্থাত ৰমেশৰ এটা ভিডিঅ' সামাজিক মাধ্যমত ভাইৰেল হৈছে। সমাজকৰ্মী দীনেশ কালাহল্লীয়ে এই ভিডিঅ' ছ'চিয়েল মিডিয়াত শ্বেয়াৰ কৰি**



**দাবী কৰা মতে, বিদ্যুৎ বিভাগত চাকৰি প্ৰদানৰ প্ৰলোভনেৰে উক্ত যুৱতীক মন্ত্ৰী ৰমেশে যৌন শোষণ কৰিছিল। পীড়িতাৰ পৰিয়ালৰ লোকে ঘটনাৰ সন্দৰ্ভত ন্যায় বিচাৰি বাংগালুৰু কব্বন পাৰ্ক থানাত এক গোচৰ ৰুজু কৰিছে বুলি দীনেশে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰিছে। উল্লেখ্য যে ৰমেশ কৰ্ণাটকৰ এজন প্ৰভাৱশালী নেতা হিচাপে পৰিচিত। ৰমেশে যুৱতীৰ স'তে প্ৰচাৰিত ভিডিঅ'টো ভুৱা বুলি দাবী কৰি কয়, 'এয়া এক ৰাজনৈতিক ষড়যন্ত্ৰ। ভিডিঅ'টো ভুৱা। ভালদৰে তদন্ত কৰা হওক। অপৰাধীক গ্ৰেপ্তাৰ কৰি কঠোৰ শাস্তি দিয়া হওক।' উল্লেখ্য যে কংগ্ৰেছৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰি যোৱা বছৰত ১৭ জন বিধায়কে বিজেপিত যোগদান কৰিছিল আৰু ইয়াৰে এজন ৰমেশ আছিল।**

## চতুৰ্থস্থানলৈ অৱনমিত জেক মা, চীনৰ ধনাঢ্যৰ শীৰ্ষত জং শ্বেনশ্বেন



**নিউজ ব্যুৰ', টাইপেই, ৩ মাৰ্চ ঃ** চীনৰ সবাতোকৈ ধনাঢ্য ব্যক্তি হিচাপে দীৰ্ঘদিন ধৰি স্বীকৃতি লাভ কৰি অহা জেক মাই এই সন্মান হেৰুৱালে। হুৰুণৰ ৰীচ পাৰ্চন তালিকাত চীনৰ ধনাঢ্য ব্যক্তি হিচাপে চতুৰ্থ স্থানলৈ অৱনমিত হ'ল জেক। আলিবাবাৰ প্ৰতিষ্ঠাপক জেক মা বিগত কে'বামাহ ধৰি একাধিক বিতৰ্কৰ স'তে সাঙোৰ খাই আছিছে। ধনাঢ্য ব্যক্তি হিচাপে চীনত এইবাৰ শীৰ্ষস্থান লাভ কৰিলে জং শ্বেনশ্বেনে। বটলত উপলব্ধ পানীৰ ব্যৱসায়ৰ স'তে জড়িত জঙে ৮৫ বিলিয়ন ডলাৰৰ সম্পত্তিৰে চীনৰ সবাতোকৈ ধনাঢ্য ব্যক্তি হিচাপে স্বীকৃত হ'ল। ধনাঢ্য ব্যক্তি হিচাপে চীনত দ্বিতীয় স্থানত টনি মা আৰু তৃতীয় স্থানত কলিন হুৱাং আছে।



## তামিলনাডুৰ কৰ'না পৰিস্থিতিক লৈ উদ্বিগ্ন কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়

**নিউজ ব্যুৰ', নতুন দিল্লী, ৩ মাৰ্চ ঃ** বিধানসভা নিৰ্বাচনৰ ভোটৰ পূৰ্বে তামিলনাডুত ক'ভিড-১৯ৰ পুনৰুত্থানৰ ফলত পৰিস্থিতিৰ অধিক অৱনতি ঘটিব পাৰে বুলি আশংকা প্ৰকাশ কৰিলে কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ে। মন্ত্ৰণালয়ৰ বিষয়াই প্ৰকাশ কৰা মতে, বিগত দুসপ্তাহত তামিলনাডু কাৰ্যতঃ কৰ'না সংক্ৰমণৰ এক কেন্দ্ৰত পৰিণত হৈছে। ক'ভিড পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে ইতিমধ্যে তামিলনাডু চৰকাৰে অহা ৩১ মাৰ্চলৈকে ৰাজ্যখনত তলাবন্ধ বলবৎ কৰিছে। কিন্তু বিধানসভা ভোটৰ পৰিস্থিতিত



ক'ভিড নিষেধাজ্ঞা সম্পূৰ্ণৰূপে কাৰ্যকৰী কৰাটো কিমানদূৰ সম্ভৱ হ'ব বুলি কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ে উদ্বেগ প্ৰকাশ কৰিলে। বিগত চাৰিদিন ধৰি দেশত দৈনিক গড়ে ১৬ হেজাৰ লোক ক'ভিডত সংক্ৰমিত হৈ আছিছিল যদিও সোমবাৰে আক্ৰান্তৰ সংখ্যা ১৫ হেজাৰলৈ হ্ৰাস পাইছিল। তামিলনাডুত বিগত কে'বাদিন ধৰি দৈনিক গড়ে ৫০০ লোক কৰ'নাত সংক্ৰমিত হৈ আছিছে। মহাৰাষ্ট্ৰৰ তুলনাত ক'ভিড পৰিস্থিতি তামিলনাডুত কিছু উন্নত হ'লেও ৰাজ্যখনত সংক্ৰমণৰ সংখ্যাবৃদ্ধিয়ে উদ্বেগ বৃদ্ধি কৰিছে।

## প্ৰবীণ হ'ল এলাগী, প্ৰাৰ্থী বাছনিত নতুন প্ৰজন্মক অগ্ৰাধিকাৰ চি পি এমৰ

**নিউজ ব্যুৰ', কলকাতা, ৩ মাৰ্চ ঃ** পশ্চিমবংগৰ বিধানসভাৰ নিৰ্বাচনত বাম দলে এইবাৰ প্ৰাৰ্থিত্ব প্ৰদানৰ ক্ষেত্ৰত কিছু নতুনত্বৰ সন্ধান কৰিছে। প্ৰকাশিত বাতৰি অনুসৰি কে'বাজনো প্ৰবীণ নেতাক চি পি এমে এইবাৰ প্ৰাৰ্থিত্ব প্ৰদান নকৰে। ইয়াৰ পৰিৱৰ্তে বাম ৰাজনৈতিক দলটোৱে একাধিক নতুন প্ৰজন্মৰ নেতাক দলৰ টিকট প্ৰদান কৰিব। এইবাৰৰ চি পি এমৰ প্ৰাৰ্থীৰ তালিকাত নাথাকিব ৰাজ্যিক সম্পাদক সূৰ্যকান্ত মিশ্ৰৰ নাম। ১৯৯৬ৰ পৰা ২০১৬ লৈকে নাৰায়ণগড় বিধানসভা সমষ্টিত মিশ্ৰই বাম মৰ্চাৰ প্ৰাৰ্থী হিচাপে ছবাৰ প্ৰতিদ্বন্দ্বিতা কৰিছিল। এইবাৰ মিশ্ৰৰ পৰিৱৰ্তে উক্ত সমষ্টিত চি পি এমৰ প্ৰাৰ্থী হিচাপে থিয় দিব যুৱ নেতা তাপস সিংহ। চি পি এমৰ প্ৰাৰ্থীৰ তালিকাত থাকিব পাৰে দিল্লীৰ জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ নেত্ৰী দীপ্সিতা ধৰ আৰু ঐশী ঘোষৰ নাম। দীপ্সিতাই হাওৰাৰ বালি সমষ্টিত আৰু ঐশীয়ে দুৰ্গাপুৰ পূৱত দলৰ টিকট লাভ কৰিব পাৰে। একেদৰে যুৱ নেত্ৰী মধুজা সেনৰায়ে ঝাড়গ্ৰামত প্ৰাৰ্থিত্ব লাভ কৰিব পাৰে। মধুজাই ২০১৬ত তালিগঞ্জৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিছিল। ২০১১ আৰু ২০১৬ৰ পাছত আকৌ এবাৰ কছবা সমষ্টিত চি পি এমৰ প্ৰাৰ্থী হিচাপে থিয় দিব পাৰে ছাত্ৰ নেতা শতৰূপ ঘোষে। ডি ৱাই এফ আইৰ সাধাৰণ সম্পাদক চায়নদীপ মিত্ৰই



বৰাহনগৰ সমষ্টিত প্ৰথমবাৰৰ বাবে বাম দলৰ হৈ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব। ছাত্ৰ নেতা দেৱজ্যোতি দাসে বীজপুৰ অথবা খড়দহ সমষ্টিত, যুৱ নেত্ৰী মীনাক্ষী মুখপাধ্যায়ে পাণ্ডবেশ্বৰ বা কুলতীত প্ৰাৰ্থিত্ব লাভ কৰিব পাৰে। যুৱ নেতা নিহাৰ ভক্তক বেহালা পশ্চিম সমষ্টিত চি পি এমে প্ৰাৰ্থিত্ব দিব পাৰে। এইদৰে আসন্ন নিৰ্বাচনত বাম দলটোৱে বৃদ্ধ নেতাৰ পৰিৱৰ্তে যুৱ প্ৰজন্মক প্ৰাৰ্থিত্ব প্ৰদানৰে চমক দিবলৈ সাজু হৈছে।



## শিৱৰাত্ৰিত নন্দীগ্ৰামত মনোনয়ন দাখিল কৰিব মমতাই

**নিউজ ব্যুৰ'**
**কলকাতা, ৩ মাৰ্চ ঃ** অহা ২১ মাৰ্চত শিৱৰাত্ৰিৰ দিনা তৃণমূল কংগ্ৰেছৰ নেত্ৰী মমতা বেনাৰ্জীয়ে নন্দীগ্ৰাম সমষ্টিত নিজৰ মনোনয়নপত্ৰ দাখিল কৰাৰ সম্ভাৱনা আছে। যোৱা ১৮ জানুৱাৰীত পূব মেদিনীপুৰৰ নন্দীগ্ৰামত এখন জনসভাত অংশ লোৱাৰ সময়ত মমতাই উক্ত সমষ্টিৰ পৰা বিধানসভাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতাৰ ইচ্ছা প্ৰকাশ কৰিছিল। দলৰ এক সূত্ৰই আজি স্থানীয় সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা মতে, শিৱৰাত্ৰিৰ দিনা মমতাই নন্দীগ্ৰামৰ প্ৰাৰ্থী হিচাপে মনোনয়নপত্ৰ দাখিল কৰিব। উল্লেখ্য যে দ্বিতীয় পৰ্যায়ত অহা পহিলা এপ্ৰিলত নন্দীগ্ৰামত নিৰ্বাচন অনুষ্ঠিত হ'ব। যোৱাবাৰৰ বিধানসভাৰ নিৰ্বাচনত নন্দীগ্ৰামৰ পৰা বিধায়ক নিৰ্বাচিত হৈ ৰাজ্যৰ মন্ত্ৰীসভাত স্থান লাভ কৰিছিল শুভেন্দু অধিকাৰীয়ে। কিছুদিন পূৰ্বে অধিকাৰীয়ে মন্ত্ৰী আৰু বিধায়ক পদ ত্যাগ কৰি বিজেপিত যোগদান কৰিছিল। বিজেপিৰ হৈ অধিকাৰীয়ে নন্দীগ্ৰামত প্ৰতিদ্বন্দ্বিতা কৰিব।


## পশ্চিমবংগত 'দিদি'ৰে জয় হ'ব, বিজেপিয়ে ১০০ আসন লাভ কৰিলে মই আইপেক ত্যাগ কৰিম ঃ দাবী প্ৰশান্ত কিশোৰৰ

**নিউজ ব্যুৰ', কলকাতা, ৩ মাৰ্চ ঃ** নিৰ্বাচন ৰণনীতিজ্ঞ প্ৰশান্ত কিশোৰে আকৌ এবাৰ দাবী কৰি ক'লে যে পশ্চিমবংগত পুনৰ মমতা বেনাৰ্জীয়ে ক্ষমতা দখল কৰিব। আজি এই সন্দৰ্ভত বিজেপিক আক্ৰমণ কৰি কিশোৰে কয়, 'বাংলাত বিধানসভাৰ নিৰ্বাচনত বিজেপিয়ে যদি ১০০ৰ অধিক আসন লাভ কৰে তেন্তে মই মোৰ কাম ত্যাগ কৰিম। আইপেকৰ স'তে সকলো সম্পৰ্ক ছিন্ন কৰিম। আন কাম কৰিম। কিন্তু এই কাম আৰু কেতিয়াও নকৰো। এইবাৰো যদি ব্যৰ্থ হওঁ, তেন্তে নিজৰ অস্তিত্বই নাথাকিব। উত্তৰ



প্ৰদেশত আমি ব্যৰ্থ হৈছিলো। কিন্তু সেই ৰাজ্যত আমি যি বিচাৰিছিলো, সেয়া পোৱা নাছিলো। অৱশ্যে কোনো অজুহাত দেখুৱাব নিবিচাৰো। বাংলাত 'দিদি'য়ে কাম কৰাৰ বাবে আমাক সম্পূৰ্ণ স্বাধীনতা দিছে। যদি পৰাজিত হওঁ, তেন্তে বুজিম যে এই কামৰ যোগ্য নহওঁ। পৰাজয় স্বীকাৰ কৰি গুচি যাম।' কিশোৰে লগতে কয় যে তৃণমূল কংগ্ৰেছ যদিহে প্ৰত্যাশাৰ হেঁচাত ভাঙি পৰে, একমাত্ৰ এনে পৰিস্থিতিতহে বাংলাত ক্ষমতা লাভ কৰিব পাৰে বিজেপিয়ে। তৃণমূল কংগ্ৰেছত যথেষ্ট অন্তঃৰ্দ্বন্দ্ব আছে, ইয়াৰ সুযোগ গ্ৰহণ কৰিব পাৰিলে বিজেপি উপকৃত হ'ব বুলি কিশোৰে মন্তব্য কৰে।

## তৃণমূলত যোগদান অভিনেত্ৰী চায়ন্তিকাৰ



**নিউজ ব্যুৰ', কলকাতা, ৩ মাৰ্চ ঃ** মমতা বেনাৰ্জী নেতৃত্বাধীন তৃণমূল কংগ্ৰেছত তাৰকাৰ যোগদান অব্যাহত আছে। আজি ৰাজনৈতিক দলটোত আনুষ্ঠানিকভাৱে যোগদান কৰিলে বাংলা চলচ্চিত্ৰ জগতৰ আন এগৰাকী অভিনেত্ৰী চায়ন্তিকা বন্দ্যোপাধ্যায়ে। অভিনেত্ৰীগৰাকীৰ লগতে আন দুজন প্ৰাক্তন আমোলায়ো তৃণমূল কংগ্ৰেছত আজি যোগদান কৰে। দলত যোগদানৰ পাছত অভিনেত্ৰী চায়ন্তিকাই কয়, 'মই ভালদৰে ভাষণ দিব নাজানো। শিকি ল'ব। আমাৰ 'দিদি'ক ধন্যবাদ। মানুহৰ কাষত থাকি সেৱা কৰিবলৈ সুযোগ দিয়াৰ বাবে। যি দায়িত্ব মোক অৰ্পণ কৰা হ'ব সেয়া ভালদৰে পালন কৰিবলৈ চেষ্টা চলাম। 'দিদি'ৰ আস্থাৰ মৰ্যাদা যাতে ৰাখিব পাৰো। বিগত ১০ বছৰ 'দিদি'ৰ কাষতে আছিলো আৰু আগন্তুক দিনতো মানুহৰ সেৱা কৰি যাম।'

## এই মাহত কৰ'নাৰ টিকাকৰণ, অহা মাহত দুৰ্নীতিৰ বিৰুদ্ধে টিকাকৰণ আৰম্ভ ঃ হুংকাৰ কমল হাছনৰ

**নিউজ ব্যুৰ', চেন্নাই, ৩ মাৰ্চ ঃ** ক'ভিডৰ প্ৰতিষেধক গ্ৰহণ কৰিলে দক্ষিণ ভাৰতৰ মহাতাৰকা অভিনেতা-ৰাজনীতিক কমল হাছনে। কালি টুইট কৰি এই কথা অভিনেতা-ৰাজনীতিকজনে নিজে প্ৰকাশ কৰিছিল। দেশক কৰ'নামুক্ত কৰিবলৈ পহিলা মাৰ্চৰ পৰা আৰম্ভ হোৱা দ্বিতীয় পৰ্যায়ৰ টিকাকৰণত অংশ লৈ ৬৬ বছৰীয়া হাছনে টুইটাৰত কয়, 'যিকসকলে কেৱল নিজৰ নহয়, সকলো লোকৰ কথা ভাবে, তেওঁলোকে এই অভিযানত অংশ লওঁক। মই শ্ৰীৰামচন্দ্ৰ হাস্পতালত টিকা গ্ৰহণ কৰিলো।' তামিলনাডুৰ আসন্ন বিধানসভাৰ নিৰ্বাচনৰ কথা উল্লেখ কৰি আন এক টুইটত এম এন এমৰ মুৰব্বী হাছনে কয়, 'এই মাহত কৰ'নাৰ স'তে যুঁজৰ বাবে টিকাকৰণ চলিছে। অহা মাহত দুৰ্নীতিৰ বিৰুদ্ধে টিকাকৰণ আৰম্ভ হ'ব।' উল্লেখ্য যে অহা ছয় এপ্ৰিলৰ পৰা তামিলনাডুত নিৰ্বাচন অনুষ্ঠিত হ'ব আৰু এই নিৰ্বাচনত কমলৰ এম এন এম দলে প্ৰতিদ্বন্দ্বিতা কৰিব। কমল নেতৃত্বাধীন ৰাজনৈতিক দলটোৰ মূল মন্ত্ৰ হৈছে 'দুৰ্নীতিমুক্ত ৰাজনীতি'।



## তামিলনাডুত বিজেপি সহযোগী দল, কিন্তু ৰেলীত প্ৰচণ্ড ভিৰ সমৰ্থকৰ



**নিউজ ব্যুৰ', বিল্লুপুৰম, ৩ মাৰ্চ ঃ** তামিলনাডু বিধানসভাৰ নিৰ্বাচনত বিজেপিয়ে সহযোগী দল হিচাপে প্ৰতিদ্বন্দ্বিতা কৰিছে। কিন্তু ৰাজনৈতিক দলটোৰ নিৰ্বাচনী সভাত হোৱা ভিৰে সকলোৰে দৃষ্টি আকৰ্ষিত কৰিছে। বিজেপিৰ নিৰ্বাচনী ৰেলীত অভিলেখসংখ্যক লোকে অংশ লৈছে। বিল্লুপুৰমত আয়োজিত এনে এক ৰেলীত ১১০০ খন গাড়ীয়ে অংশ লোৱাৰ লগতে অগণন বিজেপি সমৰ্থকে যোগদান কৰিছিল। কেৱল বিল্লুপুৰমতে নহয়, ৰাজ্যখনৰ বিভিন্ন অঞ্চলত বিজেপিয়ে আয়োজন কৰা ৰেলীত যথেষ্টসংখ্যক লোকে অংশ লৈছে। তামিলনাডুৰ এই নিৰ্বাচনত বিজেপিয়ে ক্ষমতাধিষ্ঠিত এ আই এ ডি এম কেৰ স'তে মৰ্চা গঠনৰে প্ৰতিদ্বন্দ্বিতা কৰিছে। বিজেপিৰ ভেটি ৰাজ্যখনত শক্তিশালী নহয় যদিও দলটোৰ নিৰ্বাচনী সভাত হোৱা ভিৰে তামিলনাডুৰ ৰাজনীতিত বিশেষ চৰ্চা লাভ কৰিছে। অৱশ্যে বিল্লুপুৰমৰ একাংশ স্থানীয় লোকে ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা মতে, যিকোনো দলৰে নিৰ্বাচনী সভাত ৰাজ্যখনত সাধাৰণতে যথেষ্ট লোকে অংশ লৈ আহিছে, কিয়নো তামিলনাডুত প্ৰায়বোৰ দলে নিৰ্বাচনী সভাত অংশ লোৱা লোকক গ্ৰামাঞ্চলত ৫০০ টকা আৰু চহৰাঞ্চলত ৮০০ টকাকৈ প্ৰদান কৰে। ধন লাভৰ লোভতে এইদৰে বিজেপিৰ সভাত অগণন লোকে ভিৰ কৰা বুলি স্থানীয় লোকে দাবী কৰে। নগদ ধনৰ লগতে ৰেলী আদিত অংশ লোৱা লোকক বগা ধূতি-চাৰ্ট, শাড়ীও উপহাৰ দিয়া হয়। এনেবোৰ কাৰণতে বিজেপিৰ নিৰ্বাচনী সভাত যথেষ্ট ভিৰ হৈছে বুলি বিল্লুপুৰমবাসীয়ে সংবাদ মাধ্যমৰ আগত কয়।

## শিৱৰাত্ৰিৰ পৰা আৰম্ভ হ'ব হৰিদ্বাৰ কুম্ভমেলা

**নিউজ ব্যুৰ', হৰিদ্বাৰ, ৩ মাৰ্চ ঃ অহা ১১ মাৰ্চৰ মহা শিৱৰাত্ৰিৰ দিনাই হৰিদ্বাৰত কুম্ভমেলাৰ প্ৰথমটো পূণ্য স্নান সম্পন্ন হ'ব। ইয়াৰ লগে লগে ডেৰমাহ ধৰি অনুষ্ঠিত হ'ব লগা এই ধৰ্মীয় মেলা মুকলি হ'ব। কুম্ভমেলাৰ ডেৰমাহৰ ধৰ্মীয় সমাৰোহত মুঠ চাৰিবাৰ পূণ্যস্নান অনুষ্ঠিত হ'ব। কৰ'নাৰ**



**সংক্ৰমণৰ ফলত এইবাৰ কুম্ভমেলাত কিছু সালসলনি কৰা হৈছে। কুম্ভমেলাত অংশ ল'ব বিচৰা ব্যক্তিয়ে প্ৰথমে অনলাইনৰে নাম পঞ্জীয়ন কৰাব লাগিব। নাম পঞ্জীয়নৰ সময়ত যাত্ৰাৰ কাৰণ আৰু মাধ্যম উল্লেখ কৰিব লাগিব। তদুপৰি আবেদনকাৰীয়ে নিজৰ ক'ভিড পৰীক্ষণৰ প্ৰমাণপত্ৰও দাখিল কৰিব লাগিব। কুম্ভমেলাত যাতে ভিৰ অধিক হ'ব নোৱাৰে, তাৰ বাবে এইবাৰ চৰকাৰে মেলা উপলক্ষে বিশেষ ৰেল বা বাছসেৱাৰ ব্যৱস্থা কৰা নাই।**

## ইৰাকত পুনৰ মাৰ্কিন বায়ু সেনাৰ ঘাটিত ৰকেট আক্ৰমণ



**নিউজ ব্যুৰ', বাগদাদ, ৩ মাৰ্চ ঃ** পশ্চিম ইৰাকত আমেৰিকা নেতৃত্বাধীন সন্মিলিত বাহিনীৰ এক সামৰিক বায়ুসেনাৰ ঘাটিক লক্ষ্য হিচাপে লৈ আজি কমেও ১০ টা ৰকেট নিক্ষেপ কৰা হয়। সন্মিলিত বাহিনীৰ মুখপাত্ৰই আজি এই কথা প্ৰকাশ কৰি জনোৱা মতে, দেশখনৰ অনবৰ প্ৰদেশত থকা অল আছাদ সামৰিক বিমানকোঠত বুধবাৰে পুৱা ৭-২০ বজাত এইদৰে ৰকেটৰে আক্ৰমণ চলোৱা হৈছিল। ৰকেট আক্ৰমণত কোনো হতাহত নহ'ল যদিও এই ঘটনাই অঞ্চলটোত আতংক অব্যাহত ৰাখিছে। উল্লেখ্য যে এমাহত দ্বিতীয়বাৰৰ বাবে ইৰাকত এইদৰে মাৰ্কিন সেনাৰ ঘাটিক লক্ষ্য হিচাপে লৈ আক্ৰমণ সংঘটিত হ'ল। এই আক্ৰমণৰ দায়িত্ব এতিয়ালৈকে কোনো ব্যক্তি-সংগঠনে স্বীকাৰ কৰা নাই যদিও আক্ৰমণৰ স'তে ইৰান সমৰ্থিত সন্ত্ৰাসবাদী সংগঠন জড়িত আছে বুলি আমেৰিকাই দাবী কৰিছে।

## ইনষ্টাগ্ৰামত নুছৰতৰে বিবাহ বিচ্ছেদৰ ইংগিত দিলে নিখিলে

**নিউজ ব্যুৰ', কলকাতা, ৩ মাৰ্চ ঃ অভিনেত্ৰী-সাংসদ নুছৰত জাহানৰ স'তে স্বামী নিখিল জৈনৰ দাম্পত্য সংঘাতৰ বাতৰিয়ে বিগত কিছুদিন ধৰি সংবাদ শিৰোনাম দখল কৰি আছিছে। দম্পতিহালৰ বিবাহ বিচ্ছেদৰ বাতৰিও অলপতে সংবাদ মাধ্যমত প্ৰকাশ পাইছিল যদিও নুছৰতে এই বাতৰিক ভুৱা আখ্যা দিছিল। কিন্তু শেহতীয়াভাৱে নিখিলে নুছৰতৰ স'তে বিবাহ**



**বিচ্ছেদৰ ইংগিত দিলে। ইনষ্টাগ্ৰামত এক ইংগিতপূৰ্ণ বাৰ্তাৰে নিখিলে নুছৰতৰ স'তে অব্যাহত থকা সংঘাতৰ বিশেষ ইংগিত দিলে। নিখিলে নিজৰ ইনষ্টাগ্ৰাম প্ৰ'ফাইলটো হঠাতে 'প্ৰাইভেট' কৰি দিলে। নিজৰ ইনষ্টাগ্ৰামৰ দেৱালৰ পৰা নুছৰতৰ ফটোগ্ৰাফো নিখিলে সম্পূৰ্ণৰূপে মচি দিলে। পত্নীক ইনষ্টাগ্ৰামত অলপতে নিখিলে 'আনফলো' কৰিছিল। দুদিন আগলৈকে নিখিলৰ প্ৰ'ফাইলত তেওঁৰ বিবাহৰ দুখন ফটো আছিল। অৱশেষত এই ফটো দুখনো মচি দিলে নিখিলে। উল্লেখ্য যে ২০১৯ত নুছৰতে লোকসভাৰ নিৰ্বাচনত জয়লাভ কৰাৰ কেইদিনমান পাছতে নিখিলৰ স'তে তুৰস্কত আড়ম্বৰপূৰ্ণ বিবাহ সম্পন্ন কৰিছিল। কিন্তু বিবাহৰ এক বছৰ আঠ মাহৰ পাছতে দুয়োৰে সম্পৰ্কত আউল লাগে। নিখিলৰ ছ'চিয়েল মিডিয়াৰ পৰা নুছৰতক সম্পূৰ্ণৰূপে আঁতৰ কৰাৰ পাছত দম্পতিহালৰ বিবাহ বিচ্ছেদৰ সম্ভাৱনা বৃদ্ধি পালে।**




নলবাৰীত বিশ্ব শ্ৰৱণ দিৱস পালন, বুধবাৰে।

# গোৱালপাৰাত স্বেচ্ছাসেৱক নিযুক্তিৰ নামত জালিয়াতি

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ৩ মাৰ্চ ঃ** শিক্ষা স্বেচ্ছাসেৱক নিযুক্তিৰ নামত গোৱালপাৰা জিলা মিছন সমন্বয়কৰ কাৰ্যালয়ৰ আঁচনি বিষয়া টিকেন নাথে ব্যাপক জালিয়াতিৰ আশ্ৰয় লোৱা বুলি এক অভিযোগ উত্থাপিত হৈছে। উল্লেখ্য যে জিলাখনৰ অন্যান্য শিক্ষা খণ্ডৰ লগতে বালিজানা শিক্ষা খণ্ডৰ অন্তৰ্গত পাঁচখন বিদ্যালয়ত শিক্ষা স্বেচ্ছাসেৱক নিযুক্তি প্ৰদান কৰিবলৈ বিভাগীয়ভাৱে এখন ব্লক পৰ্যায়ৰ কমিটী গঠন কৰি দিয়া হয়। বালিজানা উন্নয়ন খণ্ড বিষয়া এ এইছ মোল্লাক অধ্যক্ষ, বিলিজানা শিক্ষা খণ্ড বিষয়া তথা খণ্ড মিছন সমন্বয়ক নজৰুল ইছলাম বক্তিয়াৰক সদস্য সচিব, দুধনৈ ডায়েটৰ অধ্যাপক জচিমুদ্দিন শ্বেখ, গোৱালপাৰা জিলা পৰিষদৰ ভাষানিপৰা সমষ্টিৰ সদস্যা পাৰবিন ফাৰিদা আহমেদ আৰু স্কুল পৰিদৰ্শক বিৰাজ দাসক সদস্য হিচাপে লৈ বাছনি কমিটী গঠন কৰা হয়। বিভাগীয় নিয়মমতে, বালিজানা শিক্ষা খণ্ডৰ অন্তৰ্গত ৪৮২ নম্বৰ পলাশবাৰী প্ৰাথমিক বিদ্যালয়ত ছগৰাকী, ৯৭২ নম্বৰ কোদালকাটি প্ৰাথমিক বিদ্যালয়ত সাতগৰাকী, খুটামাৰী প্ৰাথমিক বিদ্যালয়ত ১২গৰাকী, দক্ষিণ টিয়াপৰা চনেৰচলা প্ৰাথমিক বিদ্যালয়ত আঠগৰাকী, পশ্চিম শোনাহাৰা প্ৰাথমিক বিদ্যালয়ত ১১ গৰাকী প্ৰাৰ্থীয়ে আবেদন কৰিছিল। প্ৰতিখন বিদ্যালয়ৰ প্ৰধান শিক্ষকে আবেদনকাৰীৰ তালিকা বাছনি কমিটীলৈ প্ৰেৰণ কৰে। বিভাগীয় নিয়মানুসাৰে বাছনি কমিটীয়ে ৪৮২ নম্বৰ পলাশবাৰী প্ৰাথমিক বিদ্যালয়ৰ বাবে মাহমুদা ফিৰোজক, ৯৭২ নম্বৰ কোদালকাটি প্ৰাথমিক বিদ্যালয়ৰ বাবে ছাইব উদ্দিন প্ৰামাণিকক, খুটামাৰী প্ৰাথমিক বিদ্যালয়ৰ বাবে ছাবিনা ইয়াচমিনক, দক্ষিণ টিয়াপৰা চনেৰচালা প্ৰাথমিক বিদ্যালয়ৰ বাবে মনিজা খাতুনক আৰু পশ্চিম সোণাহাৰা প্ৰাথমিক বিদ্যালয়ত নুৰ আলমক বাছনি কৰি জিলা আঁচনি বিষয়ালৈ প্ৰেৰণ কৰে। কিন্তু আঁচনি বিষয়া নাথে বাছনিকৃত তালিকাৰ পৰা দক্ষিণ টিয়াপৰা চনেৰচালা প্ৰাথমিক বিদ্যালয়ৰ বাবে মনিজা খাতুনৰ বিপৰীতে তাৰমিনা ইয়াচমিনক আৰু পশ্চিম সোণাহাৰা প্ৰাথমিক বিদ্যালয়ত নুৰ আলমৰ

## বিষয়াৰ মইমতালি

বিপৰীতে আকতাৰুন নেছাক বাছনি কৰা বুলি অতিৰিক্ত উপায়ুক্তক বিপথে পৰিচালিত কৰি নিযুক্তি প্ৰদানৰ অনুমোদন লয়। অতিৰিক্ত উপায়ুক্তই উক্ত বাছনিকৃত তালিকাসহ যোৱা ১৮ ফেব্ৰুৱাৰীত মেমো নম্বৰ জি এল পি/এছ এছ এ/এন আৰ এছ টি চি (আৰ) /১৭৩/২০২১/৯৬৯ যোগে বাছনিকৃত প্ৰাৰ্থীসকলক চুক্তিপত্ৰত চহী ল'বলৈ বালিজানা খণ্ড মিছন সমন্বয়কক নিৰ্দেশ দিয়ে। মিছন সমন্বয়ক তথা বালিজানা খণ্ড শিক্ষা বিষয়া উক্ত তালিকা প্ৰত্যক্ষ কৰি হতভম্ব হৈ পৰে। বাছনিকৃত তালিকাৰ পৰা দুজনকৈ প্ৰাৰ্থীৰ নাম উঠাই দি অযোগ্য প্ৰাৰ্থীৰ নাম কেনেকৈ অন্তৰ্ভুক্ত হ'ব পাৰিলে তাক স্পষ্ট কৰিবলৈ যোৱা ২২ ফেব্ৰুৱাৰীত আঁচনি বিষয়া নাথলৈ এখন চিঠি প্ৰেৰণ কৰে। উক্ত চিঠিৰ প্ৰতিলিপি অতিৰিক্ত উপায়ুক্তৰ জ্ঞাতাৰ্থে প্ৰেৰণ কৰে। ইতিমধ্যে টিকেন নাথে শকত অংকৰ ধনৰ বিনিময়ত বিভাগীয় সকলো নীতি-নিয়মক জলাঞ্জলি দি বাছনি কমিটীক অংগুষ্ঠ প্ৰদৰ্শন কৰি তেওঁৰ পছন্দৰ প্ৰাৰ্থী দুজনক সংশ্লিষ্ট বিদ্যালয় দুখনত নিযুক্তি প্ৰদান কৰে। অৱশ্যে এই বিষয়ে অতিৰিক্ত উপায়ুক্তগৰাকীয়ে অৱগত হৈ নিযুক্তি প্ৰক্ৰিয়া স্থগিত ৰাখে। এই বিষয়াজনে ইয়াৰ পূৰ্বেও দুৰ্নীতিৰ অভিযোগত নিলম্বিত হোৱাৰ লগতে সংযোগী শিক্ষা কৰ্মীসকলৰ আই ডি দিয়াৰ নামতো ব্যাপক হাৰত ধন সংগ্ৰহ কৰা বুলি অভিযোগ উত্থাপিত হৈ আহিছে। সেয়ে নিযুক্তিৰ নামত জালিয়াতি কৰা টিকেন নাথৰ বিৰুদ্ধে তদন্ত কৰি দৃষ্টান্তমূলক শাস্তিৰ দাবী জনাইছে গোৱালপাৰাৰ বিভিন্ন দল-সংগঠনে। ইপিনে, একাংশ বিদ্যালয়ৰ প্ৰধান শিক্ষকে আবেদনকাৰীৰ নাম বাছনি সমিতিলৈ প্ৰেৰণ নকৰাৰ অভিযোগ উঠিছে। উত্থাপিত অভিযোগ অনুসৰি, বালিজানা শিক্ষা খণ্ডৰ অন্তৰ্গত ৪৮২ নম্বৰ পলাশবাৰী এল পি স্কুলত শিক্ষা স্বেচ্ছাসেৱক পদৰ বাবে যোৱা ২৫ জানুৱাৰীত পাখৰীটাৰীৰ মোকাম উদ্দিন আহমেদৰ পত্নী সহীদা খাতুনে অভিজ্ঞতাৰ লগতে যাৱতীয় নথিপত্ৰসহ বিদ্যালয়ৰ প্ৰধান শিক্ষকক আবেদন জমা দিয়ে। কিন্তু প্ৰধান শিক্ষকে উক্ত আবেদনখন গোপন কৰি ৰখাৰ বিপৰীতে সহীদা খাতুনৰ নাম অন্তৰ্ভুক্ত নকৰাকৈয়ে ব্লক পৰ্যায়ৰ বাছনি কমিটীৰ সদস্য সচিব তথা বালিজানাৰ মিছন সমন্বয়কক আবেদনকাৰীক প্ৰাৰ্থীৰ তালিকা প্ৰেৰণ কৰে। ফলত প্ৰয়োজনীয় অৰ্হতা থকা সত্ত্বেও সহীদা খাতুন বঞ্চিত হ'বলগীয়া হয় বুলি অভিযোগ উত্থাপিত হৈছে।

# গৌৰীপুৰৰ বিদ্যালয়ত দুমাহ ধৰি পাঠদান বন্ধ

## প্ৰতিবাদত নামিল ছাত্ৰ-ছাত্ৰী-অভিভাৱক

**অগ্ৰদূত বাৰ্তা**

**গৌৰীপুৰ, ৩ মাৰ্চ ঃ** মৌলিক শিক্ষা সাব্যস্তৰ দাবীত আজি প্ৰতিবাদত নামিব লগা হ'ল কণ কণ ছাত্ৰ-ছাত্ৰীৰ লগতে একাংশ অভিভাৱক। অভিযোগ মতে, গৌৰীপুৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া কাৰ্যালয়ৰ অন্তৰ্গত ৩৪৯ নম্বৰ দক্ষিণ বাইলৰা চৰ এল পি স্কুলৰ প্ৰধান আফজাল হুছেইন তলাবন্ধৰ পাছৰে পৰা বিদ্যালয়ত অনুপস্থিত হৈ আছে। ঘটনা সন্দৰ্ভত বিদ্যালয় পৰিচালনা সমিতি আৰু ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকে জিলা উপায়ুক্তকে ধৰি বিভাগীয় কৰ্তৃপক্ষৰ ওচৰত অভিযোগ দাখিল কৰি আহিছে যদিও সুফল পোৱা নাই। যাৰ বাবে বিদ্যালয়খনৰ কণ কণ শিশুবোৰৰ লগতে একাংশ অভিভাৱক আৰু বিদ্যালয় পৰিচালনা সমিতিয়ে আজি হাতে হাতে প্লেকাৰ্ড, ফেষ্টুন লৈ 'আমাৰ দাবী মানিব লাগিব, আমাক পাঠদান দিয়ক, প্ৰধান শিক্ষকৰ বিচাৰ লাগে' আদি শ্ল'গানেৰে গৌৰী খণ্ড প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয়ৰ সন্মুখত আজি দুপৰীয়া ১-১৫ বজাত উত্তাল পৰিৱেশৰ সৃষ্টি কৰে। তেনে সময়তে ধুবুৰী জিলা আৰক্ষী অধীক্ষক আনন্দ মিশ্ৰই ঘটনাস্থলীত উপস্থিত হৈ প্ৰতিবাদী অভিভাৱক আৰু বিদ্যালয় পৰিচালনা সমিতিৰ লগতে কণ কণ শিশুসকলক খেদি পঠিয়ায়। আৰক্ষী অধীক্ষক মিশ্ৰই প্ৰতিবাদীসকলক ৰাজপথলৈ কণ কণ শিশু প্ৰতিবাদত চামিল কৰাৰ বাবে ক্ষুণ্ণ হৈ পৰে। লগত আৰক্ষী অধীক্ষকজনে অভিভাৱকসকলক বিদ্যালয়খনৰ প্ৰধান শিক্ষকজনৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ কৰাৰো আশ্বাস দিয়ে। তলাবন্ধৰ পাছত বিদ্যালয় খোলাৰ আজি প্ৰায় দুমাহ হ'ল যদিও প্ৰধান শিক্ষক আফজাল হোছেন এবাৰো বিদ্যালয়ত নোযোৱাৰ অভিযোগ উত্থাপন কৰিছে এইসকল ছাত্ৰ-ছাত্ৰীৰ লগতে অভিভাৱকসকলে। তদুপৰি তলাবন্ধৰ পৰা অজিলৈকে দুপৰীয়াৰ আহাৰ যোগান ধৰা নাই ছাত্ৰ-ছাত্ৰীক। তদুপৰি ছাত্ৰ-ছাত্ৰীয়ে বঞ্চিত হৈছে ইউনিফৰ্মৰ পৰাও। উল্লেখ্য যে বিদ্যালয়খনত ১০২ ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে আছে একমাত্ৰ প্ৰধান শিক্ষকজন। নিজ শিশুৰ ভৱিষ্যত অন্ধকাৰ দেখা পাই আজি অভিভাৱকসকলে গৌৰীপুৰ শিক্ষা খণ্ড ঘেৰাও কাৰ্যসূচী গ্ৰহণ কৰাৰ ঘটনাই জিলাখনত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

# ভৱানীপুৰ সত্ৰত মুকলি 'হোলী গীত' প্ৰতিযোগিতা

**অগ্ৰদূত বাৰ্তা**

**সৰুপেটা, ৩ মাৰ্চ ঃ** ভৱানীপুৰ সত্ৰৰ প্ৰাংগণত বিভিন্ন ধৰ্মীয় ৰীতি-নীতিৰ মাজেৰে ভৱানীপুৰ সত্ৰ দৌল উদ্‌যাপন সমিতিৰ উদ্যোগত শ্ৰীকৃষ্ণৰ দৌল মহোৎসৱৰ আয়োজন কৰা হৈছে। ভৱানীপুৰ সত্ৰৰ দৌল মহোৎসৱৰ স'তে সংগতি ৰাখি ভৱানীপুৰ আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত প্ৰাইজমানি মুকলি 'হোলী গীত' প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ভৱানীপুৰ সত্ৰ প্ৰাংগণত অহা ২৭ মাৰ্চৰ আবেলি তিনি বজাত অনুষ্ঠিত হ'ব লগা উক্ত প্ৰতিযোগিতাখন দুটা শাখাত অনুষ্ঠিত হ'ব বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে। তদুপৰি প্ৰতিযোগিতাখনত 'ক' শাখাত অষ্টম শ্ৰেণীলৈকে আৰু 'খ' শাখাত নৱম শ্ৰেণী বা তাৰ ওপৰৰ সকলোৰে বাবে মুকলি থাকিব বুলিও উদ্যোক্তাসকলে জানিব দিছে।

# পাঁচ বছৰে সম্পূৰ্ণ নহ'ল কমলপুৰৰ পথ



**কমলপুৰ, ৩ মাৰ্চ ঃ** শিঙাৰপাৰা হাইস্কুল এখন ঐতিহ্যমণ্ডিত বিদ্যালয়। এইখন বিদ্যালয়ৰ সন্মুখৰে যোৱা বিধ্বস্ত পথ এটি যোৱা পাঁচ বছৰে সম্পূৰ্ণ নহ'ল। বিজেপি চৰকাৰৰ দিনত ৰাস্তাঘাটৰ উন্নতি হ'ল যদিও অঞ্চলটোৰ ৰাইজ আজিও জীয়াতু ভুগিবলগীয়া হৈছে। কিন্তু ১৯৪৪তে স্থাপিত শিঙাৰপাৰা পাতিদৰং উচ্চ মাধ্যমিক বিদ্যালয়ৰ সন্মুখেৰে শিঙাৰপাৰাৰ পৰা কেন্দুৱা শিঙাৰপাৰাৰ পৰা কেন্দুৱা সাহান হৈ হালধালৈ যোৱা পথটো পাঁচ বছৰ পূৰ্বে কংগ্ৰেছ চৰকাৰৰ দিনত কমলপুৰ সমষ্টিৰ তদানীন্তন বিজেপি বিধায়ক যাদৱ ডেকাৰ দিনতে আৰম্ভ হৈ মিত্ৰজোঁটৰ অগপৰ বিধায়ক সত্যব্ৰত কলিতাৰ দিনটো সম্পূৰ্ণ হৈ নুঠিল। শিলগুটি পেলাইছিল যদিও শিলবিলাকো লাহে লাহে ৰাস্তাৰ পৰা ছিটিকি নাইকিয়া হ'ল। ৰাস্তাত থকা শিল বহু ছাত্ৰ-ছাত্ৰী আৰু বহুজনক ঘুণীয়াও কৰিছে। সমষ্টিটোৰ এই পথটোৰ লগতে নলা সম্পূৰ্ণ কৰিবলৈ স্থানীয় ৰাইজে সংশ্লিষ্ট কৰ্তৃপক্ষক দাবী জনাইছে।

# টিহু মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত 'নাট্য সমীক্ষা' শীৰ্ষক তত্ত্বগধুৰ গ্ৰন্থ উন্মোচন

**অগ্ৰদূত বাৰ্তা**

**টিহু, ৩ মাৰ্চ ঃ** টিহু অঞ্চলৰ ঐতিহ্যমণ্ডিত উচ্চশিক্ষাৰ অনুষ্ঠান টিহু মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ 'অসমীয়া ভাষা সাহিত্য চ'ৰা'ৰ উদ্যোগত আজি মহাবিদ্যালয়খনৰ উপাধ্যক্ষ বাবুল চন্দ্ৰ ডেকা আৰু অসমীয়া বিভাগৰ সহযোগী অধ্যাপক হেমেন ৰাজবংশীৰ সম্পাদনাত প্ৰকাশিত ভালেকেইখন পুৰণি আৰু আধুনিক নাটকৰ সমীক্ষাৰে যুগুতোৱা 'নাট্য সমীক্ষা' শীৰ্ষক তত্ত্বগধুৰ গ্ৰন্থ এখন উন্মোচন কৰা হয়। এই উপলক্ষে মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধাপিকা লীনা চৌধুৰীৰ সভাপতিত্বত অনুষ্ঠিত গ্ৰন্থ উন্মোচনী সভাত গ্ৰন্থখন উন্মোচন কৰি টিহু মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° জ্যোতিষ ভাগৱতীয়ে গ্ৰন্থখনৰ এটি আভাস দাঙি ধৰাৰ লগতে গ্ৰন্থখনে শিক্ষক-শিক্ষাৰ্থীক যথেষ্ট সমল দিব বুলি মন্তব্য কৰে। সহযোগী অধ্যাপক হেমেন ৰাজবংশীয়ে উদ্দেশ্য ব্যাখ্যা কৰা আৰু আঁতধৰা সভাখনত মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাচীৰ পত্ৰিকাৰ মাজেৰে ছাত্ৰ-ছাত্ৰীৰ লেখা-মেলা অভ্যাস গঢ় লয়। ই সাহিত্য চৰ্চা আৰু বিকাশত সহায় কৰে। সভাত টিহু মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কিশোৰ কুমাৰ তালুকদাৰে অসমীয়া বিভাগৰ এনে পদক্ষেপৰ শলাগ লৈ মহাবিদ্যালয়ৰ অন্যান্য বিভাগবোৰকো নিজাববীয়াকৈ গ্ৰন্থ প্ৰকাশৰ প্ৰয়াস কৰিবলৈ আহ্বান জনায়। ছাত্ৰী তৰালী দাসৰ বৰগীতেৰে আৰম্ভ কৰা সভাখনত মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত আধ্যাপক ড° জ্যোতিষ ভাগৱতীক এৰী চাদৰ, কাঁহৰ বঁটা, মানপত্ৰ আদিৰে অসমীয়া বিভাগৰ তৰফৰ পৰা বিদায় সম্বৰ্ধনা জ্ঞাপন কৰে। সহযোগী অধ্যাপিকা নীলাক্ষি শৰ্মাই শলাগৰ শৰাই আগবঢ়োৱা সভাখনত ইংৰাজী বিভাগৰ সহযোগী অধ্যাপিকা ড° জেউতী তালুকদাৰ, গণিত বিভাগৰ সহযোগী আধ্যাপক নজৰুল ইছলাম, ইংৰাজী বিভাগৰ সহযোগী অধ্যাপক গোকুল তালুকদাৰ, বুৰঞ্জী বিভাগৰ সহযোগী অধ্যাপক ড° দিগন্ত ডেকা আৰু ছাত্ৰী বৰষা কলিতাই বক্তব্য দিয়ে।

# সাৰাপাৰাত বন্যহস্তীৰ উপদ্ৰৱ

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ৩ মাৰ্চ ঃ** গোৱালপাৰা জিলাৰ মাটিয়া আৰক্ষী থানাৰ অন্তৰ্গত সাৰাপাৰা (কাৰিপাৰা)ত যোৱা নিশা ১২ বজাত বনৰীয়া হাতী এটাই উপদ্ৰৱ চলাই নগৰ খাখলাৰীৰ গৃহ এটা বিধ্বস্ত কৰে। তদুপৰি হাতীয়ে ধান, সৰিয়হ, সা-সম্পত্তিৰ বিস্তৰ ক্ষতিসাধন কৰে।

# ৰমনী আশ্ৰমত দুৰ্ঘটনাত আহত মহিলা

**ফকিৰাগ্ৰাম, ৩ মাৰ্চ ঃ** কোকৰাঝাৰ জিলাৰ ছেৰফাংগুৰি থানাৰ অন্তৰ্গত ৰমনি আশ্ৰমত পথ দুৰ্ঘটনাত এগৰাকী মহিলা আহত হয়। বিলাসীপাৰাৰ পৰা ৰোমা ঘোষ (৩০) নামৰ মহিলাগৰাকীৰ স্বামী মলয় ঘোষৰ স'তে ছেৰফাংগুৰি অভিমুখে মটৰ চাইকেলেৰে গৈ থাকোতে ৰমনী আশ্ৰমত গতিৰোধকত ছিটিকি পৰি গুৰুতৰভাৱে আহত হয় মহিলাগৰাকী। পাছত তেওঁক দোতমা প্ৰাথমিক চিকিৎসালয়ত নিয়া হয় যদিও অৱস্থা সংকটজনক হোৱাত কোকৰাঝাৰ এম আৰ এমলৈ প্ৰেৰণ কৰে। পাছত উন্নত চিকিৎসাৰ বাবে তেওঁক গুৱাহাটীলৈ প্ৰেৰণ কৰে। উল্লেখ্য যে আহত মহিলাগৰাকী পাটগাঁৱৰ ঘৰলৈ গৈ থাকোতে দুৰ্ঘটনাটো সংঘটিত হয়।

# বিধানসভা নিৰ্বাচনত শংকৰদেৱ সংঘৰ ভূমিকা সম্পূৰ্ণ নিৰপেক্ষ

**অগ্ৰদূত বাৰ্তা**

**বাইহাটা চাৰিআলি, ৩ মাৰ্চ ঃ** 'আগন্তুক বিধানসভা নিৰ্বাচনত আমাৰ ভূমিকা নিৰপেক্ষ। আমি নিৰ্দিষ্ট কোনো দলকে সমৰ্থন কৰাৰ প্ৰশ্নই নাহে। নিজৰ নিজৰ গণতান্ত্ৰিক অধিকাৰ ভোটাৰসকলে নিজে সাব্যস্ত কৰিব। তাত আমাৰ ক'বলগীয়া নাই। কোনে কাক সমৰ্থন কৰে, বিৰোধ কৰে সেয়া সম্পূৰ্ণ ব্যক্তিগত।' এই ভাষ্য উত্তৰ-পূৰ্বাঞ্চলৰ সৰ্ববৃহৎ ধৰ্মীয় অনুষ্ঠান শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পদাধিকাৰ তথা মহাপুৰুষ শংকৰদেৱ বিশ্ববিদ্যালয়ৰ আচাৰ্য কমলাকান্ত গগৈৰ। কামৰূপ জিলাৰ ক্ষুদ্ৰ হাজাৰা গাঁৱৰ তিলকৰ চ'কত 'ঘনশ্যাম-আইকণ প্লে-স্কুল' নামৰ এখন শিশু বিদ্যালয় মুকলি কৰি সংবাদ মাধ্যমৰ আগত এইদৰে কয় পদাধিকাৰজনে। বিদ্যালয়খনৰ দ্বাৰ মুকলি কৰি অনুষ্ঠিত সভাত পদাধিকাৰ গগৈয়ে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শৰাজি আৰু কৰ্মৰাজিৰ সম্পৰ্কে বক্তব্য আগবঢ়ায়। প্ৰসংগক্ৰমে তেওঁ কয় যে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে নাম-কীৰ্তন, ভাগৱত প্ৰাৰ্থনাৰ জৰিয়তে যোগ সৃষ্টি কৰি ভকতবৃন্দৰ লগতে সেই সময়ৰ অসমীয়া সমাজখনক ৰোগ ব্যাধিৰ পৰা আঁতৰত ৰাখিবলৈ সক্ষম হৈছিল। উল্লেখ্য যে এক ব্যতিক্ৰমী প্ৰয়াসেৰে স্থাপন কৰা বিদ্যালয়খনৰ উদ্বোধনী অনুষ্ঠানত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ডিব্ৰুগড় জিলা শাখাৰ সভাপতি কুল হাজৰিকাই অনুষ্ঠানত উপস্থিত থাকি কয় যে বিদ্যালয়খনত স্থাপন কৰা পুথিভঁৰালৰ লগতে সংগ্ৰহালয় আৰু বিদ্যালয়খনৰ চাৰি চৌহদত দেশৰ লগতে অসমৰ গুণী-জ্ঞানী ব্যক্তিসকলৰ ফটো সুন্দৰকৈ উপস্থাপন কৰা হৈছে। বিশেষকৈ পদ্মশ্ৰী, পদ্মভূষণ বঁটা পোৱা সকলৰ ছবি, ভাৰতৰ প্ৰধানমন্ত্ৰীৰ লগতে ৰাজ্যৰ মুখ্যমন্ত্ৰীসকলৰ ফটো কাৰ্যক্ৰমণিকা উল্লেখ কৰাত তেওঁ সন্তোষ প্ৰকাশ কৰে। ইয়াৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ মন মগজুত প্ৰতিদিনে ক্ৰিয়া কৰিব আৰু স্মৰণশক্তি বৃদ্ধি কৰিব বুলি উল্লেখ কৰে। বিদ্যালয়খনৰ অধ্যক্ষ জয়জ্যোতি ডেকা উপস্থিত থকা সভাত ডিব্ৰুগড় জিলাৰ সভাপতি হাজৰিকাই বিদ্যালয়খনৰ সংগ্ৰহালয়টো মুকলি কৰি কয় যে ইয়াৰ উদ্দেশ্য হৈছে শিশুসকলক আপুৰুগীয়া সম্পদসমূহৰ স'তে পৰিচয় কৰাই দিয়া। বিজ্ঞান প্ৰযুক্তিৰ জয়যাত্ৰাৰ ফলত চহা সমাজ জীৱনৰ পৰা ক্ৰমাৎ বিলুপ্ত হোৱা মুদ্ৰা, সামগ্ৰী সংৰক্ষণৰ পুৰণি ব্যৱস্থা, সাঁচিপাত আদি সামগ্ৰী সংৰক্ষণৰ ব্যৱস্থা গ্ৰহণ কৰিছে বিদ্যালয় কৰ্তৃপক্ষই। মহুৰাৰ পৰা পাটি পইচা পৰ্যন্ত সংগ্ৰহালয়টোত সংৰক্ষণ কৰা হৈছে। আনহাতে, বিদ্যালয়খনত পৰিচালনা সমিতিৰ সঞ্চালক উদয় ডেকাই বিদ্যালয়খনৰ ব্যতিক্ৰমী সংগ্ৰহালয়টো সম্পৰ্কে কয় যে স্থানীয় ৰাইজৰ দান-বৰঙণিৰে বনোৱা হৈছে। বিশেষকৈ থলুৱা আপুৰুগীয়া সম্পদসমূহৰে নিৰ্মাণ কৰা হৈছে।

## ক্ষুদ্ৰ হাজাৰাত 'ঘনশ্যাম-আইকণ প্লে-স্কুল'ৰ মুকলি কৰি পদাধিকাৰ কমলাকান্ত গগৈ

# মৰিগাঁও জিলা প্ৰশাসনৰ নিৰ্বাচনৰ বাবে প্ৰশিক্ষণ

**অগ্ৰদূত বাৰ্তা**

**মৰিগাঁও, ৩ মাৰ্চ ঃ** মৰিগাঁও জিলা প্ৰশাসনে আসন্ন ২০২১ৰ বিধানসভা নিৰ্বাচনৰ বাবে এলানি প্ৰশিক্ষণ কাৰ্যসূচী গ্ৰহণ কৰিছে। সেই অনুসৰি, কালি প্ৰিজাইডিং আৰু পলিং বিষয়সকলক প্ৰথম পৰ্যায়ৰ প্ৰশিক্ষণ দিয়া হয়। মৰিগাওঁ মহাবিদ্যালয়, ঘনকান্ত বৰুৱা মহাবিদ্যালয় আৰু মৰিগাঁও উচ্চতৰ বহুমুখী বিদ্যালয়ত পুৱা ১০ বজাৰ পৰা ১২-৩০ বজালৈ আৰু আবেলি ১-৩০ বজাৰ পৰা চাৰি বজালৈ অনুষ্ঠিত প্ৰশিক্ষণ কাৰ্যসূচীত মুঠ ২০৭৬ গৰাকী প্ৰিজাইডিং আৰু পলিং বিষয়াসকলে অংশগ্ৰহণ কৰে। ৮৩ গৰাকী প্ৰশিক্ষকে এই প্ৰশিক্ষণ দিয়ে। আজি দ্বিতীয় আৰু তৃতীয় পলিং বিষয়াসকলৰ ওপৰত উল্লেখিত কেন্দ্ৰসমূহত প্ৰশিক্ষণ কাৰ্য চলি আছে। একেদৰে মৰিগাঁৱত চাৰি, পাঁচ, আঠ, ন আৰু ১৬ মাৰ্চলৈ নিৰ্বাচনৰ বাবে নিয়োজিত বিভিন্ন বিষয়া-কৰ্মচাৰীৰ প্ৰশিক্ষণ কাৰ্যসূচী চলিব।

# কোচ ৰাজবংশী উন্নয়ন পৰিষদ গঠনক লৈ কোচ ৰাজবংশী সন্মিলনীৰ প্ৰতিক্ৰিয়া

## সন্মিলনীক অন্ধকাৰত ৰাখি পৰিষদ গঠনৰ অভিযোগ

**অগ্ৰদূত বাৰ্তা**

**গোৱেশ্বৰ, ৩ মাৰ্চ ঃ** অসম চৰকাৰে গঠন কৰা 'কোচ ৰাজবংশী উন্নয়ন পৰিষদ' সম্পৰ্কে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে 'সদৌ অসম কোচ ৰাজবংশী সন্মিলনী'-এ। সদৌ অসম কোচ ৰাজবংশী সন্মিলনীৰ মুখ্য উপদেষ্টা বিপিন বৰ্মন আৰু সম্পাদক কনক দাসে এক বিবৃতিত উল্লেখ কৰে যে অসমত বসবাস কৰা কোচ ৰাজবংশীসকলৰ উন্নয়নৰ বাবে অলপতে চৰকাৰে ২১জনীয়া যিখন উন্নয়ন পৰিষদ গঠন কৰিছে ই এক চৰম প্ৰতাৰণা। কিয়নো বিগত এশ বছৰে কোচ ৰাজবংশীসকলৰ বাবে মাত মাতি অহা সন্মিলনীক অন্ধকাৰত ৰাখি এই পৰিষদ গঠন কৰা হ'ল। যিসকলক লৈ পৰিষদ গঠন কৰা হ'ল তেওঁলোক কোনো কালে জনগোষ্ঠীটোৰ বাবে মাত মতা ব্যক্তি নহয়। কোচ ৰাজবংশী জনগোষ্ঠীটোৰ লোক নোহোৱা ব্যক্তিকো উক্ত পৰিষদৰ সদস্য হিচাপে ৰখা হৈছে। তদুপৰি ২১জনীয়া পৰিষদৰ ভালেকেইজন ব্যক্তি কোচ ৰাজবংশীৰ লোক নহয় বুলিও একাংশই অভিযোগ কৰিছে। সন্মিলনীয়ে উল্লেখ কৰে যে সদৌ অসম কোচ ৰাজবংশী সন্মিলনীয়ে ইতিমধ্যে এশ বছৰ সম্পূৰ্ণ কৰিছে। শতবৰ্ষ অনুষ্ঠানত স্বয়ং অসমৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে নিজেই বিশিষ্ট অতিথিৰ আসন অলংকৃত কৰিছিল। তেনে স্থলত সদৌ অসম কোচ ৰাজবংশী সন্মিলনীক বৰ্তমানে নেতৃত্ব দিয়া বিজেপিৰ বিধায়ক, সন্মিলনীৰ ভাৰপ্ৰাপ্ত সভাপতি আৰু বিষয়ববীয়াক সম্পূৰ্ণ অন্ধকাৰত ৰাখি পৰিষদখন গঠন কৰাত আশ্চৰ্য প্ৰকাশ কৰিছে সন্মিলনীয়ে। সেয়েহে সন্মিলনীয়ে অনতিপলমে অশ্বিনী ৰায় সৰকাৰে নেতৃত্ব দিয়া সন্মিলনীৰ কমেও ১৫জন বিষয়ববীয়া আৰু সদস্যৰে উন্নয়ন পৰিষদ গঠন কৰিবলৈ দাবী জনাইছে। অন্যথা ইয়াৰ বিৰূপ প্ৰতিক্ৰিয়া আগন্তুক নিৰ্বাচনত পৰিব বুলিও সন্মিলনীয়ে সকীয়াই দিয়ে।

# শান্তিপুৰত শতাধিক লোকৰ ইউ পি পি এলত যোগদান

**অগ্ৰদূত বাৰ্তা**

**মুছলপুৰ, ৩ মাৰ্চ ঃ** নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে প্ৰমোদ বড়ো নেতৃত্বাধীন ইউ পি পি এলে নিৰ্বাচনী তৎপৰতা আৰম্ভ কৰিছে। এই উপলক্ষে আজি বাগ্‌সা জিলাৰ ৬২ নম্বৰ বৰমা বিধানসভা সমষ্টিৰ অন্তৰ্গত শান্তিপুৰত দলটোৰ এখন সভা অনুষ্ঠিত হয়। শান্তিপুৰ প্ৰাইমাৰী ইউ পি পি এলৰ সভাপতি মণ্টু ডেকাৰ সভাপতিত্বত অনুষ্ঠিত সভাত বি টি চি পৰিষদৰ অধ্যক্ষ কাতিৰাম বড়োৱে উপস্থিত থাকি বি টি চি পৰিষদে গ্ৰহণ কৰা জনকল্যাণমূলক আঁচনিসমূহৰ বিষয়ে ৰাইজক অৱগত কৰি ৰাইজৰ সহযোগিতা কামনা কৰে। তেওঁ অঞ্চলটোৰ উন্নয়নৰ বাবে কোনো ভেদাভেদ নাৰাখি কাম কৰিব বুলিও বক্তব্য ৰাখে। মুছলপুৰ জিলা ইউ পি পি এলৰ সম্পাদক দয়াল শৰণীয়াই সভাত উপস্থিত থাকি ঝাডু মাৰি পথত পৰি থকা গছৰ পাত চাফা কৰাৰ পূৰ্বে মনৰ মাজত থকা দুৰ্নীতিৰ শিপাডাল দলিয়াই পেলাবলৈ ৰাইজক আহ্বান জনায়। তেওঁ পৰিৱৰ্তনৰ স্বাৰ্থত ইউ পি পি এলৰ হাত শক্তিশালী কৰি পাঁচ বছৰ মিত্ৰজোঁটৰ চৰকাৰখন চলোৱাৰ বাবে সহযোগ কৰিবলৈ আহ্বান জনায়। উল্লেখ্য যে উক্ত সভাত অঞ্চলটোৰ প্ৰায় শতাধিক লোকে দলটোত যোগদান কৰে। বৰমা সভাত ভূপেন বড়োৱে সকলোকে ফুলাম গামোচাৰে আদৰণি জনায়। সভাত ইউ পি পি এলৰ কেন্দ্ৰীয় উপ-সভাপতি সাধন বৈশ্য, হৰকুমাৰ মেধিকে ধৰি বাগ্‌সা জিলা মহিলা সমিতিৰ বিষয়ববীয়াসকল উপস্থিত থাকে।



# সৰবৰহী ব্যক্তি খছনুৰ আলীৰ মৃত্যু

**বিশেষ সংবাদদাতা**

**মঙলদৈ, ৩ মাৰ্চ ঃ** দৰঙৰ মঙলদৈ চহৰৰ নিকটৱৰ্তী নগৰবাহী কানাইচুবা নিবাসী খছনুৰ আলী (৮০)ৰ যোৱা নিশা আমিনগাঁওস্থিত জি এন আৰ চি হাস্পতালত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। উল্লেখ্য যে যোৱা ২৮ ফেব্ৰুৱাৰীৰ নিশা আলী হঠাৎ উচ্চ ৰক্তচাপজনিত ৰোগত আক্ৰান্ত হৈ সংজ্ঞাহীন হৈ পৰে। লগে লগে তেওঁক মঙলদৈ অসামৰিক চিকিৎসালয়লৈ নিয়া হয় যদিও চিকিৎসকে উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ প্ৰেৰণ কৰে। গুৱাহাটীৰ আমিনগাঁও জি এন আৰ চি হাস্পতালত সংকটজনক অৱস্থাত তেতিয়াৰে পৰা চিকিৎসাধীন হৈ থকাৰ পাছত আজি পুৱা ৬-৩০ বজাত মৃত্যু ঘটে। তেওঁৰ মৃত্যুত মঙলদৈ চহৰৰ লগতে সমগ্ৰ নগৰবাহী অঞ্চলত শোকৰ ছাঁ পৰে। মৃতদেহ চিকিৎসালয়ৰ পৰা ঘৰলৈ অনাৰ পাছতেই বহু লোকে ভিৰ কৰা পৰিলক্ষিত হয়। কানাইচুবা গাঁৱৰ সহজ-সৰল ধৰ্মপৰায়ণ আৰু সমাজসেৱক হোৱাৰ উপৰি দৰং জিলা কংগ্ৰেছৰ কাৰ্যকৰী সভাপতি তথা নগৰবাহী গাঁও পঞ্চায়তৰ সভাপতি চৰিফুল হকৰ পিতৃ আছিল আলী। তেওঁৰ মৃত্যুত মঙলদৈ সমষ্টিৰ প্ৰাক্তন বিধায়ক বসন্ত দাস, প্ৰাক্তন সাংসদ মাধৱ ৰাজবংশী, দৰং জিলা কংগ্ৰেছৰ সভাপতি কামিনী ডেকা, প্ৰাক্তন সভানেত্ৰী ৰাহিদা আহমেদ, কংগ্ৰেছ নেতা কন্দৰ্প কলিতা, কুলদীপ বৰুৱা, দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, গীতিকাৰ ছহিৰ ভূঞাকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, ব্যক্তি আদিয়ে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ দুই পুত্ৰ আৰু তিনিগৰাকী কন্যাৰ লগতে বহু কুটুমক ইহসংসাৰত এৰি যায়। আজি বিয়লি স্থানীয় কানাইচুবা কবৰস্থানত তেওঁৰ জানাজা সম্পন্ন হয়।

# কোনো কাৰণতেই বিজেপিক ভৱানীপুৰ সমষ্টি এৰি নিদিয়ে অগপই

## বজালীৰ ভৱানীপুৰত অগপৰ হুংকাৰ

**বিশেষ সংবাদদাতা**

**পাঠশালা, ৩ মাৰ্চঃ** ভৱানীপুৰ সমষ্টি এইবাৰ কোনো কাৰণতেই বিজেপিক এৰি নিদিয়ে অগপই। এই দাবী অগপৰ কেন্দ্ৰীয় সাধাৰণ পৰিষদৰ সদস্য বিপুল কৃষ্ণ দাসৰ। আজি ভৱানীপুৰ অগপৰ কাৰ্যালয়ত আয়োজিত এক সংবাদমেলত দাসে কয়, 'ভৱানীপুৰ সমষ্টি পূৰ্বতে চাৰিবাৰকৈ অসম গণ পৰিষদে দখল কৰিছে। এইটো সমষ্টি সম্পূৰ্ণৰূপে এটা জাতীয়তাবাদী সমষ্টিৰূপে পৰিগণিত হৈছে। গতিকে এই সমষ্টিটো বিজেপিক এৰি দিয়াৰ প্ৰশ্নই আহিব নোৱাৰে।' 'তেওঁ পুনৰ কয়, 'যোৱাবাৰ মিত্ৰজোঁট চৰকাৰ হোৱাৰ স্বাৰ্থত বিজেপিক দিয়া হৈছিল যদিও এইবাৰ আমি কোনো কাৰণতেই বিজেপিক এৰি নিদিওঁ আৰু এই সমষ্টিত এইবাৰ অসম গণ পৰিষদৰ প্ৰাৰ্থী জয় হোৱাটো নিশ্চিত।' উক্ত সংবাদমেলত অগপৰ ভৱানীপুৰ বিধান পৰিষদৰ আই টি চেলৰ সম্পাদক খনিন্দ্ৰ শৰ্মা, পৰিষদৰ সদস্য হৰিহৰ কলিতা, প্ৰফুল্ল পাটগিৰি আদি উপস্থিত থাকে।

# নগাঁৱৰ এখন বিবাহ মণ্ডপতে ১১ যোৰ পাত্ৰ-পাত্ৰীৰ বিবাহ সম্পন্ন

**বিশেষ সংবাদদাতা**

**নগাঁও, ৩ মাৰ্চ ঃ** যিসকল লোকে আৰ্থিক অনাটনৰ বাবে ধৰ্মীয় পৰম্পৰা আৰু সামাজিক ৰীতি-নীতি অনুসৰি নিজৰ বিবাহ কাৰ্য সম্পন্ন কৰিবলৈ অসমৰ্থ তেনে লোকক সকাহ দিবলৈকে আগবাঢ়ি আহিল নগাঁও জিলাৰ কাছমাৰী বামুণ গাঁৱৰ ৰাইজ। গাঁওখনৰ ৰাইজে গঠন কৰা এখন সমিতিৰ উদ্যোগত আজি গাঁওখনত সম্পন্ন হ'ল এক সামূহিক বিবাহ। য'ত সম্পূৰ্ণ ধৰ্মীয় আৰু সামাজিক ৰীতি-নীতি অনুসৰি বিবাহ কাৰ্য সম্পন্ন কৰা হয় ১১ যোৰা দৰা-কইনাৰ। এই সামূহিক বিবাহ পৰিচালনা কৰে কাছমাৰী বামুণগাঁৱৰ ৰাইজে। বিয়াৰ সকলো ব্যৱস্থাই কৰা হয়। মাহ-হালধিৰ পৰা বিবাহচাৰ্যলৈকে, পৰম্পৰাৰ পৰা বিশ্বাসলৈকে সকলো অটুট থাকে। আনকি উপহাৰ লৈ আত্মীয়-কুটুম্ব আৰু অতিথিয়ে ভিৰ কৰিলেহে ৰভাতলত। গ্ৰহণ কৰিলে আপ্যায়ন, দিলে শুভেচ্ছা-আশীৰ্বাদ। এই বিবাহ মণ্ডপত ১১ যোৰা দৰা-কইনাৰ বিবাহ আৰু পাঁচগৰাকীৰ উপনয়ন কাৰ্য সম্পন্ন কৰা হয়। বিয়াত আয়তীৰ উৰুলি, বিয়া নাম আৰু বেণুৰ শব্দত কঁকাল ঘূৰাই নাচিলে বহুতে। অভিভাৱকহীন, পৰিচালনাৰ সমস্যা, আৰ্থিক সমস্যাকে প্ৰমুখ্যে কৰি বিভিন্ন সমস্যাৰে ভাৰাক্ৰান্ত হৈ ইচ্ছা থকাৰ পাছতো সামাজিক প্ৰথাৰে বিবাহপাশত আৱদ্ধ হ'ব নোৱাৰা দম্পতীসকলে ধৰ্মীয় পৰম্পৰা আৰু সামাজিক ৰীতি-নীতি অনুসৰি বিবাহ কাৰ্য সম্পন্ন কৰিবলৈ পাই যথেষ্ট উৎসাহিত আৰু আনন্দিত হোৱা পৰিলক্ষিত হয়। আজিৰ এই সমূহীয়া বিয়াখনে একাংশ দুৰ্বল পৰিয়ালক সকাহ দিয়াই নহয়, গাঁওখনতো এক উৎসৱমুখৰ পৰিৱেশৰো সৃষ্টি কৰে।




কৃষি বিশ্ববিদ্যালয়ৰ উদ্যোগত কৃষক সজাগতা সভা, চামগুৰিত বুধবাৰে।

# মহিলাৰ দ্বাৰা পৰিচালিত হ'ব ৬০ টা ভোটগ্ৰহণ কেন্দ্ৰ

## নিৰ্বাচনৰ বাবে সাজু ওদালগুৰি জিলা প্ৰশাসন

**বিশেষ সংবাদদাতা**

**ওদালগুৰি, ৩ মাৰ্চ ঃ** আগন্তুক অসম বিধানসভা নিৰ্বাচনৰ পহিলা এপ্ৰিলত অনুষ্ঠিত হ'বলগীয়া দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে সাজু হৈ পৰিছে ওদালগুৰি জিলা প্ৰশাসন। জিলাখনৰ তিনিটা বিধানসভা সমষ্টিৰ নিৰ্বাচন পৰিচালনা কৰিব ওদালগুৰি জিলা প্ৰশাসনে। যোৱা দুই মাৰ্চত ওদালগুৰি উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত আয়োজিত এক সংবাদমেলযোগে এই প্ৰস্তুতিৰ কথা জানিবলৈ উপায়ুক্ত প্ৰকাশ ৰঞ্জন ঘৰফলীয়াই। ওদালগুৰি জিলা প্ৰশাসনৰ দ্বাৰা পৰিচালিত হ'বলগা সমষ্টিকেইটা হ'ল ক্ৰমে পানেৰী, ওদালগুৰি আৰু মাজবাট বিধানসভা সমষ্টি। উক্ত সমষ্টি তিনিওটা মুঠ ভোটাৰৰ সংখ্যা হৈছে ৪,৬৬,৯৬৩ গৰাকী। ইয়াৰে ভিতৰত পুৰুষ ২,৩৬,৯৬৩ আৰু মহিলা ভোটাৰৰ সংখ্যা ২,৩০,৯০১ গৰাকী। সমষ্টিগতভাৱে ওদালগুৰি বিধানসভা সমষ্টিৰ ভোটাৰৰ সংখ্যা হ'ল ১,৫৬,০৭৫ গৰাকী মাজবাট সমষ্টিত ১,৫৭,৪৪৫ গৰাকী আৰু পানেৰী সমষ্টিৰ ভোটাৰ হ'ল ১,৫৩,৪৪০ গৰাকী। তিনিওটা সমষ্টিৰ নিৰ্বাচনী কাম পৰিচালনাৰ বাবে সকলো ধৰণৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠা বুলি উপায়ুক্তই সংবাদমেলত প্ৰকাশ কৰে। সেই অনুসৰি, তিনিওটা সমষ্টিৰ বাবে ৩,৩১৬ গৰাকী বিষয়া-কৰ্মচাৰী নিযুক্তি দিছে। ৮০ৰ উৰ্দ্ধৰ ভোটাৰসকলৰ ঘৰে ঘৰে গৈ পোষ্টেল ভোট সংগ্ৰহৰ বাবে ৯৮ টা গোট গঠন কৰা হৈছে। জিলাখনৰ পূৰ্বৰ ৮০ ভোট গ্ৰহণ কেন্দ্ৰৰ বিপৰীতে ১১১টা নতুন ভোটগ্ৰহণ কেন্দ্ৰ বৃদ্ধি কৰি ভোটগ্ৰহণ কেন্দ্ৰ ৬৯১ কৰা বুলি প্ৰকাশ কৰে। প্ৰতিটো সমষ্টিত ২০ টাকৈ মুঠ ৬০ টা ভোটগ্ৰহণ কেন্দ্ৰত মহিলা বিষয়া কৰ্মচাৰী নিয়োগ কৰাৰ ব্যৱস্থা কৰা বুলিও উপায়ুক্তই জানিব দিয়ে। সংবাদমেলত প্ৰকাশ কৰা মতে, জিলাখনৰ বিভিন্ন স্থানত থকা চৰকাৰী বেনাৰ-পোষ্টাৰ আঁতৰোৱাৰ লগতে সকলো ধৰণৰ নিৰ্বাচনী বিধি চোৰা-চিতা কৰাৰ বাবে ন টা গোট গঠন কৰা হৈছে। গুৰুত্বপূৰ্ণভাৱে বিগত লোকসভা নিৰ্বাচনত ৯০ শতাংশৰ অধিক ভোট গ্ৰহণ হোৱা জিলাখনৰ ২৯ টা ভোট গ্ৰহণ কেন্দ্ৰক জটিল কেন্দ্ৰ হিচাপে চিনাক্ত কৰি উক্ত কেন্দ্ৰসমূহক ভিডিঅ' কেমেৰাকে ধৰি বিশেষ ব্যৱস্থা লোৱা বুলি জানিব দিয়ে। উল্লেখ্য যে ক'ভিড-১৯ প্ৰট'কলৰ বাবেও প্ৰশাসনে বিশেষ ব্যৱস্থা গ্ৰহণ কৰাৰ কথাও সদৰী কৰে উপায়ুক্তই। সেই অনুসৰি প্ৰতিটো ৰাজনৈতিক দলে জিলাখনৰ মাত্ৰ ৫০ স্থানতহে নিৰ্বাচনী সভা পাতিব পাৰিব। কোন কোন স্থানত সভা অনুষ্ঠিত কৰিব পাৰিব তাকো নিৰ্দিষ্ট কৰি দিয়ে প্ৰশাসনে। প্ৰশাসনে নিৰ্দিষ্ট কৰা অনুসৰি স্থান সাপেক্ষে সৰ্বাধিক এখন সভাত ১৫০০ লৈকে সমাবেশ ঘটাব পাৰিব। নিৰ্বাচনী বিধি ব্যৱস্থা ভংগকাৰীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব বুলিও সকীয়াই দি সকলোকে মুক্তভাৱে ভোটদান কৰিবলৈ আহ্বান জনায়। সংবাদমেলত উপস্থিত থাকি ওদালগুৰি জিলাৰ আৰক্ষী অধীক্ষক ৰিপুল দাসে ভোট গ্ৰহণৰ সময়ত নিৰাপত্তাৰ দিশটো চোৰা-চিতা কৰি থকাৰ কথা প্ৰকাশ কৰে।

# বঙাইগাঁৱত বানপানীৰ সময়ত ল'বলগীয়া প্ৰস্তুতি সন্দৰ্ভত পৰ্যালোচনা সভা

**অগ্ৰদূত ব্যুৰ'**

**বঙাইগাঁও, ৩ মাৰ্চ ঃ** সম্ভাব্য বানপানীৰ সময়ত বানাক্ৰান্ত লোকক বিভিন্ন প্ৰকাৰৰ সাহায্য প্ৰদান তথা উদ্ধাৰ অভিযানৰ প্ৰস্তুতি সন্দৰ্ভত যোৱা পহিলা মাৰ্চত সোমবাৰে বঙাইগাঁও জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অতিৰিক্ত উপায়ুক্ত ডাঃ তাহিদুৰ ৰহমানৰ সভাপতিত্বত এখন পৰ্যালোচনা সভা অনুষ্ঠিত হয়। সভাত উপস্থিত থকা জিলাখনৰ বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকলৰ স'তে অনুষ্ঠিত সভাৰ আৰম্ভণিতে অতিৰিক্ত উপায়ুক্তই কয় যে বানপানীৰ সময়ত যিসকল লোক বানাক্ৰান্ত হয় তেওঁলোকক যথা সময়ত উদ্ধাৰ আৰু সাহায্য প্ৰদান কৰিবলৈ আগতীয়া প্ৰস্তুতি তথা পৰিকল্পনাৰ বিশেষ প্ৰয়োজন। বিগত বৰ্ষত বানপানী পৰিস্থিতিৰ সময়লৈ চাই কোন কোন অঞ্চলত কিমান মানুহ বানাক্ৰান্ত হৈছিল, কিমান আশ্ৰয় শিবিৰ আৰু ৰিফিল কেন্দ্ৰৰ স্থাপনৰ প্ৰয়োজন হৈছিল, কিমান পশুধন আক্ৰান্ত হৈছিল, কিমান নাও ব্যৱহাৰ কৰা হৈছিল, কিমান মানুহ ৰোগাক্ৰান্ত হৈছিল, কিমান খাদ্য সামগ্ৰীৰ প্ৰয়োজন হৈছিল এই সকলো দিশতে সংশ্লিষ্ট বিভাগসমূহৰ প্ৰস্তুতি আৰু পৰিকল্পনা বৰ্তমান সময়তো প্ৰয়োজন। গতিকে জিলাখনৰ বিভিন্ন বিভাগত তেওঁলোকৰ বানপানী সংক্ৰান্তত পৰিকল্পনা প্ৰস্তুত কৰি জিলা উপায়ুক্ত কাৰ্যালয়ৰ দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ ওচৰত জমা দিবলৈ সংশ্লিষ্ট বিভাগসমূহক পৰামৰ্শ দিয়ে। বিগত বৰ্ষত যিসমূহ অঞ্চলত বানপানীত ক্ষতিগ্ৰস্ত হৈছিল সেই অঞ্চলসমূহ চিনাক্ত কৰি অতি সোনকালে মেৰামতি কৰিবলৈ সংশ্লিষ্ট বিভাগসমূহক নিৰ্দেশ দিয়ে। উল্লেখ্য যে এই ক্ষেত্ৰত অতিৰিক্ত উপায়ুক্ত ৰহমানে কয় যে যিখন স্কুলত আশ্ৰয় শিবিৰ পাতিবলৈ পৰিকল্পনা কৰা হৈছে খোৱা পানীৰ লগতে চেনিটেৰীকে ধৰি সকলো ব্যৱস্থা কৰিবলৈ কয়। আনহাতে, গড়কাপ্তানী ৰাজ্যিক পথ, গড়কাপ্তানী গ্ৰাম্য পথ, জলসম্পদ আদি বিভাগক বাৰিষা অহাৰ পূৰ্বে তেওঁলোকৰ কৰণীয় কামবিলাক সমাপন কৰিবলৈ নিৰ্দেশ দিয়ে। সভাত বঙাইগাঁও জিলা পৰিষদৰ কাৰ্যবাহী বিষয়া নাদিৰা জেছমিন, জিলাখনৰ অন্তৰ্গত ৰাজহ চক্ৰ বিষয়াসকল, সহকাৰী আয়ুক্ত তথা ভাৰপ্ৰাপ্ত জিলা জনসংযোগ বিষয়া কবিতা ডেকা, জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ আদি উপস্থিত থাকে।

# দায়বদ্ধতাৰে কাম কৰিলে সকলো সম্ভৱ

## নলবাৰীত শিশু যতন কেন্দ্ৰ 'মা' মুকলি

**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ৩ মাৰ্চ ঃ** নলবাৰী চহৰৰ বিদ্যাপুৰত ছগৰাকী সাহসী মহিলাই স্থাপন কৰা 'মা' নামৰ শিশু যতন কেন্দ্ৰ এটি যোৱা দুই মাৰ্চত মুকলি কৰা হয়। কেন্দ্ৰটো মুকলি কৰে বিশিষ্ট শিশু ৰোগ বিশেষজ্ঞ ডাঃ প্ৰণৱ কুমাৰ শৰ্মাই। চহৰৰ বিদ্যাপুৰৰ ডাকঘৰৰ ওচৰত এটা সুৰক্ষিত গৃহত শিশুসকলৰ উপযোগী হোৱাকৈ স্থাপন কৰা এই কেন্দ্ৰৰ মুকলি অনুষ্ঠানত চহৰখনৰ ভালে সংখ্যক বিশিষ্ট লোক উপস্থিত থাকে। এই উপলক্ষে সাংবাদিক কিশোৰ কুমাৰ কলিতাই আঁত ধৰা অনুষ্ঠানত কেন্দ্ৰটো মুকলি কৰি ডাঃ প্ৰণৱ কুমাৰ শৰ্মাই কয় যে ক্ষুদ্ৰ চহৰখনত শিশুসকলক যত্ন লোৱা কেন্দ্ৰ এটিৰ বাৰুকৈয়ে প্ৰয়োজন আছিল। সময়ত এইটো চহৰখনৰ ছগৰাকী মহিলাই কৰি দেখুৱালে। ভাষণ প্ৰসংগত তেওঁ চাকৰিজীৱী পিতৃ-মাতৃৰ শিশুসকলক অতি সামান্য মাননিৰ বাবদ এই কেন্দ্ৰত নিজৰ শিশুটো থৈ যাব যদিও কেন্দ্ৰটোৰ পৰিচালকসকলে অতি দায়বদ্ধতাৰে শিশুসকলক ৰাখিব লাগিব বুলি তেওঁ পৰামৰ্শ আগবঢ়ায়। তদুপৰি কেন্দ্ৰটোৰ দায়িত্বত থকা মহিলাসকলক মৰমসনা যতনেৰে শিশুসকলক ৰখাৰ উপৰি শিশুৰ খাদ্য, ৰুচি-অভিৰুচি অনুসাৰে ৰাখিবলৈ আহ্বান জনায়। অনুষ্ঠানত বিশিষ্ট শিক্ষাবিদ ৰজত চন্দ্ৰ কলিতাই কয় যে আগৰ দিনত মহিলাসকল ঘৰতে আৱদ্ধ আছিল। আজি সেইদিন নাই। মহিলাসকলেও সমাজৰ প্ৰগতিৰ পথত আগুৱাই গৈছে। পুৰুষৰ সমান্তৰালকৈ মহিলাসকলেও কৰ্মসংস্থান পাইছে। ইয়াৰ ফলত ঘৰত তথা নিজৰ সন্তানক সময় দিবলৈ অপৰাগ হৈছে। সেয়ে চহৰৰ ছগৰাকী মহিলাই শিশুৰ যতন কেন্দ্ৰ স্থাপন কৰি এক গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। তেওঁ অতি দায়বদ্ধতাৰে কেন্দ্ৰটো পৰিচালনা কৰিবলৈ আহ্বান জনায়। উল্লেখ্য যে সাম্প্ৰতিক সময়ত বিশেষকৈ চাকৰিয়াল পিতৃ-মাতৃ আৰু ঘৰুৱা অসুবিধাৰ সন্মুখীন হৈ অনাদৰত থকা শিশুসকলক এক সুন্দৰ পৰিৱেশ আৰু সুৰক্ষিত কৰি ৰখাৰ বাবে এই শিশু যতন কেন্দ্ৰৰ ব্যৱস্থা কৰা হৈছে। চহৰখনৰ প্ৰগতিশীল মহিলা তৰালী তালুকদাৰ কাকতি, সংগীতা পাঠক, জুৰি ঠাকুৰীয়া, তুলিকা তহবিলদাৰ কলিতা, কুইনমণি শৰ্মা আৰু ডিম্পা বৈশ্য বৰুৱাই সম্পূৰ্ণ মানৱীয় দৃষ্টিকোণেৰে এই শিশু যতন কেন্দ্ৰৰ স্থাপনৰ পদক্ষেপ গ্ৰহণ কৰিছে। উদ্যোক্তা মহিলাকেইগৰাকীয়ে জনোৱা মতে, এই শিশু যতন কেন্দ্ৰটোত পুৱা আঠ বজাৰ পৰা সন্ধিয়া ছয় বজালৈ যিকোনো পৰিয়ালৰ অসুবিধাত পৰা শিশুক এই কেন্দ্ৰত ৰাখিব পাৰিব। উদ্যোক্তাসকলে জনোৱা মতে, শিশুসকলক এই নিৰ্দিষ্ট সময়খিনি ৰখাৰ বিনিময়ত যৎসামান্য মাননি অভিভাৱকৰ পৰা গ্ৰহণ কৰা হ'ব। এই কেন্দ্ৰত শিশুসকলক খাদ্য অভিভাৱকে দিব লাগিব।

# বৰষৈ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত হাইস্কুল শিক্ষান্ত পৰীক্ষা পৰিচালনা সমিতি গঠন

**অগ্ৰদূত বাৰ্তা**

**হাজো, ৩ মাৰ্চ ঃ** হাজোৰ বৰষৈ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত যোৱা দুই মাৰ্চত আগন্তুক হাইস্কুল শিক্ষান্ত পৰীক্ষা সম্পৰ্কীয় এক সাধাৰণ সভা অনুষ্ঠিত হয়। শিক্ষানুষ্ঠানখনৰ অৱসৰী ভাৰপ্ৰাপ্ত অধ্যক্ষ খগেন্দ্ৰ নাথ মালাকাৰৰ পৌৰোহিত্যত শিক্ষানুষ্ঠান প্ৰেক্ষাগৃহত অনুষ্ঠিত সভাত সম্পাদকীয় প্ৰতিবেদন পাঠ তথা যোৱা বৰ্ষৰ হিচাপৰ খতিয়ান পাঠ আৰু গৃহীত কৰে। বৃহত্তৰ বৰষৈ অঞ্চলৰ প্ৰায় অৰ্ধ শতাধিক, ৰাইজ অভিভাৱক আৰু শুভকাংক্ষীৰ উপস্থিতিত অনুষ্ঠিত সভাত যোৱা বৰ্ষত পৰীক্ষা সুচাৰুভাৱে পৰিচালনাৰ বাবে কাৰ্যবাহী অধ্যক্ষক এক ধন্যবাদ সূচক প্ৰস্তাৱ গ্ৰহণ কৰে। ইয়াৰ পাছতে পুৰণি সমিতিৰ পদত্যাগৰ অন্তত আগন্তুক হাইস্কুল শিক্ষান্ত পৰীক্ষা পৰিচালনাৰ বাবে খগেন্দ্ৰ নাথ মালাকাৰক সভাপতি আৰু বিদ্যালয়ৰ অধ্যক্ষ এএছএম চালেহুদ্দিনক সম্পাদক হিচাপে লৈ এখন পৰিচালনা সমিতি গঠন কৰে।

# কোকৰাঝাৰ জিলাত প্ৰশিক্ষণপ্ৰাপ্ত গৃহৰক্ষী সন্থাৰ কৰ্মবিৰতি পালন

**দোতমা, ৩ মাৰ্চ ঃ** গোটেই অসমৰ লগতে কোকৰাঝাৰ জিলা প্ৰশিক্ষণপ্ৰাপ্ত গৃহৰক্ষী সন্থাৰ উদ্যোগত গৃহৰক্ষী সন্থাৰ উদ্যোগত গৃহৰক্ষীসকলে অসহযোগ কাৰ্যসূচী ৰূপায়ণ কৰিছে। উক্ত কাৰ্যসূচীৰ মাধ্যমে গৃহৰক্ষীসকলৰ চাকৰি নিয়মীয়াকৰণ নকৰাৰ বাবেই এনে কাৰ্যসূচী লোৱা হৈছে বুলি কোকৰাঝাৰ জিলা সভাপতি জিতেন চন্দ্ৰ বৰ্মনে সংবাদ মাধ্যমৰ আগত সদৰী কৰে। লগতে আৰু কয় যে যিহেতু নিৰ্বাচনৰ অধিসূচনা জাৰি হৈছে সেইবাবে ৰাজ্যপালৰ হস্তক্ষেপ বিচাৰি চাকৰি নিয়মীয়াকৰণৰ দাবী জনায় সংগঠনটোৱে। যদি চৰকাৰে তেওঁলোকৰ দাবীসমূহ মানি নলয় তেন্তে আগন্তুক বিধানসভা নিৰ্বাচন বৰ্জনৰ হুংকাৰ দিয়ে আৰু অনাগত দিনত চৰকাৰবিৰোধী আন্দোলন কৰিব বুলিও সদৰী কৰে।

# মানাহ ৰাষ্ট্ৰীয় উদ্যানত চাফাই অভিযান

**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ৩ মাৰ্চ ঃ** বিশ্ব বন্যপ্ৰাণী দিৱস উপলক্ষে যোৱা দুই মাৰ্চত সমগ্ৰ বিশ্বৰ লগতে প্ৰকৃতি ৰাণী তথা বিশ্ব ঐতিহ্য ক্ষেত্ৰ মানাহ ৰাষ্ট্ৰীয় উদ্যানতো বিশ্ব বন্যপ্ৰাণী দিৱস পালন কৰা হ'ব। বন্যপ্ৰাণী দিৱসৰ লগত সংগতি ৰাখি মানাহ এক'মোডেশ্বন এণ্ড টুৰিজ্যিম ছ'চাইটি, জীপ চাফাৰি এছ'চিয়েছন, জিপচি ড্ৰাইভাৰ সন্থা, বাঁহবাৰী বন বিভাগৰ উদ্যোগত ৰাষ্ট্ৰীয় উদ্যানখনৰ বাঁহবাৰী বনাঞ্চলৰ বিভিন্ন প্ৰান্তত চাফাই অভিযান কাৰ্যসূচী ৰূপায়ণ কৰা হয়। উল্লেখ্য যে বিগত দিনবোৰত মানাহ ৰাষ্ট্ৰীয় উদ্যানলৈ অহা পৰ্যটকসকলে য'তে-ত'তে পেলাই থৈ যোৱা প্লাষ্টিক জাতীয় সামগ্ৰীৰ পৰা যাতে জীৱ-জন্তুৰ কোনো ক্ষতি হ'ব নোৱাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি এই চাফাই অভিযান কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

# গৃহৰক্ষী বাহিনীৰ জোৱানৰ কৰ্মবিৰতি

**অগ্ৰদূত বাৰ্তা**

**পাঠশালা, ৩ মাৰ্চ ঃ** পাঠশালাত কালি একপ্ৰকাৰ বিকল হৈ পৰে আৰক্ষী বিভাগ। বজালী জিলাৰ প্ৰায় শতাধিক গৃহৰক্ষী বাহিনীৰ জোৱানে নিজৰ চাকৰি নিয়মীয়াকৰণ, উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ মৰ্মে সমান কামৰ বাবে সমান দৰমহা বৃদ্ধিৰ দাবী আৰু গৃহৰক্ষী জোৱানসকলৰ মকলৰ ক্ষেত্ৰত অনলাইন নিয়োগ ব্যৱস্থা বন্ধ কৰাৰ দাবীত কালি হাতে হাতে দাবী সম্বলিত পত্ৰ হাতত লৈ প্ৰতিবাদ সাব্যস্ত কৰে। স্বাভাৱিকতে কালি গৃহৰক্ষী বাহিনীৰ জোৱানসকলৰ এনে প্ৰতিবাদৰ ফলত বজালীৰ সৰুপেটা, ভবানীপুৰ, পাটাছাৰকুছি, পাঠশালা আদি স্থানত আৰক্ষীৰ কৰ্মত স্থবিৰতা আহি পৰে।

# নিৰ্বাচন বিধি মানি চলি নিৰ্বাচন সুচাৰুৰূপে পৰিচালনা কৰাত সহযোগিতা কৰিবলৈ আহ্বান

**অগ্ৰদূত বাৰ্তা**

**মৰিগাঁও, ৩ মাৰ্চ ঃ** মৰিগাঁও জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত কালি আসন্ন বিধানসভা নিৰ্বাচনত প'ষ্টেল বেলট কাগজযোগে ভোটদানৰ সুবিধা দিয়াৰ সন্দৰ্ভত উপায়ুক্ত লীনা দাসে এক সংবাদমেল অনুষ্ঠিত কৰে। সংবাদমেলত উপায়ুক্তগৰাকীয়ে কয় যে বিশেষভাৱে সক্ষম ব্যক্তি, দৃষ্টিশক্তি নথকা আৰু ৮০ৰ ঊৰ্দ্ধৰ জ্যেষ্ঠ নাগৰিক লগতে ক'ভিড প'জিটিভ ৰোগীক ভোটদানৰ সুবিধা দিয়াৰ বাবে এইবাৰ ভাৰতৰ নিৰ্বাচন আয়োগে নতুন নিৰ্দেশনা জাৰি কৰিছে। এই নিৰ্দেশনা অনুসৰি উল্লিখিত ব্যক্তিসকলক সমাজ কল্যাণ বিভাগৰ দ্বাৰা চিনাক্ত কৰিব লাগিব আৰু তেওঁলোকে স্বাস্থ্য বিভাগৰ পৰা প্ৰমাণপত্ৰ লাভ কৰিব লাগিব। তেনে বৰ্ক্তিসকলে ইচ্ছা কৰিলে ১২-ডি প্ৰ-পত্ৰ দাখিল কৰিব পাৰিব আৰু সময়ত তেওঁলোকক বি এল অ'সকলে বেলট কাগজ যোগান ধৰিব। নিৰ্ধাৰিত সময়ত তেওঁলোকে ১২-ডি প্ৰ-পত্ৰখন যাৱতীয় তথ্য পূৰণ কৰি যাৰ যি সমষ্টিত পৰে সেই সমষ্টিৰ ৰিটাৰ্ণিং অফিচাৰৰ হাতত জমা দিব লাগিব। প্ৰক্ৰিয়া শেষ হোৱাৰ পাছত ছেক্টৰ অফিচাৰে বেলট কাগজ সংগ্ৰহ কৰিব লাগিব। ক'ভিড-১৯ৰ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি এইবেলি নিৰ্বাচনৰ সময়ত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ তৰফৰ পৰা বিশেষ এছ অ' পি জাৰি কৰিছে। সেই অনুসৰি প্ৰথম পৰ্যায়ৰ ই ভি এম পৰীক্ষণ, ই ভি এম ৰেণ্ডমাইজেছন, ই ভি এম কমিচনিং, নিৰ্বাচনী কৰ্মচাৰীসকলৰ প্ৰশিক্ষণৰ বাবে আহল-বহল প্ৰেক্ষাগৃহ ব্যৱহাৰ কৰা হ'ব। তেনে প্ৰেক্ষাগৃহৰ দুৱাৰমুখত থাৰমেল স্ক্ৰিনিং আৰু ছেনিটাইজাৰৰ ব্যৱস্থা থাকিব। প্ৰেক্ষাগৃহৰ ভিতৰত আৰু বাহিৰত সামাজিক দূৰত্ব বৰ্তাই ৰাখিব লাগিব। মুখত মাস্ক পিন্ধা সকলোৰে বাবে বাধ্যতামূলক হ'ব। ই ভি এম ৰেৰ হাউছ মুকলি কৰাৰ পাছত মেচিনসমূহ ছেনিটাইজ কৰিব লাগিব আৰু এই প্ৰক্ৰিয়াত নিয়োজিত কৰ্মচাৰীসকলে মাস্ক, ফেচ শ্বিল্ড গ্ল'বছ পিন্ধাটো বাধ্যতামূলক হ'ব। প্ৰেক্ষাগৃহসমূহত দুখন টেবুলৰ মাজত ছয় ফুটৰ ব্যৱধান হ'ব লাগিব আৰু প্ৰশিক্ষণ দিয়া দলসমূহ সৰু সৰু হ'ব লাগিব। ইপিনে, মনোনয়ন পত্ৰ দাখিল কৰাৰ সময়ত ৰিটাৰ্ণিং অফিচাৰৰ কক্ষত প্ৰাৰ্থী আৰু সমৰ্থককহে প্ৰৱেশ কৰিবলৈ দিয়া হ'ব। তেওঁলোকেও মাস্ক, ফেচ শ্বিল্ড আৰু গ্ল'বছ পিন্ধাটো বাধ্যতামূলক। দুৱাৰে দুৱাৰে নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ সময়ত প্ৰাৰ্থীসহ পাঁচগৰাকী ব্যক্তি থাকিব পাৰিব। ৰোড শ্ব'ৰ সময়ত পাঁচখন গাড়ীৰ কনভয় যাব পাৰিব আৰু নিৰ্বাচনী সভাত ক'ভিড প্ৰট'কল সম্পূৰ্ণভাৱে মানি চলিব লাগিব। নিৰ্বাচনী সামগ্ৰী বিতৰণৰ সময়তো ক'ভিড প্ৰট'কল কঠোৰভাৱে মানি চলিব লাগিব। কোনো ভোটাৰ ক'ভিড প'জিটিভ ধৰা পৰিলে পি পি ই কিট পৰিধান কৰি ভোটদান কৰিব পাৰিব অথবা প'ষ্টেল বেলট কাগজযোগে ভোটদান কৰিব পাৰিব। নিৰ্বাচন আয়োগে জাৰি কৰা এই সমগ্ৰ নিৰ্দেশাৱলী সকলোকে মানি চলিবলৈ জিলা উপায়ুক্ত দাসে আহ্বান জনোৱাৰ লগতে নিৰ্বাচন সুচাৰুৰূপে পৰিচালনা কৰাৰ ক্ষেত্ৰত সকলো লোকৰেই সহযোগিতা কামনা কৰে।

# হাউলীত অসম জাতীয়তাবাদী যুৱ পৰিষদৰ দশম দ্বি-বাৰ্ষিক কেন্দ্ৰীয় অধিবেশনৰ আয়োজন

**হাউলী, ৩ মাৰ্চ ঃ** অসম জাতীয়তাবাদী যুৱ পৰিষদৰ দশম দ্বি-বাৰ্ষিক কেন্দ্ৰীয় অধিবেশন আৰু সাধাৰণ সভা বৰপেটা জিলা সমিতিৰ উদ্যোগত অহা ছয় আৰু সাত মাৰ্চত হাউলী জুনিয়ৰ কলেজৰ প্ৰাংগণত অনুষ্ঠিত হ'ব। অধিবেশন সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবে ৰাজেন তালুকদাৰক সভাপতি আৰু ৰূপম নাথক সম্পাদক হিচাপে লৈ ৩১ জনীয়া এখন অভ্যৰ্থনা সমিতি গঠন কৰা হৈছে। কাৰ্যসূচী মতে, প্ৰথমদিনা অসম জাতীয়তাবাদী যুৱ পৰিষদৰ পতাকা উত্তোলন কৰিব পৰিষদৰ সভাপতি কনক হজৰিকাই। ছহিদ তৰ্পণ কৰিব পৰিষদৰ কাৰ্যকৰী সভাপতি প্ৰণৱ মহন্তই। গছপুলি ৰোপণ কৰিব অসম চৰকাৰৰ বন আৰু পৰিৱেশৰ বেণ্ড এম্বেচাদৰ আনন্দ খাটনিয়াৰে। মুখ্য তোৰণ মুকলি কৰিব মা পৰাণ ফাউণ্ডেছনৰ সভাপতি ছিকান্দৰ আলী আহমেদে। প্ৰতিনিধি শিবিৰ মুকলিৰ পাছতে কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হ'ব। সাত মাৰ্চত সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰিব অসম লোকসেৱা আয়োগৰ প্ৰাক্তন অধ্যক্ষ ডাঃ তাৰা প্ৰসাদ দাসে। কনক হাজৰিকাৰ পৌৰোহিত্যত স্মৃতিগ্ৰন্থ উন্মোচনী আৰু মুকলি সভা অনুষ্ঠিত হ'ব। সভাত স্মৃতিগ্ৰন্থ উন্মোচন কৰিব বৰপেটা বিধানসভা সমষ্টিৰ বিধায়ক গুণীন্দ্ৰ নাথ দাসে। অংশগ্ৰহণ কৰিব জ্যেষ্ঠ সাংবাদিক হাইদৰ হুছেইনে। বৰপেটা জিলাৰ উপায়ুক্ত মুনীন্দ্ৰ শৰ্মা, ভূমি অধিকাৰ সংগ্ৰাম সমিতিৰ মুখ্য উপদেষ্টা কাজী নেকিব আহমেদ, বি এইছ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক মুনীন্দ্ৰ নাৰায়ণ গোস্বামী, হাউলী জুনিয়ৰ কলেজৰ অধ্যক্ষ অনিল চন্দ্ৰ কলিতা আদি উপস্থিত থাকে।



*পূৱ গোৱালপাৰাৰ সাৰাপাৰাত বন্যহস্তীয়ে বিধ্বস্ত কৰা গৃহ, বুধবাৰে।*

# নিৰ্বাচনী আচৰণ বিধিয়েও লৰাব নোৱাৰিলে মৰিগাঁৱৰ সহকাৰী কাৰ্যবাহী অভিযন্তাৰ চকী

**অগ্ৰদূত বাৰ্তা**

**মৰিগাঁও, ৩ মাৰ্চ ঃ** আসন্ন বিধানসভা নিৰ্বাচনৰ আচৰণ বিধি ভেঁকোভাওনাত পৰিণত হৈছে মৰিগাঁৱত। এজন বিষয়াৰ চকী লৰাব নোৱাৰিলে নিৰ্বাচনী আচৰণ বিধিয়ে। বিষয়াজন হৈছে মৰিগাঁও লোকনিৰ্মাণ (গৃহ) বিভাগৰ সহকাৰী কাৰ্যবাহী অভিযন্তা প্ৰভাত শইকীয়া। তথ্য মতে, এই বিষয়াজনে মৰিগাঁও উপ-সংমণ্ডলটোত একেৰাহে প্ৰায় পাঁচ বছৰ কাল বেপৰুৱাভাৱে কাৰ্যনিৰ্বাহ কৰি আছে। একেটা পদতে বহু বছৰ কাম কৰিলে স্বাভাৱিকতে যি কৰ্তৃত্ববাদ গঢ়ি উঠে তাৰ প্ৰতিফলন ঘটিছে শইকীয়াৰ কাম-কাজত। বিভাগটোৰ সৰ্বেসৰ্বা শইকীয়াই এক ন্যস্ত স্বাৰ্থৰ চক্ৰ গঢ়ি তোলা বুলি অভিযোগ উঠিছে। সকলোৱে আশা কৰিছিল এই পদটোত খুঁটি পুতি বহি লোৱা শইকীয়াক নিৰ্বাচন আচৰণ বিধিৰ আওতাত বদলি কৰা হ'ব। কিন্তু সেইটো কাম নিৰ্বাচন আয়োগে নকৰাত আশ্চৰ্যৰূপে সমালোচনা হৈছে মৰিগাঁৱত। এই সন্দৰ্ভত তাৎক্ষণিক পদক্ষেপ গ্ৰহণ কৰাৰ বাবে যোৱা পহিলা মাৰ্চত মৰিগাঁৱৰ কে'বাজনো ব্যক্তিয়ে অসমৰ মুখ্য নিৰ্বাচনী বিষয়া আৰু ভাৰতৰ নিৰ্বাচন আয়ুক্তলৈ অভিযোগপত্ৰ প্ৰেৰণ কৰে। উল্লেখ্য যে মৰিগাঁও লোকনিৰ্মাণ (গৃহ) বিভাগৰ সহকাৰী কাৰ্যবাহী অভিযন্তা হিচাপে দীৰ্ঘদিন ধৰি পদবী খামুচি বহি থকা সহকাৰী কাৰ্যবাহী অভিযন্তা শইকীয়াই নীতিবহিৰ্ভূতভাৱে বিভাগটোত কাৰ্যনিৰ্বাহ কৰি থকাৰ অভিযোগ উত্থাপিত হৈছে।

# গোসাঁইগাঁৱত মিছ ব'হাগ-২১ সৌন্দৰ্য প্ৰতিযোগিতাৰ প্ৰস্তুতি

**অগ্ৰদূত বাৰ্তা**

**শ্ৰীৰামপুৰ, ৩ মাৰ্চ ঃ** সমাগত ব'হাগ বিহু উদ্‌যাপনৰ লগত সংগতি ৰাখি গোসাঁইগাঁৱত মিছ ব'হাগ-২০২১ সৌন্দৰ্য প্ৰতিযোগিতাৰ আয়োজনৰ প্ৰস্তুতি চলিছে বুলি আয়োজকসকলে জানিবলৈ দিছে। বি টি চিৰ হস্ততাঁত-বস্ত্ৰশিল্পী বিভাগৰ সহযোগত 'কাইণ্ড হাৰ্ট চেৰিটেবেল ট্ৰাষ্ট'ৰ উদ্যোগত বি টি এ ডিৰ চাৰিখন জিলা সামৰি অনুষ্ঠিত হ'বলগীয়া প্ৰতিযোগিতাত ১৭ৰ পৰা ১৮ বছৰীয়া যুৱতীয়ে অংশগ্ৰহণ কৰিব পাৰিব। ইতিমধ্যে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব বিচৰা প্ৰতিযোগীসকলৰ নাম পঞ্জীয়নৰ বাবে কালি গোসাঁইগাঁও সদৰ চহৰস্থিত এছ এছ মাৰ্কেটৰ সমীপত অস্থায়ী কাৰ্যালয় মুকলি কৰা হৈছে। কাৰ্যালয় মুকলি কৰে গোসাঁইগাঁও হস্ততাঁত-বস্ত্ৰশিল্প বিভাগৰ অধ্যক্ষা হিৰণ্য দেৱীয়ে। কাইণ্ড হাৰ্ট চেৰিটেবেল ট্ৰাষ্টৰ অধ্যক্ষ লাইফাং নাৰ্জাৰীয়ে আঁত ধৰা অনুষ্ঠানত অধ্যক্ষা হিৰণ্য দেৱীয়ে কয় যে মহিলাসকলক আগুৱাই লৈ যোৱাৰ উদ্দেশ্যেৰে পোন প্ৰথমবাৰৰ বাবে এটা প্ৰয়াস কৰা হৈছে। অসমত বসবাস কৰা সকলো জাতি-জনগোষ্ঠীৰ পৰম্পৰাগত পোছাকৰ ওপৰত উক্ত প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। তেওঁ উল্লেখ কৰে যে হস্ততাঁত-বস্ত্ৰশিল্পৰ শিপিনীসকলে তৈয়াৰ কৰা বস্ত্ৰসমূহ প্ৰদৰ্শন কৰাৰ বাবে বিশেষ কোনো সুবিধা নাপায়। তেনে ক্ষেত্ৰত উক্ত অনুষ্ঠানৰ জৰিয়তে শিপিনীসকলে তৈয়াৰী কৰা বস্ত্ৰ ৰাইজৰ আগত দাঙি ধৰিবলৈ সহায় পাব আৰু ভৱিষ্যতে প্ৰেৰণা লাভ কৰিব। উল্লেখ্য যে উক্ত প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব বিচৰাসকলে গোসাঁইগাঁও কাৰ্যালয়ত নাম পঞ্জীয়ন কৰাৰ লগতে ৯৩৩০০৯২৫৫১ নম্বৰত অথবা www.missbohag.inত লগ ইন কৰি নাম পঞ্জীয়ন কৰিব পাৰিব। বি টি আৰৰ চাৰিখন জিলাতেই নিৰ্দিষ্ট স্থানত ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ জুৰিৰ জৰিয়তে শ্ৰেষ্ঠসকলক বাছনি কৰা হ'ব আৰু গোসাঁইগাঁৱত অনুষ্ঠিত হ'ব চূড়ান্ত প্ৰতিযোগিতা। বিজয়ী প্ৰাৰ্থীসকলক ক্ৰাউন দিয়াৰ লগতে নগদ ধন দিয়া হ'ব। ইচ্ছুক প্ৰাৰ্থীক যোগাযোগ কৰিবলৈ আহ্বান জনায় উদ্যোক্তাসকলে।

# নলবাৰী জিলা ব্ৰহ্মবিদ্যা সমাজৰ বাৰ্ষিক অধিবেশন সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**বৰভাগ, ৩ মাৰ্চ ঃ** নলবাৰী জিলা ব্ৰহ্মবিদ্যা সমাজ সমন্বয় সমিতিৰ ১৯ সংখ্যক বাৰ্ষিক অধিবেশন যোৱা ২৮ ফেব্ৰুৱাৰীত সামৰণি পৰে। জিলা পেঞ্চনাৰ ভৱনত আয়োজিত অধিবেশনৰ কাৰ্যসূচী অনুসৰি, উক্ত দিনা বন্তি প্ৰজ্বলনেৰে কাৰ্যসূচীৰ মুকলি কৰে বয়োজ্যেষ্ঠ নাগৰিক ৰজত চন্দ্ৰ চৌধুৰীয়ে। ইয়াৰ পাছতে হীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই উদ্দেশ্য ব্যাখ্যা কৰা মুকলি সভাত সভাপতিত্ব কৰে নলবাৰী জিলা ব্ৰহ্মবিদ্যা সমাজৰ সভাপতি গোকুল চন্দ্ৰ ডেকাই। বুদ্ধ দৰ্শনৰ বক্তৃতা প্ৰদান কৰে বিশিষ্ট শিক্ষাবিদ ড° নকুল চন্দ্ৰ ডেকাই। শিক্ষয়িত্ৰী ৰেছমিনা বেগম আৰু সাহিত্যিক পেঞ্চনাৰ নগেন্দ্ৰ নাথ ভট্টাচাৰ্যই সমল ব্যক্তি হিচাপে ভাষণ প্ৰদান কৰা অনুষ্ঠানত ব্ৰহ্মবিদ্যা বিষয়ক আলোচনী 'দীপশিখা' উন্মোচন কৰে বিশিষ্ট শিক্ষাবিদ ড° দীনমণি ভাগৱতীয়ে। শিল্পী ননীগোপাল গোস্বামী আৰু সুৰেন্দ্ৰ গোস্বামীয়ে ভক্তিমূলক গীত পৰিৱেশন কৰা অনুষ্ঠানত শান্তিমন্ত্ৰ পাঠ কৰে নৰদেৱ শৰ্মাই। বিগত বছৰৰ কাৰ্যাৱলীৰ প্ৰতিবেদন সম্পাদকে পাঠ কৰে আৰু হিচাপ পৰীক্ষক দিবাকৰ ডেকাই। হিচাপৰ প্ৰতিবেদন পাঠ কৰাৰ পাছতে সভাপতি গোকুল চন্দ্ৰ ডেকাই প্ৰতিবেদন গৃহীত কৰে। সভাৰ শেষত শলাগৰ শৰাই আগবঢ়ায় বসন্ত কুমাৰ শৰ্মাই।

# মায়ং আঞ্চলিক পঞ্চায়তত বিজেপি পালিনেতাৰ নিৰ্বাচনী বিধি উলংঘন

**অগ্ৰদূত বাৰ্তা**

**মৰিগাঁও, ৩ মাৰ্চ ঃ** নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ পাছতো মৰিগাঁও জিলাৰ মায়ং আঞ্চলিক পঞ্চায়তত বিজেপি পালিনেতাই নিৰ্বাচনী বিধি উলংঘন কৰাক লৈ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। মায়ং আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী কবিতা দাসৰ স্বামী তপন দাস নামৰ বিজেপিৰ পালিনেতা এজনে যোৱা পহিলা মাৰ্চত দিনৰ ভাগত সংখ্যালঘু উন্নয়ন পুঁজিৰ সামগ্ৰী বিতৰণ কৰিবলৈ আঞ্চলিক পঞ্চায়তত একপ্ৰকাৰ উদ্ভণ্ডালি কৰা বুলি অভিযোগ উত্থাপন হৈছে। উত্থাপিত অভিযোগ মতে, পঞ্চায়তৰ সভানেত্ৰীৰ স্বামী তপন দাসে মায়ং উন্নয়ন খণ্ডৰ গুদাম ঘৰৰ চকীদাৰ আৰু ভঁৰাল ৰক্ষক কৰুণা নামৰ লোকজনক দাবী-ধমক দি হিতাধিকাৰীৰ নামত আবণ্টন হোৱা সামগ্ৰীসমূহ বলপূৰ্বক উলিয়াই নিবলৈ চেষ্টা কৰে। অৱশ্যে জ্যেষ্ঠ খণ্ড উন্নয়ন বিষয়াজনে গুদাম ঘৰটোত তলা মাৰি চাবি নিজৰ আয়ত্তলৈ যোৱাৰ বাবে উক্ত সামগ্ৰীসমূহ উলিয়াই নিবলৈ সক্ষম নোহোৱাত তপনৰ ভেৰোণীয়া বাহিনী এটাই কৰ্মচাৰীসকলক যথেষ্ট অপদস্থ কৰে। প্ৰাপ্ত তথ্য মতে, পূৰ্বৰ কংগ্ৰেছ চৰকাৰৰ দিনত চৰ উন্নয়ন নিগমৰ পৰা সংখ্যালঘু ৰাইজৰ বাবে আবণ্টন হৈছিল সৌৰ চাকি, চিলাই মেচিন, স্প্ৰে মেচিন, ছাতি, চাইকেল, দমকল আদি সামগ্ৰী। কিন্তু সেই সময়ত নিৰ্বাচনী বিধি উলংঘা কৰি দিব নোৱৰাৰ বাবে তেনেকৈ গুদাম ঘৰতে পৰি থাকিল হিতাধিকাৰীৰ নামত অহা আঁচনিৰ সামগ্ৰীসমূহ। ২০১৬ত বিজেপি চৰকাৰ আহিল যদিও উক্ত সামগ্ৰীসমূহ যোৱা পাঁচ বছৰে বিতৰণ কৰিব নোৱাৰিলে। দুমাহ পূৰ্বে জাগীৰোড সমষ্টিৰ বিধায়ক তথা স্বাস্থ্যমন্ত্ৰী পীযুষ হাজৰিকাই বাছনি কমিটীক লগত লৈ সামগ্ৰীসমূহ বিতৰণ কৰিবলৈ জ্যেষ্ঠ খণ্ড উন্নয়ন বিষয়াক লিখিত নিৰ্দেশ দিয়ে যদিও দাসে উক্ত তালিকাখন অগ্ৰাহ্য কৰে। কিয়নো দাসৰ নিজৰ পছন্দৰ মানুহৰ নাম তালিকাখনত অন্তৰ্ভুক্ত নোহোৱাৰ বাবে মন্ত্ৰীয়ে স্বাক্ষৰ কৰা তালিকাখন বাতিল কৰিলে। তাৰ পাছৰে পৰা খণ্ড উন্নয়ন বিষয়া আৰু কৰ্মচাৰীসকলক সামগ্ৰীখিনি বিতৰণৰ বাবে উলিয়াই দিবলৈ হেঁচা প্ৰয়োগ কৰে। তপন দাসৰ পত্নী তথা আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰীৰ লিখিত নিৰ্দেশ নোপোৱাৰ বাবে দিবলৈ অমান্তি হয়। আনহাতে, সভানেত্ৰীৰ স্বামীয়ে আজি কৰ্মচাৰীসকলক অপদস্থ কৰা ঘটনাক সহজভাৱে ল'ব পৰা নাই পঞ্চায়তৰ কৰ্মচাৰীসকলে।

# ৰমাকান্তক বিজেপিৰ প্ৰাৰ্থিত্ব প্ৰদানৰ বিৰোধিতা

## সদৌ মৰিগাঁও নাথ যোগী সাহিত্য-সংস্কৃতি সন্মিলনৰ কাৰ্যনিৰ্বাহক সভা

**অগ্ৰদূত বাৰ্তা**

**মৰিগাঁও, ৩ মাৰ্চ ঃ** মৰিগাঁও বিধানসভা বিজেপিৰ বিধায়ক ৰমাকান্ত দেউৰীয়ে ইটোৰ পাছত সিটো জাতীয় সংগঠনৰ তীব্ৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হোৱা ঘটনাই জোঁকাৰণিৰ সৃষ্টি কৰিছে। তিৱা জাতীয় ঐক্য মঞ্চই কালি বিজেপিৰ পৰা পুনৰ মৰিগাঁও বিধানসভা সমষ্টিৰ বিধায়ক দেউৰীক প্ৰাৰ্থিত্ব প্ৰক্ষেপ নকৰিবলৈ মুকলিকৈ আহ্বান জনোৱাৰ পাছত কালি বিধায়কজনৰ বিৰুদ্ধে পুনৰ সৰৱ হৈ পৰিছে সদৌ মৰিগাঁও নাথ যোগী সাহিত্য-সংস্কৃতি সন্মিলন। নাথ-যোগী সাহিত্য-সংস্কৃতি সন্মিলনে মৰিগাঁও বিধায়ক দেউৰীক প্ৰাৰ্থিত্ব প্ৰদানৰ মুকলিকৈ বিৰুদ্ধাচৰণ কৰাত তীব্ৰ সংকটত পৰিব লগা হৈছে বিধায়কজন। সদৌ মৰিগাঁও নাথ-যোগী সাহিত্য-সংস্কৃতি সন্মিলনে সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক বিবৃতিত উল্লেখ কৰি কয় যে সন্মিলনৰ যোৱা ২৮ মাৰ্চত অনুষ্ঠিত এখন গুৰুত্বপূৰ্ণ কাৰ্যনিৰ্বাহক সভাই নাথ জনগোষ্ঠীয় উন্নয়ন আৰু বিকাশৰ ক্ষেত্ৰত কে'বাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰি ৰাজনৈতিক ক্ষেত্ৰখনৰ ওপৰতো বিস্তৃতভাৱে আলোচনা কৰে। সন্মিলনৰ সভাপতি লক্ষ্যজ্যোতি নাথে সভাপতিত্ব কৰা আৰু প্ৰধান সম্পাদক জিতুমণি নাথে আঁত ধৰা সভাত নাথ-যোগী জনগোষ্ঠীয় লোকসকলে ভোগ কৰি অহা সমস্যাসমূহৰ ওপৰত বিস্তৃতভাৱে আলোচনা কৰাৰ লগতে যোৱা ১২ ডিচেম্বৰত চৰাইবাহীত অনুষ্ঠিত নাথ-যোগী জাতীয় অভিৱৰ্তনৰ আয়-ব্যয়ৰ হিচাপো দাখিল কৰা হয়। তদুপৰি নাথ যোগী জাতীয় অভিৱৰ্তন বিফল কৰিবলৈ চেষ্টা কৰা মৰিগাঁও বিধানসভা সমষ্টিৰ বিধায়ক দেউৰীৰ বিৰুদ্ধে সভাই এক গৰিহণাৰ প্ৰস্তাৱ গ্ৰহণ কৰে। বিশেষকৈ বিধায়ক দেউৰীয়ে নাথ-যোগী জাতীয় অভিৱৰ্তন বিফল কৰিবলৈ চেষ্টা কৰি প্ৰকাৰান্তৰে নাথ জনগোষ্ঠীয় লোকৰ স্বাভিমানত আঘাত হনাত সভাই তীব্ৰ ক্ষোভ প্ৰকাশ কৰে। সকলো জাতি-জনগোষ্ঠী সমন্বয়ে ঐক্যবদ্ধ হৈ থকা জিলাখনত বিধায়ক দেউৰীৰ ভূমিকাত অসন্তুষ্টি প্ৰকাশ কৰি আগন্তুক বিধানসভা নিৰ্বাচনত বিজেপিৰ পৰা বিধায়কজনক প্ৰাৰ্থিত্ব প্ৰদান নকৰিবলৈ আহ্বান জনায় নাথ-যোগী সাহিত্য-সংস্কৃতি সন্মিলনে। সন্মিলনীয়ে বিজেপিৰ নেতৃত্বৰ প্ৰতি জনোৱা আহ্বানক গুৰুত্ব নিদি পুনৰ দলে যদি বিধায়ক দেউৰীকে পুনৰ প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰে তেতিয়া হ'লে মৰিগাঁও বিধানসভা সমষ্টিত নাথ যোগী সাহিত্য-সংস্কৃতি সন্মিলনে বিপৰীত স্থিতি গ্ৰহণ কৰিবলৈ বাধ্য থাকিব বুলি স্পষ্ট কৰি দিয়ে। নাথ-যোগী জনগোষ্ঠীয় বিভিন্ন সমস্যাৰ ওপৰত আলোকপাত হোৱা সভাখনত জনগোষ্ঠীটো উন্নয়ন আৰু বিকাশৰ ক্ষেত্ৰত উপগ্ৰহীয় স্বায়ত্তশাসিত পৰিষদ প্ৰদান কৰা, মধ্য অসমত এখন যোগ বিশ্ববিদ্যালয় স্থাপন কৰা, ভূমি অধিকাৰ সুৰক্ষিত কৰা, নাথ সাহিত্য-সংস্কৃতি সংৰক্ষণ কৰাকে আদি কৰি বহুকেইটা গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰে।






# তিনিদিনীয়া সন্তানক ১০ হেজাৰ টকাত

*এক পৃষ্ঠাৰ পৰা* যোৱা সপ্তাহত নিজৰ তিনিদিনীয়া নৱজাত পুত্ৰ সন্তানক চাংসাৰিৰ এজন লোকক ১০ হেজাৰ টকাৰ বিনিময়ত বিক্ৰী কৰে। এই নৱজাতক বিক্ৰীৰ ঘটনাত বাৰাংহাটী প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ এগৰাকী নাৰ্ছে মধ্যস্থতা কৰাৰ অভিযোগ কৰিছে স্থানীয় ৰাইজে। কলিতা দম্পতীৰ দৰিদ্ৰতাৰ সুযোগ গ্ৰহণ কৰি এই নাৰ্ছগৰাকীয়ে বৃহৎ পৰিমাণৰ ধনৰ বিনিময়ত এই দুষ্কাৰ্য সংঘটিত কৰাৰ অভিযোগ উঠিছে। প্ৰতিবেশী লোকে লগতে অভিযোগ কৰে যে ইয়াৰ পূৰ্বে কলিতা দম্পতীয়ে তেওঁলোকৰ কন্যা সন্তানকো বিক্ৰী কৰিছিল। সেইবাৰো অভিযুক্ত নাৰ্ছগৰাকীয়ে শিশুটি বিক্ৰীত বিশেষ ভূমিকা লৈছিল বুলি প্ৰতিবেশীয়ে অভিযোগ কৰে। এই হৃদয় বিদাৰক ঘটনাৰ এক উচ্চ পৰ্যায়ৰ দাবী জনাইছে স্থানীয় লোকে। লগতে অভিযুক্ত নাৰ্ছগৰাকীকো গ্ৰেপ্তাৰৰ দাবী জনাইছে।

# মহাজোঁটত চামিল নোহোৱাত ৰাইজৰ

*এক পৃষ্ঠাৰ পৰা* ৰাইজৰ দলক কংগ্ৰেছে মহাজোঁটত চামিল হ'বলৈ মই পৰামৰ্শ আগবঢ়াইছিলো; কিন্তু শেষ মুহূৰ্তত মোৰ কোনো পৰামৰ্শ গ্ৰহণ নকৰিলে। যদি পৰামৰ্শই গ্ৰহণ নকৰে তেন্তে পদত থাকি কি লাভ আছে।' এআইইউডিএফ সাম্প্ৰদায়িকনহয় বুলি মত ব্যক্ত কৰি ড° গোহাঁয়ে কয় যে তেওঁলোকে কেতিয়াও হিন্দু বিৰোধী মন্তব্য কৰা নাই। আজমলে সংশোধিত নাগৰিকত্ব আইন বিৰোধিতা কৰিছে, অসম চুক্তি সমৰ্থন কৰিছে; কিন্তু অখিল গগৈয়ে কালি ৰাজহুৱা চিঠি লিখি যি প্ৰকাশ কৰিছে তেওঁৰ পূৰ্বৰ ধাৰণাৰ সম্পূৰ্ণ বিপৰীত। 'মই ভাবো যে এয়া ভ্ৰান্ত সিদ্ধান্ত। মোৰ ধাৰণাত ইয়াত ৰাজনৈতিক দূৰদৃষ্টি প্ৰকাশ নাপালে। এই সিদ্ধান্তৰ ফল হ'ব পাৰে বিজেপি বিৰোধী ভোটৰ বিভাজন হোৱা।' এইদৰে কয় ড° গোহাঁয়ে।

সংশোধিত নাগৰিকত্ব আইন বিৰোধী আন্দোলনৰ পটভূমিত জন্ম লাভ কৰা ৰাইজৰ দলক কংগ্ৰেছ মহাজোঁটত চামিল হ'বলৈ আহ্বান জনোৱা মানেই তেওঁ কংগ্ৰেছ ভক্ত নহয় বুলি স্পষ্ট কৰি দি ড° গোহাঁয়ে পুনৰ কয়, 'মোৰ অতীতৰ কাৰ্যকলাপ, লিখা-মেলা চালেই বুজিব; কিন্তু সাম্প্ৰতিক সময়ত ধৰ্মনিৰপেক্ষতা, সাংবিধানিক গণতন্ত্ৰ ৰক্ষাৰ স্বাৰ্থত কংগ্ৰেছে বাধা নিদিয়ে বুলি ভাবো।' একেদৰে এআইইউডিএফৰ সন্দৰ্ভত যিবোৰ কথা প্ৰচাৰ কৰা হৈছে এই কথাবিলাকৰ যুক্তি বিচাৰি পোৱা নাই বুলি ড° গোহাঁয়ে মন্তব্য কৰি এই ক্ষেত্ৰত বৰ্তমানলৈকে কোনেও তেওঁক পতিয়ন নিয়াব পৰা নাই বুলি কয়। 'আজমলে কৰা কামত হিন্দুসকলৰ কিবা ক্ষতি কৰিছে, এনে ধাৰণা নহয়। তেওঁৰ সন্দৰ্ভত যিবোৰ কথা তুলি ধৰা হৈছে সেয়া টুলুঙা।' এইদৰেও কয় ড° গোহাঁয়ে। কংগ্ৰেছ আৰু এআইইউডিএফৰ মাজত বহুদিনৰ পূৰ্বে মিত্ৰতা হোৱা বুলি প্ৰকাশ কৰি ড° গোহাঁয়ে কয় যে বহুদিনৰ পূৰ্বে দিল্লীত ছীল-মোহৰ মৰা হৈছিল এই মিত্ৰতাত। সেই সময়ত কংগ্ৰেছে তাক নাকচ কৰিব নোৱাৰে; কিন্তু নিৰ্বাচনৰ আগমুহূৰ্তত যি চৰ্ত দিয়া হৈছে, এয়া অপ্ৰাসংগিক। যদি ভোট ভাগ হয়, বিজেপিক পুনৰ ক্ষমতালৈ অহাত সহায় কৰে তেন্তে তাৰ সম্পূৰ্ণ বোজা ৰাইজৰ মূৰৰ ওপৰত পৰিব বুলি গোহাঁয়ে মন্তব্য কৰে।

ইফালে, ৰাইজৰ দল আৰু অসম জাতীয় পৰিষদে ঐক্যবদ্ধ হৈ নিৰ্বাচনত অৱতীৰ্ণ হ'লেও সংখ্যাগৰিষ্ঠতা লাভ নকৰে বুলি তেওঁ তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। এই সম্পৰ্কত ড° গোহাঁয়ে কয়, 'অসমৰ জনগাঁথনি যেনেকুৱা, আঞ্চলিক দল দুটা লগ লাগিলেও সংখ্যাগৰিষ্ঠতা কেতিয়াও নাপায়। যদি ভাগ্য ভালে থাকে কেইখনমান আসন পাব পাৰে। আনৰ লগত মিত্ৰতা নকৰে। যদি বিজেপি-কংগ্ৰেছ দুয়ো দলেই ক্ষতিকাৰক হয়, তেতিয়াহ'লে তেওঁলোকে চৰকাৰ গঠন কৰিব নোৱাৰিব। আৰু এইবাৰ চৰকাৰ গঠন কৰিব নোৱাৰিলে যথেষ্ট অসুবিধা হ'ব।'

# ৰণোজ-ভুৱনক বিদায় দিয়াৰ সময় উপস্থিত

*এক পৃষ্ঠাৰ পৰা* এতিয়াও বাকী আছে; কিয়নো নিৰ্বাচনলৈ এতিয়াও কেইটামান দিন বাকী আছে।

ভুৱন পেগুৰ বিজেপিমুখী যাত্ৰাক গৰিহণা দি মিচিং জাতিৰ পিতৃ সংগঠন মিচিং বানে কেবাঙৰ (এম বি কে) প্ৰাক্তন যুটীয়া সম্পাদক আৰু বৰ্তমান মিচিং আৰ্টিষ্ট এছ'চিয়েছনৰ মুখপাত্ৰ জুৰেল পেগুৱে কয় যে ৰণোজ আৰু ভুৱন দুয়ো মিলি চাংঘৰত জুই লগালে। এই জুইৰ লেলিহান শিখাত সমগ্ৰ জাতিটোৰ ৰাজনৈতিক পৰিচয় পুৰি ছাইখাৰ হ'ব। এইদৰে ক্ষোভ উজাই তেওঁ এই দুয়োজন স্বয়ম্ভূ নেতাই মিলি জাতিটোক বণিয়াৰ হাতত বন্ধক থৈ নিজৰ ৰাজনৈতিক লিপ্সা পূৰণ কৰিবলৈ আগবাঢ়িছে বুলি কয়। পেগুৱে কয়, 'এয়া কেতিয়া হ'বলৈ দিব নোৱাৰি। ইয়াৰ তীব্ৰ প্ৰতিবাদ হোৱা উচিত।' মিচিং সমাজৰ বিভিন্ন জাতীয় দল-সংগঠনৰ লগত যোৱা ২৫ বছৰে সেৱা আগবঢ়োৱা পেগুৱে লগতে কয় যে সেই দুয়োজন নেতাই মিলি মিচিং জাতিৰ উন্নয়নৰ কাৰণে মিচিং স্বায়ত্তশাসিত পৰিষদলৈ আবণ্টিত পুঁজি আত্মসাতৰ পাছত জেললৈ যোৱাৰ ভয়তে বিজেপিলৈ ঢাপলি মেলিছে।

দুই পেগুৰ এনে ৰাজনীতিৰ বিৰুদ্ধে দিন যোৱাৰ লগে লগে মিচিং জনগোষ্ঠীৰ মাজত ক্ষোভ বৃদ্ধি পাইছে। নিখিল ভাৰত জনজাতীয় ছাত্ৰ এছ'চিয়েছনৰ উপদেষ্টা অৰিন্দম প্ৰিন্স পাংগিঙে এই সম্পৰ্কত কয়, 'ৰণোজ আৰু ভুৱনৰ বিজেপি গমন সমগ্ৰ জাতিটোৰ বাবে দুৰ্ভাগ্যজনক। সাম্প্ৰতিক সময়ত দুয়োজন নেতাই লক্ষ্যভ্ৰষ্ট, পথভ্ৰষ্ট আৰু মেৰুদণ্ডহীন।' তেওঁ আৰু কয় যে সচেতন নাগৰিক সমাজে উপলব্ধি কৰা উচিত যে ৰণোজ আৰু ভুৱনে জাতিটোক আবেগিক কৰি ষষ্ঠ অনুসূচী, ভাষা ৰক্ষা, জাতীয় পৰিচয় প্ৰতিষ্ঠাৰ নামত পণবন্দী কৰি নিজৰ ৰাজনৈতিক স্বাৰ্থহে পূৰণ কৰিলে। সেয়েহে এয়াই বিকল্প চিন্তাৰ উপযুক্ত সময় বুলি পাংগিঙে মন্তব্য কৰে।

দীৰ্ঘদিন ধৰি মিচিং জনগোষ্ঠীক বন্ধকত থৈ ৰাজনীতি কৰি অহা ৰণোজ-ভুৱনৰ বিৰুদ্ধে সৰৱ হৈছে বিভিন্ন সংগঠনৰ নেতৃত্ব। লিবাৰেল ডেম'ক্ৰেটিক কাউন্সিল অৱ মিচিংলেণ্ডৰ সভাপতি ৰোহন পাতিৰে এই সম্পৰ্কত কয় যে সমগ্ৰ মিচিং জাতিয়ে এতিয়া নতুন নেতাৰ সন্ধান কৰিব লাগিব। সেই দুয়োজন নেতাক দুনাই বিশ্বাসত ল'ব নোৱাৰি। তাৎপৰ্যপূৰ্ণ যে জোনাই সমষ্টিৰ বিধায়ক ভুৱন পেগুৱে শাসকীয় বিজেপিত যোগদান কৰি মিচিং জাতিৰ একমাত্ৰ আঞ্চলিক দল সন্মিলিত গণশক্তি পাৰ্টিক মৃত্যুমুখলৈ ঠেলি মুকলিকৈ প্ৰতিবাদ কৰাটো দূৰৰে কথা নিজৰ প্ৰতিক্ৰিয়াকে প্ৰকাশ কৰিবলৈ সাহস গোটাব পৰা নাই সচেতন নাগৰিকৰ অভিযোগ-মিচিং জনগোষ্ঠীৰ পিতৃ সংগঠন মিচিং বানে কেবাং (এম বি কে), টাকাম মিচিং পৰিণ কেবাং, (টি এম পি কে), মিচিং আগম কেবাং (এম এ কে), মিচিং সংগ্ৰামী মঞ্চ (এম এম কে) প্ৰমুখ্যে মিচিং মহিলা সমিতি আদিৰ নেতৃত্বই। সকলোৱে ৰণোজ আৰু ভুৱনৰ নিয়ন্ত্ৰণত পুতলা সদৃশ বিষয়বাব লৈ হাত সাবটি বহি আছে। সেয়েহে জাতীয় দল-সংগঠনলৈ ভৰসা নকৰি ৰণোজ আৰু ভুৱনৰ কুচক্ৰান্তৰ পৰা জাতিক বচাবলৈ সাধাৰণ জনতা ৰাজপথলৈ ওলাই আহিছে।

উল্লেখ্য যে এই সম্পৰ্কত এম এ কে, এম বি কে, টি এম পি কে আদি অন্যান্য মিচিং জাতীয় দল-সংগঠনৰ লগত যোগাযোগ কৰি প্ৰতিক্ৰিয়া জানিবলৈ চেষ্টা কৰিছিল যদিও তেওঁলোকে মন্তব্য দিয়াৰ পৰা বিৰত থাকে। মিচিং জাতীয় দল-সংগঠনৰ এনে ৰহস্যময় নীৰৱতাৰ বিপৰীতে সাধাৰণ জনতাই কিন্তু ভুৱন আৰু ৰণোজৰ এনে সিদ্ধান্তৰ বিৰুদ্ধাচৰণ কৰি ৰাজপথত প্ৰতিবাদ অব্যাহত ৰাখিছে। জনতাৰ স্পষ্ট মত জোনাই আৰু ধেমাজি বিধানসভা সমষ্টিৰ আগন্তুক নিৰ্বাচন হ'ব ভুৱন আৰু ৰণোজৰ বিদায় পৰ্ব।

# বিপিএফক ১২-এআইইউডিএফলৈ ১৪টা

*এক পৃষ্ঠাৰ পৰা* সম্পাদকৰ উপস্থিতিত প্ৰদেশ কংগ্ৰেছৰ শীৰ্ষ নেতৃত্ব, নিৰ্বাচনী সমিতিয়ে প্ৰায় চাৰি ঘণ্টাজোৰা এক বৈঠকত অংশ লৈ এশটা সমষ্টিৰ প্ৰাৰ্থী পেনেল প্ৰস্তুত কৰি স্ক্ৰীনিং কমিটীৰ হাতত অৰ্পণ কৰে। এই স্ক্ৰীনিং কমিটিয়ে কাইলৈ প্ৰতিখন জিলা সমিতি আৰু ব্লক পৰ্যায়ৰ সভাপতি সকলৰ স'তে পুনৰ এক আলোচনাত মিলিত হৈ প্ৰাৰ্থীৰ তালিকাৰ চূড়ান্ত ৰূপ দিয়াৰ পাছত অনুমোদনৰ বাবে হাইকমাণ্ডলৈ প্ৰেৰণ কৰিব বুলি প্ৰদেশ কংগ্ৰেছৰ শীৰ্ষ সূত্ৰই সদৰী কৰিছে। উল্লেখ্য যে অহা ২৭ মাৰ্চৰ পৰা ছয় এপ্ৰিল পৰ্যন্ত তিনিটা পৰ্যায়ত অনুষ্ঠিত হ'ব লগা ৰাজ্যৰ বিধানসভা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতাৰ লক্ষ্যৰে ছশৰো অধিক প্ৰাৰ্থীয়ে ১২৬টা সমষ্টিত আবেদন কৰিছিল যদিও আজি বৈঠকত মহাজোঁটৰ অংশীদাৰ বিপিএফৰ দখলত থকা ১২টা আৰু এআইইউডিএফৰ দখলত থকা ১৪টা সমষ্টি এৰাই চলি কংগ্ৰেছ নেতৃত্বই এশ সমষ্টিতহে প্ৰাৰ্থীৰ তালিকাত অনুমোদন জনায়। বৈঠকৰ সন্দৰ্ভত প্ৰদেশ কংগ্ৰেছৰ শীৰ্ষ সূত্ৰই সদৰী কৰা অনুসৰি, আজিৰ বৈঠকত যিসমূহ সমষ্টিৰ প্ৰাৰ্থিত্বৰ দাবীদাৰ মাত্ৰ এজন সেইসমূহ নাম অনুমোদন কৰি হাইকমাণ্ডৰ চূড়ান্ত অনুমোদনৰ বাবে প্ৰেৰণ কৰা হৈছে। তদুপৰি প্ৰতিটো পেনেলত তিনিৰ পৰা চাৰিটা নাম প্ৰেৰণ কৰা হৈছে। এই মৰ্মে চাৰিটাকৈ নাম প্ৰেৰণ কৰিলে এশটা সমষ্টিত দাবীদাৰ প্ৰায় চাৰিশ হ'ব। অৱশ্যে সমিতিৰ সন্মুখত ছশৰ পৰা ৬৫০ পৰ্যন্ত নাম জিলাসমূহৰ পৰা উপস্থাপন কৰা হৈছে যদিও এই সকলোবোৰ নাম পেনেলত অন্তৰ্ভুক্ত কৰা হোৱা নাই। তদুপৰি মিত্ৰজোঁট এআইইউডিএফ আৰু বিপিএফৰ দখলত থকা সমষ্টিসমূহ আজি বিবেচনা কৰা হোৱা নাই। শীৰ্ষ সূত্ৰৰ মতে যে তেনে দুই দলৰ স'তে আলোচনা মৰ্মেহে সিদ্ধান্ত লোৱা হ'ব। লগতে আৰু কিছুমান সমষ্টিত আৰু দুই-তিনিজনকৈ নাম আছে যিবোৰ বিবেচনাধীন হৈ আছে। দলৰ শীৰ্ষ নেতা তথা মহাৰাষ্ট্ৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী পৃথ্বিৰাজ চৌহানৰ নেতৃত্বত কমলেশ পাতিল, দীপিকা পাণ্ডেৰ বাছনি সমিতিৰ স'তে অসমত ৰাষ্ট্ৰীয় পৰ্যবেক্ষক মুকুল ৱাছনিকৰ উপস্থিতিত পুনৰ কাইলৈ পুৱা ১০ বজাৰ পৰা হ'বলগীয়া বৈঠকত তালিকাসমূহৰ চূড়ান্ত বাছনি কৰাৰ অন্তত কেন্দ্ৰীয় নিৰ্বাচন সমিতিয়ে প্ৰাৰ্থী ঘোষণা কৰিব। খুব সোনকালে এই প্ৰক্ৰিয়া হ'ব বুলি প্ৰদেশ কংগ্ৰেছৰ শীৰ্ষ নেতাসকলে আশা প্ৰকাশ কৰিছে।

সূত্ৰত প্ৰকাশ যে কাইলৈ স্ক্ৰীনিং কমিটিয়ে এই সমষ্টিসমূহৰ জিলা সভাপতি আৰু ব্লক সমিতিৰ সভাপতিসকলৰ লগত আলোচনা কৰি প্ৰাৰ্থীৰ নাম চূড়ান্ত কৰিব। উল্লেখ্য যে প্ৰথম পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব লগা ৪৭টা সমষ্টিৰ বহুকেইটাতে আজি প্ৰায় চূড়ান্ত হয় কংগ্ৰেছৰ প্ৰাৰ্থী। দলীয় সূত্ৰ অনুসৰি নাজিৰাত দেবব্ৰত শইকীয়া, আমগুৰিত অংকিতা দত্ত, সৰুপথাৰত ৰঞ্জলিনা তিৰ্কী, চামগুৰিত ৰকিবুল হুছেইন, মৰিয়নিত ৰূপজ্যোতি কুৰ্মী আদিৰ নাম এজনীয়া তালিকাত আছে আৰু কাইলৈ ইয়াৰ চূড়ান্ত মোহৰ মাৰিব কেন্দ্ৰীয় নেতৃত্বই। সমান্তৰালভাৱে তিতাবৰ সমষ্টিত প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰয়াত তৰুণ গগৈৰ বোৱাৰী মিতালী গগৈসহ তিনিজনীয়া প্ৰাৰ্থীৰ নাম পেনেলত আছে বুলি সূত্ৰটোৱে প্ৰকাশ কৰিছে। উল্লেখ্য যে প্ৰদেশ কংগ্ৰেছৰ সভাপতি ৰিপুন বৰাৰ নামত গহপুৰ সমষ্টিৰ লগতে নাওবৈচা আৰু বৰচলা সমষ্টিৰ বিপৰীতে পেনেলত থকাৰ লগতে মাজুলী, জালুকবাৰী আৰু বোকাখাতত কাক প্ৰাৰ্থী প্ৰক্ষেপ কৰিব এতিয়া কংগ্ৰেছে নেতৃত্ব নিশ্চিত হ'ব পৰা নাই বুলি সূত্ৰটোৱে সদৰী কৰে। ইফালে, আজি বৈঠকৰ সন্দৰ্ভত প্ৰদেশ কংগ্ৰেছৰ তত্ত্বাৱধায়ক তথা নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ সাধাৰণ সম্পাদক জিতেন্দ্ৰ সিঙে তাৎপৰ্যপূৰ্ণ মন্তব্য কৰি কয়, 'এইবাৰ কংগ্ৰেছত ছিটিং-গেটিং বুলি ক'লে কোনেও টিকট লাভ নকৰিব। মই ছিটিং বিধায়ক বুলি ক'লেও টিকট লাভ কৰাটো ইমান সহজ নহ'ব। এইবাৰ যুৱ আৰু মহিলাই অধিক অগ্ৰাধিকাৰ পাব।' উল্লেখ্য যে আজি বৈঠকত এশ সমষ্টিৰ এজনীয়াৰ পৰা তিনিজনীয়াৰ প্ৰাৰ্থী পেনেল প্ৰস্তুত কৰাৰ কথা সিঙে প্ৰকাশ কৰি কয় যে কাইলৈ স্ক্ৰীনিং কমিটিয়ে জিলা সভাপতি আৰু ব্লক সমিতিৰ সভাপতি লগত আলোচনা কৰিব। দুই-তিনিজনীয়া প্ৰাৰ্থীৰ নাম থকা সমষ্টিসমূহৰ সংশ্লিষ্ট প্ৰতিনিধিসকলৰ পৰা মতামত গ্ৰহণ কৰা হ'ব আৰু তাৰ পৰৱৰ্তী পৰ্যায় অৰ্থাৎ ৪৮ ঘণ্টাৰ ভিতৰত প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ প্ৰাৰ্থীৰ চূড়ান্ত তালিকা প্ৰকাশ কৰা হ'ব বুলি কয়। তেওঁ কাইলৈ দিনটো স্ক্ৰীনিং কমিটীৰ স'তে পৃথকে পৃথকে সংশ্লিষ্ট সমষ্টিসমূহৰ সভাপতিসকলৰ স'তে আলোচনা অব্যাহত থাকিব বুলি কয়। ইফালে, সাংসদ গৌৰৱ গগৈয়ে বিজেপিক পৰাভূত কৰিব পৰাকৈ প্ৰাৰ্থী বাছনি কৰিবলৈ বিশ্লেষণ কৰা বুলি উল্লেখ কৰি বিজয়ী হোৱাৰ সম্ভাৱনা থকা প্ৰাৰ্থীকহে টিকট দিয়া হ'ব বুলি কয়।

### হোটেল তাজত নিশা স্ক্ৰীনিং কমিটীৰে প্ৰদেশ কংগ্ৰেছৰ শীৰ্ষ নেতৃত্বৰ বৈঠক

খানাপাৰাস্থিত গ্ৰীণউড ৰিজ'ৰ্টত এশ সমষ্টিৰ এজনৰ পৰা তিনিজনলৈ প্ৰাৰ্থী পেনেল প্ৰস্তুত কৰাৰ পাছত নিশা হোটেল তাজ ভিভান্টাত প্ৰদেশ কংগ্ৰেছৰ শীৰ্ষ নেতৃত্ব আৰু স্ক্ৰীনিং কমিটীৰ এখন বৈঠক অনুষ্ঠিত হয়। মহাৰাষ্ট্ৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী পৃথ্বিৰাজ চৌহানৰ নেতৃত্বত আৰু স্ক্ৰীনিং কমিটীৰ স'তে প্ৰদেশ কংগ্ৰেছৰ তত্ত্বাৱধায়ক জিতেন্দ্ৰ সিঙকে [illegible] শীৰ্ষ নেতৃত্বই অংশ লোৱা এই বৈঠকত মূলতে আজি অমীমাংসিত হৈ থকা সমষ্টিসমূহৰ দুই-তিনিজনীয়া প্ৰাৰ্থী তালিকাৰ স্থান লাভ কৰে। উল্লেখ্য যে আজি বহুকেইটা সমষ্টিৰ নিৰ্বাচনী কমিটিয়ে এজনীয়া প্ৰাৰ্থী পেনেল প্ৰস্তুত কৰিব পৰা নাই যদিও অধিকাংশ সমষ্টিৰ এতিয়া দুই-তিনিজন প্ৰাৰ্থীৰ নাম পেনেলত আছে। কাইলৈ এই সমষ্টিসমূহৰ সংশ্লিষ্ট জিলা আৰু ব্লক কমিটিৰ প্ৰতিনিধিৰ স'তে স্ক্ৰীনিং কমিটিয়ে পৃথকে পৃথকে আলোচনাত মিলিত হৈ এজনীয়া প্ৰাৰ্থী পেনেল প্ৰস্তুত কৰি হাইকমাণ্ডলৈ প্ৰেৰণ কৰিব। বিশেষকৈ প্ৰথম পৰ্যায় নিৰ্বাচন অনুষ্ঠিত হ'ব লগা সমষ্টিসমূহৰ তালিকা চূড়ান্ত কৰিবলৈ স্ক্ৰীনিং কমিটিয়ে কাইলৈ প্ৰচেষ্টা কৰিব বুলি কংগ্ৰেছৰ শীৰ্ষ সূত্ৰই প্ৰকাশ কৰি কাইলৈ প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ ৪৭টা সমষ্টিৰ প্ৰাৰ্থীৰ নাম চূড়ান্ত হ'ব বুলি কয়। ইফালে, এই বৈঠকত অংশ লোৱা প্ৰদেশ কংগ্ৰেছৰ নেতৃত্বই কাইলৈ জিলা-ব্লক কমিটিৰ লগত স্ক্ৰীনিং কমিটিয়ে বৈঠকত অংশগ্ৰহণ কৰাৰ পাছত কমিটিয়ে সকলো পৰীক্ষা কৰি চূড়ান্ত তালিকা কেন্দ্ৰীয় নেতৃত্বলৈ প্ৰেৰণ কৰা হ'ব বুলি কয়।

### কোন সমষ্টিত কোন প্ৰাৰ্থীৰ নাম পেনেলত

দলীয় সূত্ৰই প্ৰকাশ কৰা মতে, আজি প্ৰাৰ্থী পেনেলত অন্তৰ্ভুক্ত হোৱা কেতবোৰ নাম হৈছে ক্ৰমে দিছপুৰত অকন বৰা আৰু ভৱ বৰা, পূব গুৱাহাটীত মীৰা বৰঠাকুৰ, বটদ্ৰৱাত গৌতম বৰা আৰু শিবামণি বৰবৰা, পশ্চিম গুৱাহাটীত কণ্ঠশিল্পী বাবু বৰুৱা, ৰতন বৰুৱা, প্ৰাক্তন সাংসদ [illegible], হাজোত দিলীপ শৰ্মা, ধৰ্মেন বেদিয়া, মুক্তা মালাকাৰ, তিতাবৰত মিতালী গগৈ আৰু বৰ্গলী বৰা, চাবুৱাত কণ্ঠশিল্পী অজয় ফুকন, গহপুৰ-নাওবৈচা-বৰচলাত ৰিপুন বৰা, শিৱসাগৰত প্ৰাক্তন বিধায়ক সুশান্ত বুঢ়াগোহাঁই, মৰিয়নিত ৰূপজ্যোতি কুৰ্মী, নাজিৰাত বিধায়ক দেবব্ৰত শইকীয়া, সৰুপথাৰত ৰঞ্জলিনা তিৰ্কী, আমগুৰিত অংকিতা দত্ত, খুমটাইত প্ৰাক্তন মন্ত্ৰী বিস্মিতা গগৈৰ নাম। উল্লেখ্য যে উল্লিখিত কে'বাটাও সমষ্টিৰ পেনেলত আৰু দুই-এজন প্ৰাৰ্থীৰ নাম আছে।

# তেজপুৰ অগপক এৰিলে সমূহীয়া পদত্যাগৰ ভাবুকি বিজেপি নেতা-কৰ্মীৰ

*এক পৃষ্ঠাৰ পৰা* বৃন্দাবন গোস্বামীৰ বিৰুদ্ধাচৰণ কৰি আহিছে। আজি ক্ষুব্ধ বিজেপি নেতা-কৰ্মীসকলে স্পষ্ট কৰি দিয়ে যে তেজপুৰ বিধানসভা সমষ্টিত যদি বিজেপিৰ প্ৰাৰ্থিত্ব প্ৰদানৰ বিপৰীতে পুনৰ অগপক আসনখন এৰি দিয়া হয়, তেন্তে দলত ব্যাপক খহনীয়া হ'ব। তেজপুৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত বিজেপিৰ সকলো বিষয়ববীয়া, ২২৭খন বুথ কমিটী, শক্তি কেন্দ্ৰ, তিনিখন মণ্ডল কমিটী আৰু আঠখন মৰ্চাৰ সকলো কৰ্মকৰ্তাই তেওঁলোকৰ দায়িত্ব আৰু পদবীৰ পৰা সমূহীয়া পদত্যাগ কৰে। লগতে তেওঁলোকে কোনো কাৰণতে আগন্তুক নিৰ্বাচনত অগপৰ প্ৰাৰ্থীক সমৰ্থন নকৰিব। আজি বিজেপিৰ তেজপুৰস্থিত জিলা কাৰ্যালয়ত স্থানীয় নেতা-কৰ্মীসকলৰ এখন দীঘলীয়া সভাত এই সিদ্ধান্ত গ্ৰহণ কৰে। তেওঁলোকৰ এই সিদ্ধান্তৰ বিষয়ে ই-মেইলযোগে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল, বিত্তমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু ৰাজ্যিক বিজেপিৰ সভাপতি ৰঞ্জিত কুমাৰ দাসক অৱগত কৰে। উল্লেখ্য যে কালি জিলা বিজেপিৰ কাৰ্যালয়ত এখন সভাৰ আয়োজন কৰি ক্ষুব্ধ বিজেপি নেতা-কৰ্মীসকলে সমষ্টিটো পুনৰ অগপক এৰি দিলে তেওঁলোকে ভোট বৰ্জন কৰিব বুলি হুংকাৰ দিছিল। লগতে তেজপুৰ সমষ্টি বিজেপিক এৰি নিদিয়াৰ বাবেও তেওঁলোকে ক্ষোভ প্ৰকাশ কৰিছিল। ইয়াৰ উপৰি মিত্ৰদল অগপৰ বিধায়ক গোস্বামীৰ বিৰুদ্ধে কেতবোৰ গুৰুতৰ অভিযোগো আনিছিল। নেতা-কৰ্মীসকলৰ এই মৌখিক বিদ্ৰোহক আজি আনুষ্ঠানিক ৰূপ দি আজি তেওঁলোকে ৰাজ্যিক নেতৃত্বলৈ পত্ৰ প্ৰেৰণ কৰে। উল্লেখ্য যে আজি অনুষ্ঠিত সভাখনত ক্ষুব্ধ বিজেপি নেতা-কৰ্মীসকলে লগতে আন এক সিদ্ধান্তত উপনীত হয়। তেজপুৰ সমষ্টিৰ পৰা এই পৰ্যন্ত দলীয় প্ৰাৰ্থিত্ব দাবী কৰা যিকোনো এজনক দলীয় টিকট প্ৰদান কৰিলেই তেওঁলোকে প্ৰাৰ্থীজনক বিজয়ী কৰাই আনিব। কেৱল বিধায়ক গোস্বামীয়েই নহয়, তেজপুৰত আন কোনো অগপ প্ৰাৰ্থীকে মানি লোৱা নহ'ব বুলি হুংকাৰ দি স্থানীয় বিজেপি নেতা-কৰ্মীসকলে কয় যে ইমানদিনে পদুম ফুলৰ চিহ্নৰ বাবে কাম কৰি এতিয়া ৰাইজক হাতীৰ ছবিত ভোট দিবলৈ কোৱাৰ নৈতিক অধিকাৰ তেজপুৰৰ বিজেপি নেতা-কৰ্মীসকলৰ নাই বুলি তেওঁলোকে গণ্য কৰে। তেজপুৰৰ আসনৰ বিষয়টো আজি পৰ্যন্ত অনিশ্চিত হৈ থকাত আন একাংশ ক্ষুব্ধ বিজেপি নেতা-কৰ্মীয়ে সামাজিক মাধ্যমযোগেও তেজপুৰত বিজেপিৰ প্ৰাৰ্থী প্ৰদানৰ বাবে ৰাজ্যিক নেতৃত্বক আহ্বান জনোৱাৰ লগতে তৃণমূল কৰ্মীসকলৰ আশা-আকাংক্ষাক নেতৃত্বই গণ্য নকৰিলে পৰিস্থিতি কঠিন হোৱাৰো হুংকাৰ দিয়ে।

# ছিপাঝাৰ এৰিব অগপক! ক্ষুব্ধ

*এক পৃষ্ঠাৰ পৰা* লগত আসন বুজাবুজিৰ সন্দৰ্ভত অনুষ্ঠিত হৈ থকা বৈঠকৰ মাজতে এইবাৰ বিজেপিৰ দখলত থকা ছিপাঝাৰ সমষ্টি অগপক এৰি দিয়া হ'ব বুলি চৰ্চিত হৈছে। ইয়াৰ ভিত্তিতে বিধায়ক বিনন্দ কুমাৰ শইকীয়াৰ একাংশ সমৰ্থকে যোৱা নিশা বাজপেয়ী ভৱনৰ ভিতৰত প্ৰৱেশ কৰি 'অগপক আসন এৰি দিয়া নহ'ব, বিজেপি জিন্দাবাদ, বিনন্দ শইকীয়াক টিকট দিব লাগিব' বুলি শ্ল'গানেৰে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। নিশা প্ৰায় ১১ বজাত হঠাৎ ৰূপায়িত এই প্ৰতিবাদৰ সময়ত কাৰ্যালয়ত বিজেপিৰ বহুকেইজন শীৰ্ষ নেতা উপস্থিত আছিল। আজি নিশাও বিধায়ক শইকীয়াৰ সমৰ্থকে আৰ পি ৰোডস্থিত দলৰ নিৰ্বাচনী কাৰ্যালয়ত ধৰ্ণা দি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে।

# আচৰণ বিধিৰ পাছতে ৰাজ্যত

*এক পৃষ্ঠাৰ পৰা* পহিলা মাৰ্চত ২৭,৩৪৬ লিটাৰ, দুই মাৰ্চত ৩৭,৩৭৮ লিটাৰ আৰু আজি ২৩,৬৮৮ লিটাৰ মিলি সৰ্বমুঠ ১,১৮,৫০৫ লিটাৰ সুৰা জব্দ কৰে। এই সুৰাখিনিৰ বজাৰ মূল্য ৫৩,৫৮,৪২৬ টকা।

আনহাতে নিৰ্বাচনী আচৰণ বিধি উলংঘা কৰা বুলি বিশ্বনাথ, ডিব্ৰুগড়, যোৰহাট, কলিয়াবৰ আৰু লখিমপুৰ জিলাৰ পৰা উত্থাপিত পাঁচটা অভিযোগৰ ক্ষেত্ৰত নিৰ্বাচন বিভাগে তৎপৰতাৰে ব্যৱস্থা গ্ৰহণ কৰিছে। হিতাধিকাৰীৰ মাজত স্কুটাৰ বিতৰণ কৰিব খোজা, ট্ৰাকত কম্বল পৰিবহন, ৰাজহুৱা স্থানত পোষ্টাৰ লগোৱা, বিবাহ অনুষ্ঠানৰ নামত নিশা উচ্চ প্ৰাবল্যৰ সংগীত বজোৱা বিষয়ত উত্থাপিত অভিযোগৰ উত্তৰত প্ৰশাসনে পদক্ষেপ গ্ৰহণ কৰিছে।

### কাৰ্বি আংলং-তেজপুৰত প্ৰায় পাঁচ লক্ষ টকা জব্দ

**ডিফুৰ বিশেষ সংবাদদাতা/তেজপুৰৰ অগ্ৰদূত বাৰ্তা ঃ** নিৰ্বাচনী আচৰণবিধি বলবৎ থকাৰ সময়তে আজি ৰাজ্যৰ পৃথক স্থানত জব্দ হ'ল প্ৰায় পাঁচ লাখ টকা। কাৰ্বি আংলঙৰ ডিলাইত এখন যাত্ৰীবাহী বাছ আৰু তেজপুৰৰ কলীয়াভোমোৰা দলঙৰ সমীপত এখন ব্যক্তিগত বাহনত তালাচী চলাই বিশেষ তদন্তকাৰী দলে এই সফলতা অৰ্জন কৰে। এই ধন সৰবৰাহকাৰীয়ে ব্যৱসায়িক কাৰণত ধন সৰবৰাহ কৰা বুলি দাবী কৰিলেও ইয়াৰ প্ৰকৃত কাৰণ সন্দৰ্ভত প্ৰশাসন এতিয়াও নিশ্চিত হ'ব পৰা নাই।

উল্লেখ্য যে আজি পুৱা কাৰ্বি আংলঙৰ ডিলাই আৰক্ষীয়ে এখন যাত্ৰীবাহী বাছৰ পৰা দুই লাখ ৫০ হেজাৰ টকা জব্দ কৰে। আৰক্ষী সূত্ৰই জনোৱা মতে, ডিলাই আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া বিতোপন চুতীয়াৰ নেতৃত্বত আৰক্ষীৰ দল এটাই ডিমাপুৰৰ পৰা নগাঁও অভিমুখে অহা এখন বাছত তালাচী চলায়। তেতিয়াই নগাঁও জিলাৰ জুৰীয়া আৰক্ষী থানাৰ অন্তৰ্গত জলাহৰ মইনুল ইছলাম নামৰ বাছ যাত্ৰীজনৰ জিম্মাৰ পৰা আৰক্ষীয়ে উক্ত ধনখিনি জব্দ কৰে। লগতে ইছলামকো আৰক্ষীয়ে আটক কৰি জেৰা অব্যাহত ৰাখিছে। জব্দকৃত ধনখিনি ব্যৱসায়িক কাৰণত অনা হৈছিল বুলি আটকাধীন লোকজনে দাবী কৰিছে। এই সন্দৰ্ভত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

ইপিনে, প্ৰশান্ত ৰংপীৰ নেতৃত্বত থকা ষ্টেটিক ছাৰ্ভিলেন্স টীমৰ এটা দলে আজি তেজপুৰৰ কলীয়াভোমোৰা দলঙৰ সমীপত এখন বাহনত তালাচী চলাই মুঠ দুই লাখ ৫৫ হেজাৰ টকা জব্দ কৰে। গাড়ীচালকজনে উক্ত ধনখিনি তেজপুৰৰ এক বাহন বিক্ৰেতা প্ৰতিষ্ঠানৰ পৰা বাহন ক্ৰয়ৰ বাবে অনা বুলি দাবী কৰে। কিন্তু এই ধৰণৰ কোনো তথ্য সম্বলিত নথি-পত্ৰ তেওঁ প্ৰদৰ্শন কৰিব নোৱাৰাত শোণিতপুৰৰ উপায়ুক্তৰ নিৰ্দেশত ধনৰাশিৰ গণনা সম্পূৰ্ণ কৰি তেজপুৰ কোষাগাৰলৈ প্ৰেৰণ কৰা হয়। ইতিমধ্যে ধনৰ গৰাকীজনক প্ৰয়োজনীয় নথি যোগান ধৰিবলৈ নিৰ্দেশ দিয়া হৈছে। উল্লেখ্য যে নিৰ্বাচন আয়োগৰ নিৰ্দেশমৰ্মে ৰাজ্যত নিৰ্বাচনী বিধি বলবৎ থকাৰ সময়ত ৫০ হেজাৰ বা তাতকৈ অধিক ধন বা ১০ হেজাৰ টকাৰ অধিক মূল্যৰ উপহাৰ বহন কৰাৰ সময়ত তথ্যভিত্তিক নথি লগত ৰখাটো বাঞ্চনীয়। তদুপৰি শোণিতপুৰ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া দিগন্ত বৈশ্য, অতিৰিক্ত উপায়ুক্ত সঞ্জীৱ দলৈ আৰু কোষাগাৰ বিষয়া তৰুণ শইকীয়াক লৈ নিৰ্বাচনৰ সময়ত জিলাখনত এইদৰে জব্দকৃত নগদ ধন বা সামগ্ৰী তদন্তসাপেক্ষে মুকলি কৰি দিয়াৰ বাবে এখন কমিটী গঠন কৰি দিয়া হৈছে।

# অমীমাংসিত আসনৰ বুজাপৰা

*এক পৃষ্ঠাৰ পৰা* হৈছে মিত্ৰজোঁট। এক শতাংশৰহে জটিলতা আছে। ইয়াৰ পাছত তেওঁ পুনৰ কয় যে ৯৫ শতাংশ আলোচনা সম্পন্ন হৈছে। দুই-এটা কথাৰ আনুষ্ঠানিকতা বাকী আছে যিটো গৃহমন্ত্ৰী শ্বাহৰ ওচৰত পাঁচ মিনিটতে সমাধান হ'ব। কাইলৈ সন্ধিয়াৰ ভিতৰত প্ৰথম দুটা পৰ্যায়ৰ প্ৰাৰ্থীৰ তালিকা ঘোষণা হ'ব পাৰে বুলিও মন্ত্ৰীজনে ব্যক্ত কৰে। অৱশ্যে তিনিটা পৰ্যায়ৰ প্ৰাৰ্থী তালিকাও চূড়ান্ত হোৱাৰ সম্ভাৱনা ব্যক্ত কৰি সমগ্ৰ বিষয়টো দলৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নড্ডাৰ ওপৰত নিৰ্ভৰশীল বুলি মন্ত্ৰীজনে কয়। মন্ত্ৰী ড° শৰ্মাৰ মতে, দিল্লীত আলোচনাৰ পাছতে ইউপিপিএল আৰু অগপৰে আসন বুজাবুজি চূড়ান্ত হ'ব। 'আমি যেতিয়া দিল্লীলৈ যাও ৯৯ শতাংশ সমস্যা সমাধান কৰিব যাব লাগে যাতে খুব কম কথা আলোচনাৰ বাবে থাকে। গতিকে আজি আমি গোটেইকেইটা দল ৯৫ শতাংশ কথাত একমত হৈছো।' এইদৰে ড° শৰ্মাই কয়। এই পৰিস্থিতিৰ মাজেৰে দিল্লীত উপস্থিত হোৱা মিত্ৰদলকেইটাৰ মাজত এতিয়া কিমান শতাংশৰ বুজাপৰা বাকী আছে সেই সম্পৰ্কে সম্প্ৰতি মৌন হৈ আছে দলকেইটাৰ নেতৃবৰ্গ।

ইপিনে, সূত্ৰত প্ৰকাশ যে মূলতঃ কমলপুৰ, লখিমপুৰ, পলাশবাৰী আদিকে ধৰি কেইটামান সমষ্টিক লৈ দুই মেৰুত অৱস্থান কৰি আছে বিজেপি-অগপ। লখিমপুৰৰ বিধায়ক উৎপল দত্তৰ ঘনিষ্ঠ সূত্ৰত প্ৰকাশ যে মন্ত্ৰী ড° শৰ্মাই লখিমপুৰত দত্তৰ প্ৰাৰ্থিত্বৰ বিৰোধিতা কৰিছে। ফলত জটিলতাৰ সৃষ্টি হৈছে। ড° শৰ্মাৰ পছন্দৰ প্ৰাৰ্থী হৈছে একালৰ যুৱ কংগ্ৰেছী তথা ড° শৰ্মাৰ অনুগত ন-বিজেপি মানৱ ডেকা। মানৱক প্ৰাৰ্থিত্ব প্ৰদানৰ বাবে মন্ত্ৰী শৰ্মাই হেঁচা দি থকাৰ ফলত জটিলতা বহু পৰিমাণে বৃদ্ধি পাইছে। ইতিমধ্যে পৰিস্থিতিৰ গুৰুত্ব অনুধাৱন কৰি লখিমপুৰৰ বিধায়ক দত্ত দিল্লীত উপস্থিত হৈছে। হাতৰ পৰা সমষ্টি ওলাই যোৱাৰ আশংকাত একেদৰে কমলপুৰৰ বিধায়ক সত্যব্ৰত কলিতাও দিল্লীত উপস্থিত হৈছে। বিজেপিয়ে যিকোনো পৰিস্থিতিত কমলপুৰ দাবী কৰি আছে আৰু ৰাজ্যিক বিজেপিয়ে কলিতাক হাজোত প্ৰতিদ্বন্দ্বিতাৰ পৰামৰ্শ দিছে। এই দাবী মানি লোৱা নাই অগপই। অৱশ্যে অগপই প্ৰয়োজনত বন্ধুত্বপূৰ্ণ প্ৰতিদ্বন্দ্বিতাৰ বাবেও সাজু আছে যদিও বিজেপিয়ে এনে প্ৰস্তাৱ মানি নলয়। এই বিষয়টো দিল্লীত হাইকমাণ্ডৰ সন্মুখত উপস্থাপন কৰা হৈছে। সূত্ৰত প্ৰকাশ যে কাইলৈ দিল্লীত মিত্ৰজোঁটে সংবাদমেলৰ জৰিয়তে আসন বুজাপৰা ঘোষণা কৰিব। আজি দিল্লীত গৃহমন্ত্ৰী শ্বাহৰ বাসগৃহত সন্ধিয়া ছয় বজাৰ পৰা প্ৰথমখন বৈঠকত অংশগ্ৰহণ কৰে বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নড্ডা, শীৰ্ষ নেতা বি এছ সন্তোষ, মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল, মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, ৰাজ্যিক বিজেপিৰ সভাপতি ৰঞ্জিত দাস, অগপ সভাপতি অতুল বৰা আৰু ইউপিপিএলৰ মুৰব্বী প্ৰমোদ বড়োৱে। ইউপিপিএল আৰু অগপই পৃথকে পৃথকেও বিজেপিৰ ৰাষ্ট্ৰীয় নেতৃত্বৰ স'তে বৈঠকত মিলিত হয়। ইয়াৰ পাছত নিশা ৰাষ্ট্ৰীয় বিজেপিৰ সভাপতি নড্ডাৰ বাসগৃহত দ্বিতীয়খন বৈঠক অনুষ্ঠিত হয়।

ইপিনে, আজি পুৱা দিল্লী যাত্ৰাৰ পূৰ্বে ৰাজ্যিক সভাপতি দাসে এইদৰেও কয় যে তেওঁলোকে সম্পূৰ্ণ তালিকা প্ৰস্তুত কৰিছে। ৰাষ্ট্ৰীয় সমিতিয়ে কেৱল ঘোষণাহে কৰিব। অগপ, ইউপিপিএলৰ স'তে এশ শতাংশ আসন বুজাবুজি হ'ব বুলিও তেওঁ দাবী কৰে। গুৱাহাটীত এইধৰণৰ বক্তব্য প্ৰকাশ কৰিলেও দিল্লীত তাৰ আশাপ্ৰদ প্ৰতিফলন দেখা নগ'ল। সূত্ৰত প্ৰকাশ যে বিজেপিয়ে চাৰিটা সমষ্টি অগপৰ পৰা বিচাৰিছে। ইয়াৰে তিনিটাত অগপৰ বিধায়ক আছে। ইপিনে, অগপই পলাশবাৰী সমষ্টি দাবী কৰি আছে। তদুপৰি সম্প্ৰতি ১৪ জন বিধায়ক থকা সমষ্টিকেইটাৰ উপৰি আৰু চাৰিখন আসনকে ধৰি মুঠ ১৮খন আসন বিচাৰিছে অগপই। যোৱা নিশা এনে এক জটিল পৰিস্থিতিৰ মাজতে বিজেপিয়ে এই প্ৰস্তাৱো দিয়ে যে তেওঁলোকৰ বিধায়ক থকা দুটা সমষ্টি অগপক দিবলৈ ৰাজি আছে কিন্তু তেওঁলোকে বিচৰাকেইটা অগপই এৰি দিব লাগিব। মন্ত্ৰী ড° শৰ্মাই আনকি এইদৰেও কয় যে অগপই ৰাজহুৱা সভাৰ আয়োজন কৰাৰ বিপৰীতে বিজেপিয়ে পৰিয়াল সম্পৰ্ক অভিযানৰ জৰিয়তে মানুহৰ দুৱাৰে দুৱাৰে গৈছে। চৰকাৰ গঠনৰ লক্ষ্যৰে এৰা-ধৰা কৰিবলৈ তেওঁ অগপক কয়। আজি দিল্লীতো এই ধৰণৰ টনা-আঁজোৰাই বৈঠকৰ সময়সীমা দীঘলীয়া কৰে। সূত্ৰত প্ৰকাশ যে কাইলৈ সকলো পক্ষ বুজাবুজিত উপনীত হ'ব।

ইপিনে, ইউপিপিএলৰ সূত্ৰত প্ৰকাশ যে বিটিএডিত সৰ্বাধিকসংখ্যক আসন এৰি দিব লাগিব বুলি দলটোৱে দাবী কৰি আছে। এনে এক জটিল পৰিস্থিতিৰ মাজত মিত্ৰজোঁটৰ দলসমূহৰ কৰ্মী-সমৰ্থকে কাইলৈ চূড়ান্ত সিদ্ধান্তৰ বাবে আশা পালি আছে।

# কথমপি ৰক্ষা পৰিল ডিফু, বিস্ফোৰণৰ

*এক পৃষ্ঠাৰ পৰা* হয়। আৰক্ষী সূত্ৰই জনোৱা মতে, জিলাখনত ত্ৰাসৰ সৃষ্টি কৰি থকা ডিএনএ নামৰ উগ্ৰপন্থী সংগঠনটোৰ নিৰ্দেশত এই বিস্ফোৰণৰ পৰিকল্পনা কৰা হৈছিল। উল্লেখ্য যে পূৰ্বে বহুকেইটা অপৰাধজনিত ঘটনাত জড়িত আছিল এই যুৱকজন। যুৱকজনৰ লক্ষ্য আছিল ডিফুত ৰোৱা ৰেলযাত্ৰীৰ মাজত গ্ৰেণেডটো বিস্ফোৰণ ঘটোৱাৰ। ডিমাছা নেচনেল লিবাৰেচন আৰ্মি নামৰ উগ্ৰপন্থী সংগঠনটোৱে ডিফু চহৰৰ বিভিন্ন লোকক ব্যাপক হাৰত ধনদাবী কৰি আছে যদিও ইয়াত সফল নহৈ আতংক সৃষ্টিৰ উদ্দেশ্যে আজি এই বিস্ফোৰণৰ পৰিকল্পনা কৰিছিল বুলি সন্দেহ কৰা হৈছে। সম্প্ৰতি আৰক্ষীয়ে যুৱকজনক গ্ৰেপ্তাৰ কৰি সোধাপোছা অব্যাহত ৰাখিছে।

# শিৱসাগৰত প্ৰতিদ্বন্দ্বিতাৰ বাবে মনোনয়ন

*এক পৃষ্ঠাৰ পৰা* প্ৰচেষ্টা অব্যাহত ৰখাৰ সময়তে আজি ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব বুলি চলা প্ৰচাৰত সমষ্টিটোৰ নিৰ্বাচন আকৰ্ষণীয় হৈ পৰিব বুলি ৰাজনৈতিক মহল তথা ৰাইজে ধাৰণা কৰিছে। সমষ্টিটোৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়াবৰ বাবে অখিল গগৈৰ হৈ আজি ৰাইজৰ দলৰ শিৱসাগৰ জিলাৰ সভাপতি মুনীন্দ্ৰ লাহন আৰু কাৰ্যকৰী সভাপতি অনুপ বৰপাত্ৰগোহাঁয়ে জিলা নিৰ্বাচনী বিষয়াৰ পৰা মনোনয়ন পত্ৰ সংগ্ৰহ কৰে। মনোনয়ন পত্ৰ সংগ্ৰহৰ সময়ত অখিল গগৈৰ বহু সমৰ্থক উপস্থিত থাকে। মনোনয়ন পত্ৰ সংগ্ৰহ কৰি ৰাইজৰ দলৰ কেন্দ্ৰীয় নেতা ধৈৰ্য কোঁৱৰে কয় যে মনোনয়ন পত্ৰ সংগ্ৰহ কৰা হৈছে যেতিয়া অখিল গগৈয়ে এই সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰাটো নিশ্চিত আৰু আগন্তুক দিনত শিৱসাগৰবাসীয়ে এজন সংগ্ৰামী বিধায়ক লাভ কৰিবলৈ সক্ষম হ'ব। অখিল গগৈৰ প্ৰতি শিৱসাগৰ সমষ্টিবাসীৰ যি আন্তৰিকতা আৰু যি সঁহাৰি সি এটা কথা প্ৰমাণিত কৰে যে অখিল গগৈ সমষ্টিবাসীৰ মননত আছে। ৰাইজৰ উৎসাহ আৰু আশাৰ মাজেৰে অখিল গগৈ নিশ্চয়কৈ বিপুল ভোটত শিৱসাগৰৰ বিধায়কৰূপে নিৰ্বাচিত হ'ব বুলি আশা প্ৰকাশ কৰে নেতাজনে। ৭০টা জাতীয়-জনগোষ্ঠীয় সংগঠন আৰু ৰাইজৰ দলে নিৰ্বাচনত অৱতীৰ্ণ হ'বৰ বাবে আগবঢ়োৱা প্ৰস্তাৱ অখিল গগৈয়ে ইতিমধ্যে গ্ৰহণ কৰা বুলিও জানিবলৈ দি কোঁৱৰে কয় যে অখিল গগৈয়ে দুই-এদিনতে মনোনয়ন পত্ৰ দাখিল কৰিব। আনহাতে, শিৱসাগৰ সমষ্টিত কংগ্ৰেছৰ প্ৰাৰ্থী প্ৰক্ষেপৰ সন্দৰ্ভত সোধা প্ৰশ্নৰ উত্তৰত কোঁৱৰে কয় যে দুদিন ধৈৰ্য ধৰিলেই সকলো কথা পোহৰলৈ আহিব। উল্লেখ্য যে কংগ্ৰেছৰ প্ৰাৰ্থী হিচাপে শুভমিত্ৰ গগৈ, কল্যাণ গগৈ, মঞ্জিৰ গগৈ, প্ৰশান্ত গগৈ, প্ৰমীৰ গগৈ, বিজেপিৰ পৰা সুৰভি ৰাজকুঁৱৰী, এন চি পিৰ পৰা অজিৎ হাজৰিকা, চি পি আইৰ অনুপ গগৈ আৰু নিৰ্দলীয় ৰূপা বড়াই শিৱসাগৰ বিধানসভা সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়াবৰ বাবে মনোনয়ন পত্ৰ সংগ্ৰহ কৰিছে।

# জৰুৰীকালীন অৱস্থা ঘোষণা এক ভুল

*এক পৃষ্ঠাৰ পৰা* হৈছিল। এই প্ৰসংগক লৈ সঘনাই বিজেপিয়ে কংগ্ৰেছক আক্ৰমণ কৰি আহিছে। বিগত বৰ্ষৰ জুনত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কংগ্ৰেছক আক্ৰমণ কৰি কয় যে নিশাৰ ভিতৰতে এটা পৰিয়ালৰ ক্ষমতাৰ লোভে দেশখনক কাৰাগাৰলৈ পৰিণত কৰিছিল। সংবাদ মাধ্যম, আদালত, বাকস্বাধীনতা সকলোতে হস্তক্ষেপ কৰা হৈছিল আৰু দৰিদ্ৰ-নিষ্পেষিতসকলৰ ওপৰত অত্যাচাৰ চলোৱা হৈছিল। অৱশ্যে আজি ৰাহুলে কয় যে সেই জৰুৰীকালীন সময়ত যি হৈছিল আৰু আজি বিজেপিৰ আদৰ্শগত বাটকটীয়া আৰ এছ এছে যিদৰে তেওঁলোকৰ মানুহৰে অনুষ্ঠানসমূহ ভৰাই তুলিছে সেই পৰিৱেশৰ মাজত মৌলিক পাৰ্থক্য আছে। 'সেয়েহে আমি বিজেপিক নিৰ্বাচনত পৰাভূত কৰিলেও আমি প্ৰতিষ্ঠানিক গাঁথনিৰ পৰা মানুহক মুক্ত কৰিব নোৱাৰিলো।' এইদৰে উল্লেখ কৰি ৰাহুলে কয় যে প্ৰতিষ্ঠানিক ক্ষমতা থকাৰ বাবেই আধুনিক গণতন্ত্ৰ কাৰ্যকৰী হৈ আছে কিয়নো প্ৰতিষ্ঠানসমূহ স্বতন্ত্ৰভাৱে পৰিচালিত হয়। আজি ভাৰতত আৰ এছ এছ নামৰ এটা বৃহৎ প্ৰতিষ্ঠানে এই স্বাধীনতাত পদ্ধতিগতভাৱে আক্ৰমণ কৰিছে বুলিও ৰাহুলে কয়। তেওঁ কয় যে গণতন্ত্ৰত খহনীয়াৰ সৃষ্টি হৈছে বুলি ক'লে কমকৈ কোৱা হ'ব, ক'ব লাগিব যে গণতন্ত্ৰক টেঁটু চেপা দিয়া হৈছে।

ৰাহুলে আজি বিশিষ্ট অৰ্থনীতিবিদ কৌশিক বসুৰে হোৱা বাৰ্তালাপত নিজ দলীয় সংঘাতৰ বিষয়েও মন্তব্য কৰে। তেওঁ কয়, 'দলৰ ভিতৰত গণতান্ত্ৰিক নিৰ্বাচন সম্পূৰ্ণৰূপে জটিল বুলি কোৱা ময়ে প্ৰথমজন লোক, কিন্তু এই কথা মোৰ বাবে লক্ষ্যণীয় যে এইসমূহ প্ৰশ্ন আন কোনো দলৰ প্ৰসংগত সোধা নহয়। বিজেপি, বি এছ পি আৰু সমাজবাদী পাৰ্টিৰ কিয় কোনো আভ্যন্তৰীণ গণতন্ত্ৰ নাই সেই কথা কোনেও নোসোধে।'

# পাঁচ-ছদিনতে প্ৰাৰ্থী ঘোষণা অসম জাতীয়

*এক পৃষ্ঠাৰ পৰা* পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈৰ। যোৱা নিশা তৈলনগৰী দুলীয়াজানত সাংবাদিকৰে হোৱা বাৰ্তালাপত গগৈয়ে কয় যে আগন্তুক নিৰ্বাচনত জয়ী হৈ অজাপ দলে ৰাজ্যত এখন ভ্ৰষ্টাচাৰ মুক্ত, দুৰ্নীতি মুক্ত, সাম্প্ৰদায়িকতা মুক্ত জাতীয়তাবাদী চিন্তাধাৰাৰ চৰকাৰ গঠন কৰিব।

দুলীয়াজানৰ হুকুটা চাৰিআলিৰ জ্যোতি আখলত হোৱা এই বাৰ্তালাপত অজাপৰ সভাপতিজনে কয় যে আগন্তুক নিৰ্বাচনত তেওঁ কোন সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিব সেয়া এতিয়াও ঠিৰাং হোৱা নাই। এই বিষয়টো দলেহে স্থিৰ কৰিব বুলি জানিবলৈ দি গগৈয়ে লগতে অৱগত কৰে যে অহা পাঁচ-ছদিনৰ ভিতৰতে অজাপৰ প্ৰাৰ্থী তালিকা ঘোষণা কৰা হ'ব। অসমৰ ৰাইজে এইবাৰ ৰাজনৈতিক পৰিৱৰ্তন বিচাৰিছে বুলি মন্তব্য কৰি গগৈয়ে পুনৰ কয়, 'দুঘলীয়া পাঁচ বছৰীয়া যিটো অপশাসন, দুৰ্নীতি, ভ্ৰষ্টাচাৰ, সাম্প্ৰদায়িকতা, চাৰিওফালে উন্নয়নহীনতা, জাতীয় প্ৰশ্নত চৰকাৰৰ আপোচহীন মানসিকতা। এইবোৰ সকলো কথাৰ বিষয়ে অসমৰ ৰাইজে চিন্তা কৰিছে যে অসমত জাতীয়তাবাদ আৰু আঞ্চলিকতাবাদৰ বাদে কোনো স্কল্প নাই। যদিহে জাতীয় স্বাৰ্থ সুৰক্ষিত কৰিব লাগে, ৰাজনৈতিক, সামাজিক দিশ সুৰক্ষিত হ'ব লাগে; তেন্তে ৰাইজৰ যিটো জাতীয়তাবাদৰ যাত্ৰা, সেই যাত্ৰাত সকলোৱে চামিল হ'ব লাগিব।' অসমৰ ৰাইজৰ সপোনৰ গণতন্ত্ৰ আৰু সুন্দৰ অসম তৈয়াৰ কৰিবলৈ হ'লে ৰাইজে এইবাৰ জাতীয়তাবাদৰ পক্ষত ভোটদানেৰে প্ৰয়াস কৰিব লাগিব বুলিও যুৱনেতাজনে মন্তব্য কৰে। গগৈয়ে লগতে কয়, 'বিগত সময়ছোৱাত চলি থকা সাম্প্ৰদায়িকতা, ভ্ৰষ্টাচাৰ, দুৰ্নীতিৰ বিৰুদ্ধে অসমৰ ৰাইজ এইবাৰ সজাগ হৈছে। অসমৰ বিভিন্ন প্ৰান্ত উত্তৰ অসম, মধ্য অসম, উজনি অসম, বৰাক-ব্ৰহ্মপুত্ৰ সকলোতে ৰাইজে জাতীয়তাবাদৰ পতাকা লৈ উৎসাহ-উদ্দীপনাৰে ওলাই আহিছে; যাতে বিগত সময়ছোৱাৰ ভয়ানক সংকটৰ পৰা পৰিত্ৰাণ পোৱাৰ যিটো চিন্তা, সেই চিন্তাত ব্যাকুল হৈ মানুহে জাতীয়তাবাদৰ পক্ষত থিয় দিছে। গতিকে মই ভাবো, এইটো ৰাইজৰ মনৰ ভিতৰৰ পৰা ওলাই অহা স্বতঃস্ফূৰ্ত মনৰ অনুভূতি।' ইপিনে, ৰাইজৰ দলে কংগ্ৰেছৰ স'তে মিত্ৰতা কৰাৰ ইংগিত পোৱা বুলি সাংবাদিকে সোধা এক প্ৰশ্নৰ উত্তৰত গগৈয়ে কয়, 'অসম জাতীয় পৰিষদে ৰাষ্ট্ৰীয় দল কংগ্ৰেছ-বিজেপিৰ স'তে কেতিয়াও মিত্ৰতা নকৰে। যিহেতু কংগ্ৰেছৰ যি নীতিগত আদৰ্শ, তাৰ স'তে বিজেপিৰ মতাদৰ্শৰ কোনো পাৰ্থক্য নাই। বিজেপিয়ে সাম্প্ৰদায়িক ৰাজনীতিৰে ২০১৪ৰ ৩১ ডিচেম্বৰলৈকে অহা হিন্দু শৰণাৰ্থীসকলক ধৰ্মৰ ভিত্তিত নাগৰিকত্ব প্ৰদান কৰিছে।' আনহাতে, আগন্তুক নিৰ্বাচনত বিজেপি আৰু কংগ্ৰেছে '১০০ প্লাছ' পাব বুলি কৰা দাবীৰ সন্দৰ্ভত এক প্ৰশ্নৰ উত্তৰত অজাপৰ সভাপতিজনে কটাক্ষ কৰি কয়, 'এয়া এক অদ্ভুত অংক। তেন্তে তেওঁলোক হয়তো অতিমানৱ, অট'ক্ৰেটিক। তেওঁলোকে জনতাক, গণতন্ত্ৰক বিশ্বাস নকৰে; নাইবা ইভিএম মেচিন মেনিপুলেট কৰিব লাগিব।'

# ১.৭৮ লাখটকীয়া পাৱাৰ টিলাৰৰ

*এক পৃষ্ঠাৰ পৰা* বিয়াগোম দুৰ্নীতিয়ে স্পষ্ট কৰি দিছে। সম্প্ৰতি তেনে এক বিয়াগোম দুৰ্নীতিৰ তথ্য পোহৰলৈ আহিছে। কোকৰাঝাৰ, চিৰাং, ওদালগুৰি, বাগ্‌সাকে ধৰি ৰাজ্যৰ কে'বাখনো জিলাৰ কৃষকে ৰাজ্য চৰকাৰৰ অনুসূচিত জাতি কল্যাণ সঞ্চালকালয়ত বৃহৎ দুৰ্নীতি সংঘটিত হোৱা বুলি অভিযোগ কৰিছে। শাসকীয় পৃষ্ঠপোষকতা লাভ কৰা দালাল চক্ৰৰ ভাবুকিৰ পৰিপ্ৰেক্ষিতত নাম প্ৰকাশত অনিচ্ছুক হিতাধিকাৰীয়ে অভিযোগ কৰিছে যে প্ৰায় দুই লাখ টকা বজাৰ মূল্যৰ পাৱাৰটিলাৰ প্ৰদানৰ নামত তেওঁলোকক মাত্ৰ ১০ হেজাৰ টকাকৈ নগদ ধন দি এই দুৰ্নীতি সংঘটিত কৰা হৈছে। প্ৰবঞ্চিত হিতাধিকাৰীয়ে সদৰী কৰা ভাষ্য আৰু আমাৰ অনুসন্ধানত প্ৰকাশ পোৱা তথ্য অনুসৰি অনুসূচিত জাতিৰ বাবে বিশেষ এককালীন সাহায্য আঁচনিৰ অধীনত এক লাখ ৭৮ হেজাৰ টকাৰ বজাৰ মূল্যৰ পাৱাৰটিলাৰ বিতৰণৰ কাৰ্যসূচী লোৱা হয়। এই পাৱাৰটিলাৰ একোখন পাবলৈ হিতাধিকাৰীয়ে চালানযোগে ২০ শতাংশ অৰ্থাৎ ৩৫ হেজাৰ টকা বিভাগক জমা দিব লাগে। বাকী ৮০ শতাংশ ৰাজসাহায্য হিচাপে বিভাগে হিতাধিকাৰীৰ বিপৰীতে আদায় দিয়ে। ইয়াতেই নামি পৰে দালাল চক্ৰ। নিৰ্দিষ্ট দালাল চক্ৰই উল্লেখিত জিলাসমূহৰ পৰা বিভিন্ন কৃষকক গুৱাহাটীলৈ মতাই আনে আৰু পাৱাৰটিলাৰ প্ৰদানৰ প্ৰলোভন দিয়ে। এই দালাল চক্ৰই একো একোজন হিতাধিকাৰীৰ হৈ, হিতাধিকাৰীৰ নামত ৩৫ হেজাৰ টকাৰ চালান কাটি জমা দিয়ে। পৰৱৰ্তী সময়ত হিতাধিকাৰীসকলক নিৰ্দিষ্ট ডিলাৰৰ ওচৰলৈ নি পাৱাৰটিলাৰৰ কাষত থিয় কৰাই তেওঁলোকৰ ফটো তোলাৰ লগতে ভিডিঅ'গ্ৰাফীও কৰে। তাৰপাছত অনুসূচিত জাতি কল্যাণ সঞ্চালকালয়ৰ কাৰ্যালয়লৈ নি সঞ্চালকৰ স'তে সাক্ষাৎ কৰাই দিয়ে। এই সাক্ষাতৰ পাছতে তেওঁলোকক ঘৰলৈ যাবলৈ কোৱা হয় আৰু দুই-এদিনৰ ভিতৰতে পাৱাৰটিলাৰ লাভ কৰিব বুলি আশ্বাস দিয়া হয়। লক্ষ্যণীয়ভাৱে এই সমগ্ৰ প্ৰক্ৰিয়া এই কাৰণেই অনুসৰণ কৰা হয় যাতে কাগজে-কলমে অনিয়ম ধৰা পেলোৱাটো সম্ভৱ নহয়। ১.৭৮ লাখটকীয়া পাৱাৰটিলাৰৰ বিপৰীতে দালাল চক্ৰই হিতাধিকাৰীক নগদ ১০ হেজাৰ টকা আদায় দিয়ে। লগতে সকীয়াই দিয়ে যে এই সম্পৰ্কত কাৰো আগত মুখ খুলিলে পৰিণতি ভয়ংকৰ হ'ব। এনেদৰেই কেৱল ১০ হেজাৰ টকাৰ বিনিময়ত দালাল চক্ৰই হস্তগত কৰে ১.৭৮ লাখটকীয়া পাৱাৰটিলাৰ।

উল্লেখ্য যে যোৱা ২০২০ৰ জানুৱাৰীত পাৱাৰটিলাৰ আৰু অন্যান্য কৃষি সঁজুলি বিতৰণৰ হিতাধিকাৰী বাছনিৰ বাবে এখন ৰাজ্যিক পৰ্যায়ৰ বাছনি কমিটী গঠন কৰা হয়। ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰীক অধ্যক্ষৰূপে লৈ গঠন কৰা সমিতিৰ সদস্যৰূপে অন্তৰ্ভুক্ত কৰা হয় অনুসূচিত জাতি কল্যাণ সঞ্চালকালয়ৰ সঞ্চালকৰ লগতে ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ উপসচিব তথা অনুসূচিত জাতি কল্যাণ সঞ্চালকালয়ৰ উপ-সঞ্চালকক। পৰৱৰ্তী সময়ত ২০২০ৰ তিনি মাৰ্চত অনুসূচিত জাতিৰ লোকৰ মাজৰ পৰা যোগ্য হিতাধিকাৰী বিচাৰি বাতৰি কাকতযোগে বিজ্ঞাপন প্ৰকাশ কৰা হয়। এই আঁচনিৰ অধীনতে এইদৰে ১.৭৮ লাখটকীয়া পাৱাৰটিলাৰৰ বিপৰীতে ১০ হেজাৰ টকা আদায় দি ব্যাপক অনিয়ম সংঘটিত কৰা হয়।

এই সম্পৰ্কত যোগাযোগ কৰাত অনুসূচিত জাতি কল্যাণ সঞ্চালকালয়ৰ সঞ্চালক অতুল শৰ্মাই 'দৈনিক অগ্ৰদূত'ক জানিবলৈ দিয়ে যে নিৰ্বাচনী আচৰণ বিধি বলবৎ হোৱাৰ আগমুহূৰ্তলৈকে ৰাজ্যৰ অনুসূচিত জাতি বসতিপ্ৰধান অঞ্চলসমূহৰ পৰা সমষ্টিভিত্তিত হিতাধিকাৰী বাছনি কৰি সৰ্বমুঠ ৯৮০ খন পাৱাৰটিলাৰ বিতৰণ কৰা হৈছে। তেওঁ আৰু কয় যে ২০১৯-২০ত বিভাগে সৰ্বমুঠ ২১০০ খন পাৱাৰটিলাৰ বিতৰণৰ বাবে ক্ৰয় কৰিছিল। তাৰে ১০৫০ খন সাম্যক আৰু ১০৫০ খন কিৰ্লোস্কাৰ ব্ৰেণ্ডৰ। সেয়েহে এতিয়াও ১১২০ খন পাৱাৰটিলাৰ বিভাগৰ অধীনত মজুত আছে বুলি সঞ্চালকজনে সদৰী কৰে। লক্ষ্যণীয়ভাৱে ৯৮০ খন পাৱাৰটিলাৰ বিতৰণত ব্যাপক দুৰ্নীতি সংঘটিত হোৱাৰ অভিযোগ নাকচ নকৰি সঞ্চালক শৰ্মাই কয়, 'এতিয়ালৈকে মই পোনপটীয়া কোনো অভিযোগ পোৱা নাই। যদি প্ৰথম পৰ্যায়ত কোনো ক্ৰুটি ৰৈ গৈছে, তেন্তে গোটেই প্ৰক্ৰিয়াটো আমি পুনৰীক্ষণ কৰিম।'

এনে পৰিপ্ৰেক্ষিতত প্ৰশ্ন উত্থাপিত হৈছে যে যদি চৰকাৰীভাৱে বিতৰণ কৰা ৯৮০ খন পাৱাৰটিলাৰ সংশ্লিষ্ট হিতাধিকাৰীয়ে লাভ নকৰিলে তেন্তে সেইবোৰ কাৰ হাতলৈ গ'ল? ভুক্তভোগী হিতাধিকাৰীসকলে অভিযোগ কৰে যে পাৱাৰটিলাৰ বিতৰণ কৰি অনুসূচিত জাতিৰ কৃষকক সহায় কৰাৰ সদিচ্ছা চৰকাৰৰ নাছিল। নিৰ্দিষ্ট দালাল চক্ৰৰ জৰিয়তে নিৰ্বাচনী পুঁজি সংগ্ৰহৰ উদ্দেশ্যেহে এনেদৰে আঁচনি ৰূপায়ণৰ নাটক ৰচনা কৰা হ'ল। এই সমগ্ৰ দুৰ্নীতিৰ এক উচ্চস্তৰীয় তদন্তৰ দাবী জনাইছে ভুক্তভোগী হিতাধিকাৰীসকলে।

# সনাতন সংস্কৃতি বিশ্ব সংস্কৃতিৰ পথ প্ৰদৰ্শক ঃ শৰ্মা

## বালিজাৰত ব্ৰহ্মানন্দ পুণ্যাশ্ৰমৰ সভাত বিষ্ণু মূৰ্তি স্থাপন



অগ্ৰদূত বাৰ্তা

**নলবাৰী, ৩ মাৰ্চ ঃ** সনাতন সংস্কৃতি বিশ্বৰ অন্য সংস্কৃতিৰ পথ প্ৰৱৰ্তক। এই সংস্কৃতিৰ বুকুতে মানৱতাবাদৰ জন্ম।' এই মন্তব্য নলবাৰী জিলা সাহিত্য সভাৰ সভাপতি তথা বিশিষ্ট নাট্যকাৰ ধ্ৰুৱজ্যোতি শৰ্মাৰ। নলবাৰী চহৰৰ পৰা পাঁচ কিলোমিটাৰ নিলগৰ বালিজাৰত ব্ৰহ্মানন্দ পুণ্যাশ্ৰমত বিষ্ণু মূৰ্তি স্থাপন আৰু সভা উৎসৱ উপলক্ষে আয়োজন কৰা যোৱা পহিলা মাৰ্চৰ নিশা সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰি শৰ্মাই কয় যে সনাতন হিন্দু ধৰ্মৰ কালজয়ী ইতিহাসে সোঁৱৰায় স্বয়ং বিধাতায়ো সলনি কৰিব নোৱাৰে বিধিৰ লিখন। নামনি অসমৰ সভাসমূহৰ স্বৰূপ বিশ্লেষণ কৰি শৰ্মাই পুনৰ কয় যে সভা মানেই লোক জীৱনৰ সমন্বয়ৰ বহ্নুৰূপ। সভা মানেই প্ৰকৃতিৰ বুকু উৰ্বৰা কৰিবলৈ আমাৰ অধিদেৱতা নাৰায়ণৰ ভক্তি আৱাহন। বেদধ্বনি আৰু হৰিধ্বনিৰ কলৰৱত আত্মাৰ বিশুদ্ধিকৰণেই সভাৰ মূল উদ্দেশ্য। তিনিঘণ্টীয়া বৰ্ণিল কাৰ্যসূচীৰে আয়োজন কৰা এই সভা উৎসৱৰ হোম যজ্ঞৰ পূৰ্ণ অধিবাসত অগণন ভক্তৰ সমাগম ঘটে। ৰাজস্থানী মাৰ্বলৰ নিৰ্মাণ কৰা বিষ্ণুৰ মূৰ্তিটো দান কৰে অবিনাশ সুৰেখাই। প্ৰকাশ বৰ্মনৰ সভাপতিত্বত হোৱা অনুষ্ঠানৰ আঁত ধৰি উদ্দেশ্য ব্যাখ্যা কৰে কাৰ্যকৰী সভাপতি দিগন্ত বৰ্মনে। অনুষ্ঠানত নলবাৰী সাহিত্য সভাৰ সম্পাদক নৱ তালুকদাৰ, কাৰ্যকৰ্তা পিংকু বৰ্মন, নজৰুল ইছলাম, কৃতান্ত বৰ্মন, নিতু বৰ্মন আদি ব্যক্তিসকল উপস্থিত থাকে।

# অনুজ্ঞাপত্ৰ থকা মাৰণাস্ত্ৰ জমা দিয়াৰ নিৰ্দেশ

বিশেষ সংবাদদাতা

**নগাঁও, ৩ মাৰ্চ ঃ** আগন্তুক বিধানসভা নিৰ্বাচন জিলাখনত শান্তিপূৰ্ণ আৰু সুকলমে অনুষ্ঠিত কৰাৰ স্বাৰ্থত ভাৰতীয় নিৰ্বাচন আয়োগৰ নিৰ্দেশ অনুসৰি নগাঁও জিলাৰ জিলা দণ্ডাধীশে এক জাননীযোগে জিলাখনৰ অনুজ্ঞাপত্ৰ থকা মাৰণাস্ত্ৰৰ গৰাকীসকলক নিকটৱৰ্তী আৰক্ষী চকীত তেওঁলোকৰ মাৰণাস্ত্ৰসমূহ জমা কৰিবলৈ নিৰ্দেশ দিছে। এই নিৰ্দেশ ভংগকাৰীসকলৰ বিৰুদ্ধে 'আৰ্মছ এক্ট-১৯৫৯'ৰ অধীনত যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হ'ব। নিৰ্বাচনৰ ফলাফল ঘোষণা হোৱাৰ সপ্তাহৰ পাছত গৰাকীসকলক মাৰণাস্ত্ৰসমূহ ঘূৰাই দিয়া হ'ব।

# সদৌ ব্ৰহ্ম ধৰ্ম সমিতিৰ বাৰ্ষিক অধিবেশনৰ অখণ্ড যজ্ঞ-শাস্ত্ৰ বিচাৰ সভা ঃ 'জৌংমা' উন্মোচন

অগ্ৰদূত বাৰ্তা

**গোসাঁইগাঁও, ৩ মাৰ্চ ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁৱৰ সমীপৰ জয়মাগুৰীৰ খেলপথাৰত তিনিদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হোৱা ৪৬ সংখ্যক সদৌ ব্ৰহ্ম ধৰ্ম সমিতিৰ বাৰ্ষিক অধিবেশনৰ লগতে ২১ সংখ্যক সদৌ ব্ৰহ্ম ধৰ্ম যুৱ সংঘ আৰু ১৯ সংখ্যক সদৌ ব্ৰহ্ম ধৰ্ম মহিলা সংঘৰ বাৰ্ষিক অধিবেশনখনৰ কালি দ্বিতীয় দিনৰ কাৰ্যসূচী অনুষ্ঠিত হয়। পুৱা পাঁচ বজাত অখণ্ড যজ্ঞৰ অগ্নি প্ৰজ্বলিত কৰে ব্ৰহ্ম ধৰ্ম প্ৰচাৰ সংসদৰ মুখ্য প্ৰচাৰক বাবা মনোৰঞ্জন ব্ৰহ্মই। পুৰোহিত তথা প্ৰচাৰক বাবা বিষ্টি নাৰ্জাৰীয়ে অখণ্ড যজ্ঞ পৰিচালনা কৰে। ইয়াৰ পাছত পুৱা ৬-৩০ বজাত সদৌ ব্ৰহ্ম ধৰ্ম প্ৰচাৰ সমিতিৰ সভাপতি অমৰেন্দ্ৰ ব্ৰহ্মই ধৰ্মধ্বজা উত্তোলন কৰে। গুৰুদেৱ কালিচৰণ ব্ৰহ্মাৰ প্ৰতিকৃতিত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি প্ৰদান কৰি শ্ৰদ্ধা নিবেদন কৰে গুৰুদেৱ কালিচৰণ ব্ৰহ্ম ট্ৰাষ্টৰ জয়ন্ত কছাৰীয়ে। পুৱা ন বজাত সদৌ ব্ৰহ্ম ধৰ্ম সমিতিৰ ৪৬ সংখ্যক বাৰ্ষিক অধিবেশনৰ স্মৰণিকা 'জৌংমা' (পোহৰ)ৰ উন্মোচন কৰে বড়ো ৰাইটাৰ্ছ একাডেমীৰ গোসাঁইগাঁও জিলা সমিতিৰ সভানেত্ৰী ভৱানী বাগলাৰীয়ে। কাৰ্যসূচীৰ আঁত ধৰে গুৰুদেৱ কালিচৰণ ব্ৰহ্ম ট্ৰাষ্টৰ সাধাৰণ সম্পাদক তথা গোসাঁইগাঁও বি এড মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অজিত বড়োৱে। ইয়াৰ পাছত গুৰুদেৱ কালিচৰণ ব্ৰহ্ম ট্ৰাষ্টৰ মুকলি সভা অনুষ্ঠিত হয়। তদুপৰি ধৰ্ম প্ৰচাৰ সংসদৰ প্ৰাক্তন সম্পাদক বিৰেণ ব্ৰহ্মই উদ্বোধন কৰা ধৰ্ম শাস্ত্ৰ বিচাৰ সভাৰ সভাপতিৰূপে মুখ্য প্ৰচাৰক মনোৰঞ্জন ব্ৰহ্মই পৰিচালনা কৰে। ধৰ্ম শাস্ত্ৰ বিচাৰ সভাত সৎ চক্ৰ বেদ সন্দৰ্ভত বক্তব্য প্ৰচাৰ সংসদৰ সম্পাদক হেমন্ত ব্ৰহ্মই। অগ্নি বিষয়ত বক্তব্য প্ৰদান কৰে যুৱ সংঘৰ সভাপতি বিদ্যাসাগৰ ব্ৰহ্মই। মূৰ্তি পূজা সম্পৰ্কত বক্তব্য আগবঢ়ায় প্ৰচাৰক জুৰীয়া ব্ৰহ্মই। সদৌ ব্ৰহ্ম ধৰ্ম সমিতিৰ ৪৬ সংখ্যক বাৰ্ষিক অধিবেশনৰ অভ্যৰ্থনা সমিতিৰ সভাপতি ধ্ৰুৱ কুমাৰ ব্ৰহ্ম নাৰ্জাৰীয়ে সদৰী কৰা মতে, আজিৰে পৰা আৰম্ভ হোৱা অখণ্ড যজ্ঞ আৰু শাস্ত্ৰ বিচাৰ সভা অন্তিম দিনলৈ নিৰন্তৰভাৱে চলি থাকিব। তেওঁ ব্ৰহ্ম ধৰ্ম প্ৰচাৰৰ যোগেদি গুৰুদেৱ কালিচৰণ ব্ৰহ্ম বাবাই বড়ো সমাজৰ সংস্কাৰৰ লগতে শিক্ষা সংস্কাৰৰ ক্ষেত্ৰতো যথেষ্ট অৰিহণা যোগাই আহিছে।

# মন্দিয়া শিক্ষাখণ্ডত কৰ্তব্য পালনত শিক্ষকৰ গাফিলতি ঃ বন্ধ হৈ আছে মধ্যাহ্ন ভোজন

**কলগাছিয়া, ৩ মাৰ্চ ঃ** শিক্ষামন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন ৰাজ্য চৰকাৰখনে বিগত পাঁচ বছৰত শিক্ষা বিভাগত আমূল সংস্কাৰ কৰাৰ দাবী উত্থাপন কৰি অহাৰ সময়তে বৰপেটাৰ মন্দিয়া শিক্ষা খণ্ডৰ কে'বাখনো বিদ্যালয়ত চলা অনিয়মে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। মন্দিয়া শিক্ষাখণ্ডৰ কে'বাখনো বিদ্যালয়ত বন্ধ হৈ আছে মধ্যাহ্ন ভোজন। কৰ'না ভাইৰাছৰ দোহাই দি আজিলৈকে মধ্যাহ্ন ভোজন বন্ধ হৈ থকা এখন বিদ্যালয় হ'ল চাৰি নম্বৰ ভেৰা প্ৰাথমিক বিদ্যালয়। বিদ্যালয়খনৰ প্ৰধান শিক্ষক ভূপেন কুমাৰ দাসে প্ৰায়ে বিদ্যালয়ত অনুপস্থিত থাকে। তদুপৰি বিদ্যালয়খনত দীৰ্ঘদিন ধৰি পাঠদানৰ লগতে মধ্যাহ্ন ভোজন বন্ধ হৈ আছে। এই ক্ষেত্ৰত মন্দিয়া খণ্ড প্ৰাথমিক শিক্ষা বিষয়া, ডি আই আৰু এছ আইৰ ভূমিকা ৰহস্যজনক বুলি অভিহিত কৰিছে স্থানীয় ৰাইজে। একেদৰে ১৩৪৯ নম্বৰ ভেৰা প্ৰাথমিক বিদ্যালয়ত ছজন শিক্ষকৰ ভিতৰত দুগৰাকী শিক্ষকহে আজি উপস্থিত থাকে। একেদৰে দক্ষিণ মজিদ ভিটা প্ৰাথমিক বিদ্যালয়, ৪১১ নম্বৰ আলিপুৰ প্ৰাথমিক বিদ্যালয়তো শিক্ষকৰ অনিয়মীয়া উপস্থিতি আৰু পাঠদান ব্যাহত হোৱা কাৰ্যই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। শিক্ষাখণ্ডটোৰ কে'বাখনো প্ৰাথমিক বিদ্যালয়ত এইধৰণৰ কাৰ্য চলি থকাত ক্ষুব্ধ হৈ পৰিছে ছাত্ৰ-ছাত্ৰীৰ লগতে অভিভাৱকসকল।

# নলবাৰীত চাৰি শিল্পীক সংকল্পৰ শ্ৰদ্ধাঞ্জলি

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ৩ মাৰ্চ ঃ** 'সংকল্প' নলবাৰী জিলা বাদ্যযন্ত্ৰী সন্থাৰ উদ্যোগত আজি সন্ধিয়া চাৰিগৰাকী শিল্পীক শ্ৰদ্ধা জনোৱাৰ উদ্দেশ্যে 'একাঞ্জলি শ্ৰদ্ধাঞ্জলি' অনুষ্ঠান আয়োজন কৰা হয়। এই উপলক্ষে নলবাৰী ছহিদ ভৱন বাৰন্দাত অনুষ্ঠিত অনুষ্ঠানৰ প্ৰাৰম্ভতে স্বনামধন্য শিল্পী তথা বিশিষ্ট বাঁহীবাদক প্ৰভাত শৰ্মা, বিশিষ্ট কণ্ঠশিল্পী কুল বৰুৱা, মনোৰঞ্জন গগৈ আৰু কণ্ঠশিল্পী নীড় দীপংকৰৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি প্ৰদান কৰে সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ সভাপতি গুণজ্যোতি পাঠক, সাধাৰণ সম্পাদক অক্ষয় ডেকা, বাদ্যযন্ত্ৰী সন্থাৰ নলবাৰী জিলা সমিতিৰ সভাপতি হিমাংশু পি ডেকা, নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি ৰুবুল বৰ্মন, সাধাৰণ সম্পাদক নৱ কুমাৰ ডেকা, শিল্পী কমল বৰ্মনকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে। ইপিনে, সন্থাৰ জিলা সম্পাদক কিশোৰ মেনাই আঁত ধৰা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত সদৌ অসম ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদক ভৰজিৎ বেজবৰুৱা, বিশিষ্ট শিল্পী অলকেশ বৰুৱা, প্ৰাক্তন ছাত্ৰ নেতা অজিত ভাগৱতী, শিল্পী হেমাংগ দত্তই চাৰিগৰাকী শিল্পীৰ জীৱনৰ ওপৰত আলোকপাত কৰে। শিল্পী কেইগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি এক মিনিট সময় মৌনব্ৰত পালন কৰা হয়।

# যুৱ-ছাত্ৰ পৰিষদৰ বৰভাগ মহাবিদ্যালয় গোট গঠন

অগ্ৰদূত বাৰ্তা

**বৰভাগ, ৩ মাৰ্চ ঃ** অসমৰ জাতীয়তাবাদৰ এক ভেটি স্বৰূপ নলবাৰী জিলাৰ সপ্ত ছহিদ স্থান নামে পৰিচিত বৰভাগ। বৰভাগ মহাবিদ্যালয়ত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে বৰভাগ আঞ্চলিক সমিতিৰ সাংস্কৃতিক সম্পাদক ময়ূৰ ৰহমান, প্ৰচাৰ সম্পাদক চাজিদ আহমেদ, দ্বীপজ্যোতি, বিত্তীয় সম্পাদক কংকন কলিতাৰ উপস্থিত ৰাকেশ শৰ্মাক সভাপতি আৰু সীমান্ত দাসক সাধাৰণ সম্পাদকৰ দায়িত্ব দি এটি গোট গঠন কৰে। নৱগঠিত গোটৰ সমূহ বিষয়ববীয়াই অধ্যয়নৰ লগতে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ দীৰ্ঘদিনীয়া আপোচবিহীন সংগ্ৰামখনত সদায় জড়িত হৈ থাকিব বুলি কয়।

# গোৱালপাৰাৰ তিনকোণীয়া বিলত বান্ধ নিৰ্মাণৰ বিৰুদ্ধে ৰাইজৰ উত্তাল প্ৰতিবাদ

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ৩ মাৰ্চ ঃ** গোৱালপাৰা চহৰৰ কাৰবালাৰ নিকটৱৰ্তী তিনিকোণীয়া বিলৰ মাজত বান্ধ নিৰ্মাণ কৰি একাংশ লোকে বেদখলৰ চেষ্টা চলোৱা বুলি গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। একাংশ অজ্ঞাত লোকে নিশা হ'লেই ডাম্পাৰেৰে বান্ধ নিৰ্মাণত লাগি পৰে বুলি স্থানীয় ৰাইজৰ অভিযোগ প্ৰকাশ। উল্লেখ্য যে যুগ যুগ ধৰি বিলখনত দৰিদ্ৰ কৃষকসকলে খেতি-বাতি কৰি আহিছে। কিন্তু হঠাৎ বিলখনৰ মাটি বেদখল কৰাৰ চেষ্টা চলোৱাত অঞ্চলটোৰ ৰাইজৰ মাজত চেপা উত্তেজনা বিৰাজ কৰিছে। আজি অঞ্চলটোৰ একাংশ ৰাইজে বান্ধটোৰ কাষত লৈ ওলাই আহি প্ৰতিবাদ সাব্যস্ত কৰি প্ৰশাসনক এই ক্ষেত্ৰত ব্যৱস্থা লবলৈ



দাবী উত্থাপন কৰে। স্থানীয় বিজেপি নেত্ৰী জেছমিনা খাতুনে কয় যে মীন নিগমে স্থানীয় ৰাইজক অন্ধকাৰত ৰাখি কামৰ কোনো ছাইনব'ৰ্ড নিদিয়াকৈ বান্ধ নিৰ্মাণ কৰি আছে। এই বৃহৎ বান্ধ নিৰ্মাণ হ'লে হেজাৰ হেজাৰ বিঘা ভূমিত খেতি-বাতি কৰা বন্ধ হোৱাৰ লগতে মাছ মৰাও বন্ধ হ'ব। ফলত এই অঞ্চলৰ দৰিদ্ৰ ৰাইজে নাখাই মৰিব লাগিব বুলি আশংকা প্ৰকাশ কৰিছে। সেয়ে বান্ধটো বন্ধ কৰাৰ দাবীৰে আজি গোৱালপাৰা জিলা উপায়ুক্তক এখন অভিযোগ দাখিল কৰে।

# ভোটাৰৰ অভিযোগ গ্ৰহণৰ বাবে ধুবুৰীত ভোটাৰ নিৰীক্ষণ কেন্দ্ৰ স্থাপন

**ধুবুৰী, ৩ মাৰ্চ ঃ** ধুবুৰী নিৰ্বাচন জিলাৰ অন্তৰ্গত ধুবুৰী, গৌৰীপুৰ আৰু গোলকগঞ্জ বিধানসভা সমষ্টিৰ ভোটাৰ ৰাইজৰ সুবিধাৰ বাবে প্ৰশাসনে স্থাপন কৰিছে অভিযোগ নিৰীক্ষণ কেন্দ্ৰ। জিলা নিৰ্বাচন বিষয়া তথা জিলা উপায়ুক্ত দেৱ কুমাৰ কলিতাই সদৰী কৰা মতে, ভোটাৰ ৰাইজে বিধানসভা নিৰ্বাচনৰ স'তে সম্পৰ্কিত যিকোনো অভিযোগ টোল ফ্ৰী ১৯৫০, ১০৭৭ আৰু ০৩৬৬২-২৩১১৪৯ নম্বৰলৈ ফোন কৰি জনাব পাৰিব। দিনে-নিশাই কাৰ্যক্ষম হৈ থাকিবলগীয়া এই অভিযোগ নিৰীক্ষণ কেন্দ্ৰলৈ ভোটাৰে নিৰ্বাচন সম্পৰ্কীয় যিকেনো প্ৰশ্নৰ উত্তৰ পাবৰ বাবে আৰু সন্দেহ নিৰাময়ৰ বাবেও ফোন কৰিব পাৰিব। ৰাইজৰ প্ৰশ্ন বা অভিযোগবোৰ প্ৰয়োজনত কল চেণ্টাৰৰ পৰা সংশ্লিষ্ট নিৰ্বাচন কোষ বা বিভাগলৈ প্ৰেৰণ কৰিও সমাধানৰ ব্যৱস্থা কৰা হ'ব। ৰাইজক এই সুবিধা গ্ৰহণ কৰি সকলোৰে অংশগ্ৰহণেৰে এক স্বচ্ছ আৰু নিকা নিৰ্বাচন অনুষ্ঠিত কৰাত সহযোগ কৰিবলৈ নিৰ্বাচন বিষয়া পাৰ্থ প্ৰতীম বৰ্মনে আহ্বান জনাইছে।

# বিশ্বনাথ জিলা আছাৰ সাধাৰণ সভা সম্পন্ন

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ৩ মাৰ্চ ঃ** বিশ্বনাথত যোৱা ২৭ ফেব্ৰুৱাৰীত অনুষ্ঠিত কৰা হয় অসম আদিবাসী ছাত্ৰ সন্থাৰ বিশ্বনাথ জিলাৰ সাধাৰণ সভা। এই সভা অনুষ্ঠিত কৰা হয় বিশ্বনাথৰ সাহিত্য সভাৰ ভৱনত। সভাত সভাপতিত্ব কৰে আছাৰ বিশ্বনাথ জিলা সমিতিৰ সভাপতি অমিত কিণ্ডু আৰু সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক অজিত কুৰ্মীয়ে। সভাত অহা সাত মাৰ্চত গহপুৰত অনুষ্ঠিত হ'ব লগা গণহুংকাৰ কাৰ্যসূচীৰ উপৰি জিলা আছাৰ সাংগঠনিক দিশৰ ওপৰতো আলোচনা কৰাৰ লগতে সমাগত নিৰ্বাচনত বিশ্বনাথত আছাৰ ভূমিকা কেনে হ'ব আৰু চাহ শ্ৰমিকসকলৰ বিভিন্ন সমস্যাসমূহ সমাধানৰ ক্ষেত্ৰত কিদৰে গণতান্ত্ৰিক আন্দোলনখন আগুৱাই নিব। তাৰ ওপৰত আলোচনা কৰা হয়। সভাত উপস্থিত থাকে সদৌ অসম আদিবাসী ছাত্ৰ সন্থা বিশ্বনাথ জিলা সমিতিৰ সভাপতি অমিত কুণ্ডু, সম্পাদক অজিত কুৰ্মী, গহপুৰৰ আঞ্চলিক সমিতিৰ বিষয়ববীয়া, বিহালী আঞ্চলিক সমিতিৰ বিষয়ববীয়া, বিশ্বনাথ আঞ্চলিক সমিতিৰ বিষয়ববীয়া, ছুনাজুলী আঞ্চলিক সমিতিৰ বিষয়ববীয়া, তিনিখুতি আঞ্চলিকৰ বিষয়ববীয়া, গিলাধাৰী আঞ্চলিক সমিতিৰ বিষয়ববীয়া, বাঘমৰা আঞ্চলিক আৰু বৰপথাৰ আঞ্চলিক সমিতিৰ বিষয়ববীয়াসকল।

# গোৱালপাৰাত আৰ পি আই দলত যোগদান জিলা কংগ্ৰেছ নেতাৰ

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ৩ মাৰ্চ ঃ** আজি গোৱালপাৰা জিলা কংগ্ৰেছৰ প্ৰশাসনিক সাধাৰণ সম্পাদক মজিবৰ ৰহমানে আৰ পি আই (আতোৱাল) দলত যোগদান কৰে। আৰ পি আইৰ অসম ৰাজ্যিক সংখ্যালঘু কোষৰ সভাপতি ৰেজাউল কৰিমৰ উপস্থিতিত আজি গোৱালপাৰা জিলা সাংবাদিক সন্থাৰ কাৰ্যালয়ত আব্দুল মালেক মণ্ডলৰ পৌৰোহিত্যত অনুষ্ঠিত এখন সভাত ৰহমানে কে'বাজনো সমৰ্থকসহ দলটোত যোগদান কৰে। আৰ পি আইৰ কেন্দ্ৰীয় সভাপতি তথা কেন্দ্ৰীয় চৰকাৰৰ সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগৰ মন্ত্ৰী ৰামদাস আতোৱালৰ কৰ্মৰাজিৰ প্ৰতি আকৃষ্ট হৈ সমাজৰ দুৰ্বল শ্ৰেণীটোৰ উন্নয়ন কৰাৰ স্বাৰ্থতেই ৰহমানে দলটোত যোগদান কৰা বুলি কয়। তেওঁ বৰ্তমান কংগ্ৰেছত স্থানীয় স্থান নথকা বাবেই বিগত সাত-আঠ মাহ ধৰি জিলা কংগ্ৰেছৰ কাৰ্যালয় ত্যাগ কৰা বুলি প্ৰসংগক্ৰমে উল্লেখ কৰে। ইপিনে, আৰ পি আই (আতোৱাল)ৰ অসম ৰাজ্যিক সংখ্যালঘু কোষৰ সভাপতি ৰেজাউল কৰিমে এক সংবাদমেল সম্বোধন কৰি কয়, 'কংগ্ৰেছ আৰু এআইইউডিএফে বিশেষকৈ সংখ্যালঘুক ভোটবেংক হিচাপে ব্যৱহাৰ কৰি আহিছে। কংগ্ৰেছে দীৰ্ঘদিন ক্ষমতাত থাকে যদিও সংখ্যালঘু দৰিদ্ৰ তথা নিষ্পেষিত জনতাৰ বিশেষ উন্নয়ন কৰিব পৰা নাই। ইপিনে, বিজেপিক সমালোচনা কৰি আহিছে যদিও বাঘবৰ সমষ্টিৰ দৰে অতিকৈ পিছপৰা অঞ্চলত বিজেপি চৰকাৰৰ দিনতে যথেষ্ট পৰিমাণে উন্নয়ন হোৱা বুলি কয়। আগন্তুক নিৰ্বাচনত আৰ পি আই দলে বাঘবৰ আৰু গোৱালপাৰা পূবকে ধৰি ২০ টা সমষ্টিত দলীয় প্ৰাৰ্থী প্ৰক্ষেপ কৰিব বুলি কয়।

# নলবাৰীত বিশ্ব শ্ৰৱণ দিৱস উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ৩ মাৰ্চ ঃ** ৰাষ্ট্ৰীয় বধিৰতা নিৰাময় আৰু নিয়ন্ত্ৰণ কাৰ্যসূচীৰ নলবাৰী জিলা সমিতিৰ উদ্যোগত আজি নলবাৰীত দিনজোৰা কাৰ্যসূচীৰে বিশ্ব শ্ৰৱণ দিৱস পালন কৰা হয়। এই উপলক্ষে পুৱা কানৰ যতন সন্দৰ্ভত সজাগতা বৃদ্ধিৰ উদ্দেশ্যে এক সমদল উলিওৱা হয়। নলবাৰী জিলা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ উমেশ ফাংচ'ৰে উদ্বোধন কৰা সমদলত নলবাৰী নাৰ্ছিং প্ৰশিক্ষণ কেন্দ্ৰ চৌহদৰ পৰা সোণপুৰ, অট'ষ্টেণ্ড হৈ পুনৰ ছহিদ মুকুন্দ কাকতি অসামৰিক চিকিৎসালয় চৌহদত উপস্থিত হয়। ইয়াৰ পাছত নলবাৰী নাৰ্ছিং প্ৰশিক্ষণ কেন্দ্ৰত এখন সজাগতা সভা অনুষ্ঠিত হয়। ডাঃ অৰুণ বৰ্মনৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ উমেশ ফাংচ', ছহিদ মুকুন্দ কাকতী অসামৰিক চিকিৎসালয় অধীক্ষক ডাঃ ধনঞ্জয় কলিতা, নাৰ্ছিং প্ৰশিক্ষণ কেন্দ্ৰৰ অধ্যক্ষা গীতা দত্ত, অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বহক ডাঃ বিপিন চন্দ্ৰ কলিতা, সদৌ অসম ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদক ভৰজিৎ বেজবৰুৱা, সাংবাদিক এম মহিবৰ ৰহমান, শশাংক শৰ্মা, বৰভাগ মহাবিদ্যালৰ প্ৰাক্তন অধ্যক্ষ ফণীধৰ ডেকা, বিশিষ্ট চিকিৎসক ডাঃ নিবাৰণ শৰ্মা, ডাঃ ভাস্কৰ ঠাকুৰীয়া, ডাঃ গুণজিত ডেকা, ডাঃ ৰিতুস্মিতা দত্ত, নমিতা চক্ৰৱৰ্তী আদিয়ে কাণৰ যতন আৰু সজাগতা সন্দৰ্ভত বক্তব্য প্ৰদান কৰে। সাংস্কৃতিক কৰ্মী অনুপম ডেকাই আঁত ধৰা সভাখনত আদৰণি ভাষণ দিয়ে ৰাষ্ট্ৰীয় বধিৰতা নিৰাময় আৰু নিয়ন্ত্ৰণ কাৰ্যসূচীৰ নলবাৰীৰ দায়িত্ববাহী বিষয়া ডাঃ কামেশ্বৰ লহকৰে।

# ধুবুৰী জিলাত ৰাইজৰ দলৰ টিকটৰ দাবীত সাত প্ৰাৰ্থীৰ আবেদন পত্ৰ দাখিল

অগ্ৰদূত বাৰ্তা

**গৌৰীপুৰ, ৩ মাৰ্চ ঃ** সমাগত বিধানসভা নিৰ্বাচনক কেন্দ্ৰ কৰি গৰম হৈ উঠিছে ৰাজ্যৰ ৰাজনীতি। আন আন জিলাৰ দৰে ৰাইজৰ দলে ধুবুৰী জিলাতো প্ৰাৰ্থী প্ৰক্ষেপ কৰাৰ প্ৰস্তুতি আৰম্ভ কৰিছে। আজি ৰাইজৰ দলৰ ধুবুৰী জিলা সভাপতি জগন্নাথ ভকতৰ ওচৰত সাতগৰাকীকৈ প্ৰাৰ্থিত্ব প্ৰত্যাশীয়ে দলীয় টিকটৰ বাবে আবেদন পত্ৰ দাখিল কৰে। ইয়াৰে বিলাসীপাৰা পশ্চিম সমষ্টিৰ পৰা ক্ৰমে, বেল্লাল হুছেইন, খাইৰুল ইছলাম আৰু ড° আনেছ আহমেদ, পূব বিলাসীপাৰাৰ পৰা মোছলেম উদ্দিন, দক্ষিণ শালমাৰাৰ পৰা নজৰুল ইছলাম, ধুবুৰী সদৰ সমষ্টিৰ পৰা আনোৱাৰ হুছেইন আৰু গৌৰীপুৰ সমষ্টিৰ পৰা হিফজুৰ ৰহমানে দলীয় টিকটৰ দাবীত আবেদন পত্ৰ দাখিল কৰে।

# মিকিৰ বামুণী গ্ৰাণ্টৰ কৃষক আন্দোলনৰ জামিন লাভ কৰা চাৰি কৃষকক লৈ ৰাইজৰ সমদল

বিশেষ সংবাদদাতা

**নগাঁও, ৩ মাৰ্চ ঃ** নিজৰ প্ৰাপ্য বিচাৰি আৰক্ষীৰ হাতত গ্ৰেপ্তাৰ হৈ কাৰাগাৰলৈ যাবলগীয়া হোৱা নগাঁও জিলাৰ বঢ়মপুৰৰ মিকিৰ বামুণী গ্ৰাণ্টৰ থলুৱা কৃষক লক্ষীৰাম মাৰ্ডী, ভাইটি টিমুং, চিকাৰী ৰংপী আৰু বুকু মাৰ্ডীক গুৱাহাটী উচ্চ ন্যায়ালয়ে জামিনত মুক্তি দিয়াত নগাঁও জিলা কাৰাগাৰৰ পৰা মুকলি আকাশৰ তললৈ আহি মিকিৰ বামুণী গ্ৰাণ্টৰ নিজৰ গাঁৱত উপস্থিত হয়। তেওঁলোকক মিকিৰ বামুণী গ্ৰাণ্টৰ সহস্ৰাধিক পুৰুষ-মহিলাই বামুণী তিনিআলিৰ পৰা সমদল কৰি ঘৰলৈ আগবঢ়াই নিয়ে। সমদলকাৰীসকলে 'আজুৰ কোম্পানী গ' বেক', 'অসম চৰকাৰ হায় হায়', 'আমোলাতন্ত্ৰৰ দালালি বন্ধ কৰক', 'বহিৰাগত বণিয়াৰ হৈ পুলিচী অত্যাচাৰ বন্ধ কৰক', 'মাটিৰ দালাল হুচিয়াৰ' আদি শ্ল'গান দিয়ে। তদুপৰি মিকিৰ বামুণী গ্ৰাণ্টৰ কোম্পানীয়ে দখল কৰা পথাৰখনৰ সন্মুখত এখন ৰাজহুৱা সভাও অনুষ্ঠিত কৰে। এই সভাত বিশিষ্ট ব্যক্তি হিচাপে প্ৰাক্তন বিধায়ক হলিৰাম টেৰাং, অধিবক্তা-বিশিষ্ট লেখক কিশোৰ কুমাৰ কলিতা, উচ্চ ন্যায়ালয়ৰ অধিবক্তা কৃষ্ণ গগৈৰ লগতে বিভিন্ন দল-সংগঠনৰ নেতা আৰু সহস্ৰাধিক স্থানীয় লোক স্বতঃস্ফূৰ্তভাৱে অংশগ্ৰহণ কৰে। উল্লেখ্য যে যোৱা ২৬ জানুৱাৰীৰ পৰা মিকিৰ বামুণী গ্ৰাণ্টৰ কৃষকসকলে কৰি থকা অবিৰত আন্দোলনৰ কাৰ্যসূচী অব্যাহত থাকিব বুলি কৃষকসকলে কয়।

# কাজলগাঁৱত সংবাদমেলযোগে বংগভাষা বিকাশ মঞ্চৰ আত্মপ্ৰকাশ

অগ্ৰদূত ব্যুৰ'

**ৰঙাইগাঁও, ৩ মাৰ্চ ঃ** বিটিআৰৰ লগতে অসমত বাংলা ভাষা-সাহিত্য-সংস্কৃতিৰ বিকাশৰ উদ্দেশ্যে 'বংগ ভাষা বিকাশ মঞ্চ' নামেৰে এক নতুন সাহিত্য মঞ্চ আত্মপ্ৰকাশ কৰিছে। যোৱা ২৮ ফেব্ৰুৱাৰীত চিৰাং জিলা সদৰ কাজলগাঁৱস্থিত বড়োলেণ্ড গেষ্ট হাউছত নৱগঠিত বংগ ভাষা বিকাশ মঞ্চৰ তৰফৰ পৰা এক সংবাদমেল সম্বোধন কৰি আত্মপ্ৰকাশ কৰে। মঞ্চৰ সভাপতি ড° ৰাজীৱ কুমাৰ সাহা আৰু সম্পাদক মুকুল চন্দ্ৰ ৰায়ে সংবাদমেল সম্বোধন কৰি কয় যে নৱগঠিত এই মঞ্চই বিটিএডিৰ লগতে অসমত বাংলা ভাষা-সাহিত্য-সংস্কৃতিৰ বিকাশৰ দিশত কাম কৰিব। লগতে সাহিত্য-সংস্কৃতিৰ এই মঞ্চখনে অনাগত সময়ত প্ৰচাৰ বিমুখ শিল্পী, সাহিত্যিকৰ সৃষ্টিসমূহ ৰাইজৰ মাজলৈ আগবঢ়াই নিয়াত সহায়ক হ'ব বুলিও মন্তব্য কৰে। উল্লেখ্য যে বিটিএডিৰ চাৰিওখন জিলাৰ যথেষ্টসংখ্যক বুদ্ধিজীৱী, শিক্ষাবিদ আৰু সমাজকৰ্মীৰ উপস্থিতিত যোৱা ২০২০ৰ ১৩ ছেপ্টেম্বৰত অনুষ্ঠিত এক সভাৰ মাধ্যমেৰে এই মঞ্চ গঠন কৰা হৈছিল।

# বাউসী উদয়পুৰত ৮৯ সংখ্যক শ্ৰীশ্ৰী মহাশিৱৰাত্ৰি মহোৎসৱৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ৩ মাৰ্চ ঃ** নলবাৰী জিলাৰ বাউসী উদয়পুৰত অহা ১০ৰ পৰা ১২ মাৰ্চলৈ তিনিদিনীয়া কাৰ্যসূচীৰে উদ্‌যাপন কৰা হ'ব ৮৯ সংখ্যক শ্ৰীশ্ৰীমহাশিৱৰাত্ৰি মহোৎসৱ। কাৰ্যসূচী অনুসৰিস ১০ মাৰ্চত ধৰ্মীয় পতাকা উত্তোলন, সংঘৰ পতাকা উত্তোলন, বৃক্ষৰোপণ, বিয়াগীত প্ৰতিযোগিতা, প্ৰয়াত কুশল তালুকদাৰৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন, সোঁৱৰণী ব্যক্তিৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ, সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হ'ব। নিশা ন বজাত যুৱ সমাজৰ উদ্যোগত 'সন্ধ্যা তৰা' নাট প্ৰদৰ্শন কৰিব। অহা ১১ মাৰ্চত পুৱা ভেশছন প্ৰতিযোগিতা, আবেলি অকণিৰ মৌমেল, বন্তি প্ৰজ্বলন, সন্ধিয়া ধৰ্মীয় শোভাযাত্ৰা, গোসাঁই বৰণ, নিশা ১০ বজাত 'শকুন্তলা' নাট্যগোষ্ঠীৰে নাট প্ৰদৰ্শন কৰিব। নিশা শ্ৰীশ্ৰী মহাশিৱৰাত্ৰি পূজা আৰম্ভ। আনহাতে, ১২ মাৰ্চৰ সামৰণিৰ দিনা পুৱা বিষ্ণু হোমযজ্ঞ, বিয়লি নাগাৰা নাম পৰিৱেশন কৰা হ'ব।

# দৰঙত বিহুৰ কৰ্মশালা সম্পন্ন

## শিল্পী-সাহিত্যিক-ক্ৰীড়াবিদক সন্মান প্ৰদান



**মঙলদৈ, ৩ মাৰ্চ ঃ** দৰঙৰ জ্ঞান দীপ একাডেমী দিপিলা আৰু লহৰ আঞ্চলিক সাংস্কৃতিক সন্থা, অসমৰ সৌজন্যত যোৱা ২১ ফেব্ৰুৱাৰীৰ পৰা ২৭ ফেব্ৰুৱাৰীলৈ বিহু বিষয়ক এখন কৰ্মশালা অনুষ্ঠিত হয়। প্ৰশিক্ষণত অংশগ্ৰহণ কৰে ডি ৰাই বিহুৰাম ৰাণী হিৰণময়ী কলিতা, ৰং চেনেলৰ পুৰস্কাৰপ্ৰাপ্ত ৰাজু বৰুৱা, বিহু কলিতা আৰু মনালিছা বশিষ্ঠই। বিহু নাচ কৰ্মশালাৰ সামৰণি কাৰ্যসূচী হিচাপে বৰ্ণিল সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানত দৃষ্টিৰূপা চহৰীয়া, মধুস্মিতা বড়ো, ভায়োলিনা চহৰীয়া, শিখা ডেকাই নৃত্য, মৃণ্ময় কলিতাৰ বাঁহী, কৌস্তভ কলিতা আৰু বেদশ্ৰী গোস্বামীয়ে গীত পৰিৱেশন কৰে। পুৱা ১০ বজাত আৰম্ভ হোৱা অনুষ্ঠান সঞ্চালনা কৰে অসম জাতীয় বিদ্যালয় নুনমাটিৰ শিক্ষয়িত্ৰী অৰ্পনা দেৱীয়ে। উদ্বোধনী ভাষণত আজি অসমীয়া বিহু একাংশ ব্যৱসায়ীৰ কবলত পৰি বিজতৰীয়া সংস্কৃতিলৈ পৰ্যবসিত হৈছে বুলি সাংস্কৃতিক মহাসভাৰ সভাপতি পৱিত্ৰ কুমাৰ শৰ্মাই উল্লেখ কৰে। দিনৰ এক বজাত প্ৰমাণপত্ৰ বিতৰণ, সম্বৰ্ধনা জ্ঞাপন আৰু সন্মান প্ৰদান কৰা হয়। উক্ত সভাত অৱসৰী প্ৰধান শিক্ষক ৰামচন্দ্ৰ চহৰীয়াই অংশগ্ৰহণ কৰে। উক্ত অনুষ্ঠানত নিস্বাৰ্থভাৱে কাম কৰা মানুহ ক্ৰমান্বয়ে হ্ৰাস পাই আহিছে বুলি উদ্বোধনী ভাষণত ব্যৱসায়ী হেমন্ত চহৰীয়াই মন্তব্য কৰে। অৱসৰপ্ৰাপ্ত অধ্যক্ষ প্ৰফুল্ল চন্দ্ৰ বৰুৱাই আদৰণি ভাষণ প্ৰদান কৰে। সভাখনত পশ্চিম দৰং অঞ্চলৰ ২৭ গৰাকী জ্যেষ্ঠ ব্যক্তিক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। আনহাতে, জাতীয় কলাকৃষ্টি সংস্কৃতি, সাহিত্য আৰু ক্ৰীড়াৰ ক্ষেত্ৰত অনবদ্য অৱদান আগবঢ়োৱা ১২ গৰাকী লোকক সন্মান প্ৰদান কৰা হয়। অসমৰ বিভিন্ন অঞ্চলৰ যথাক্ৰমে শিৱসাগৰ জিলাৰ পুলু দত্তক 'শিল্পী শ্ৰী', গীতালী দেৱীক 'সাহিত্য সৌৰভ', ক্ষীৰোদ দাস নাথক 'নাট্য ভূষণ' সভাৰাম বৰালৈ কাব্য ভূষণ, দৰং জিলাৰ মতিৰাম বৰালৈ ব্যাস ভূষণ, শুভা ৰাম হাজৰিকাক 'শিল্পী ভূষণ', লাৱণ্য মহন্ত চহৰীয়ালৈ 'ক্ৰীড়াভূষণ' দৰঙৰ খনীন্দ্ৰ কুমাৰ কলিতাক সাহিত্য ভূষণ সন্মান, বৰপেটা জিলাৰ সুনীল দাসলৈ বিহু ভূষণ, শোণিতপুৰ জিলাৰ গীতাঞ্জলী দেৱীক 'নৃত্য ভূষণ' লখিমপুৰৰ সোণমণি চেতিয়া গগৈক নৃত্য ভূষণ সন্মান প্ৰদান কৰা হয়। উক্ত অনুষ্ঠানত জ্ঞান দীপ একাডেমী দিপিলাৰ সম্পাদক ধৰণীধৰ কলিতা আৰু লহৰ আঞ্চলিক সাংস্কৃতিক সন্থা অসমৰ সম্পাদক প্ৰধান বিহু ৰাম কলিতা উপস্থিত থাকে।

# ভিঠাৰাত মহাশিৱৰাত্ৰি পূজাৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ৩ মাৰ্চ ঃ** হাজো সমষ্টিৰ পশ্চিম বড়িগোগ মৌজাৰ গৰমচুং ভিঠাৰা শিৱমন্দিৰ প্ৰাংগণত অহা ১১ মাৰ্চত এদিনীয়াকৈ ৪০ সংখ্যক শ্ৰীশ্ৰী মহাশিৱৰাত্ৰি পূজাৰ আয়োজন কৰা হৈছে। সেইদিনা পুৱা ধৰ্মধ্বজা উত্তোলন, পাঁচজন বিশিষ্ট ব্যক্তিৰ দ্বাৰা গছপুলি ৰোপণ, সমূহীয়া চাফাই, সন্ধিয়া কে'বাজনো বিশিষ্ট ব্যক্তিৰ দ্বাৰা এশ গছি বন্তি প্ৰজ্বালন, টোপধ্বনি, পূজাৰম্ভ, আয়তীনাম, নিশা নাগাৰা নাম, মহাশান্তি প্ৰদান, প্ৰসাদ আৰু ভোগ গ্ৰহণৰ পাছত পূজাৰ সামৰণি। ইতিমধ্যে কিশোৰ কুমাৰ শৰ্মাক সভাপতি আৰু মানস প্ৰতীম শৰ্মাক সম্পাদক হিচাপে লৈ এখন পূজা পৰিচালনা সমিতি গঠন কৰা হৈছে।

# চতিয়া সমষ্টিত বিজেপি-কংগ্ৰেছৰ নিৰ্বাচনী তৎপৰতা

অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ৩ মাৰ্চ ঃ** আগন্তুক অসম বিধানসভাৰ নিৰ্বাচনলৈ হাতত মাথোঁ ২৬টা দিন বাকী থকা অৱস্থাত চতিয়া সমষ্টিতো নিৰ্বাচনী তৎপৰতা আৰম্ভ হৈছে। সমষ্টিটোত আটাইকেইটা ৰাজনৈতিক দলে তৎপৰতা আৰম্ভ কৰিছে যদিও বিগত নিৰ্বাচনসমূহৰ দৰে এইবাৰো মূলযুঁজখন বিজেপি আৰু কংগ্ৰেছৰ মাজতেই হ'ব সেয়া নিশ্চিত। বৰ্তমান বিজেপিৰ দখলত থকা চতিয়া সমষ্টিত বৰ্তমানৰলৈকে বিজেপি আৰু কংগ্ৰেছৰ নিৰ্বাচনী তৎপৰতাৰ বিপৰীতে বাকী দলৰ কোনো ধৰণৰ নিৰ্বাচনী তৎপৰতা তথা কুচকাৱাজ চকুত লগা পৰিলক্ষিত হোৱা নাই। নিৰ্বাচনী তৎপৰতাৰ ক্ষেত্ৰত সমষ্টিটোত বৰ্তমানৰ শাসকীয় দলৰ বিধায়ক পদ্ম হাজৰিকাই জোৰদাৰ নিৰ্বাচনী তৎপৰতা চলোৱা পৰিলক্ষিত হৈছে। প্ৰতিদিনে বিধায়কজনে বিজেপিৰ বিভিন্ন পৰ্যায়ৰ শাখা সমিতিসমূহৰ লগত আগন্তুক নিৰ্বাচন সম্পৰ্কত সঘন আলোচনা অব্যাহত ৰখাৰ সমান্তৰালকৈ দলীয় কৰ্মীসকলক ৰাইজৰ কাষলৈ গৈ যোৱা পাঁচ বছৰৰ সমষ্টিটোত কৰা উন্নয়নমূলক আঁচনিসমূহৰ বিষয়ে ৰাইজক অৱগত কৰিবলৈ আহ্বান জনাইছে। যোৱা ২৩ ফেব্ৰুৱাৰীত সমষ্টিটোৰ অন্তৰ্গত জামুগুৰিহাটত মহিলা সমাৰোহ অনুষ্ঠিত কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালক আমন্ত্ৰণ কৰি আনি একপ্ৰকাৰে নিৰ্বাচনী তৎপৰতা তীব্ৰতৰ কৰি তোলাৰ লগতে ২৪ ফেব্ৰুৱাৰীত সাংসদ পল্লবলোচন দাসেও চতিয়া সমষ্টিত চাহ জনজাতিৰ লোকৰ এক সভাত অংশগ্ৰহণ কৰে। ইয়াৰ বিপৰীতে কংগ্ৰেছৰ সমষ্টিটোত নিৰ্বাচনী তৎপৰতা কিছু কম হোৱা পৰিলক্ষিত হৈছে যদিও প্ৰদেশ কংগ্ৰেছৰ সভাপতি ৰিপুন বৰাই জনপ্ৰিয় গায়ক বাবুক সমষ্টিটোৰ টুপিয়ালৈ আনি নিজৰ নিৰ্বাচনী কুচকাৱাজ চলাইছে। অৱশ্যে বিজেপিৰ প্ৰাৰ্থীৰূপে বৰ্তমানৰ বিধায়ক হাজৰিকাই যিদৰে নিৰ্বাচনী কুচকাৱাজ চলাই গৈছে তাৰ বিপৰীতে কংগ্ৰেছৰ কোনে টিকট লাভ কৰিব সেয়া এই মুহূৰ্ততো নিশ্চিত নোহোৱাত কিছু থমকি ৰোৱা বুলিয়েই খোদ কংগ্ৰেছ কৰ্মীৰ মাজতেই চৰ্চা চলিছে। প্ৰাক্তন বিধায়ক প্ৰাণেশ্বৰ বসুমতাৰী, যুৱনেতা দাদুল বৰকাকতি, পাৰ্থ প্ৰতিম বৰা, কন্দৰ্প শইকীয়া, প্ৰেম নেৰাৰকে ধৰি নগৰাকীয়ে এইবাৰ চতিয়া সমষ্টিৰ পৰা কংগ্ৰেছৰ প্ৰাৰ্থিত্ব বিচাৰিছে।




## জানানে??

১) সোৰজগতৰ আটাইতকৈ ডাঙৰ উপগ্ৰহটোৰ নাম কি?
২) বিশ্বৰ প্ৰথম বিজ্ঞানীজনৰ নাম কি?
৩) ডাকটিকটৰ যোগেৰে সন্মানিত হোৱা ভাৰতৰ প্ৰথমজন ব্যক্তি কোন আছিল?
৪) নোবেল বঁটা বিজয়ী প্ৰথম মহিলাগৰাকীৰ নাম কি?
৫) বিশ্বৰ সবাতোকৈ দামী পোষ্টকাৰ্ডখনৰ মূল্য কিমান?
৬) ভাৰতৰ আটাইতকৈ বৃহৎ পুথিভঁৰালটোৰ নাম কি?
৭) বিশ্বৰ আটাইতকৈ ডাঙৰ প্ৰাণীটো কি?
৮) ফিংগাৰ প্ৰিণ্টছৰ আৱিষ্কাৰ কোনে কৰিছিল?
৯) পৃথিৱীৰ আটাইতকৈ ডাঙৰ চাইকেলখনৰ নাম কি?
১০) কৃত্ৰিম হৃদযন্ত্ৰ কোনে আৱিষ্কাৰ কৰিছিল?
১১) কম্পিউটাৰৰ ভাইৰাছ প্ৰথমে কোনে আৱিষ্কাৰ কৰিছিল?
১২) বিশ্বৰ সবাতোকৈ দামী ফাউণ্টেন পেনটোৰ নাম কি?
১৩) বিশ্বৰ সৰ্ববৃহৎ কাৰাগাৰখনৰ নাম কি?
১৪) পৃথিৱীৰ প্ৰথম ম'বাইল ফোন ভাইৰাছটোৰ নাম কি?
১৫) হজৰত মহম্মদৰ সম্পূৰ্ণ নাম কি আছিল?
১৬) এজন মানুহে প্ৰতিদিনে কিমান বায়ু গ্ৰহণ কৰে?

**উত্তৰসমূহ ঃ** ১) গেণিমেড, ২) আৰ্কিমিডিছ, ৩) মহাত্মা গান্ধী, ৪) মেডাম কুৰী, ৫) ৪,৪০০ মাৰ্কিন ডলাৰ, ৬) জাতীয় গ্ৰন্থাগাৰ, ৭) নীলা তিমি, ৮) এলফ'ন্স বাৰ্টিলন, ৯) ফ্ৰাংকেনচাইকেল, ১০) কলফে আৱিষ্কাৰ কৰিছিল, ১১) পাকিস্তানৰ বচিত আলী আৰু আমজেদ আলীয়ে, ১২) মিষ্টাৰষ্টাক, ১৩) ৰাছিয়াৰ খাৰক'ভ জেইল, ১৪) কেবিৰ (*cabir*), ১৫) আবু অল-কাছিম মহম্মদ ইবন অৱদ আল্লা ইবন অৱদ অল-মুটালিব ইবন হাছিম, ১৬) ১৩,৫০০ লিটাৰ।

## চুঙা চাই সোপা

**আজিৰ** পৰা প্ৰায় ১০০০-১২০০ বছৰ পূৰ্বৰ ঘটনা। ৰত্নপীঠ নামৰ এখন বিশাল ৰাজ্যৰ গোপীকান্ত নামৰ এজন বৰ কৃপণ আৰু নিষ্ঠুৰ প্ৰকৃতিৰ ৰজাই ৰাজত্ব কৰিছিল। উক্ত ৰজাৰ ৰাজ্যত প্ৰজাসাধাৰণ বৰ কৰ্মপটু আৰু দেশপ্ৰেমী আছিল। সিহঁতে ভুলতেও ৰাজ্যৰ অনিষ্ট হোৱাটো কামনা কৰা নাছিল। ৰাজ্যৰ প্ৰগতিৰ বাবে সিহঁতে সকলো সময়তে উৎপাদন কাৰ্যৰ লগত জড়িত আছিল। আনহাতে, সেই ৰাজ্যৰ ৰজা আছিল সম্পূৰ্ণ ওলোটা প্ৰকৃতিৰ। তেওঁ প্ৰতিবছৰে নিজৰ ব্যক্তিগত কামত লাখ লাখ টকা খৰচ কৰিছিল। ৰজাৰ কিছুমান অবিবেকী কাৰ্যই প্ৰজাসাধাৰণক অসন্তুষ্ট কৰাৰ লগতে ৰাজ্যৰ একাংশ মন্ত্ৰীকো বিতুষ্ট কৰিছিল। কেতিয়াবা ৰজাক তেনে ভুলবোৰ আঙুলিয়াই দিবলৈ দুই-এজনে সাহস কৰিছিল যদিও সুফল কিন্তু কোনেও পোৱা নাছিল। ফলত সেইখন ৰাজ্যৰ পৰা ধন-সম্পদৰ দেৱী লক্ষ্মী এদিন আঁতৰি গৈছিল। ইয়াৰ কুফল স্বৰূপে ৰাজ্যত দুৰ্ভিক্ষ আৰম্ভ হৈছিল। খেতিপথাৰ শুকাই গৈছিল আৰু গছ-গছনিবোৰ পানীৰ অভাৱত মৰি গৈছিল। ঘাঁহ-বনৰ অভাৱত গৰু-গাইবোৰো মৰিবলৈ আৰম্ভ কৰিছিল। পানী আৰু খাদ্যৰ অভাৱত বহুত কৃষকে প্ৰাণ হেৰুৱাৰ প্ৰাণ হেৰুৱাবলগীয়া হৈছিল। অৱশেষত গাঁৱৰ পৰা



কেইজনমান কৃষকে ৰজাৰ ওচৰত ৰাজসাহাৰ্য বিচাৰি আহিছিল। তেওঁলোকে ৰজাক কৈছিল, 'ৰজাই ৰাজকোষৰ পৰা কিবা এটা অংশ দি সহায় কৰিলে আমি এসাঁজ খাই হ'লেও প্ৰাণ ৰক্ষা কৰিলোহেঁতেন।' তেতিয়া ৰজাই কৈছিল, 'তেনেকৈ

**প্ৰদীপ নাৰায়ণ ভট্ট**

এসাঁজ খাই প্ৰাণ ৰক্ষা কৰিয়ে বা লাভ কি? মোৰ ৰাজকোষত ইমান ধন নাই যে মই সকলোকে বিচৰা মতে দি সহায় কৰিম। ৰাজ্যত ইয়াতকৈও দুৰ্যোগ আহিব পাৰে। তেতিয়া মই ক'ৰ পৰা সহায় কৰিম?' সহায় বিচাৰি অহা প্ৰজাবোৰে নিৰাশ মনেৰে অহা বাটেৰে উভতি গৈছিল। ইয়াৰ পাছত ৰাজ্যৰ আৰু বহুকেইজন দুৰ্ভগীয়া ব্যক্তি ৰাজসাহায্য বিচাৰি আহি ৰজাৰ নিষ্ঠুৰ বাক্যবাণৰ সন্মুখীন হ'ব লগা হৈছিল। লাহে লাহে ৰাজ্যৰ অভাৱ-অশান্তি দিনক দিনে বৃদ্ধি পাবলৈ ধৰিছিল যদিও ৰজাৰ মতি-গতি সলনি নহ'ল। এনেদৰে কিছুদিন অতিবাহিত হোৱাৰ অন্তত এদিন এজন সন্ত প্ৰকৃতিৰ লোকে ৰাজসভাত আহি উপস্থিত হ'ল। ৰজাই সাধুজনক দেখি বহিবলৈ আসন আনি দিয়ালে। সাধুজনে ৰজাক এই বুলি পৰামৰ্শ দিলে যে তেওঁ বিচৰা ধৰণে অলপ অলপ ধন দিলে প্ৰজাৰ দুখ নিবাৰণো হ'ব আৰু আহুকালো আঁতৰিব। মূৰ্খ ৰজাই অলপ ধন বুলি কওতে কৌশলটো জানিব বিচাৰিলে। তেতিয়া সাধুজনে ক'লে- 'আপুনি আজি মোক এটকা দিলে হ'ব; কিন্তু কাইলৈ ইয়াৰ দুগুণ দিব লাগিব। এনেদৰে সম্পূৰ্ণ ১৫ দিন দুগুণ-দুগুণ কৈ দি গ'লেই সকলো অথন্তৰ আঁতৰি যাব। মূৰ্খ ৰজাই সাধুজনৰ কৌশলটো ধৰিব নোৱাৰিলে আৰু সহজে সাধুই বিচৰা ধৰণে টকা এটা দিবলৈ হুকুম দিলে। তেতিয়া সাধুই ক'লে- 'মই বিচৰা টকাটো মোক আজি নিদিলেও হ'ব। সম্পূৰ্ণ ১৫ দিনৰ মূৰত হিচাপ কৰি দিয়াৰ প্ৰতিশ্ৰুতিটোহে দিয়ক।' ৰজাই তেতিয়া কোনো আপত্তি নকৰিলে আৰু দিয়াৰ প্ৰতিশ্ৰুতি দি সাধুজনক বিদায় দিলে। সম্পূৰ্ণ ১৫ দিনৰ পাছত সাধুজন ৰাজসভাত আহি উপস্থিত হ'ল আৰু প্ৰতিশ্ৰুতি মতে ধন বিচাৰিলে। ৰজাই ৰাজ বিষয়াৰ হতুৱাই মাত্ৰ ১৫ টকা মানে ১৫টা এটকীয়া মুদ্ৰা সাধুক যাঁচিলে। সাধুজনে প্ৰথমে প্ৰাণ খুলি হাঁহিলে আৰু ৰজাক ক'লে, 'মহাৰাজৰ অংক জ্ঞান নাই কিজানি, নহ'লে ইমান ভুল নহয়। কাৰণ মোৰ হিচাপত মই পাবলগীয়া টকাৰ পৰিমাণ ইমান কম নহয়।' তেতিয়া ৰজাই হিচাপটো জানিব বিচাৰিলে। সাধুজনে যেতিয়া ৰজাৰ সন্মুখত হিচাপ দাঙি ধৰিলে তেতিয়া ৰজাৰ অণ্ঠ-কণ্ঠ শুকাই গ'ল। তথাপি প্ৰতিশ্ৰুতি মতে সাধুক ধন দিবলৈ ৰজা বাধ্য হ'ল। মুনিয়ে বৰ কৌশলেৰে ৰাজ্যৰ অভাৱ-অভিযোগ দূৰ কৰিলে আৰু দুৰ্ভিক্ষ প্ৰতিৰোধ কৰিলে। বুধিয়ক সাধুই ৰজাক চুঙা চাই সোপা দিলে। ইয়াকে কয়, যেনে কুকুৰ তেনে টাঙোন।



## জানি থোৱা ভাল

**মাখি** হ'ল বিশ্বৰ প্ৰায় সকলো ঠাইতে পোৱা এবিধ পতংগ। পৰিষ্কাৰ ঠাই, অপৰিষ্কাৰ ঠাই সকলোতে মাখিৰ সমান আধিপত্য। মিঠা বস্তুতো যিদৰে মাখি পৰে, সেইদৰে গেলা-পচা বস্তুতো মাখিৰ উপস্থিতি সমান। মাখি বিশ্বৰ সকলো দেশতে পোৱা যায়। যিবোৰ মাখি আমি ঘৰত দেখা পাওঁ, সেইদৰে মাখিৰ গড় আয়ুস আঠ দিনৰ পৰা ২১ দিন। বিশ্বৰ সবাতকৈ ক্ষুদ্ৰ মাখিৰ বাসস্থান হ'ল থাইলেণ্ড। এইবিধ মাখিয়ে পৰুৱা খাই জীৱন নিৰ্বাহ কৰে। ইউৰীপ্লাটা নানানিহালি নামৰ এইবিধ ক্ষুদ্ৰতম মাখিৰ দৈৰ্ঘ্য হ'ল মাত্ৰ ০.৪ মিলিমিটাৰ। ইহঁতৰ গাৰ ৰং ধোঁৱাবৰণীয়া।

## দ্ৰোণাচাৰ্যৰ অংগীকাৰ



কৌৰৱ আৰু পাণ্ডৱসকলৰ গুৰু দ্ৰোণাচাৰ্যই ব্যাধৰ সন্তান একলব্যৰ প্ৰতি অন্যায় কৰা বুলি ধাৰণা কৰা হয়। দ্ৰোণাচাৰ্যৰ প্ৰতি অভিযোগটো হ'ল যে একলব্যৰ অসাধাৰণ ধনুৰ্বিদ্যা দেখা পাই প্ৰিয় শিষ্য অৰ্জুনতকৈ আগবাঢ়ি যাব বুলি তেওঁ শংকিত হৈ পৰিছিল। সেয়ে গুৰু দক্ষিণা হিচাপে তেওঁ একলব্যৰ পৰা সোঁ হাতৰ বুঢ়া আঙুলিটো খুজিছিল। ইয়াৰ প্ৰধান কাৰণটো হ'ল, এবাৰ নদীত গা ধুই থাকোতে দ্ৰোণাচাৰ্যক ঘঁৰিয়ালে কামুৰি ধৰিছিল। তেতিয়া অৰ্জুনে তেওঁৰ প্ৰাণৰক্ষা কৰিছিল। তেতিয়াই দ্ৰোণাচাৰ্যই অৰ্জুনক কথা দিছিল যে তেওঁক পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ যোদ্ধাত পৰিগণিত কৰিব। সেই কাৰণেই দ্ৰোণাচাৰ্যই একলব্যৰ পৰা বুঢ়া আঙুলি খুজি অৰ্জুনক সুবিধা কৰি দিছিল।



## সূৰ্যাস্তৰ ৰতোৱাল

বিশেষকৈ সন্ধিয়া সময়ত আকাশত বিয়পি পৰা ৰঙচুৱা বেলিটোৰ পোহৰৰ যি নান্দনিক সৌন্দৰ্য, সেয়া দেখি সকলোৰেই মুগ্ধ হ'ব লাগে। সূৰ্যাস্ত হোৱাৰ পৰত বেলিটোৰ পোহৰ ক্ৰমে কমলা বৰণীয়া হৈ পাছত গাঢ় ৰঙা হৈ পৰে। এই ৰঙচুৱা পোহৰ দেখিলে এনে লাগে যেন দূৰ দিগন্তত ৰংবোৰ সিঁচৰতি হৈ পৰিছে।

**সূৰ্যোদয়** আৰু সূৰ্যাস্ত নিশ্চয় তোমালোকে দেখা পাইছা। দুয়োটা সময়তে বেলিটোৰ পোহৰে অনুপম সৌন্দৰ্যৰ সৃষ্টি নকৰেনে বাৰু? বিশেষকৈ সন্ধিয়া সময়ত আকাশত বিয়পি পৰা ৰঙচুৱা বেলিটোৰ পোহৰৰ যি নান্দনিক সৌন্দৰ্য, সেয়া দেখি সকলোৰেই মুগ্ধ হ'ব লাগে। সূৰ্যাস্ত হোৱাৰ পৰত বেলিটোৰ পোহৰ ক্ৰমে কমলা বৰণীয়া হৈ পাছত গাঢ় ৰঙা হৈ পৰে। এই ৰঙচুৱা পোহৰ দেখিলে এনে লাগে যেন দূৰ দিগন্তত ৰংবোৰ সিঁচৰতি হৈ পৰিছে। সূৰ্যাস্তৰ এই পোহৰক ৰতোৱাল বুলিও কয়। কিন্তু সূৰ্যাস্তৰ পৰত আকাশখন বাৰু কিয় ৰঙা হৈ পৰে?

সূৰ্যটোৱে যেতিয়া দূৰ দিগন্তত বিলীন হ'বলৈ প্ৰস্তুতি লয়, তেতিয়াই আকাশৰ ৰং সলনি হয়। সূৰ্যৰ স্থিতিৰ ওপৰত ভিত্তি কৰি বায়ুমণ্ডলে সূৰ্যৰ পোহৰ বিভিন্ন দিশৰ পৰা বিয়পোৱাৰ ফলতে আকাশৰ বৰণ সলনি হৈ পৰে। সূৰ্যাস্ত হোৱাৰ পৰত বায়ুমণ্ডলৰ মাজেদি সূৰ্যৰ পোহৰে আমাৰ চকুত আহি পৰিবলৈ বহু দূৰ অতিক্ৰম কৰিব লাগে। অথচ সূৰ্য যেতিয়া দুপৰীয়া মূৰৰ ওপৰত থাকে, তেতিয়া বেলিৰ পোহৰ আহি পোনপটীয়াকৈ আমাৰ চকুত পৰেহি। সন্ধিয়া পৰত যেতিয়া বায়ুমণ্ডলৰ বাবে দীঘলীয়া বাট অতিক্ৰমি সূৰ্যৰ পোহৰ আহি আমাৰ চকুত পৰেহি তেতিয়া সূৰ্যৰ পোহৰৰ মাজত থকা নীলা ৰংটো অন্তৰ্ধান হৈ পৰে। ফলত সূৰ্যৰ পোহৰটো ৰংচুৱা কমলা যেন দেখি।

সেয়া হ'ল প্ৰকৃততে আমি দেখা সূৰ্যৰ বগা পোহৰৰ নীলা ৰংবিহীন পোহৰ। সূৰ্যৰ পোহৰৰ তীব্ৰতাৰ স্থান সলনি হৈ থকাৰ ফলতে আমাৰ চকুত সেই পোহৰে ভিন্ন ৰঙেৰে ধৰা দিয়ে। একেসময়তে সূৰ্যৰ স্থিতিৰ ভিত্তিত আকাশখনৰ ৰঙৰ পৰিৱৰ্তন ঘটে। বায়ুমণ্ডলত মিহলি হৈ থকা ধূলিকণা আৰু ধোঁৱাৰ বাবেও সূৰ্যাস্তৰ পৰত আকাশৰ ৰং বেলেগ হৈ পৰে।

## একাগ্ৰতা



**ৰঙাজান** নামৰ সৰু গাঁও এখনৰ নিবাসী দুখীয়া খেতিয়ক যদুদত্তৰ মিতালি এজনী বৰ ভাল ছোৱালী। তাই পঢ়াই-শুনাই সকলোতে পাৰ্গত। তাইৰ মাক শেৱালি দত্ত। মাক-দেউতাক দুয়োৱে তাইক লৈ বৰ আশাবাদী। এই লৈ তাইৰ বৰ চিন্তা। মাক-দেউতাকৰ কেনেকৈয়ো সপোন পূৰাব পাৰে। লগৰ সমনীয়াবিলাকেও তাইক বৰ ভাল পায়। তাই সকলোৰে লগতে মিলিব পাৰে। মিতালিয়ে মেট্ৰিকৰ পৰীক্ষা দিবলৈ পূৰাদমে সাজু হৈছে দিন-ৰাতি একাকাৰ কৰি। লগৰ সমনীয়াবিলাকেও তাইক লৈ গৌৰৱবোধ কৰে। একে গাঁওৰে একেখন স্কুলতে পঢ়া মিতালিয়ে স্কুলৰ সুনাম কঢ়িয়াব বুলি সকলোৰে আশাবাদী। মিতালিৰ মেট্ৰিক পৰীক্ষা চমু চাপি আহিছে। তাইৰ মনত বৰ ভয় লাগিছে। কিবা হয় তাইৰ ৰিজাল্ট। অলপ হ'লেও চিন্তাই মনত দোমোজা দি ধৰিলে। ছোৱালীক বেছি সুবিধা দিব নোৱাৰাৰ বাবে মাক-দেউতাকৰ অলপ চিন্তা হ'ল। মিতালি মেট্ৰিক পৰীক্ষা দিলে। তাই ভবাৰ দৰে সকলোকে আচৰিত কৰি মেট্ৰিকত প্ৰথম হৈ উত্তীৰ্ণ হ'ল। মিতালিয়ে একাগ্ৰতাৰ কাৰণে আজি এই পৰ্যায় পালে। দেউতাক যদুদত্ত দুখীয়া খেতিয়ক হ'লেও তাই অভাৱ-অনাটনৰ মাজেদিয়ে আগবাঢ়ি গ'ল। মাক-দেউতাকে তাইক লৈ বৰ আনন্দত আত্মহাৰা হৈ পৰিছে। কি কৰিব কি নকৰিব। তেওঁলোকে ভবাই নাছিল তাই ইমান ভাল ৰিজাল্ট কৰিব বুলি। গাওঁখনৰ মানুহে তাইক লৈ যথেষ্ট উৎসাহ-উদ্দীপনা দেখা গৈছে। মাক-দেউতাকৰ সপোন তাই পূৰণ কৰিলে। — শেষত সকলো কামতে একাগ্ৰতা থাকিলে নোৱাৰা কাম একোৱেই নাই বুলি ক'ব পাৰি। মিতালিৰ নিজৰ একাগ্ৰতা তথা আগ্ৰহ থকাৰ কাৰণে আজি তাই আগবাঢ়ি যাবলৈ সমৰ্থ হৈছে। মাক-দেউতাকেই তাইক লৈ যথেষ্ট সুখী হৈছে। তিনিজনে অভাৱ-অনাটনক হেঙাৰ বুলি ভবা নাই। মাক-দেউতাক আৰু মিতালিয়ে নিজৰ জীৱনক লৈ যথেষ্ট সুখী বুলি ভাবিছে। তিনিজনে আনন্দৰে জীৱনটো চলাই যাবলৈ বুলি আশাৰ ৰেঙণি দেখিছে।


**মইনা পৰাশৰ**

## এবিধ ধুনীয়া চৰাই ৰেইনব' ল'ৰিকীট



**সাতৰঙী** ভাটৌ বা ৰেইনব' ল'ৰিকীট। ইহঁতক অষ্ট্ৰেলিয়ান পেৰ'ট বা ভাটৌ বুলিও কোৱা হয়। অষ্ট্ৰেলিয়াৰ উপৰি নিকটৱৰ্তী দ্বীপ পাপুৱা নিউ গিনী, পূব ইণ্ডোনেছিয়া আৰু ছল'মন আইলেণ্ড এইবিধ চৰাইৰ বাসস্থান। বহু চৰাই গোট খাই হুলস্থুলীয়া পৰিৱেশ সৃষ্টি কৰা ৰেইনব' ল'ৰিকীটে মানুহৰ সংগ বৰ পছন্দ কৰে। ইহঁতে যিকোনো জংঘলতে বাস কৰিব পাৰে। ভোজনৰ কাৰণে সাতৰঙী ভাটৌ গছৰ ওপৰত সম্পূৰ্ণৰূপে নিৰ্ভৰশীল। এজোপা গছৰ ফলৰ উপৰি কোমল শিপা আৰু কুঁহিপাত খায়ে ইহঁতে জীৱন নিৰ্বাহ কৰে।

## সূৰ্যতকৈ উজ্জ্বল তৰা



**সূৰ্যৰ** প্ৰখৰ উজ্জ্বলতাৰ বিষয়ে তোমালোকে নিশ্চয় জানা। সূৰ্যৰ পোহৰ যিদৰে সমস্ত সৌৰজগতত বিয়পি থাকে, সেইদৰে এই কিৰণে আমাৰ পৃথিৱীৰ কোটি কোটি জীৱ-জন্তুৰ পৰা আৰম্ভ কৰি গছ-গছনিলৈকে জীৱনদায়িনীৰ দায়িত্ব পালন কৰে। কিন্তু ভাবাচোন! একেলগে এক কোটি সূৰ্যই যদি পোহৰ দিবলৈ লয়, তেতিয়া বাৰু কি হ'ব? আচলতে নাছাৰ বিজ্ঞানীয়ে অলপতে এনে এটা মৃত তৰা আৱিষ্কাৰ কৰিছে, যাৰ শক্তি এক কোটি সূৰ্যৰ সমান। এনয়ুষ্টাৰ এক্স-ৰে' টেলিস্কোপৰ দ্বাৰা নাছাই উক্ত তৰাটো বিচাৰি উলিয়াইছে। বিজ্ঞানীসকলে ইয়াৰ নাম থৈছে ছুপাৰ ব্ৰাইট পালচাৰ।

পালচাৰৰ অৰ্থ হ'ল নিয়মিতভাৱে ৰেডিঅ' তৰংগ নিৰ্গত কৰা এবিধ তৰা। ছুপাৰ ব্ৰাইট পালচাৰ হ'ল এতিয়ালৈকে বিচাৰি পোৱা সবাতোকৈ উজ্জ্বল তৰা। এই তৰাটো আমাৰ পৃথিৱীৰ পৰা প্ৰায় ১.২ কোটি আলোকবৰ্ষ নিলগৰ মেজিয়াৰ ৮২ সৌৰমণ্ডলত আছে। এই পালচাৰ হ'ল ৰহস্যময় আকাশী বস্তুৰ অন্যতম উদাহৰণ, যাক আল্ট্ৰা লিউমিনাছ এক্স-ৰে' ছ'ৰ্চেছ বা ইউ এল এ এক্স নামেৰে জনা যায়। নাছাৰ এনয়ুষ্টাৰ সহ তিনিটা টেলিস্কোপৰ পৰা প্ৰাপ্ত অৱজাৰভেছন ডেটা ব্যৱহাৰ কৰি ছুপাৰ ব্ৰাইট পালচাৰৰ ফটো পোৱা গৈছে।

## বৰফৰ কাহিনী

**বৰফ** বুলি ক'লে হয়তো তোমালোকে দোকানৰ পৰা কিনি খাবলৈ পোৱা বৰফৰ কথাই ভাবিছা! কিন্তু কিনি খোৱা খোৱা বৰফৰ কথা আজি ক'বলৈ যোৱা নাই। বৰঞ্চ তোমোলোকে হয়তো গম পাইছা যে সমগ্ৰ বিশ্বতে এইবেলি শীতৰ প্ৰকোপ অতি বেছি। এণ্টাৰ্কটিকাত কিছুদিনৰ পূৰ্বে বৰফৰ মাজত আবদ্ধ হৈ পৰা এখন জাহাজৰ বাতৰি নিশ্চয় তোমালোকে পাইছা। অৰ্থাৎ এই বছৰ ঠাণ্ডাৰ প্ৰকোপ ইমানেই বৃদ্ধি পাইছে যে অনেক অঞ্চলতে বৰফ পৰিছে। কিন্তু তোমালোকে নিশ্চয় জানিবলৈ বিচাৰিবা যে বৰফ ক'ৰ পৰা পৰে! স্বাভাৱিকতে এইবোৰ কথা তোমালোকে জনা উচিত।

যেতিয়া আকাশত দেখা পোৱা বাদল বা মেঘৰ তাপমান হিমাংকৰ তল পাইগৈ, তেতিয়াই তাত ক্ষুদ্ৰ ক্ষুদ্ৰ হিমকণা সৃষ্টি হ'বলৈ ধৰে। যেতিয়া এই কণা মেঘৰ তললৈ সৰি পৰিবলৈ ধৰে, তেতিয়াই ইটো কণাই আনটোক খুন্দা মাৰে আৰু ইটোৱে সিটোৰ স'তে যুক্ত হৈ পৰে। সেইদৰে হিমকণাৰ আকাৰ বৃদ্ধি হ'বলৈ ধৰে। যিমান বেছি হিমকণা পৰস্পৰৰ স'তে একগোট হয়, হিমকণাৰ আকাৰ সিমানেই বৃদ্ধি পায়। তাৰ পাছত সেইবোৰ সৰু সৰু কমোৱা তুলাৰ দৰে পৃথিৱীৰ বুকুলৈ সৰি পৰিবলৈ ধৰে। এই প্ৰক্ৰিয়াকে হিমপাত বুলি কোৱা হয়। হিমকণাই পোহৰ প্ৰতিবিম্বিত কৰে কাৰণে সেইবোৰ বগা বা স্ফটিকৰ দৰে দেখা যায়। আচলতে হিমকণাৰ কোনো ৰং নাই। যদি বতাহৰ তাপমান হিমাংকৰ তলত থাকে,



তেন্তে তললৈ সৰি পৰাৰ সময়ত হিমকণা গলি পানীত পৰিণত হয়। মন কৰিবলগীয়া যে মাত্ৰ ঠাণ্ডা হ'লেই বৰফ নহয়। বৰফ হ'বলৈ বতাহত পানীৰ কণিকাও থাকিব লাগিব।

পৃথিৱীলৈ সৰি পৰা বৰফৰ কোনোখিনি যদি অতি পাতল, তেন্তে কিছুমান অত্যন্ত ডাঠ হ'ব পাৰে। সৰি বৰফ সদায় নৰম নহয়। কেতিয়াবা সৰু সৰু শিলৰ দৰেও বৰফ পৰে। এইবোৰ শিলক অ'লে বুলি কোৱা হয়। অ'লেত বৰফৰ কে'বাটাও স্তৰ থাকে। পৃথিৱীৰ উত্তৰ আৰু দক্ষিণ মেৰুত বৰফৰ পৰ্বত আছে। সেই অঞ্চল ইমানেই ঠাণ্ডা যে বছৰৰ সকলো সময়তে বৰফে ঢাক খাই থাকে। আনকি সাগৰৰ পানীৰ ওপৰতো বৰফৰ পৰ্বত সৃষ্টি হয়। সেইবোৰ পৰ্বতৰ পৰা বিশাল বিশাল বৰফৰ খণ্ড এৰাই গৈ কেতিয়াবা পানীৰ মাজেৰে আগবাঢ়ি যায়। এনে বৰফৰ খণ্ডক হিমশিলা বুলিও কোৱা হয়। মন কৰিবলগীয়া যে বৰফ পানীতকৈ পাতল কাৰণে পানীৰ ওপৰত ওপঙি থাকে।


## লিলিপুট ভেকুলী

**লিলিপুটৰ** কাহিনী নিশ্চয় পঢ়িছা বা শুনিছা! লিলিপুট হ'ল মানুহৰ ক্ষুদ্ৰতম ৰূপ। লিলিপুটৰ উচ্চতা প্ৰায় এক ইঞ্চি। অৱশ্যে সেয়া কাল্পনিক কাহিনীহে। কিন্তু ভেকুলীৰ যদি লিলিপুট থাকে, তেন্তে কেনে লাগিব বাৰু? শেহতীয়াকৈ আমেৰিকাৰ দক্ষিণ নিউ গিনিৰ জংঘলৰ বোকাময় অঞ্চলৰ শেলুৱৈৰ মাজত এদল বিজ্ঞানীয়ে তেনে লিলিপুট ভেকুলী উদ্ধাৰ কৰিছে। মুখেৰে অদ্ভুত শব্দ কৰা এইবিধ ভেকুলীক পৃথিৱীৰ ক্ষুদ্ৰতম ভেকুলীৰ আখ্যা দিয়া হৈছে। সম্ভৱতঃ চাৰিঠেঙীয়া প্ৰাণীবোৰৰ ভিতৰত লিলিপুট ভেকুলীয়েই সবাতোকৈ সৰু। বিজ্ঞানীসকলে এইবিধ ভেকুলীক পেডোফ্ৰিনি গোত্ৰত অন্তৰ্ভুক্ত কৰিছে। এই গোত্ৰৰ দুটা প্ৰজাতি।



পেডোফ্ৰিনি ভেকুকোছা আৰু পেডোফ্ৰিনি ডেকট। এইবিধ ভেকুলীৰ প্ৰাপ্তবয়স্কবোৰৰ দৈৰ্ঘ্য প্ৰায় ৭.৭ মিলিমিটাৰ। ইহঁতে ক্ষুদ্ৰ ক্ষুদ্ৰ পোক-পৰুৱা ধৰি খায়। ভেকুলীৰ পোছাক পৰিৱৰ্তন আফ্ৰিকাৰ এবিধ সৰু আকৃতিৰ ভেকুলীয়ে প্ৰতি পাঁচৰ পৰা সাত দিনৰ অন্তৰালত পোছাক পৰিৱৰ্তন কৰে। অৰ্থাৎ সিহঁতে নিজ দেহৰ ছাল সলাই পেলায়। সেই কাৰ্যত কেইমিনিটমানৰ প্ৰয়োজন হয়। দেখিলে এনে লাগিব যেন ভেকুলীটোৱে শৰীৰৰ পৰা লাহে লাহে পুৰণি পোছাক খুলি থৈছে। আচলতে এইবিধ ভেকুলীৰ শৰীৰত কিছুমান পৰজীৱীয়ে বাস কৰে। যাৰফলত ইহঁতে ভীষণ অস্বস্তি পায়। পৰজীৱীবোৰৰ পৰা নিস্তাৰ পাবলৈকে সেই ভেকুলীয়ে গাৰ ছাল খহাই পেলায়।

## দুখীয়াৰ ভগা পঁজা একোখন তীৰ্থস্থান



**দয়ানন্দ** থকা গাঁওখন অতি পিছপৰা। গাওঁখনৰ ওচৰতে এখন সৰু পাহাৰ আছে। সেই পাহাৰৰ পৰা কেতিয়াবা সন্ধ্যা সময়ত বনৰীয়া হাতী আৰু বাঘো ওলায়। সেইকাৰণে সেই গাঁওখনৰ মানুহে সন্ধ্যা হোৱাৰ আগে আগে ঘৰ সোমায়। কেতিয়াবা যদি সেই ৰাস্তাইদি কোনো মানুহ আহোতে সন্ধ্যা হয়, তেনেহ'লে দয়ানন্দই হাতত এডাল লাঠি আৰু এটা লেম লৈ সেই বাটেদি যোৱা মানুহক আগবঢ়াই দিয়ে। সেইকাৰণে দয়ানন্দক সকলো মানুহে মৰম কৰে।

দয়ানন্দৰ একমাত্ৰ মাকৰ বাহিৰে কোনো নাই। সি সৰু থাকোতে তাৰ পিতৃৰ মৃত্যু হয়। মাকে কোৱা মতে তাৰ বাপেক এজন সৎ চৰিত্ৰবান লোক আছিল। এদিন বাপেকে ওচৰৰ পাহাৰখনত খৰি কাটিব যাওঁতে বাঘে বাপেকক ডিঙিত কামুৰি ধৰে আৰু লগে লগে বাপেকৰ মৃত্যু হয়। তেতিয়া তাৰ বয়স মাত্ৰ এবছৰমান হৈছিল। সেই এবছৰীয়া ল'ৰাজনক বুকুত বান্ধি মাকে অন্য উপায় নাপাই লোকৰ ঘৰত কাম কৰি কোনোমতে ঘৰখন চলাই গৈছিল। মাকে তাক পঢ়া-শুনাৰ প্ৰতি বহুত যত্ন কৰিছিল যদিও সি হাইস্কুলৰ কেইটামান শ্ৰেণী পঢ়ি আৰু পঢ়িবলৈ মন নকৰা হ'ল। সি অলপ অজলা ধৰণৰ কাৰণে মাকৰ বৰ চিন্তা। সেয়েহে মাকে সদায় পুতেকৰ কথা চিন্তা কৰি ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰে, তাই জীয়াই থাকোতেই যদি পুতেকৰ কিবা এটা ব্যৱস্থা কৰি থৈ যাব পাৰিলেহেঁতেন। দয়ানন্দ অজলা হ'লেও মানুহক মৰম কৰিব জানে। তাৰ বাপেকৰ বাঘৰ কাৰণে মৃত্যু হোৱা কাৰণে সি আন কোনো মানুহৰে যাতে বাপেকৰ দৰে নহয়, সেইকাৰণে সি সদায় বাটৰুৱাক সহায় কৰে। পুতেকৰ মানুহৰ প্ৰতি থকা মৰম আৰু শ্ৰদ্ধাৰ কাৰণে মাকে নিজকে গৌৰৱ কৰে। এদিন সেই গাঁৱৰ মাজেৰে এজন সদাগৰ গৈ আছিল। সেই সময়ত দয়ানন্দই ঘৰৰ ভিতৰত শুই আছিল। মাকে লোকৰ ঘৰত কাম কৰি আহি দুয়োটাৰ কাৰণে ভাত ৰান্ধি আছিল। ঠিক তেনেকুৱা সময়তে বাহিৰত কোনোবাই চিঞৰা শুনা

**জ্যোৎস্না কলিতা**

পাই দয়ানন্দই হাতত লেম এটা আৰু লাঠি এডাল লৈ ওলাই গ'ল। দূৰত এটা বাঘ দেখি সেই বাটৰুৱাজনে ভয়তো চিঞৰিছে। দয়ানন্দৰ হাতত পোহৰ আৰু লাঠিডাল দেখি বাঘে ভয় পাই পাহাৰৰ ওপৰলৈ সোমাই গ'ল। বাটৰুৱাজনে দয়ানন্দক দেখি অলপ সাহস পালে। দয়ানন্দই মানুহজনক তাৰ ঘৰলৈ লৈ গ'ল। ৰাতিটো মানুহজনে সিহঁতৰ আশ্ৰয়তে থাকিলে।

দয়ানন্দৰ মাকে মানুহজনক খোৱা-লোৱা থকাৰ কাৰণে সকলো ব্যৱস্থা কৰি দিলে যাতে মানুহজনৰ একো অসুবিধা নহয়। মানুহজনেও তেওঁলোকৰ আদৰ-সাদৰ দেখি মনতে সন্তুষ্ট পালে। তেওঁ ভাবিলে, 'দুখীয়াৰ ভগা পঁজা একোখন তীৰ্থস্থানৰ সমান' গোটেই ৰাতিটো মানুহজনে তেওঁলোকৰ আদৰ-সাদৰৰ কথা চিন্তা কৰি থাকোতে কেতিয়া পোহৰ হ'ল ক'বই নোৱাৰিলে।

দয়ানন্দৰ মাকে যেতিয়া চাহ-জলপান তৈয়াৰ কৰি মানুহজনক মুখ-হাত ধুবলৈ পানী দি মাতিব ধৰিলে তেতিয়াহে মানুহজনে সাৰ পালে।

তেওঁলোকৰ ব্যৱহাৰত মানুহজনে বৰ সুখ পালে। তেওঁ মনতে ভবিলে- আজিৰ দিনতো ইমান সৎ মানুহ থাকিব পাৰেনে সি ভবাই নাছিল। তেওঁ সদাগৰ মানুহ। টকা পইচাৰ কোনো অভাৱ নাই। দয়ানন্দ দুখীয়া হ'ব পাৰে কিন্তু সি সৎ সাহসী আৰু দেখাই-শুনাইও ধুনীয়া স্বাস্থ্যবান পুৰুষ। তেওঁৰ একেজনী ছোৱালী। তাইক যদি এনেকুৱা এজন সৎ চৰিত্ৰবান লোকৰ লগত বিয়া দিব পৰা যায়, তেনেহ'লে তাই সুখত থাকিব। দয়ানন্দকো সহায় কৰা হ'ব। সেই কথা ভাবি সদাগৰে নিজৰ মনৰ কথাটো মাকৰ আগত ব্যক্ত কৰাত মাকৰ বৰ আনন্দ লাগিল। মাকে মনতে ভাবিলে ভগৱানে তেওঁলোকৰ প্ৰাৰ্থনা শুনিলে। সৎ মানুহৰ লগত ভগৱান সদায় থাকে। সদাগৰে একমাত্ৰ ছোৱালী সত্যৱতীক দয়ানন্দৰ হাতত গটাব পাৰি নিজকে ধন্য মানিলে। যি ব্যক্তিয়ে আনৰ মনৰ দুৱাৰ খুলিব পাৰে বা মনৰ গভীৰতাখিনি অনুভৱ কৰিব পাৰে, তেওঁহে প্ৰকৃত মানুহ জন বা সৎ মানুহজন বিচাৰি উলিয়াব পাৰে। শিক্ষিত হ'লেই মানুহ জ্ঞানী হ'ব নোৱাৰে।





### চাৰিখনীয়া শৃংখলাৰ অন্তিমখন টেষ্টক লৈ চাপ-শংকাত ব্ৰিটিছ দল ঃ আত্মবিশ্বাসী টীম ইণ্ডিয়া

# আজিৰে পৰা ভাৰত-ইংলণ্ডৰ চতুৰ্থ টেষ্ট

**আহমেদাবাদ, ৩ মাৰ্চ ঃ** ভাৰত আৰু ইংলণ্ডৰ মাজৰ চাৰিখনীয়া টেষ্ট শৃংখলাৰ চতুৰ্থ তথা অন্তিমখন টেষ্ট কাইলৈৰ পৰা আৰম্ভ হ'ব। উল্লেখ্য যে শৃংখলাৰ প্ৰথমখন টেষ্টত ইংলণ্ড দলে শক্তি প্ৰদৰ্শন কৰি জয়লাভ কৰিছিল যদিও ভাৰতে পৰৱৰ্তী দুয়োখন টেষ্টত চমকপ্ৰদ বিজয়ৰে শক্তিশালী প্ৰত্যাৱৰ্তন কৰিছে। কাইলৈৰ পৰা আৰম্ভ হ'বলগা চাৰিখনীয়া টেষ্ট শৃংখলাৰ চতুৰ্থ তথা অন্তিমখন টেষ্টৰ ফলাফলে নিৰ্ণয় কৰিব শৃংখলা ভাৰতৰ পক্ষলৈ যায় নে ইংলণ্ডতে ড্ৰ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে ভাৰতে ইংলণ্ডৰ বিৰুদ্ধে খেলা চাৰিখনীয়া টেষ্ট শৃংখলাৰ তৃতীয়খন মেচত 10 উইকেটত জয়লাভ কৰি শৃংখলাত 2-1 ৰ অগ্ৰগতি লৈছে। তৃতীয় টেষ্টৰ সফলতাই তথা উভয় দলৰ প্ৰদৰ্শনৰ দৃষ্টিৰে চতুৰ্থ টেষ্টতো ভাৰতে ফেভাৰিট। আহমেদাবাদৰ নৰেন্দ্ৰ মোডী ষ্টেডিয়ামৰ উইকেটত ইংলণ্ডৰ নিলজ্জ আত্মসমৰ্পনে ব্ৰিটিছ বাহিনীক চাপ আৰু শংকাত ৰাখিছে। স্বদেশত সমালোচিত হৈছে জ' ৰুট বাহিনী। বিপৰীতে বিৰাট কোহলি নেতৃত্বনাধীন ভাৰতীয় দলৰ আত্মবিশ্বাস এতিয়া তংগত। কিন্তু তৃতীয় টেষ্ট গোলাপী বলেৰে দিবা-নৈশ হোৱাত আৰু কাইলৈৰ পৰা আৰম্ভ হ'বলগা চাৰিখনীয়া টেষ্ট শৃংখলাৰ চতুৰ্থ তথা অন্তিমখন টেষ্ট পুনৰ দিনতে হোৱা বিষয়টোৱে উইকেটৰ স্থিতি কিছু সলনি কৰিব। বেটছমেনে সুযোগ পোৱাৰ লগতে বলাৰে কষ্ট কৰিব লাগিব। অৱশ্যে উভয় দলে মূল একাদশ কাইলৈ পূৰা ঘোষণা কৰিব। ভাৰতীয় দলত সাল-সলনিৰ সম্ভাৱনা কম। কিন্তু ইংলণ্ড দলে সলনি কৰাৰ ইংগিত দিছে। **ভাৰতীয় দল ঃ** বিৰাট কোহলি (অধিনায়ক), ৰোহিত শৰ্মা, মায়ংক আগৰৱাল, শুভমন গিল, চেতেশ্বৰ পূজাৰা, অজিংক্য ৰাহানে (সহঃ অধিনায়ক), লোকেছ ৰাহুল, হাৰ্দিক পাণ্ডিয়া, ঋদ্ধিমান সাহা, ঋষভ পণ্ট (উইকেট ৰক্ষক), ৰবিচন্দ্ৰন অশ্বিন, কুলদ্বীপ যাদব, অক্ষৰ পেটেল, ৱাশ্বিংটন সুন্দৰ, ইশান্ত শৰ্মা, যশপ্ৰীত বুমৰাহ, মহম্মদ চিৰাজ, আৰু উমেশ যাদব । **ইংলণ্ড দল ঃ** জ' ৰুট (অধিনায়ক) বেন ষ্টকছ, জোফ্ৰা আৰ্চাৰ, জনী বেয়াৰষ্ট্ৰো, জেমছ এণ্ডাৰছন, ড'ম বেঠ, ষ্টুৱাৰ্ট ব্ৰড, ৰণি বাৰ্ণছ, জ'ছ বাটলাৰ, জেক ক্ৰাৱলি, বেন ফ'কছ, ডান লৰেন্স, জেক লাচ, অলি ষ্টান আৰু ক্ৰিছ ৱাকছ।



### বিশ্ব টেষ্ট চেম্পিয়নশ্বিপক লৈ কোনো শংকা নাই
## লক্ষ্য চতুৰ্থ টেষ্টত জয় ঃ বিৰাট

**আহমেদাবাদ, ৩ মাৰ্চ ঃ** 'প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপক লৈ আমাৰ মনত কোনো শংকা বা চাপ নাই। এইসময়ত আমাৰ লক্ষ্য শৃংখলাৰ অন্তিম টেষ্টত জয়লাভ কৰা। আমি আত্মবিশ্বাসী লগতে দৃঢ়। যদি আমি লক্ষ্যত সফল হওঁ তেন্তে প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল আমি খেলিব পাৰিম।' এই মন্তব্য টীম ইণ্ডিয়াৰ অধিনায়ক বিৰাট কোহলিৰ। উল্লেখ্য যে ভাৰত আৰু ইংলণ্ডৰ মাজৰ চাৰিখনীয়া টেষ্ট শৃংখলাৰ চতুৰ্থ তথা অন্তিমখন টেষ্ট কাইলৈৰ পৰা আৰম্ভ হ'ব। ইংলণ্ড ইতিমধ্যে প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলৰ দৌৰৰ পৰা বিদায় লৈছে। ভাৰতে ইংলণ্ডৰ বিৰুদ্ধে খেলা চাৰিখনীয়া টেষ্ট শৃংখলাৰ তৃতীয়খন মেচত 10 উইকেটত জয়লাভ কৰি শৃংখলাত 2-1 ৰ অগ্ৰগতি লৈছে। এই পৰাজয়ৰ পাছতে ইংলণ্ড বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ পৰা বহিৰ হৈছে। উল্লেখ্য যে গোলাপী বলেৰে খেলা এই টেষ্ট ইংলণ্ডৰ বাবে গুৰুত্বপূৰ্ণ আছিল প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ দৃষ্টিকোনেৰে। নিউজিলেণ্ড ইতিমধ্যে প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলত প্ৰৱেশ কৰিছে। কিন্তু লৰ্ডছত হ'বলগা ফাইনেলৰ আনটো দল নিশ্চিত হোৱা নাই। সুযোগ আছিল অষ্ট্ৰেলিয়া, ভাৰত আৰু ইংলণ্ডৰ। কিন্তু এতিয়া ইংলণ্ড দৌৰৰ পৰা বিদায় ল'লে। ভাৰতে ইংলণ্ডৰ বিৰুদ্ধে 2-1 ৰ ব্যৱধানত চলিত চাৰিখনীয়া টেষ্ট শৃংখলা দখল কৰিলেই প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেললৈ যোগ্যতা অৰ্জন কৰিব। এতিয়া পইণ্ট তালিকাৰ শীৰ্ষত আছে ভাৰত। আনহাতে, অষ্ট্ৰেলিয়াৰ সুযোগ তেতিয়াহে থাকিব যেতিয়া ভাৰত আৰু ইংলণ্ডৰ মাজৰ চাৰিখনীয়া টেষ্ট শৃংখলাটো 2-2 ত ড্ৰ হ'ব তথা অষ্ট্ৰেলিয়াই পৰৱৰ্তী টেষ্ট শৃংখলাত দক্ষিণ আফ্ৰিকাক 2-1 ৰ ব্যৱধানত পৰাস্ত কৰিব। অৰ্থাৎ ভাৰত আৰু ইংলণ্ডৰ অন্তিম টেষ্ট ড্ৰ হ'লেও আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল হ'ব নিউজিলেণ্ড আৰু ভাৰতৰ মাজত।



## আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামৰ উইকেটক লৈ চৰ্চা

**আহমেদাবাদ, ৩ মাৰ্চ ঃ** ভাৰত আৰু ইংলণ্ডৰ মাজৰ চাৰিখনীয়া টেষ্ট শৃংখলাৰ চতুৰ্থ তথা অন্তিমখন টেষ্ট কাইলৈ পৰা আৰম্ভ হ'ব। এইসময়ত ক্ৰিকেটাৰ, মেচৰ ফলাফল বা শৃংখলাৰ স্থিতিক লৈ কোনো আলোচনা হোৱা নাই। বিপৰীতে অধিক চৰ্চা হৈছে আহমেদাবাদৰ নৰেন্দ্ৰ মোডী ষ্টেডিয়ামৰ উইকেটক লৈ। এইবাৰ উইকেটে কি স্বৰূপ দেখুৱাব তাক লৈ ইংলণ্ডৰ দলৰ লগতে ক্ৰিকেট বিশেষজ্ঞও চিন্তিত। উল্লেখ্য যে ভাৰতে ইংলণ্ডৰ বিৰুদ্ধে খেলা চাৰিখনীয়া টেষ্ট শৃংখলাৰ তৃতীয়খন মেচত 10 উইকেটত জয়লাভ কৰি শৃংখলাত 2-1 ৰ অগ্ৰগতি লৈছে। তৃতীয় টেষ্ট দুদিনতে সমাপ্ত হোৱাৰ পাছত উইকেটক লৈ সমালোচনা হোৱাত এতিয়া শৃংখলাৰ চতুৰ্থ তথা অন্তিমখন টেষ্ট বেটিং সহায়ক কৰা বুলি চৰ্চা চলিছে। কিন্তু টীম ইণ্ডিয়াৰ সহঃঅধিনায়ক অজিংক্য ৰাহানে ইতিমধ্যে কৈছে যে চতুৰ্থ টেষ্টৰ উইকেটৰ চৰিত্ৰ কোনো ধৰণে সলনি নহয়। অৰ্থাৎ তৃতীয় টেষ্টৰ দৰেই থাকিব উইকেট। আহমেদাবাদৰ নৰেন্দ্ৰ মোডী ষ্টেডিয়ামৰ উইকেটত ইংলণ্ডৰ নিলজ্জ আত্মসমৰ্পনে ব্ৰিটিছ বাহিনীক চাপ আৰু শংকাত ৰাখিছে। স্বদেশত সমালোচিত হৈছে জ' ৰুট বাহিনী।



## তৃতীয় টি-২০ ত নিউজিলেণ্ডৰ বিৰুদ্ধে অষ্ট্ৰেলিয়াৰ জয়লাভ



**ৱেলিংটন, ৩ মাৰ্চ ঃ** অষ্ট্ৰেলিয়াই চলিত পাঁচখনীয়া টি-20 শৃংখলাৰ তৃতীয়খন মেচত নিউজিলেণ্ডৰ বিৰুদ্ধে খেলা জয়লাভ কৰিছে। উল্লেখ্য যে এয়া অষ্ট্ৰেলিয়াৰ পাঁচখনীয়া টি-20 শৃংখলাত প্ৰথম জয়। এই সফলতাৰে কেংগাৰু বাহিনীয়ে শৃংখলাত 2-1 ৰ ব্যৱধান কৰিছে। ইয়াৰপূৰ্বে প্ৰথম দুখন মেচত নিউজিলেণ্ডে জয়লাভ কৰিছিল। আজি অষ্ট্ৰেলিয়াই 64 ৰাণৰ ব্যৱধানত পৰাস্ত কৰে নিউজিলেণ্ডক। পোনতে বেটিং কৰি অষ্ট্ৰেলিয়াই চাৰি উইকেটত 208 ৰাণ কৰে। দলৰ হৈ মেক্সৱেলে 70 আৰু এৰন ফিন্সে 69 ৰাণ কৰে। প্ৰত্যুত্তৰত নিউজিলেণ্ডে 17.1 অভাৰত 144 ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে অষ্ট্ৰেলিয়াৰ এষ্টন এগাৰে ছটা উইকেট লাভ কৰে। তেওঁ মেচৰ শ্ৰেষ্ঠ হয়। উল্লেখ্য যে ইয়াৰপূৰ্বে প্ৰথম মেচত নিউজিলেণ্ডে 53 ৰাণত জয়লাভ কৰিছিল। পোনতে বেটিং কৰা নিউজিলেণ্ডে পাঁচ উইকেট হেৰুৱাই সংগ্ৰহ কৰে 184 ৰাণ। প্ৰত্যুত্তৰত অষ্ট্ৰেলিয়াই 17.3 অভাৰত 131 ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। আনহাতে, দ্বিতীয় মেচত নিউজিলেণ্ডে অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে চাৰি ৰাণত জয়লাভ কৰে। পোনতে বেটিং কৰা নিউজিলেণ্ডে সাত উইকেট হেৰুৱাই সংগ্ৰহ কৰে 219 ৰাণ। প্ৰত্যুত্তৰত অষ্ট্ৰেলিয়াই আঠ উইকেটত 215 ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে।

### আনএকাডেমী ৰ'ড ছেফটি বিশ্ব ছিৰিজ টি-২০ ক্ৰিকেট
## ৰায়পুৰত অনুশীলন আৰম্ভ ইণ্ডিয়া লিজেণ্ড দলৰ

**ৰায়পুৰ, ৩ মাৰ্চ ঃ** অহা পাঁচ মাৰ্চৰ পৰা 21 মাৰ্চলৈ ৰায়পুৰত অনুষ্ঠিত হ'ব আনএকাডেমী ৰ'ড ছেফটি বিশ্ব ছিৰিজ টি-20 ক্ৰিকেট প্ৰতিযোগিতা। প্ৰতিযোগিতাৰ প্ৰথমদিনা শচীন তেণ্ডুলকাৰৰ দল ইণ্ডিয়া লিজেণ্ডে খেলিব বাংলাদেশ লিজেণ্ডৰ বিৰুদ্ধে। উল্লেখ্য যে বাংলাদেশ নতুনকৈ আনএকাডেমী ৰ'ড ছেফটি বিশ্ব ছিৰিজ টি-20 ক্ৰিকেট প্ৰতিযোগিতাত অন্তৰ্ভুক্ত হৈছে। কৰ'নাৰ নিয়মৰ বাবে অষ্ট্ৰেলিয়াই নিজৰ নাম প্ৰত্যাহাৰ কৰাত এতিয়া বাংলাদেশে খেলিব। আজি ছত্তিছগড়ৰ একমাত্ৰ আন্তৰ্জাতিক ক্ৰিকেট ষ্টেডিয়াম বীৰ নাৰায়ন সিং আন্তৰ্জাতিক ষ্টেডিয়ামত অনুশীলন কৰে ইণ্ডিয়া লিজেণ্ডে। উল্লেখ্য যে শচীন তেণ্ডুলকাৰে নেতৃত্ব দিব লগা ভাৰতীয় দলত আছে বীৰেন্দ্ৰ সেৱাগ, যুৱৰাজ সিং, মহম্মদ কাঈফ, ইউছুফ পাঠান, নমন ওঝা, জাহিৰ খান, প্ৰজ্ঞান ওঝা, ন'ৱেল ডেভিদ, মুনাফ পেটেল, ইৰফান পাঠান আৰু মনপ্ৰীত গোনি। উল্লেখ্য যে কৰ'নাৰ বাবে বিগত বৰ্ষত প্ৰতিযোগিতাৰ মাজতে বন্ধ হোৱা আনএকাডেমী ৰ'ড ছেফটি বিশ্ব ছিৰিজ টি-20 ক্ৰিকেট এইবাৰ পুনৰ আৰম্ভ হ'ব। প্ৰতিযোগিতাত এইবাৰ পাঁচটা দলৰ পৰিবৰ্তে মুঠ ছটা দলে খেলিব। নতুনকৈ অন্তভূক্ত হৈছে ইংলণ্ড দল। উল্লেখ্য যে ভাৰতৰ লগতে বিশ্বৰ ক্ৰিকেট মহাতাৰকাৰ সমাবেশ হ'ব লগা এই প্ৰতিযোগিতাত অংশ ল'ব ইংলণ্ড, বাংলাদেশ, দক্ষিণ আফ্ৰিকা, ৱেষ্ট ইণ্ডিজ আৰু শ্ৰীলংকাই।



### দুই জুলাইত অসম ক্ৰীড়া সাংবাদিক সন্থাৰ বাৰ্ষিক বঁটা বিতৰণী অনুষ্ঠান
## মাৰ্চতে মুকলি হ'ব ৰাজ্যৰ প্ৰথমটো ক্ৰীড়া পুথিভঁৰাল

**গুৱাহাটী, ৩ মাৰ্চ ঃ** অসম ক্ৰীড়া সাংবাদিক সন্থাই ৰাজ্যৰ বৌদ্ধিক ক্ষেত্ৰখনৰ বিকাশৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্যত প্ৰথমটো ক্ৰীড়া পুথিভঁৰাল স্থাপনৰ যাৱতীয় প্ৰস্তুতি চলাইছে। এই পুথিভঁৰালটোত ক্ৰীড়া সাহিত্যৰ সংৰক্ষণাগাৰ, তথ্য আৰু নথি-পত্ৰ সংগৃহীত কৰা হ'ব। ঘাইকৈ পুথিভঁৰালটোক ক্ৰীড়া তথ্যকেন্দ্ৰ হিচাপে গঢ়ি তোলা হ'ব। ইতিমধ্যে নেহৰু ষ্টেডিয়ামত থকা অসম ক্ৰীড়া সাংবাদিক সন্থাৰ কাৰ্যালয়ত পুথিভঁৰালটোৰ বাবে আন্তঃগাঁথনি নিৰ্মাণ কৰা হৈছে আৰু মাৰ্চৰ ভিতৰতে পুথিভঁৰালটো মুকলি কৰা হ'ব। পুথিভঁৰালটোৰ বাবে বিভিন্ন গ্ৰন্থ, নথি আদি দান কৰাৰ বাবে অসম ক্ৰীড়া সাংবাদিক সন্থাৰ শুভাকাংক্ষীসকলক আহ্বান জনাইছে সন্থাৰ সভাপতি সুবোধ মল্ল বৰুৱাই। ইফালে, অসম ক্ৰীড়া সাংবাদিক সন্থাই ক্ৰীড়াবিদৰ বাবে বাৰ্ষিক ক্ৰীড়া বঁটা পুনৰ আৰম্ভ কৰিব। এই বঁটা অহা 2 জুলাইৰ বিশ্ব ক্ৰীড়া সাংবাদিক দিৱস উপলক্ষে প্ৰদান কৰা হ'ব। এই উদ্দেশ্যে সুবোধ মল্ল বৰুৱাক অধ্যক্ষ, বিদ্যুৎ কলিতা, মৃদুমলয় লুখুৰাখন, কৌছভ বৰুৱা আৰু প্ৰাৰ্থনা হাজৰিকাক সদস্য হিচাপে লৈ এখন কমিটী গঠন কৰা হৈছে। অসম ক্ৰীড়া সাংবাদিক সন্থাৰ যুটীয়া সম্পাদক ধীৰেন শৰ্মাক কমিটীখনক সহায় কৰিব পৰাকৈ নোডেল অফিচাৰ হিচাপে মনোনীত কৰা হৈছে। কমিটীখনে বিভিন্ন শাখাৰ বঁটাৰ বাবে এখন তালিকা প্ৰস্তুত কৰিব আৰু সন্থাৰ সকলো সদস্যই ভোটৰ জৰিয়তে বঁটাপ্ৰাপকৰ নাম বাছনি কৰিব।



## অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ





**গুৱাহাটী, ৩ মাৰ্চ ঃ** অসম ক্ৰিকেট সন্থাই আয়োজন কৰা তৃতীয় অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ আন্তঃমাণ্ডলিক ৰাউণ্ডৰ আজি নগাঁৱত হোৱা মধ্য মণ্ডলৰ মেচত সন্মিলন সংঘৰ বিৰুদ্ধে সাত উইকেটত জয়লাভ কৰে টাউন ক্লাবে। ইফালে, মঙলদৈত হোৱা উত্তৰ অসম মণ্ডলৰ মেচত বিশ্বনাথ ব্লু ৱাৰিয়ৰ্ছ ক্লাবে ন উইকেটত জয়লাভ কৰে টাউন ক্লাব মঙলদৈৰ বিৰুদ্ধে। সোণাৰিত হোৱা উজনি অসম মণ্ডলৰ মেচত সোনাৰি টাউন ক্লাবে পাঁচ ৰাণত হৰুৱাই ক্ৰিকেট ক্লাব অব ডিব্ৰুগড় দলক। ইফালে, যোৰহাটত হোৱা উজনি অসম মণ্ডলৰ মেচত মাৰিন ক্লাবে 102 ৰাণত জয়লাভ কৰে ক্ৰিকেট ক্লাব অৱ নাজিৰাৰ বিৰুদ্ধে। উল্লেখ্য যে মুঠ 88.50 লাখ প্ৰাইজমানি থকা তৃতীয় অসম প্ৰীমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ তিনিটা পৰ্যায়ত আয়োজন কৰিছে অসম ক্ৰিকেট সন্থাই। প্ৰথমে অনুষ্ঠিত হৈছে জিলা, বিশ্ববিদ্যালয় আৰু ছাব জুনিয়ৰ পৰ্যায়ৰ মেচ। দ্বিতীয় স্তৰত মণ্ডলিক পৰ্যায়ত অনুষ্ঠিত হৈ আছে। অহা 12 মাৰ্চলৈ দ্বিতীয় ৰাউণ্ডৰ মেচ অনুষ্ঠিত হ'ব। আনহাতে, ফাইনেল ৰাউণ্ডৰ মেচ অনুষ্ঠিত হ'ব 14-31 মাৰ্চলৈ। ছটা মণ্ডলৰ পৰা 12 টা দলে খেলিব ফাইনেল ৰাউণ্ডৰ মেচ। উল্লেখ্য যে তৃতীয় অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ চেম্পিয়ন দলে লাভ কৰিব 15 লাখ টকা। ৰানাৰ্ছ আপ দলে পাব 7.5 লাখ টকা। মণ্ডলৰ চেম্পিয়ন দলে 1.5 লাখ টকা লাভ কৰাৰ বিপৰীতে মণ্ডলৰ ৰানাৰ্ছ আপ আৰু জিলাৰ চেম্পিয়নে এক লাখ টকা লাভ কৰিব।

### সীমান্ত গগৈ সোঁৱৰণী ফুটবল প্ৰতিযোগিতা
## ছেমিত যোৰহাট জিলা ছাত্ৰ সন্থা

**অগ্ৰদূত বাৰ্তা, মৰিয়নি, ৩ মাৰ্চ ঃ** চলিত সীমান্ত গগৈ সোৱৰণী ফুটবল প্ৰতিযোগিতাত প্ৰথমটো দল ৰূপে ছেমিফাইনেলত প্ৰৱেশ কৰিছে যোৰহাট জিলা ছাত্ৰ সন্থাৰ দলে। আজি বাপুজী ষ্টেডিয়ামত হোৱা ফুটবল প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত যোৰহাট জিলা ছাত্ৰ সন্থাৰ দলে টাইব্ৰেকাৰত 6-0 গ'লৰ ব্যৱধানত পৰাস্ত কৰে নাকছাৰী আঞ্চলিক ছাত্ৰ সন্থাক। ইফালে, কঠালগুৰি চাহ বাগিচাত হোৱা মেচত চেলেংহাট আঞ্চলিক ছাত্ৰ সন্থাই টাইব্ৰেকাৰত 6-5 গ'লৰ ব্যৱধানত পৰাস্ত কৰে উত্তৰ-পশ্চিম যোৰহাট আঞ্চলিক ছাত্ৰ সন্থাক। ইফালে, নাগাধুলি চাহ বাগিছাৰ খেলপথাৰত হোৱা মেচত তিতাবৰ আঞ্চলিক ছাত্ৰ সন্থাই 1-0 গ'লৰ ব্যৱধানত পৰাস্ত কৰে টিয়ক আঞ্চলিক ছাত্ৰ সন্থাক। উল্লেখ্য যে যোৰহাট জিলা ছাত্ৰ সন্থা আৰু মৰিয়নি আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত মৰিয়নিত আৰম্ভ চলি আছে সীমান্ত গগৈ সোৱৰণী ফুটবল প্ৰতিযোগিতা।



## নগাঁও ভলীবল ক্লাব চেম্পিয়ন

**অগ্ৰদূত বাৰ্তা, বেবেজীয়া, ৩ মাৰ্চ ঃ** নগাঁও ভলীবল ক্লাবে কলিয়াবৰৰ শাকমুঠা চাহ বগিছাত উদয় ক্লাবে আয়োজন কৰা ভলীবল প্ৰতিযোগিতাত চেম্পিয়ন হৈছে। প্ৰাইজমানি দিবা-নৈশ ভলীবল প্ৰতিযোগিতাখনৰ ফাইনেলত নগাঁও ভলীবল ক্লাবে 25-17, 25-15 ৰ ব্যৱধানত পৰাস্ত কৰে ধিং প্ৰশিক্ষন কেন্দ্ৰক। উল্লেখ্য যে ইয়াৰপূৰ্বে ছেমিফাইনেলত নগাঁও ভলীবল ক্লাবে পৰাস্ত কৰিছিল শাকমুঠা চাহ বগিছা দলক। আনহাতে, ধিং প্ৰশিক্ষন কেন্দ্ৰই ছেমিফাইনেলত কেলিভেন চাহ বাগিচা দলক পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে।



## প্ৰথম টেষ্টত আফগানিস্তানৰ বিৰুদ্ধে জিম্বাব'ৱেৰ জয়

**আবুঢাবি, ৩ মাৰ্চ ঃ** জিম্বাৱ'ৱে আফগানিস্তানৰ বিৰুদ্ধে খেলা প্ৰথমখন টেষ্টত 10 উইকেটত জয়লাভ কৰিছে। উল্লেখ্য যে আবুঢাবিত অনুষ্ঠিত হোৱা দুখনীয়া টেষ্ট শৃংখলাটোৰ প্ৰথম মেচত জয়ৰে জিম্বাব'ৱে 1-0 ৰ অগ্ৰগতি লৈছে। টেষ্টখনত পোনতে বেটিং কৰি আফগানিস্তানে মাত্ৰ 131 ৰাণতে



প্ৰথম ইনিংছ সামৰে। প্ৰত্যুত্তৰত, জিম্বাব'ৱে প্ৰথম ইনিংছ আৰম্ভ কৰি 250 ৰাণ কৰে আৰু 119 ৰাণৰ অগ্ৰগতি লাভ কৰে। উল্লেখ্য যে জিম্বাব'ৱেৰ হৈ প্ৰথম ইনিংছত শতক অৰ্জন কৰে দলৰ অধিনায়ক ষ্টেন উইলিয়ামছে (105 ৰাণ)। ইফালে, প্ৰথম ইনিংছত বেটিং বিপৰ্যয়ৰ সন্মুখীন হোৱাৰ পাছত আফগানিস্তানে দ্বিতীয় ইনিংছতো দৃঢ়তাৰে বেটিং কৰিব নোৱাৰিলে। দলে 135 ৰাণতে দ্বিতীয় ইনিংছ সামৰে। ইব্ৰাহিমে 76 ৰাণ কৰে। ইফালে, জিম্বাব'ৱেক জয়ৰ বাবে প্ৰয়োজন হোৱা 17 ৰাণ দলে কোনো উইকেট নেহেৰুৱাকৈ সংগ্ৰহ কৰে আৰু 10 উইকেটত জয়লাভ কৰি শৃংখলাত 1-0 ৰ অগ্ৰগতি লয়। মেচৰ শ্ৰেষ্ঠ হয় জিম্বাব'ৱেৰ হৈ প্ৰথম ইনিংছত শতক অৰ্জন কৰা দলৰ অধিনায়ক ষ্টেন উইলিয়ামছ।



# আইপিএছ বিষয়াৰ ৰূপত ঈৰ্ষান্বিত হ'ব বলিউদৰ নায়িকাও

## বিয়াৰ বাবে অতিক্ৰম কৰিছিল ৫৬৫ কিলোমিটাৰ দূৰত্ব

■ নিউজ ব্যুৰ'

**পাটনা, ৩ মাৰ্চ ঃ** বুদ্ধিমতী আৰু ৰূপৱতী, এই দুয়োটা উপমাই তেওঁৰ স'তে সকলো সময়তে ৰজিতা খোৱা। গণিতৰ সকলো কঠিন সমস্যা পৰীক্ষাৰ বহীত নিমিষতে সমাধান কৰিব পাৰিছিল। কেৱল গণিতেই নহয়; ইংৰাজী, ভূগোল, ইতিহাস, দেশৰ সংবিধান আদি প্ৰায় সকলো বিষয়তে তেওঁৰ জ্ঞান ঈৰ্ষণীয়। বিভিন্ন পত্ৰিকাৰ পাতত তেওঁৰ অবাধ বিচৰণৰ সমান্তৰালকৈ সামাজিক মাধ্যমতো তেওঁ অতি পৰিচিত মুখ। ইনষ্টাগ্ৰামত তেওঁক দেখিলে যিকোনো লোকেই টিক্‌টক তাৰকা বা বলিউদৰ নায়িকা বুলি ভুল কৰিব পাৰে। কিন্তু এইবোৰৰ স'তে তেওঁৰ কোনো সম্পৰ্ক নাই। এই সুন্দৰী যুৱতী আচলতে বিহাৰৰ এগৰাকী আইপিএছ বিষয়া। নৱজ্যোৎ ছিমি নামৰ এই আৰক্ষী বিষয়াগৰাকীয়ে ২০২০ত আইপিএছ পৰীক্ষাত উত্তীৰ্ণ হৈছিল।

ইয়াৰ পূৰ্বে নৱজ্যোতে পিচিএছ (পঞ্জাৱ চিভিল ছাৰ্ভিচ) বিষয়াৰূপে চাকৰিত যোগ দিছিল। পঞ্জাৱৰ এক অনুসূচীত জাতিৰ পৰিয়ালত জন্ম নৱজ্যোতৰ। পিতৃ আছিল এটা ৰাষ্ট্ৰীয়কৃত বেংকৰ বিষয়া। মাতৃ এগৰাকী গৃহিণী। অনুসূচীত জাতিৰ হোৱা বাবে শৈশৱত তেওঁ প্ৰতিবেশী, বন্ধু-বান্ধৱৰ পৰা প্ৰায়েই কটাক্ষৰ সন্মুখীন হৈছিল। সেই বাবেই তেওঁ শৈশৱৰ পৰা চৰকাৰী উচ্চপদত চাকৰি কৰাৰ সপোন দেখিছিল। পঞ্জাৱৰ এখন বেচৰকাৰী স্কুলত অধ্যয়ন কৰাৰ পাছত নৱজ্যোতে লুধিয়ানাৰ বাবা যশোৱন্ত সিং দন্ত মহাবিদ্যালয়ৰ পৰা স্নাতক হয়। ইয়াৰ পাছত তেওঁ দন্ত চিকিৎসকৰূপে কৰ্মত নিয়োজিত হয়। অৱশ্যে নৱজ্যোতৰ স্বপ্ন আছিল আইপিএছ হোৱাৰ। সেয়ে দন্ত চিকিৎসকৰূপে দায়িত্ব পালনৰ সমান্তৰালকৈ তেওঁ কেন্দ্ৰীয় লোকসেৱা আয়োগৰ পৰীক্ষাৰ বাবে প্ৰস্তুতি অব্যাহত ৰাখিছিল। নতুন দিল্লীত তেওঁ ব্যক্তিগত শিক্ষকৰ সহায়ো লয়। প্ৰথম প্ৰচেষ্টাতে আইপিএছ হোৱাটো কোনো মুখৰ কথা নহয়। ২০১৬ত তেওঁ প্ৰথমে পিচিএছ বিষয়া হয়। চিকিৎসা সেৱা ত্যাগ কৰি তেওঁ প্ৰশাসনিক পদত যোগ দিয়ে। তাৰ পাছৰ হছৰতে নৱজ্যোতে আইপিএছ পৰীক্ষাত উত্তীৰ্ণ হয়। সমগ্ৰ দেশত তেওঁ ৭৩৪ নম্বৰ স্থান পায়। সম্প্ৰতি তেওঁ পাটনাত কৰ্মৰত হৈ আছে।



এগৰাকী আৰক্ষী বিষয়া হোৱা সত্ত্বেও নৱজ্যোতক দেখিলে বলিউদৰ নায়িকা বুলিয়ে ভুল হ'ব পাৰে। বিশেষকৈ বিভিন্ন সাজ-সজ্জাৰে ফটো উঠাৰ চখো তেওঁৰ আছে। অপূৰ্ব সুন্দৰী নৱজ্যোতক দেখিলে কোনেও নক'ব যে তেওঁ প্ৰকৃততে এগৰাকী আৰক্ষী বিষয়াহে। কাৰণ তেওঁৰ সৌন্দৰ্য এগৰাকী বলিউদৰ নায়িকা হোৱাৰ বাবে যথেষ্ট। এই অপূৰ্ব ৰূপৱতী আইপিএছ বিষয়াগৰাকীয়েই সম্প্ৰতি নিজৰ প্ৰেম আৰু বিবাহৰ বাবে বিশেষ চৰ্চাৰ কেন্দ্ৰবিন্দু হৈ পৰিছিল।২০১৫ৰ ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়া তুষাৰ ছিংলাৰ স'তে প্ৰেমৰ সম্পৰ্ক গঢ়ি উঠিছিল নৱজ্যোতৰ। আইএএছ বিষয়া ছিংলা সম্প্ৰতি পশ্চিমবংগত নিয়োজিত হৈ আছে। যোৱা ভেলেণ্টাইন ডেৰ দিনা প্ৰেমিকক কাষত পোৱাৰ বাবেই নৱজ্যোতে পাটনাৰ পৰা ৫৬৫ কিলোমিটাৰ পথ অতিক্ৰম কৰি পশ্চিমবংগৰ উলুবেড়িয়াত উপস্থিত হৈছিল। দীৰ্ঘদিন ধৰিয়েই তেওঁলোকৰ প্ৰেমৰ শুভ পৰিণতিত বাধাৰ সৃষ্টি কৰি আহিছিল নিজ নিজ কৰ্মই। সেয়ে বিবাহপাশত আবদ্ধ হোৱাৰ বাবেই নৱজ্যোতে ভেলেণ্টাইন ডেত আহি প্ৰেমিক তুষাৰৰ কাৰ্যালয়ত উপস্থিত হয়। তাতেই দুয়ো আদালতত বিবাহৰ পঞ্জীয়ন কৰায়। অৱশ্যে কামৰ চাপত এই পৰ্যন্ত তেওঁলোকে কোনো অনুষ্ঠানৰ আয়োজন কৰিব পৰা নাই। কিছুদিনৰ পূৰ্বে নৱজ্যোৎ ব্যস্ত আছিল বিহাৰৰ নিৰ্বাচনত। এতিয়া প্ৰেমিক তুষাৰ ব্যস্ত হৈ আছে পশ্চিমবংগৰ আগন্তুক নিৰ্বাচনক কেন্দ্ৰ কৰি। নিৰ্বাচনৰ পাছতে দুয়ো ধুমধামেৰে বিবাহৰ আয়োজন কৰিব বুলি সংবাদ মাধ্যমক জনাইছে।

APOLLO HOSPITALS CHENNAI
ORTHOPAEDIC SURGEON
ডাঃ এ নাভালাদি শংকৰ MBBS, MS, MS D.ORTHO, DNB (Ortho Surgery) FACS (Germany)
কেৱল পৰামৰ্শৰ বাবে অহা ১৩-৩-২০২১ তাৰিখে পাঠশালাত উপস্থিত থাকিব।
কম্পিউটাৰ সহায়কৃত অৰ্থ'পেডিক চাৰ্জাৰী, হিপ আৰু নি ৰিপ্লেচমেণ্ট, অৰ্থস্কপিক চাৰ্জাৰী, আধুনিক ফ্ৰেক্সাৰ ট্ৰিটমেণ্ট, কংকাল আৰু আৰ্টুৰ বিষ আদি সমস্যাত ভোগা ৰোগীয়ে পৰামৰ্শৰ বাবে আগতীয়াকৈ তলৰ ঠিকনাত নাম পঞ্জীয়ন কৰিব পাৰে।
APOLLO HOSPITALS INFORMATION CENTER
Pathsala Milanpur Bhutan Road, Barpeta, Assam
Contact : 8939232505, 8939232502

